# আত্মোপলব্ধি

# আত্মোপলব্ধি

গোপাল জালান

বিশাল প্ৰকাশন
গুৱাহাটী- ০৩

**ATMOPALABDHI**

A collection of articles written by Gopal Jalan
and published by Brajendra Nath Deka on behalf of
Bishal Prakashan, Chandmari, Guwahati- 3.
First Edition : October, 2020 Price : Rs. 200/- only

---

ISBN : 978-93-82587-31-6

# আত্মোপলব্ধি

গ্ৰন্থস্বত্ব ঃ লেখক
প্ৰকাশক ঃ বিশাল প্ৰকাশন
গুৱাহাটী- ৩
ফোন ঃ ৯৮৬৪০৩৮৮১৪
প্ৰথম প্ৰকাশ ঃ অক্টোবৰ, ২০২০
মূল্য ঃ ২০০/- টকা
বেটুপাত ঃ মনজিত মালাকৰ
আৰ্হিপাঠ/অক্ষৰ বিন্যাস ঃ প্ৰণৱ কলিতা
অংগসজ্জা ঃ দুৰ্গাপ্ৰসাদ হাজৰিকা
মুদ্ৰণ ঃ বিশাল অফছেট প্ৰেছ
চানমাৰি, গুৱাহাটী- ৩

**উচৰ্গা...**

পিতৃ-মাতৃৰ চৰণত...

# সময়ৰ উপলব্ধি, ‘আত্মোপলব্ধি’

গোপাল জালানৰ ‘আত্মোপলব্ধি’, সময়ৰ বিভিন্ন ঘটনাৰ উপলব্ধিত ৰচনা কৰা ভালেসংখ্যক প্ৰবন্ধৰ সমাহাৰ। গোপাল জালানে ইয়াৰ পূৰ্বেও কে’বাখনো সংকলনত তেওঁৰ বিভিন্ন সময়ৰ ৰচনা প্ৰকাশ কৰিছে। উপলব্ধি সদায় আত্মবিশ্বাসৰ ফলত প্ৰাপ্ত হয়, আৰু শব্দৰূপে প্ৰকাশ কৰাৰ সাহস আহে। আত্মশক্তি উপলব্ধিয়ে আত্মবিশ্বাস আনে, আৰু এখন ভাল পৃথিৱী গঢ়াত সহায় কৰে, এয়া দালাই লামাই কোৱা কথা (With realization of one’s own potential and self-confidence in one ability, one can build a better world)।

‘আত্মোপলব্ধি’ৰ ৰচনাবোৰ দুভাগত বিভক্ত কৰিব পাৰি। এভাগ সম্পূৰ্ণৰূপে বিশেষ কিছুমান ঘটনা প্ৰৱাহৰ বাবে হোৱা সাময়িক উপলব্ধি। উদাহৰণ স্বৰূপে— ‘মহিলাৰ সুৰক্ষা কবচ হ’ল তিনি তালাক আইন’, ‘পদপথত দুচকীয়া বাহন চলোৱাৰ প্ৰতিযোগিতা’ ইত্যাদি। আনসমূহ ৰচনা জীৱনৰ উপলব্ধিৰে জীৱন আৰু জগতৰ পৰিবৰ্তনক গভীৰ দৃষ্টিৰে কৰা বিশ্লেষণ।

সংখ্যাত কম হ'লেও এই ৰচনাসমূহৰ ভাৱনাৰ সীমাবদ্ধতা নাই। আহাৰমহীয়া ৰ'দ, স্পৰ্শানুভূতি, নিজৰ কৰণীয় আদি ৰচনাত আছে এক জীৱনবোধ আৰু সময় পৰিবৰ্তনৰ ইংগিত। যিকোনো সময়তে এনে ৰচনাসমূহৰ গুৰুত্ব অধিক।

গোপাল জালান সমাজ-সংস্কৃতি সচেতন ব্যক্তি বাবে, এনে ঘটনা-পৰিঘটনাবোৰক সূক্ষ্ম দৃষ্টিভংগীৰে পৰীক্ষা কৰিছে, অনুভৱ কৰিছে। বহু মানুহেই এই ঘটনা-পৰিঘটনাবোৰৰ সাক্ষী হৈছে। কিন্তু দেখিছে, গ্ৰহণ কৰিছে বা পাহৰি গৈছে দৈনন্দিন জীৱন পৰিক্ৰমাত। গোপাল জালানে উপলব্ধিৰে লিখিছে, পাঠকক বিলাই দিছে, এই সামাজিক ধৰ্ম এজন দায়িত্বৱান লেখকৰহে থাকে। 'আত্মোপলব্ধি' পঢ়ি পাঠকে ভাল পাব, কাৰণ এই ৰচনাবোৰ প্ৰত্যেকৰে জীৱনৰ অংশ। গোপাল জালানলৈ মোৰ হিয়াভৰা শুভ-ইচ্ছা থাকিল। তেওঁৰ কলম সজীৱ হৈ থকাৰ কামনাৰে——

**অনুৰাধা শৰ্মা পূজাৰী**

# লেখকৰ একাষাৰ

প্ৰতিনিয়ত আমাৰ সন্মুখত বহুতো ঘটনা-পৰিঘটনা সংঘটিত হৈ থাকে। এইবোৰৰ কিছুমানে আমাৰ মন-মগজুত ক্ৰিয়া কৰে আৰু কিছুমানক ইচ্ছা কৰিয়ে আওকাণ কৰা হয়। যিটো বিষয় উপলব্ধি কৰা হয় সেইটোৱেই দৰাচলতে মন-মগজুত ক্ৰিয়া কৰে। সেইবাবেই কিছুমান কথা বা বিষয়ে আমাৰ মনত সহজেই খোপনি পোতে। সাধাৰণতে আত্মোপলব্ধি কৰা বিষয়বোৰহে মানুহে বিশ্লেষণ কৰে। সমাজত প্ৰতিনিয়ত সংঘটিত হৈ থকা ঘটনাসমূহৰ বিশ্লেষণ হোৱাটো অত্যন্ত গুৰুত্বপূৰ্ণ বিষয়। কাৰণ এইবোৰৰ উপযুক্ত বিশ্লেষণ হ'লেহে সমাধানৰ পথ প্ৰশস্ত হয়। সমাজখন সমস্যাৰে পৰিপূৰ্ণ। এই সমস্যাবোৰৰ কিছুমানৰ সমাধানৰ পথ প্ৰশস্ত হয় আৰু আন কিছুমান সদায় সমস্যা হিচাপেই থাকি যায়। পৃথিৱীত এনে কোনো সমস্যা নাই— যিবোৰৰ সমাধানৰ পথ নাথাকে। প্ৰয়োজন মাথোঁ সদিচ্ছাৰ। সমাজৰ কিছু লোকে কিছুমান সমস্যাক সদায় সমাধানহীন সমস্যা হিচাপেই জীয়াই ৰাখিব খোজে একমাত্ৰ স্বাৰ্থসিদ্ধিৰ বাবে। সমস্যা সমাধান আৰু যিকোনো

বিষয় বিশ্লেষণ কৰাটো সকলোৰে দায়িত্ব। কাৰণ সমাজত সুস্থ পৰিবেশ আৰু সকলোৰে শান্তিপূৰ্ণভাৱে জীয়াই থাকিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন— সেইবোৰ সৃষ্টিত প্ৰতিগৰাকী ব্যক্তিয়ে অৰিহণা যোগোৰাটো কৰ্তব্য আৰু দায়িত্ব। এই প্ৰসংগত জৰ্জ ইলিয়টৰ এটি বাক্য উল্লেখ কৰিব পাৰি— The reward of one duty is the power to fulfill another. আমেৰিকাৰ প্ৰাক্তন ৰাষ্ট্ৰপতি আব্ৰাহাম লিংকনেও কৰ্তব্য সন্দৰ্ভত কৈছিল— Lets have faith that right makes might; and in that faith us, to the end dare to do our duty as we understand it. সমাজৰ লোকসকলে যেতিয়া সন্মুখত সৃষ্টি হোৱা সমস্যা বা জটিলতা আঁতৰ কৰিবলৈ দৃঢ় প্ৰতিজ্ঞাবদ্ধ হয় তেতিয়া ইয়ে পৰৱৰ্তী সময়ত সমাজখনক ভাঙোনমুখী হোৱাৰ পৰা ৰক্ষা কৰে। সেইবাবে প্ৰতিগৰাকী ব্যক্তিৰ জীৱনত আত্মোপলব্ধিৰ প্ৰয়োজন। আত্মোপলব্ধি অন্তৰ্দৰ্শনৰ বিষয়। কোনো ব্যক্তিকে হেঁচা প্ৰয়োগ কৰি কোনো এটা বিষয় উপলব্ধি কৰোৱাটো অসম্ভৱ। দৰ্শনেন্দ্ৰিয়, শ্ৰৱণেন্দ্ৰিয় আৰু মনৰ মাজত সংযোগ হ'লেহে যিকোনো বিষয় উপলব্ধি কৰিব পাৰি।

সমাজত প্ৰতিটো ক্ষেত্ৰত প্ৰতিফলিত কিছুমান বিষয় তথা সাম্প্ৰতিক সমাজ ব্যৱস্থা আৰু নৱ প্ৰজন্মৰ মানসিকতাৰে কিছুমান বিষয় বিভিন্ন বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ কৰিছিলোঁ। এই লেখনিসমূহ একত্ৰিত কৰি মোৰ অষ্টমখন গ্ৰন্থ 'আত্মোপলব্ধি' প্ৰকাশ কৰাৰ বাবে আগ বাঢ়ি অহা বিশাল প্ৰকাশনক ধন্যবাদ জ্ঞাপন কৰিছোঁ। এইক্ষেত্ৰত বিভিন্ন দিহা-পৰামৰ্শ আগবঢ়োৱা বিশাল প্ৰকাশনৰ স্বত্বাধিকাৰ ব্ৰজেন্দ্ৰ নাথ ডেকাক ধন্যবাদ জ্ঞাপন কৰিছোঁ। আশাকৰো পাঠকসমাজে এই গ্ৰন্থখন আঁকোৱালি ল'ব।

**গোপাল জালান**

# সূচীপত্ৰ


- হতাশাৰ মাজত মৃৎশিল্পী ১৫
- ফেশ্বনৰ বাবে নহয় মাস্ক ১৮
- গুৰু-শিষ্যৰ সম্পৰ্ক সুদৃঢ় কৰাত অভিভাৱকৰ ভূমিকা ২১
- পক্ষীকুলৰ প্ৰতি হওক দায়বদ্ধ ২৪
- বৰদোৱা-বটদ্ৰৱা হওক পৰ্যটনৰ কেন্দ্ৰবিন্দু ২৬
- পদপথৰ ব্যৱসায়ীৰ বাবে নিৰ্মাণ কৰক একে আৰ্হিৰ গৃহ ২৯
- এতিয়াও বাণিজ্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ জলপথ ৩২
- ৰাফেল ঃ ভাৰতীয় বায়ুসেনাৰ অমোঘ অস্ত্ৰ ৩৫
- ৰাষ্ট্ৰীয় টিভি চেনেলবোৰ সুশান্তমুখী ৩৮
- মাস্ক পৰিধান নকৰা ব্যক্তিৰ জৰিমনা বৃদ্ধি কৰক ৪১
- মহিলাৰ সুৰক্ষা কৱচ হ'ল 'তিনি তালাক' আইন ৪৪
- ভাৰতৰ বিৰুদ্ধে পাক সেনা-সন্ত্ৰাসবাদীৰ যুঁজৰ অন্ত কেতিয়া? ৪৭
- মৃত্যু দেখিও শংকিত নহয় বীৰ ছহিদ পৰিয়াল ৫১
- চন্দ্ৰ অভিযান ব্যৰ্থ হ'লেও সফল বিজ্ঞানী ৫৪
- পেঞ্চনপ্ৰাপ্ত শিল্পী-সাহিত্যিকক প্ৰয়োজন বিশেষ সম্বৰ্ধনাৰ ৫৬
- সন্তানৰ প্ৰতি থকা অন্ধ প্ৰেমৰ পৰিণতি ৫৯

- নিজৰ কৰণীয় ৬১
- চুলাইৰ বেহা, শতাধিকৰ প্ৰাণ নাশ আৰু ... ৬৩
- চিটি বাছ, পথৰ সংকেত আৰু নিয়ম ৬৭
- দলঙৰ মাজত পাৰ্কিং, ছেল্‌ফি কিয়? ৭০
- গুট্‌খাৰ বিৰুদ্ধে সকলোৱে হওক সজাগ ৭২
- ধূলিময় কুঁৱলী আৰু ১৯৫২ৰ ডিচেম্বৰৰ লণ্ডনৰ ভয়াৱহ প্ৰদূষণ ৭৪
- বিশ্ব বাণিজ্যৰ অন্যতম কেন্দ্ৰ হোৱাৰ পথত ঢাকা ৭৭
- প্ৰদূষণ প্ৰতিৰোধৰ বাবে আইনতকৈ সতৰ্কতাৰহে প্ৰয়োজন ৮০
- আকৰ্ষণীয় দুৰ্গা মূৰ্তিৰ আঁৰৰ খনিকৰসকল ৮৩
- শিক্ষক দিৱস, প্ৰতিবাদী কাৰ্যসূচী আৰু গুৰু-শিষ্যৰ সম্পৰ্ক ৮৬
- ছিংগাপুৰত অসম সাহিত্য সভাৰ বঁটা প্ৰদানৰ মধুৰ স্মৃতি ৮৯
- স্পৰ্শানুভূতি ৯৪
- অনুচ্ছেদ- ৩৭০ প্ৰত্যাহাৰ কাশ্মীৰ-লাডাখবাসীৰ বাবে আশাৰ বতৰা ৯৬
- চৰকাৰে 'এক ৰাষ্ট্ৰ এক অনুজ্ঞাপত্ৰ'ৰ ব্যৱস্থা কৰক ১০০
- ভিডিঅ' গেম কিয় নিষিদ্ধ? ১০২
- বান-খহনীয়া আৰু কৃষকৰ সপোন ১০৫
- অন্ধবিশ্বাস, ভণ্ড বাবা আৰু শিক্ষিত সমাজ ১০৮
- হেৰাই গ'ল গৰম বন্ধৰ আনন্দ ১১২
- আৱৰ্জনা ক'ত পেলাব ঃ পথত নে ডাষ্টবিনত? ১১৫
- আৰ্থিকভাৱে স্বচ্ছল লোকক বিশেষ সুবিধাৰ প্ৰয়োজননে? ১১৮
- ক্ৰীড়াংগণত সুপ্ত প্ৰতিভাৰ বিকাশত সহায় কৰক ১২০
- ৰাজহুৱা সম্পত্তিবোৰ পিকদানী কিয় কৰে? ১২২
- আহাৰমহীয়া ৰ'দ ১২৪
- পদপথত দুচকীয়া বাহন চলোৱাৰ প্ৰতিযোগিতা ১২৭
- বিৰোধী দলবিহীন সংসদ সংসদীয় গণতন্ত্ৰলৈ ভাবুকি ১৩০
- 'আধুনিক চাণক্য' কিয় অপ্ৰতিৰোধ্য ১৩২

■ ভাৰত-পাকিস্তানৰ খেলৰ উত্তেজনাৰ আঁৰত ১৩৫
■ আমাক আৰু এগৰাকী মাদাৰ টেৰেছাৰ প্ৰয়োজন ১৩৮
■ কেদাৰনাথত প্ৰধানমন্ত্ৰীৰ ধ্যান আৰু প্ৰাসংগিক চিন্তা ১৪০
■ পৰিবেশ সংৰক্ষণত মহিলাৰ ভূমিকা ১৪২
■ মহানগৰীত গজৰাজ-বনৰাজ ঃ দায়ী কোন? ১৪৪
■ পুৰাৰ সময় কিয় গুৰুত্বপূৰ্ণ ১৪৭
■ প্ৰধানমন্ত্ৰীৰ শৰীৰত যেতিয়া জিলিকে ফুলাম গামোচাই ১৪৯
■ মহাকাশতো শক্তিধৰ ৰাষ্ট্ৰ হ'ল ভাৰত ১৫২
■ গভীৰ হৈছে জল সংকট ১৫৫
■ কিয় সাব্যস্ত কৰিব লাগে ভোটাধিকাৰ? ১৫৮

# হতাশাৰ মাজত মৃৎশিল্পী
## মূৰ্তি নিৰ্মাণৰ ক্ষেত্ৰতো দোমোজা

শিল্পীসকলে সৃষ্টিশীল কামত ব্যস্ত থাকি ভাল পায়। নতুন নতুন সৃষ্টিৰে চমক দিবলৈ মনটোৱে প্ৰতিটো ক্ষণতে কিবা নহয় কিবা এটাৰ সন্ধান কৰি থাকে। এগৰাকী মহিলাই সন্তান প্ৰসৱৰ পাছত যি আনন্দ লাভ কৰে, যি সপোন দেখে সেয়া শিল্পীৰ নতুন সৃষ্টিৰ ক্ষেত্ৰতো ফুটি উঠে। সৃষ্টিৰ মাজেৰেই তেওঁলোক জীয়াই থাকিব খোজে। ধন-সম্পত্তি আদি সকলোবোৰেই তেওঁলোকৰ বাবে গৌণ। কঠোৰ জীৱন সংগ্ৰামৰ মাজতো শিল্পীসকলে সপোন দেখে নতুন চমকপ্ৰদ সৃষ্টিৰ।

মৃৎশিল্পীসকলো বছৰৰ বাৰ মাহেই ব্যস্ত থাকে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি প্ৰস্তুত কৰাত। তদুপৰি নিত্য-ব্যৱহাৰ্য আৰু উৎসৱ-পাৰ্বণ, বিবাহ-সবাহ ইত্যাদি মাংগলিক কাৰ্যত ব্যৱহাৰ কৰা মাটিৰ বাচন-বৰ্তনো সমানেই প্ৰস্তুত কৰে। ড্ৰইংৰুম আদিত সজাই থোৱা মাটিৰ বাচনো এইসকলৰ দ্বাৰাই প্ৰস্তুত কৰা হয়। তেওঁলোকে এইবোৰ সৃষ্টি কৰোতে যিমান সময় অতিবাহিত কৰে, কষ্ট কৰে সেই অনুপাতে মূল্য নাপায়। তথাপি নিজৰ কামখিনি নিজৰ মতেই কৰে। পৃথিৱীৰ কোনো গতিয়েই যেন তেওঁলোকৰ মনটোক বাধা দি ৰাখিব নোৱাৰে।

এতিয়া পিছে এইসকল মৃৎশিল্পীৰ নাই মনোবল। নাই কোনো উৎসাহ। তলাবন্ধই যেন সকলোবোৰ নিঃশেষ কৰি পেলাইছে। ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে দেশজুৰি চলা তলাবন্ধই তেওঁলোকৰ মনটো ভাঙিলে। সাধাৰণতে এইসকল শিল্পীয়ে শৰতৰ আগমনৰ লগে লগে ব্যস্ত হৈ পৰে বিভিন্ন পূজাৰ মূৰ্তি প্ৰস্তুত কৰিবলৈ। এইবাৰ পূজা আদি অনুষ্টুপীয়াকৈ অনুষ্ঠিত হ'ব যদিও নাথাকিব মৃণ্ময় মূৰ্তি তথা আলোকসজ্জা। কমসংখ্যক লোকৰ মাজতে সীমাবদ্ধ থাকিব পূজা। কাৰণ পূজাথলীত হেজাৰ হেজাৰ লোকৰ সমাগম হোৱা মানে সংক্ৰমণৰ আশংকা বৃদ্ধি। সেইবাবে আয়োজন বা পূজা কমিটীসমূহে মূৰ্তি নিৰ্মাণৰ বাবে অৰ্ডাৰ দিয়া নাই। সাধাৰণতে মৃণ্ময় শিল্পীসকলে বছৰৰ এই সময়ছোৱালৈকে অপেক্ষা কৰি থাকে। কাৰণ এই সময়তে সকলোৱে মূৰ্তি নিৰ্মাণ কৰাৰ বাবে অৰ্ডাৰ দিয়ে। অৰ্থাৎ চাহিদা বৃদ্ধি পায়। পৰিয়ালৰ প্ৰায়সংখ্যক লোকেই এইকেইদিন দিনে-নিশাই কষ্ট কৰে। তেওঁলোকে যিমান কষ্ট কৰে সেই অনুপাতে অৰ্থ উপাৰ্জন নহয় যদিও এই বৃত্তিটোক জীয়াই ৰাখিবলৈ সকলো ত্যাগ কৰে। উৰুখা পঁজাত থাকিয়ে সৃষ্টি কৰে সুন্দৰৰ। দেৱ-দেৱীৰ মৃণ্ময় মূৰ্তিবোৰেও প্ৰাণ উঠে শিল্পীসকলৰ হাতৰ পৰশত।

এতিয়া সেই পৰিৱেশ নাই। ক'ভিড- ১৯ৰ সংক্ৰমণে যেন শাৰদীয় উৎসৱৰ ব্যস্ততাৰ ছবিখন সলনি কৰিলে। মৃণ্ময় শিল্পীসকলেও উৰাদিহ পোৱা নাই— দৰাচলতে তেওঁলোকে মূৰ্তি প্ৰস্তুত কৰিব নে নকৰে। যদিহে ক'ৰোনাৰ প্ৰতিষেধক সকলোৰে বাবে শীঘ্ৰে সকলোৰে বাবে সম্ভৱ হয়, তেনেহ'লে হয়তো পূৰ্বৰ দৰে আনন্দময় পৰিৱেশ নিশ্চয় ঘূৰি আহিব। তেতিয়া হঠাতে জানো মূৰ্তিসমূহ নিৰ্মাণ কৰিব পাৰিব? নিশ্চয় নোৱাৰে। কিয়নো, মূৰ্তিসমূহ নিৰ্মাণ কৰোতে বহু সময়ৰ প্ৰয়োজন হয়। এইবোৰ কাম ভুকুতে কলটো পকোৱাৰ দৰে নহয়। এক নিৰ্দিষ্ট প্ৰক্ৰিয়া আৰু সময়ৰ মাজেৰেহে মৃণ্ময় মূৰ্তিসমূহ নিৰ্মাণ কৰাটো সম্ভৱ। মূৰ্তি নিৰ্মাণৰ কাম এৰাতিৰ ভিতৰতে গঢ় মৰাৰ দৰে কাম নহয়। সেইবাবে দোদুল্যমান অৱস্থাত আছে শিল্পীসকল।

শিল্পীৰ ভঁৰাল নাথাকে। কঠোৰ সংগ্ৰামৰ মাজেদি জীৱনৰ গতিপথত খোজ পেলায়। তেওঁলোকৰ মনত থাকে অপাৰ আনন্দ। এইবোৰৰ বাবে

তেওঁলোকে জীৱনত বৰ বেছি আশা নকৰে। অৰ্থ-ঐশ্বৰ্য-বিভূতি তেওঁলোকৰ বাবে গৌণ। কোনো প্ৰচাৰৰ বাবে এনে শিল্পীয়ে কাম নকৰে। এইবাৰ কিন্তু ক'ৰোনাই এইসকল শিল্পীৰ মনবোৰ ভাঙি পেলালে। নিৰাশাই যেন তেওঁলোকক আগুৰি ধৰিছে। উৰাদিহ নাপাই ক্ৰমশঃ হতাশগ্ৰস্ত হৈছে। এনে হতাশাৰ বাবে তেওঁলোকে নিজৰ নিজৰ কাৰ্য সম্পাদন কৰিব পৰা নাই। মনবোৰো গধুৰ হ'বলৈ ধৰাত ইয়াৰ প্ৰত্যক্ষ-পৰোক্ষ প্ৰভাৱ পৰিছে পৰিয়ালৰ ওপৰত।

মৃৎশিল্পীসকলক যদিহে এনে দুৰ্যোগৰ সময়ত সহায়ৰ হাত আগ বঢ়োৱা নহয়, তেনেহ'লে ভৱিষ্যতে এই শিল্প উদ্যোগটোৰ ওপৰত প্ৰভাৱ পৰিব। সময়ৰ পৰিৱৰ্তনৰ লগে লগে লাহে লাহে মৃৎশিল্পৰ প্ৰতি নতুন প্ৰজন্মৰ আকৰ্ষণ হ্ৰাস পাবলৈ ধৰিছে। আগতে যিবোৰ অঞ্চলত এনে শিল্পই গা কৰি উঠিছিল, এতিয়া তাত মাত্ৰ এখন গাঁও অথবা কেইটামান পৰিয়ালেহে মূৰ্তি আদি নিৰ্মাণ কাৰ্যত ব্যস্ত আছে। তেওঁলোকৰ অৱস্থাও পানীত হাঁহ নচৰাৰ দৰে। কেতিয়াবা যদি বানপানীয়ে তেওঁলোকৰ সামগ্ৰীসমূহ নষ্ট কৰিছে, আন কেতিয়াবা আকৌ আন বহুতো কাৰণত উপযুক্ত বজাৰ এখনৰ পৰা বঞ্চিত হ'বলগীয়া হৈছে। সামগ্ৰিকভাৱে মৃৎশিল্পীসকল অভাৱনীয়ভাৱে ক্ষতিগ্ৰস্ত হৈছে। যিহেতু সৃষ্টিয়েই তেওঁলোকৰ প্ৰাণ, সেয়েহে দুই নাৱত দুই ভৰি হৈছে। তেওঁলোকে পূজাৰ বাবে মূৰ্তি প্ৰস্তুত কৰিব নে নকৰে সেয়াই থিৰাং কৰিব পৰা নাই।

# ফেশ্বনৰ বাবে নহয় মাস্ক

ক'ৰোনা ভাইৰাছৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে বিশ্ব স্বাস্থ্য সংস্থাই প্ৰতিগৰাকী ব্যক্তিকে মাস্ক পৰিধানৰ লগতে সামাজিক ব্যৱধান ৰখা আৰু প্ৰয়োজন নহ'লে ঘৰৰ বাহিৰলৈ ওলাব নালাগে বুলি বাৰম্বাৰ সকীয়াই দিছে। ভাৰততো এই স্বাস্থ্য বিধি মানি চলিবলৈ দেশবাসীক প্ৰধানমন্ত্ৰীয়ে আহ্বান জনাইছে। চৰকাৰ, স্বাস্থ্য বিভাগ আদিয়ে প্ৰতি মুহূৰ্ততে মাস্ক পৰিধান কৰিবলৈ আহ্বান জনাইছে। চাবোনেৰে হাত ধোৱা অথবা ছেনিটাইজ কৰা আদিৰ বাবে যিমান প্ৰচাৰ চলাইছে বাস্তৱ ক্ষেত্ৰত প্ৰায়সংখ্যক লোকৰ মাজত ইয়াৰ এখন বিপৰীত ছবিহে ফুটি উঠিছে। ভাৰতৰ আন ৰাজ্যৰ লগতে অসমতো প্ৰায়সংখ্যক লোকেই মাস্ক পৰিধান নকৰাৰ মানসিকতাই গা কৰি উঠিছে। কিছুমান লোকে আকৌ মাস্কখন কাণত ওলোমাই লয়। একাংশই মুখখন ঢাকে যদিও আন কিছুমানে থুঁতৰিত ওলোমাই ৰাখে। মাস্ক পৰিধানৰ এয়া ভিন্ন ৰূপ।

মাস্কখন ফেশ্বনত পৰিণত হোৱা যেনহে পৰিলক্ষিত হৈছে। যি উদ্দেশ্যে ৰাইজক মাস্ক পৰিধান কৰিবলৈ পৰামৰ্শ আগ বঢ়োৱা হৈছে তাৰে প্ৰায়সংখ্যক লোকৰে নাই ভ্ৰূক্ষেপ। এই লোকসকলক দেখিলে ভাব হয় যেন তেওঁলোকৰ মৃত্যুলৈ ভয় নাই। ৰাজহুৱা স্থানত য'ত সংক্ৰমণৰ আশংকা অধিক, তাতো বহুতো লোকে মাস্ক পৰিধান কৰা নাই। সকলোৰে বুজা উচিত যে মাস্কখন কোনো ফেশ্বনৰ আহিলা নহয়। এইখন সোণ-ৰূপেৰেও প্ৰস্তুত কৰাৰ প্ৰয়োজন নাই। কাৰণ কিছুমান লোকে নিজৰ আভিজাত্যৰ ছবিখন ফুটাবলৈকে সোণ-ৰূপৰ মাস্ক পৰিধান কৰি সকলোৰে দৃষ্টি আকৰ্ষণ কৰিছে। এইবোৰ পাগলৰ প্ৰলাপৰ বাহিৰে আন একো নহয়।

মাস্কখন খেলৰ সামগ্ৰীও নহয়। খেলৰ সময়ত প্ৰয়োজন হ'লে পিন্ধিব আৰু মন নগ'লে খুলি থ'ব। এইখন এতিয়া আটাইতকৈ প্ৰয়োজনীয় উপাদান হৈ পৰিছে। দৈনন্দিন জীৱন যাপনৰ ক্ষেত্ৰত আন আন সামগ্ৰীৰ লগতে এইখনো এতিয়া প্ৰয়োজনীয় উপাদান হিচাপে গণ্য কৰিবলৈ বাধ্য হৈছে সংক্ৰমণ প্ৰতিৰোধৰ বাবে। প্ৰতিগৰাকী ব্যক্তিয়ে বুজা উচিত যে মাস্ক পৰিধান নকৰিলে যদিহে সংক্ৰমণ হয় তেনেহ'লে তেওঁৰ জীৱনলৈ সংশয় নামি আহিব পাৰে। তেতিয়া তেওঁৰ নিজৰ পৰিয়ালটো, ঘৰখন সুৰক্ষিত হৈ থাকিবনে? প্ৰত্যেকৰে নিজৰ ঘৰখন সুৰক্ষিত হৈ থাকিলে সমাজখনো সুৰক্ষিত হ'ব।

এতিয়া সমাজৰ একাংশ দুষ্ট প্ৰবৃত্তিৰ লোকে মাস্ক পৰিধান কৰি একো লাভ নাই বুলি সামাজিক মাধ্যমযোগে প্ৰত্যক্ষ বা পৰোক্ষভাৱে প্ৰচাৰ চলাই আছে। আন একাংশই আকৌ চৰকাৰৰ কাৰচাজি বুলি অপপ্ৰচাৰ চলাইছে। কিছু লোকে মাস্ক আদি পৰিধান কৰাটো ধৰ্মবিৰুদ্ধ কাৰ্য বুলি অপব্যাখ্যা কৰিছে। একাংশই আকৌ চৰকাৰে মাস্ক পৰিধান কৰিবলৈ দি মানুহৰ মনত শংকাৰ সৃষ্টি কৰিবলৈ পাং পতা বুলি ৰাইজৰ মাজত অপপ্ৰচাৰ চলাই আছে। এনেধৰণৰ অপপ্ৰচাৰৰ ফলত সমাজৰ এটা শ্ৰেণীয়ে এতিয়া মাস্ক পৰিধানৰ বিৰোধিতা কৰিছে। প্ৰকাশ্যে নহ'লেও পৰোক্ষভাৱে প্ৰচাৰ চলাইছে। এই লোকসকলক বুজালেও বুজিবলৈ চেষ্টা নকৰে। তেওঁলোকৰ কথা যেন এশ শতাংশ শুদ্ধ। ঊলূৰ লগত বগৰী পোৱাৰ দৰে মাস্ক পৰিধান নকৰা

লোকসকলৰ কাৰ্যৰ ফলত আন সাধাৰণ লোকে ভোগ কৰিবলগীয়া হৈছে। এজনে মাস্ক পৰিধান নকৰাৰ ফল আন দহজনে ভোগ কৰিছে।

মাস্ক পৰিধান নকৰাৰ মানসিকতা সলনি কৰিবলৈ এতিয়া যেন বুজনিৰ কাম নাই। তেনে লোকক পাঁচৰ পৰা দহ হাজাৰ টকা জৰিমনা বিহিব লাগিব। কাৰণ যদিহে এনে বুজন পৰিমাণৰ জৰিমনা বিহা হয়, তেতিয়াহে এইসকল লোকৰ গাত লাগিব। এবাৰ বা দুবাৰ জৰিমনা ভৰিবলগীয়া হ'লে নিশ্চয় মাস্ক পৰিধান কৰাৰ অভ্যাস কৰিব। কম পইচা জৰিমনা বিহিলে এইসকল লোকৰ গাত নালাগে। যিসকলক ভালদৰে বুজালে বুজিবলৈ চেষ্টা নকৰে, তেওঁলোকক এনেদৰেই শিক্ষা দিব লাগে। চৰকাৰ বা কোনো বিভাগে আহ্বান জনালে সেয়া দেশ বা ৰাজ্যৰ নাগৰিকসকলে আখৰে আখৰে পালন কৰা উচিত। তাকে নকৰি জীৱন-মৰণৰ বিষয় জড়িত হৈ থকা কথাতো যদি একাংশই ৰাজনীতি কৰে বা কৰিব বিচাৰে তেনেহ'লে সেয়া মূৰ্খৰ মূৰ্খামিৰ বাহিৰে আন একো নহয়। সকলোৱে মনত ৰখা উচিত— মাস্ক পৰিধান কৰাটো ফেশ্বনৰ বাবে নহয়, লাখ লাখে মানুহৰ জীৱন ৰক্ষাৰ বাবেহে। জীয়াই থাকিলেহে পৰিয়ালৰ স'তে সুখেৰে বসবাস কৰিব পাৰিব। অহংকাৰ, মইমতালি আৰু প্ৰতিটো কথাতে আনক উপলুঙা কৰিলে নিজৰ লগতে সমাজৰো বিপদ হ'ব।

# গুৰু-শিষ্যৰ সম্পৰ্ক সুদৃঢ় কৰাত অভিভাৱকৰ ভূমিকা

গুৰু-শিষ্যৰ সম্পৰ্কক পৱিত্ৰ সম্পৰ্ক হিচাপে গণ্য কৰা হয়। পৃথিৱীত প্ৰতিগৰাকী ব্যক্তিয়ে গুৰু আৰু পিতৃ-মাতৃৰ ঋণ কোনো সম্পদ অথবা অৰ্থৰে পৰিশোধ কৰিব নোৱাৰে। সেইবাবে গুৰু আৰু পিতৃ-মাতৃৰ ওচৰত সকলোৱে চিৰঋণী হৈ থাকে। সমানেই শ্ৰদ্ধা-ভক্তিও কৰা হয়। অতীজৰে পৰাই গুৰু-শিষ্যৰ সম্পৰ্ক পৱিত্ৰ আৰু মধুৰ হিচাপে চলি আহিছে। ভাৰতীয় পৰম্পৰাত গুৰুৰ আসন সকলোৰে ওপৰত। জীৱনৰ আদিপাঠ এওঁলোকৰ পৰাই আহৰণ কৰা হয়। গুৰুৱে অনুৰ্বৰ ভূমিকো উৰ্বৰ কৰিব পৰাৰ জ্ঞান দিয়ে শিষ্যক। ইতিহাসৰ পৃষ্ঠা মেলি চালে দেখা যায় যে অতীজত শিষ্যসকলে গুৰুৰ ঘৰত থাকিয়ে জ্ঞান (শিক্ষা) অৰ্জন কৰিছিল। ঘৰৰ পৰা আঁতৰি থাকি গুৰুগৃহত নিত্য-ব্যৱহাৰ্য সকলোখিনি কৰিবলগীয়া হৈছিল। শক্তিশালী ৰজা-মহাৰজায়ো গুৰুৰ আশীৰ্বাদ লৈহে সকলো কাৰ্যতে আগ বাঢ়িছিল। গুৰুৰ আশীৰ্বাদ অত্যন্ত গুৰুত্বপূৰ্ণ হিচাপে গণ্য কৰা হৈছিল। গুৰুৰ আদেশ অমান্য কৰিব পৰা ক্ষমতা কাৰোৰে নাছিল। গুৰুৰ আশ্ৰমত থাকি লাভ কৰা শিক্ষাৰে পৰৱৰ্তী সময়ত সমাজ তথা দেশ (ৰাজ্য)খনক আগুৱাই নিয়াত সহায় কৰিছিল।

শিষ্যসকলৰ গুৰুৰ প্ৰতি শ্ৰদ্ধা-ভক্তি আৰু বিশ্বাস আছিল। গুৰুৰো শিষ্যৰ ওপৰত অগাধ বিশ্বাস আছিল বাবে এই সম্পৰ্কটো অতি পৱিত্ৰ হিচাপে গণ্য কৰা হয়।

শিষ্যসকলে অতীতত প্ৰতিটো ক্ষেত্ৰতে অগ্নি পৰীক্ষাৰ সন্মুখীন হ'বলগীয়া হৈছিল। কঠোৰ পৰিশ্ৰম আৰু নিজ কৰ্তব্যৰ প্ৰতি সজাগ-সচেতন হৈছিল। কোনো কাৰণত গুৰু অসন্তুষ্ট হ'লে শিষ্যৰ মূৰৰ ওপৰত পৰিছিল অভিশাপ। গুৰু দ্ৰোণাচাৰ্যই যিদৰে অৰ্জুনক আশীৰ্বাদ দি সৰ্বশ্ৰেষ্ঠ ধনুৰ্বিদ হিচাপে গণ্য কৰিছিল, তেনেদৰে একলব্যৰ হাতৰ বুঢ়া আঙুলি গুৰু-দক্ষিণা হিচাপে লৈ পৰোক্ষভাৱে অৰ্জুনকে শ্ৰেষ্ঠ যোদ্ধা হোৱাত সহায় কৰিছিল। পৰশুৰামৰ পৰা অস্ত্ৰ-শিক্ষা গ্ৰহণ কৰিবলৈ কৰ্ণই নিজৰ পৰিচয় গোপনে ৰাখিছিল যদিও এদিন ধৰা পৰিছিল এক ঘটনাক্ৰমে। ফলত গুৰুৰ পৰা অস্ত্ৰ শিক্ষাৰ সমান্তৰালভাৱে অভিশাপৰ বোজাও গ্ৰহণ কৰিবলগীয়া হৈছিল।

সময় বাগৰিল। শিক্ষা দান কৰা বা গ্ৰহণ কৰা পদ্ধতিটো লাহে লাহে পৰিৱৰ্তন হ'বলৈ ধৰিলে। গুৰুকুলৰ পৰিৱৰ্তে বিভিন্ন ঠাইত বিদ্যালয় স্থাপন হ'ল। এতিয়া সকলোৰে বাবে মুকলি শিক্ষা গ্ৰহণৰ পাঠশালাৰ দুৱাৰ। নিজৰ ইচ্ছা অনুসৰি বিষয় নিৰ্বাচনৰো সুযোগ পাইছে। বছৰত পৰীক্ষা অনুষ্ঠিত কৰি জ্ঞান লাভৰ মূল্যায়নো কৰা হৈছে। পিছে গুৰু-শিষ্যৰ সম্পৰ্ক যেন এতিয়া দুৰ্বল হৈছে। বহুক্ষেত্ৰত দেখা যায় যে এই সম্পৰ্কটো যেন কেৱল বিনিময়ৰ বাবেহে বৰ্তি আছে। অৰ্থৰ বাবেই গুৰু-শিষ্যৰ সম্পৰ্ক বজাই আছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। বিদ্যালয়ত পঢ়োৱাৰ বাবে চৰকাৰ অথবা বিদ্যালয় পৰিচালনা সমিতিয়ে শিক্ষক-শিক্ষয়িত্ৰীক দৰমহা দিয়ে। দৰমহা হিচাপতে শিক্ষাও প্ৰদান কৰা হয়। তেতিয়া শিক্ষাৰ্থীগৰাকীয়ে উপলব্ধি কৰে যে শিক্ষকে এক নিৰ্দিষ্ট সময়তহে শিক্ষা দান কৰিব। তদুপৰি এই নিৰ্দিষ্ট সময়ত আয়ত্ত কৰিব নোৱাৰিলে 'টিউচন'ত আয়ত্ত কৰিব পাৰে। দৰাচলতে শিক্ষা পদ্ধতিত যেতিয়াৰে পৰা 'টিউচন' শব্দটো সংযোজন হ'ল, তেতিয়াৰে পৰা যেন শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাব্যৱস্থাত থকা সম্পৰ্কত ঘুণে ধৰিছে। 'পইচা দিছো, শিকাবই লাগিব', 'পইচা নিদিলে মই কিয় শিকাম' আদি কথা শিক্ষাৰ্থী আৰু গুৰুৰ মনত প্ৰশ্ৰয় লোৱাত পৱিত্ৰ সম্পৰ্কত যেন ক'ৰবাত

কেৰোণ লাগিছে। এই কেৰোণ আঁতৰাবলৈ কোনো আগ বাঢ়ি নাহে। আগ বাঢ়ি নহাটো অস্বাভাৱিক কথাও নহয়। সমগ্ৰ প্ৰক্ৰিয়া এতিয়া এনেদৰে চলিছে যেন কেৰোণ কোনোৱেই আঁতৰাব নোৱাৰে।

এতিয়াৰ শিক্ষাব্যৱস্থা বস্তুকেন্দ্ৰিক। বাস্তৱৰ স'তে অসামঞ্জস্য হোৱা বাবে সকলোৰে লক্ষ্য হ'ল অধিক নম্বৰ লাভ কৰি প্ৰতিযোগিতাৰ দৌৰত প্ৰথম হৈ জীৱনটো আগুৱাই নিয়া। সেইবাবে আজিৰ ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰিক জ্ঞানৰ অভাৱ হৈছে। আনহে নালাগে, আগতে গুৰুক দেখিলে সেৱা কৰাৰ লগতে শ্ৰদ্ধা ভাবেৰে বহিবলৈ আসন আগ বঢ়াই দিয়া, গুৰুক দেখিলে বহাৰ পৰা থিয় হোৱা, গুৰুৱে আসন গ্ৰহণ নকৰালৈকে শিষ্যই আসন গ্ৰহণ নকৰা কথাবোৰ এতিয়া যেন সাধুকথাহে হৈছে। অৱশ্যে সম্পূৰ্ণৰূপে হোৱা বুলি ক'ব নোৱাৰি। আজিও অৰ্ধেকসংখ্যকে গুৰুৰ প্ৰতি ভক্তি ভাব প্ৰদৰ্শন কৰি আছে। এইবোৰ শিক্ষাৰো প্ৰয়োজন আছে। বহুতেই নাজানে গুৰুৰ স'তে কেনেধৰণৰ ব্যৱহাৰ কৰিব লাগে।

গুৰু-শিষ্যৰ সম্পৰ্ক দুৰ্বল হোৱাৰ ক্ষেত্ৰত এতিয়া বহুতো পিতৃ-মাতৃ আৰু অভিভাৱকো জগৰীয়া। কাৰণ আগতে সন্তানক পিতৃ-মাতৃয়ে শিকাইছিল গুৰুৰ স'তে কেনে ব্যৱহাৰ কৰিব লাগে। এতিয়া পিছে বহুতো পিতৃ-মাতৃয়ে সন্তানক যে এইবোৰ কথা ঘৰতে শিকাব লাগে, সেইবোৰ পাহৰি গৈছে। কেৱল 'টিউচন'ৰ মাচুল অথবা বিদ্যালয়ত মাহেকীয়া মাচুলখিনি দিয়েই শিক্ষকৰ প্ৰতি থকা শ্ৰদ্ধা সামৰিছে। এই সম্পৰ্কটোও যেন বস্তুবাদী হৈছে। আনহাতে বহুতো শিক্ষকে নিজৰ কৰ্মক্ষেত্ৰখনৰ সীমা অতিক্ৰম কৰিছে। ছাত্ৰ-ছাত্ৰীৰ সন্মুখতে অভব্য আচৰণ, অসামাজিক কাৰ্যকলাপত লিপ্ত হৈছে। আনহাতে প্ৰত্যক্ষভাৱে ৰাজনীতিতো জড়িত হৈ পৰিছে। যিসকলে এনে কাম কৰে তেওঁলোকে এবাৰো ভাবি নাচাই যে যিবোৰ কাৰ্য কৰিছে অথবা কথা কৈছে সেইবোৰৰ পৰোক্ষ প্ৰভাৱ নিজৰ ওপৰতেই পৰিব। নিষ্ঠুৰ সময়ে যেন এতিয়া গুৰু-শিষ্যৰ সম্পৰ্কত আঘাত হানিছে। পিছে সকলোৱে সতৰ্ক হ'বৰ হ'ল। নহ'লে এদিন গুৰু-শিষ্যৰ সম্পৰ্কৰ কথা সোঁৱৰাই দিবলৈ কোনো নাথাকিব। দ্ৰোণ-অৰ্জুন, পৰশুৰাম, কৰ্ণৰ কথাবোৰো পাহৰি যাব। আৰু একলব্যৰ কাহিনীও পোত খাব পাহৰণিৰ গৰ্ভত।

# পক্ষীকুলৰ প্ৰতি হওক দায়বদ্ধ
## প্ৰধানমন্ত্ৰীৰ বাসভৱনৰ এখন ভাইৰেল ছবি

প্ৰকৃতিক ভাল পোৱাটো সকলোৰে বাবে সম্ভৱ। পিছে এই সম্ভৱো এতিয়া অসম্ভৱ যেন হৈছে। ইয়াৰ কাৰণ প্ৰতিগৰাকী ব্যক্তিয়ে সময়ক দোহাই দি এতিয়া প্ৰকৃতিপ্ৰেমৰ পৰা আঁতৰি থাকিব বিচাৰে। আনকি জীৱ-জন্তুৰ প্ৰতি মৰম আদি প্ৰকাশ কৰাৰ সময় নোহোৱা হৈছে। আমি সকলোৱে প্ৰকৃতিক ভাল পাবলৈ শিকিবলৈ ডাঙৰ ডাঙৰ কথা কৈ থাকো যদিও সচেতনতাৰ অভাৱ। পিছে জীৱ-জন্তু, পশু-পক্ষী, প্ৰকৃতিক ভাল পাবলৈ সময়ৰ প্ৰয়োজন নাই। ইয়াৰ বাবে প্ৰয়োজন মানসিকতাৰ। ইচ্ছা থাকিলে অতি কৰ্মব্যস্ততাৰ মাজতো এনেবোৰ কাৰ্য সম্পাদন কৰিব পাৰি। ইয়াৰ নিদৰ্শন হ'ল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী। তেওঁ দেশৰ শাসনভাৰ চলায়ো প্ৰকৃতিৰ প্ৰতি সমানেই ভালপোৱা প্ৰদৰ্শন কৰি আছে। দেশৰ গুৰুদায়িত্ব পালন কৰাৰ পাছতো প্ৰধানমন্ত্ৰীয়ে পশু-পক্ষীক খাদ্য খুওৱাৰ পৰা আৰম্ভ কৰি গছ-গছনিৰ গুৰিত পানী দিয়া সকলো কামেই কৰিছে। কেৱল সেয়াই নহয়— প্ৰধানমন্ত্ৰী হ'লেও ঘৰুৱা পৰিৱেশত এগৰাকী তেনেই সাধাৰণ ব্যক্তিৰ দৰে কাম কৰে। ডিঙিত গামোচা লৈ পশু-পক্ষীক খাদ্য খুওৱা, আৱাসৰ চৌহদত থকা গছ-গছনিৰ গুৰিত পানী দিয়াৰ দৃশ্য ভাইৰেল হোৱাৰ পাছত বিষয়টো এতিয়া সৰ্বত্ৰে চৰ্চা হৈছে। এনেধৰণৰ কাৰ্য সম্পাদনৰ বাবে জানো বিশেষ সময়, ক্ষণৰ প্ৰয়োজন। সাধাৰণ মানুহৰ মনত থকা ভাবৰ বিপৰীতে প্ৰধানমন্ত্ৰীয়ে নিজেই আৰ্হি দেখুৱাইছে। দিনটোৰ ভিতৰত যদি অলপ সময়ো প্ৰকৃতিৰ কথা চিন্তা কৰে, তেনেহ'লে প্ৰাকৃতিক দুৰ্যোগ আদিও বহু পৰিমাণে হ্ৰাস পাব। এডাল গছ কটাৰ সময়ত যদি ব্যক্তিজনে এটি গছৰ পুলি ৰোৱে, তেনেহ'লে প্ৰাকৃতিক ভাৰসাম্যও ৰক্ষা পাব।

আগতে প্ৰায়ভাগ পৰিয়ালতে গৰু-ছাগলীকে ধৰি বিভিন্ন পশু-পক্ষী পুহিছিল। এইবোৰৰ স'তে থকা মৰম ভাবৰ বাবে আনকি সময়মতে আহাৰো যোগান ধৰিছিল। পৰিয়ালৰ মুৰব্বীয়ে ঘৰৰ আটাইকেইগৰাকী সদস্যৰ লগত পশু-পক্ষী আদিৰ খাদ্যৰ কথাও সমানেই চিন্তা কৰিছিল। এয়া দায়িত্ব বুলিয়েই ভাবিছিল। এতিয়া পিছে এনেধৰণৰ ছবি কল্পনা কৰিব নোৱাৰো। কাৰণ সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ মানসিকতাৰো পৰিৱৰ্তন হ'বলৈ ধৰিছে। এই পৰিৱৰ্তন কেনেদৰে হ'বলৈ ধৰিছে সেয়াহে চিন্তনীয় বিষয়। প্ৰকৃতিক ভাল নোপোৱা ব্যক্তিজনে নিজকো ভাল পাব নোৱাৰে। তেনে ব্যক্তিক স্বাৰ্থপৰ বুলি আখ্যা দিব লাগিব। কাৰণ য'ত আমি থিয় দি আছো সেই ঠাইখিনি যদিয়েই নাথাকে, তেনেহ'লে আমি ভৱিষ্যতে থাকিম ক'ত? ভৱিষ্যৎ প্ৰজন্মই যদি আমাক প্ৰশ্ন কৰে, আমি সকলোৱে এতিয়াৰে পৰাই সজাগ আৰু সতৰ্ক হৈ থাকিব লাগিব।

সমগ্ৰ বিশ্বতে ক'ভিডৰ সংক্ৰমণ প্ৰতিৰোধৰ বাবে গ্ৰহণ কৰা তলাবন্ধৰ ফলত মানুহৰ লগতে পশু-পক্ষীকো আহাৰ যোগান ধৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ চৌহদত থকা পক্ষীকুলৰ স'তে সম্পৰ্ক গঢ়ি তোলাৰ ছবি ছ'চিয়েল মিডিয়াত ভাইৰেল হৈছে, সেয়া সকলোৰে বাবে আদৰ্শ হোৱা উচিত। গছৰ গুৰিত পানী দিলেহে গছে ফল দিব। ফুল গছৰ গুৰিত পানী দিলে ফুলনিডৰা শুৱনি হয়। প্ৰকৃতিৰ বুকুত ডাঙৰ-দীঘল হৈ যদি আমি প্ৰকৃতিৰ কথাই নাভাবো, তেনেহ'লে কোনে ভাবিব?

কৰ্তব্যবোধ সকলোৰে প্ৰতি থকা উচিত। কেৱল নিজৰ ঘৰখনৰ প্ৰতি দায়িত্ববোধ থাকিলেই নহ'ব, সমাজৰ প্ৰতিও থাকিব লাগিব। পিছে সমাজখন ধৰি ৰাখিবলৈ হ'লে আমি সকলোৱে প্ৰকৃতিৰ কথাও ভাবিব লাগিব। প্ৰধানমন্ত্ৰী মোদীৰ বাসভৱনৰ দৰে যে সকলোৱে সম্ভৱ কৰিব পাৰিব তেনে নহয়। তথাপি নিজৰ সাধ্যানুসৰি এনেধৰণৰ কামত সকলোৱে আত্মনিয়োগ কৰা উচিত। শক্তিশালী ৰাষ্ট্ৰ নিৰ্মাণ হ'লেহে বিশ্ববাসীৰ ওচৰত দেশখনে বীৰদৰ্পে মূৰ দাঙি থিয় হ'ব পাৰিব। পশু-পক্ষী অবিহনে কেতিয়াও প্ৰাকৃতিক ভাৰসাম্য ৰক্ষা নহ'ব। অষ্ট্ৰেলিয়া, ছুইজাৰলেণ্ড আদি দেশৰ আদৰ্শ ল'লেহে সকলোৱে আগ বাঢ়ি যাব পাৰিব।

# বৰদোৱা-বটদ্ৰৱা হওক পৰ্যটনৰ কেন্দ্ৰবিন্দু

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ অৱদানক বাদ দি অসমীয়া জাতিৰ অস্তিত্ব কল্পনা কৰিব নোৱাৰি। অসম আৰু অসমীয়াৰ চালিকা শক্তি হ'ল মহাপুৰুষজনাই আগ বঢ়াই যোৱা অৱদান। সাহিত্য-সংস্কৃতিৰ পৰা আৰম্ভ কৰি অৰ্থনৈতিক ক্ষেত্ৰখনলৈকে সকলোতে প্ৰতিফলিত হৈ আছে শ্ৰীমন্ত শংকৰদেৱে আগ বঢ়াই যোৱা অৱদান। এইগৰাকী মহাপুৰুষৰ অৱদানসমূহ ৰাজ্যখনৰ বাহিৰত যিদৰে প্ৰচাৰ আৰু প্ৰসাৰ হ'ব লাগিছিল বাস্তৱত সেয়া আজিও সম্ভৱ হোৱা নাই। যদিও বহিঃৰাজ্য অথবা বিদেশৰ কিছু ঠাইত নামঘৰ স্থাপনৰ লগতে গুৰুজনাৰ জন্মতিথি আৰু মৃত্যুতিথি পালন কৰা হৈছে, তথাপি যি পৰিসৰত হ'ব লাগিছিল তাৰ অৰ্ধেকো হোৱা নাই। তেওঁৰ সাহিত্যৰাজিৰ আজিও সম্পূৰ্ণ প্ৰচাৰ তথা প্ৰসাৰ নোহোৱা বাবে আন্তৰ্জাতিক পৰ্যায়ত যি আসন লাভ কৰিব লাগিছিল সেয়া হোৱা নাই। এইক্ষেত্ৰত সুস্থ পৰিকল্পনাৰ অভাৱ বুলি ক'লেও ভুল নহ'ব। কাৰণ যিগৰাকী মহাপুৰুষে নুমাবলৈ ধৰা অসমীয়া জাতিৰ বন্তিগছি জ্বলাইছিল, তেওঁৰেই জন্মস্থান আজি

সংকটত। বেদখলৰ বাবে মহাপুৰুষজনাৰ জন্মভূমি বৰদোৱা-বটদ্ৰৱা অস্তিত্বৰ সংকটত পৰিছে। এনে এক ক্ষণতে চৰকাৰে বৰদোৱা-বটদ্ৰৱা সত্ৰৰ উন্নয়নৰ বাবে ডেৰশ কোটি টকা আগ বঢ়োৱাত কিছু পৰিমাণে হ'লেও আশাৰ সঞ্চাৰ হৈছে। চৰকাৰে শ্ৰীমন্ত শংকৰদেৱৰ জন্মভূমিক পাঞ্জাবৰ অমৃতচৰৰ স্বৰ্ণমন্দিৰৰ দৰে বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিব বুলি ঘোষণা কৰিছে। আজি স্বৰ্ণমন্দিৰটো বিশ্ববাসীৰ বাবে পৰ্যটনৰ অন্যতম কেন্দ্ৰ হৈ পৰিছে। স্বৰ্ণ মন্দিৰক লৈ কেৱল পাঞ্জাবেই নহয়— দেশবাসীয়ে গৰ্ব অনুভৱ কৰে। বছৰি লাখ লাখ টকা দেশী-বিদেশী পৰ্যটকৰ পৰা সংগ্ৰহ হয় কেৱল স্বৰ্ণ মন্দিৰক কেন্দ্ৰ কৰি। এসময়ত এই স্বৰ্ণ মন্দিৰটোও বিচ্ছিন্নতাবাদী লোক একাংশৰ কবলত পৰিছিল। ১৯৮০ চনত এই মন্দিৰটোক লৈ বিতৰ্কৰ সূত্ৰপাত হয়। বিচ্ছিন্নতাবাদী মনোভাবৰ একাংশ লোকে এই স্বৰ্ণ মন্দিৰক কেন্দ্ৰ কৰিয়েই 'খালিস্তান' নামৰ নতুন ৰাষ্ট্ৰ গঠনৰ পৰিকল্পনা কৰিছিল। ১৯৮৪ চনত প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধীৰ নিৰ্দেশত সেনাই 'অপাৰেচন ব্লু ষ্টাৰ' অভিযানেৰে এনে বিচ্ছিন্নতাবাদী মনোভাবসম্পন্ন বিদ্ৰোহীক দমন কৰি স্বৰ্ণ মন্দিৰটো পুনৰ ৰাইজৰ বাবে মুকলি কৰে। এতিয়া শিখসকলৰ উপাসনাৰ অন্যতম কেন্দ্ৰ স্বৰ্ণ মন্দিৰ সকলোৰে আকৰ্ষণৰ কেন্দ্ৰবিন্দু।

অসম চৰকাৰে যদি বৰদোৱা-বটদ্ৰৱা থানক স্বৰ্ণ মন্দিৰৰ দৰে উপযুক্তভাৱে গঢ় দিয়ে তেনেহ'লে দেশী-বিদেশী পৰ্যটকৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু নিশ্চয় হ'ব। যিমানেই পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব— সিমানেই শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিৰো প্ৰচাৰ হ'ব। আন্তৰ্জাতিক পৰ্যায়ত গৱেষণা হ'ব। তদুপৰি যদিহে মহাপুৰুষজনাৰ জন্মস্থান আন্তৰ্জাতিক মানসম্পন্ন পৰ্যটন কেন্দ্ৰ হিচাপে গঢ়ি তোলা হয়, তেনেহ'লে দাঁতিকাষৰীয়া ঠাইসমূহো উন্নত হ'ব। সমান্তৰালভাৱে ব্যৱসায়িক প্ৰতিষ্ঠান, হোটেল, ৰেস্তোৰাঁ আদি স্থাপন হ'লে বহিঃৰাজ্যৰ পৰা অসমলৈ উভতি অহা লোকসকল, বিশেষকৈ যুৱক-যুৱতীসকলে পুনৰ কৰ্মসংস্থাপনৰো সুযোগ লাভ কৰিব।

বৰদোৱা-বটদ্ৰৱা থানক আজিলৈকে বিশ্ববাসীৰ সন্মুখত প্ৰতিষ্ঠা কৰিব নোৱাৰাটো আমাৰ সকলোৰে বাবে চিন্তনীয় বিষয়। যিসময়ত বিশ্বৰ বিভিন্ন দেশত জন্মগ্ৰহণ কৰা মহাপুৰুষ, বৰেণ্য শিল্পী, সাহিত্যিক তথা যোদ্ধাৰ

জন্মস্থানসমূহ পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলা হৈছে তেনে সময়ত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মস্থান তথা সত্ৰৰ ভূমি সংকুচিত হৈছে। চৰকাৰে কাহানিবাই এনে পদক্ষেপ গ্ৰহণ কৰিব লাগিছিল। পিছে আজিলৈকে এয়া সম্ভৱ নহ'ল। এতিয়াও সময় আছে। বৰদোৱা-বটদ্ৰৱাক সম্পূৰ্ণ বেদখলমুক্ত কৰি উক্ত অঞ্চলটো পৰ্যটনৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলক।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱক আমি সকলোৱে হৃদয়ত ৰাখি তেওঁৰ বাণীৰে সমাজখনক আগুৱাই নিব লাগিব। তেতিয়াহে সমাজখনত শান্তি-সম্প্ৰীতি আৰু ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় হ'ব। জাতি-ধৰ্ম, বৰ্ণ-ভাষা নিৰ্বিশেষে আমি সকলোৱে সংকল্প লোৱাৰ সময় আহি পৰিছে। বৰদোৱা-বটদ্ৰৱাক এনেদৰে নিৰ্মাণ কৰা হওক— য'ত শ্ৰীমন্ত শংকৰদেৱে বিচৰা সমাজখনে প্ৰতিনিধিত্ব কৰিব পাৰে। আমি ছেইক্সপীয়েৰ, শ্যেলী, বাৰ্নাৰ্ড শ্বৰ কথা কৈ থাকিলে নহ'ব— স্বামী বিবেকানন্দ, পৰমহংস, গুৰু নানকৰ দৰে শ্ৰীমন্ত শংকৰদেৱকো বিশ্বদৰবাৰত প্ৰতিষ্ঠা কৰিব লাগিব। দেশ-বিদেশৰ পৰা যিমানেই পৰ্যটক বৰদোৱালৈ আহিব— সিমানেই কেৱল শ্ৰীমন্ত শংকৰদেৱেই নহয়— অসমৰ বিভিন্ন ঠাইত সিঁচৰতি হৈ থকা সত্ৰ-সংস্কৃতিৰ আপুৰুগীয়া সম্পদৰাজিৰো উদ্ধাৰত সহায়ক হ'ব। বিশ্বৰ বিভিন্ন প্ৰান্তৰ সংগ্ৰহালয়ত সংৰক্ষিত হ'ব সত্ৰীয়া সংস্কৃতিৰ অমূল্য সম্পদৰাজি। সকলোৱে হাতে হাত ধৰি আগুৱাই গ'লে নিশ্চয় বটদ্ৰৱাৰ লগতে আন সত্ৰসমূহেও বিশ্ববাসীৰ বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিব।

# পদপথৰ ব্যৱসায়ীৰ বাবে নিৰ্মাণ কৰক একে আৰ্হিৰ গৃহ

পদপথত ব্যৱসায় কৰি পৰিয়াল চলোৱা লোকৰ সংখ্যা কম নহয়। কেৱল গুৱাহাটী মহানগৰীতেই নহয়— ৰাজ্যৰ আন অঞ্চলতো একেই ছবি। যিসকল সৰু-সুৰা ব্যৱসায়ীয়ে এখন স্থায়ী দোকান দিবলৈ অৰ্থৰ অভাৱ বা ঠাইৰ অভাৱ তেওঁলোকেই সাধাৰণতে পদপথত ব্যৱসায় চলায়। অৱশ্যে এনে ধৰণৰ ব্যৱসায় যে কেৱল অসমতে চলি আছে তেনে নহয়, বিশ্বৰ প্ৰায়সংখ্যক দেশতে একেই ছবি ফুটি উঠে। হাজাৰ হাজাৰ লোকে এনেধৰণৰ ব্যৱসায় চলোৱাৰ ফলত গ্ৰাহকসকলেও সচৰাচৰ এইবোৰ ব্যৱসায়ীৰ ওচৰলৈকে ঢাপলি মেলে। কিছুমান গ্ৰাহকৰ সময়ৰ অভাৱ আৰু আন কিছুমাননে দুপইচা কমত ক্ৰয় কৰাৰ মানসিকতা। পদপথত ব্যৱসায় কৰিলে বুলিয়েই যেন সকলোৱে তেওঁলোকক হীন দৃষ্টিৰে নাচায়। কাৰণ বহুতো শিক্ষিত লোকেও অৰ্থৰ অভাৱত পদপথতে দোকান দিয়ে। তদুপৰি কেতিয়াবা কিছুমান ঠাইত ব্যৱসায়ীয়ে স্থায়ী দোকানৰ সন্ধান লাভ কৰে যদিও অগ্ৰিম ধন দোকানৰ গৰাকীক দিবলৈ সামৰ্থ্য নোহোৱাৰ বাবে পিছুহুঁহকিবলগীয়া

হয়। সি যি নহওক, এইসকল ব্যৱসায়ীৰ কথা আমি কেতিয়াবা ভাবো জানো? নিশ্চয় নাভাবো। পদপথত কোনে দোকান দিছে সেই হিচাপ কোনোৱে মনত নাৰাখে। তদুপৰি পদপথৰ ব্যৱসায়ীসকলে যদিহে কোনো এঠাইত বিক্ৰী নহয়, তেনেহ'লে আন এঠাইলৈ ঢাপলি মেলে। এনেদৰেই প্ৰসাৰ হৈ থাকে ব্যৱসায়ীৰ।

পদপথ কেৱল খোজ কাঢ়িবলৈহে ব্যৱহাৰ কৰা হয়। পথাচাৰীয়ে যাতে সুৰক্ষিত হৈ খোজ কাঢ়িব পাৰে তাৰ বাবে এই পথ নিৰ্মাণ কৰা হয়। জনসংখ্যা বৃদ্ধি আৰু ব্যৱসায় কৰিবলৈ প্ৰায়সংখ্যক লোকে চহৰমুখী হোৱা বাবে এতিয়া পদপথৰ ব্যৱসায়ীৰ সংখ্যাও যথেষ্ট বৃদ্ধি পাইছে। আনকি নতুন নতুন অঞ্চলতো— য'ত পদপথৰ ব্যৱস্থা হোৱা নাই, তাত ৰাস্তাৰ কাষতে ব্যৱসায়ীয়ে দখল কৰি লৈছে। ফলত পথৰ কাষেৰে পথচাৰীয়ে খোজ কঢ়াতো দুৰূহ হৈ পৰে। আনকি কিছুমান ঠাইত মানুহে পদপথেৰে যাবলৈ ঠাই অকণো নাথাকে। ইয়াকে লৈ বহু ঠাইত পথচাৰী আৰু এনে ব্যৱসায়ীৰ মাজত সংঘাত হোৱা দেখা যায়।

স্মাৰ্ট চিটি হিচাপে মহানগৰীৰ আন আন ক্ষেত্ৰৰ উন্নয়নৰ সমান্তৰালভাৱে পদপথসমূহো সুন্দৰকৈ সজোৱা বা পুনৰ্নিৰ্মাণ কৰি থকা হৈছে। এতিয়া মূল পথসমূহৰ পদপথত ব্যৱসায় চলোৱাটো অসম্ভৱ। উপপথ আদিত এতিয়া ইয়াৰ প্ৰভাৱ পৰিছে। পদপথত ব্যৱসায় চলি থকাটো এক দীৰ্ঘদিনীয়া সমস্যা। এই সমস্যা সমাধানৰ বাবে এতিয়ালৈকে বিশেষ পদক্ষেপ গ্ৰহণ কৰা নাই চৰকাৰ বা প্ৰশাসনে। তলাবন্ধৰ সময়ত ব্যৱসায়ীসকলৰ ওপৰত মাধমাৰ পৰিল। এফালে পদপথত ব্যৱসায় বন্ধ আৰু আনফালে তলাবন্ধৰ প্ৰভাৱ। সেইবাবে শেহতীয়াভাৱে চৰকাৰে এইসকল ব্যৱসায়ীৰ বাবে পদক্ষেপ গ্ৰহণ কৰিবলৈ আগ বাঢ়িছে। নিঃসন্দেহে এয়া এক সময় উপযোগী পদক্ষেপ।

পদপথৰ ব্যৱসায়ীসকলৰ বাবে এখন উপযুক্ত বজাৰৰ প্ৰয়োজন। এই বজাৰখন এঠাইত দিয়াটো সম্ভৱ নহয়। সেইবাবে বিভিন্ন অঞ্চলত পদপথৰ ব্যৱসায়ীৰ বাবে একে আৰ্হিৰ গৃহসমূহ দেখিলেই ক্ৰেতাসকলো নিশ্চিত হ'ব পাৰিব যে এওঁলোক দৰাচলতে পদপথৰ ব্যৱসায়ীহে। একে আৰ্হিৰ গৃহসমূহ নিৰ্মাণ কৰি সকলো সা-সুবিধা আগ বঢ়াই ব্যৱসায় কৰিবলৈ অনুমতি দিয়াৰ

বাবে সংশ্লিষ্ট কর্তৃপক্ষই ন্যূনতম কৰ সংগ্ৰহ কৰক। বিক্ৰেতাসকলক এনে কৰ দিবলৈ বাধ্য কৰাওক। তেনে ব্যৱস্থা কৰিলে ব্যৱসায়ীৰ লগতে গ্ৰাহকসকলেও এখন উপযুক্ত বজাৰ লাভ কৰিব। এনে কৰিলে য'তে-ত'তে জাবৰ-জোঁথৰ পেলোৱাৰ সমস্যাৰ পৰাও হাত সাৰিব পাৰিব। সাধাৰণতে পদপথৰ ব্যৱসায়ীসকলে যি ঠাইত ব্যৱসায় কৰে তাৰ আশে-পাশে পথৰ কাষতে জাবৰ-জোঁথৰসমূহ দ'ম কৰি ৰাখে। ফলত অঞ্চলবিশেষে এক পূঁতিগন্ধময় অৱস্থাৰ সৃষ্টি হয়। বিশেষকৈ একেৰাহে কেবাদিনো ধৰি বৰষুণ দিলে অথবা কৃত্ৰিম বানৰ সৃষ্টি হ'লে ৰাইজে কেনে ধৰণৰ দুৰ্ভোগ ভুগিবলগীয়া হয় তাৰ ব্যাখ্যাৰো নিষ্প্ৰয়োজন। যদিহে ডাঙৰকৈ গৃহ নিৰ্মাণৰ বাবে ঠাইৰ অভাৱ তেনেহ'লে সৰু সৰু গৃহ নিৰ্মাণৰ ব্যৱস্থা কৰিব লাগে। তদুপৰি এনে বজাৰগৃহসমূহ একেবাৰে নিম্নমানৰ নকৰি ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰিব পৰাকৈ নিৰ্মাণ কৰাৰ পদক্ষেপ ল'লেও নিশ্চয় সকলোৱে সুফল লাভ কৰিব। পদপথৰ ব্যৱসায়ীসকলকো সন্মানসহকাৰে জীয়াই থকাৰ সুযোগ দিয়ক চৰকাৰ তথা সংশ্লিষ্ট কৰ্তৃপক্ষই। তেতিয়া ব্যৱসায়ীসকলেও যাতে কেতিয়াও হীনমন্যতাত ভুগিবলগীয়া নহয় তাৰ ব্যৱস্থা কৰা উচিত।

# এতিয়াও বাণিজ্যৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ জলপথ

ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত জলপথৰ গুৰুত্ব অপৰিসীম। অতীজৰে পৰাই মানুহে জলপথেদি বাণিজ্য কৰি আহিছে। নদীপথ আৰু সাগৰীয় পথেদি প্ৰায়সংখ্যক দেশেই বেহা কৰাৰ উদাহৰণ অলেখ আছে। প্ৰতিকূল বতৰতো, আনকি ব্যৱসায়ৰ বাবে জলপথ ব্যৱহাৰ কৰিছে। যেতিয়া স্থলপথ উন্নত হোৱা নাছিল, তেতিয়া ব্যৱসায়-বাণিজ্যৰ একমাত্ৰ মাধ্যম আছিল জলপথ। আনহাতে উৰাজাহাজৰ প্ৰচলন হোৱাৰ আগলৈকে আন্তৰ্জাতিক ব্যৱসায়-বাণিজ্যৰ একমাত্ৰ সুচল পথটোৱে আছিল নদী বা সাগৰীয় পথ। সময়ৰ লগে লগে বিজ্ঞানৰ চৰম অগ্ৰগতিয়ে স্থলপথ আৰু আকাশী পথক বাণিজ্যৰ অন্যতম পৰিবহণ পথ হিচাপে ব্যৱহাৰ কৰিলে। তদুপৰি আন্তৰ্জাতিক নীতি-নিয়ম তথা বিভিন্ন দেশৰ নিয়ন্ত্ৰণত থকা বাবে জলপথ ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা আহি পৰাত স্থলপথ আৰু আকাশী পথকে ব্যৱহাৰ কৰি আহিছে। বিশ্বৰ আন দেশৰ কথাতো বাদেই দিলো— অসমতেই ইয়াৰ উদাহৰণ পোৱা যায়। আগতে সদাগৰ, ব্যৱসায়ীসকলে নদীপথেৰে বিভিন্ন অঞ্চললৈ গৈছিল বণিজৰ বাবে। সাধুকথা, পৌৰাণিক আখ্যান আদিতো এই ছবিখন স্পষ্ট ৰূপত ফুটি উঠে। সাধাৰণতে ৰাজ্য বা দেশৰ ভিতৰত সৰু-বৰ নদী আদিৰেই সদাগৰসকলে বেহা কৰিছিল। বিশেষকৈ নাও, জাহাজ আদি ব্যৱহাৰ কৰাৰ তথ্য পোৱা যায়। সেইবোৰ আজিকালিৰ দৰে উন্নত নাছিল যদিও তেতিয়া সেইবোৰেই সকলোৰে বাবে আছিল প্ৰধান সম্বল।

শেহতীয়াভাৱে স্থলপথৰ পৰিৱৰ্তে ভাৰত চৰকাৰে আৰম্ভ কৰিলে চট্টগ্ৰাম বন্দৰেদি উত্তৰ-পূবলৈ সামগ্ৰী সৰবৰাহ। বাংলাদেশৰ প্ৰধান সমুদ্ৰ বন্দৰ

চট্টগ্ৰামক উত্তৰ-পূবৰ একাংশ ৰাজ্যলৈ বিভিন্ন পণ্য সামগ্ৰী প্ৰেৰণৰ কেন্দ্ৰ হিচাপে ব্যৱহাৰ কৰিছে। কলকাতাৰপৰা উক্ত বন্দৰলৈ নিয়াৰ পথত সামগ্ৰী আখাউড়া স্থলপথ হৈ আগৰতলালৈ আহিলেও কলকাতাৰ পৰা স্থলপথেৰে পোনপটীয়াকৈ অহাৰ তুলনাত যথেষ্ট ব্যয় হ্ৰাস পাব। এনেদৰে জলপথ ব্যৱহাৰ কৰি দূৰত্ব হ্ৰাস কৰাৰ ফলত পৰিবহণ ব্যয় হ্ৰাস পোৱা মানে ৰাইজৰো মংগল হোৱা।

আন্তৰ্জাতিক ব্যৱসায়ৰ ক্ষেত্ৰত সাগৰীয় পথৰ গুৰুত্ব অপৰিসীম। দক্ষিণ চীন সাগৰক লৈ শেহতীয়াভাৱে চীন, জাপান, জাপান, আমেৰিকা আদিৰ মাজত চলা শীতল যুঁজখনৰ কাৰণো জলপথৰ ব্যৱহাৰ। এইখন সাগৰেদি বিশ্বৰ এক তৃতীয়াংশ বাণিজ্যিক জাহাজ পাৰ হয়। বছৰি এই জলপথেদিয়ে ৩.৩৭ ত্ৰিলিয়ন ইউ এছ ডলাৰৰ সামগ্ৰীৰ সৰবৰাহ হয়। এইখন সাগৰৰ তলিত প্ৰচুৰ পৰিমাণে প্ৰাকৃতিক গেছ আৰু খাৰুৱা তেল জমা হৈ থকা বুলি সকলোৱে বিশ্বাস কৰি আহিছে। চীনে দেশৰ বাবে ৮০ শতাংশ ইন্ধন আমদানি কৰে। তদুপৰি ৩৯.৫ শতাংশ চীনৰ সামগ্ৰী আন দেশলৈ ৰপ্তানি হয় এই সাগৰীয় পথেৰে। আনহাতে ছুৱেজ কেনেলেৰে বিশ্বৰ আঠ শতাংশ বাণিজ্যিক জাহাজ পাৰ হয়। নিতৌ কমেও ৫০ খন জাহাজ এই কেনেলেৰে বিভিন্ন দেশলৈ যাতায়াত কৰে। আফ্ৰিকা, এছিয়া আৰু ইউৰোপক সংযোগ কৰে লোহিত সাগৰ আৰু মধ্য সাগৰৰ সংযোগেৰে। ইজিপ্তত হোৱা অসামৰিক যুদ্ধৰ সময়ত বৃটিছ সৈন্যই এই কেনেলটো পহৰা দিছিল। কাৰণ ভাৰতৰপৰা বৃটেইনলৈ সম্পদ কঢ়িয়াই নিয়াত এই কেনেলটোৱে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। বৃটিছে যেতিয়া প্ৰায়সংখ্যক দেশতে ৰাজত্ব কৰিছিল— তেতিয়া দেশলৈ সম্পদ নিবলৈ জলপথকে ব্যৱহাৰ কৰিছিল। ডাঙৰ ডাঙৰ জাহাজেৰে বিভিন্ন দেশৰ মূল্যৱান সম্পদসমূহ বৃটেইনলৈ লৈ গৈছিল। ইংলিছ চেনেলটো আটলাণ্টিক মহাসাগৰৰ অংশ আৰু বৃটেইন দ্বীপটোক পৃথক কৰিছে উত্তৰ ফ্ৰান্সৰ পৰা। আনহাতে উত্তৰ সাগৰ আৰু আটলাণ্টিক মহাসাগৰক সংযোগ কৰিছে। ফলত ৩৫০ মাইল জলপথেৰেই পণ্য-সামগ্ৰী সৰবৰাহ কৰিব পাৰিছে। ইংলিছ চেনেলৰ বাবেই কে'বা হাজাৰ কিলোমিটাৰ পথ সংকুচিত হৈছে। পৰিবহণ ব্যয়ৰ ক্ষেত্ৰত ইংলিচ চেনেলৰ ভূমিকা অপৰিসীম।

দৰাচলতে আকাশী পথ আৰু স্থলপথৰ তুলনাত আটাইতকৈ সুৰক্ষিত পথ হ'ল জলপথ। বিশেষকৈ ইন্ধনজাতীয় সামগ্ৰী, খাৰুৱা তেল আদি সৰবৰাহ কৰাৰ ক্ষেত্ৰত জলপথ সদায় নিৰাপদ। দুৰ্ঘটনা, অপহৰণ, ডকাইতি আদিৰ ক্ষেত্ৰতো জলপথেই নিৰাপদ হিচাপে গণ্য কৰা হয়। অৱশ্যে কেতিয়াবা জাহাজ আদি জলদস্যুৰ কবলত নপৰা নহয়। আজিকালি জলদস্যু আদিৰ আক্ৰমণ হ্ৰাস পাইছে। কাৰণ বৃহৎ আকাৰৰ জাহাজসমূহত নিৰাপত্তাৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি জলপথসমূহতো বিভিন্ন ঠাইত এতিয়া বহুতো দেশে নিজৰ আয়ত্তত ৰাখি পহৰাৰ ব্যৱস্থা কৰিছে। যদিহে জলপথৰ ব্যৱহাৰ নকৰিলেহেঁতেন— তেনেহ'লে পণ্য সামগ্ৰীৰ লগতে খাৰুৱা তেল আদিৰ ব্যয় অধিক হ'লহেঁতেন। তেতিয়া বিভিন্ন দেশৰ মাজত আমদানি-ৰপ্তানিৰ ক্ষেত্ৰতো নিশ্চয় সমস্যাৰ সন্মুখীন হ'লহেঁতেন। অঞ্চলবিশেষে সৰু-বৰ নদীসমূহ যদি বাণিজ্যৰ ক্ষেত্ৰত ব্যৱহাৰ কৰা হয়— তেনেহ'লে পৰিবহণ ব্যয় আদি হ্ৰাস পালেহেঁতেন। আমি যদি ইতিহাসৰ পৃষ্ঠা মেলি চাওঁ— তেনেহ'লে এটা কথা স্পষ্ট হৈ পৰে যে অতীজৰে পৰাই প্ৰতিখন দেশৰ বাণিজ্যিক চহৰসমূহ নদী অথবা সাগৰৰ পাৰত গঢ়ি উঠিছে। ইয়াৰ অন্যতম কাৰণ আছিল জলপথৰ সুচল ব্যৱস্থা। স্থলপথৰ ক্ষেত্ৰত যদি উপযুক্ত পথ নাথাকে তেতিয়া এক নিৰ্দিষ্ট দূৰত্বৰ পাছত সামগ্ৰীসমূহ কঢ়িয়াই নিয়াটোও সম্ভৱ নহয়। তদুপৰি নদী বা সাগৰৰ পাৰত গঢ়ি উঠা বাণিজ্যিক চহৰ বা কেন্দ্ৰসমূহ সদায় পৰিষ্কাৰ হয়। পৰিবহণ ব্যয়ো যথেষ্ট পৰিমাণে কম হয়। আজিকালিও এই পথৰ গুৰুত্ব আছে। কাৰণ বিভিন্ন অঞ্চলত কোনো নহয়— কোনো বিষয়ক লৈ বিক্ষোভ, প্ৰতিবাদ, অৱৰোধ, ধৰ্ণা আদি হৈয়েই আছে। আন্তঃৰাজ্যিক ক্ষেত্ৰতো একেই সমস্যা। কোনো এটা অঞ্চলত যুদ্ধ-বিগ্ৰহ, সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ বাবে স্থলপথেৰে ট্ৰাক আদি অতিক্ৰমৰ ক্ষেত্ৰত সমস্যাই গা কৰি উঠে। তদুপৰি পথ নিৰ্মাণ, পথৰ মেৰামতি, প্ৰাকৃতিক দুৰ্যোগৰ বাবে পথ বন্ধ হোৱা, বিশেষকৈ বানপানী, পাহাৰৰ ভূমিস্খলন আদিৰ বাবে আমদানি-ৰপ্তানিত সমস্যাৰ সৃষ্টি হয়। জলপথৰ ক্ষেত্ৰত এইবোৰৰ সমস্যাৰ উদ্ভৱ নহয়। সেইবাবে সদায় জলপথৰ গুৰুত্ব অপৰিসীম।

# ৰাফেল ঃ
# ভাৰতীয় বায়ুসেনাৰ অমোঘ অস্ত্ৰ

ভাৰতত আহি পালে ৰাফেল। ৪.৫ প্ৰজন্মৰ যুদ্ধ বিমান পাঁচখন ভাৰতত উপস্থিত হোৱাৰ পাছত এতিয়া ভাৰতীয় বায়ুসেনা বাহিনীৰ শক্তি পূৰ্বৰ তুলনাত আৰু অধিক বৃদ্ধি পালে। চীনে ভাৰতৰ বিৰুদ্ধে আগ্ৰাসী মনোভাব গ্ৰহণ কৰাৰ সময়ত ভাৰতীয় বায়ুসেনাৰ হাতত এইকেইখন যুদ্ধ বিমান সংযোজন হোৱাৰ লগে লগে এতিয়া শংকিত হৈছে চীন। কাৰণ ইমান দিনে চীনে বায়ুসেনা ভাৰতৰ তুলনাত অধিক শক্তিশালী বুলি দাবী কৰি আহিছিল। ইমান দিনে চীনে জে- ২০ যুদ্ধ বিমান পঞ্চম প্ৰজন্মৰ বুলি দাবী কৰি আহিছিল। যিকোনো পৰিস্থিতিতে শত্ৰুপক্ষৰ শিবিৰত আঘাত হানিব পৰা শক্তিধৰ বুলি দাবী কৰি আহিছে চীনে। পিছে ভাৰতে ফ্ৰান্সৰ পৰা ৰাফেল যুদ্ধ বিমান ক্ৰয় কৰাৰ পাছত চীনৰ জে- ২০ৰ প্ৰকৃত স্বৰূপ ওলাই পৰিছে। চীনে ভাৰতক শংকিত কৰিবলৈ জে- ২০ শক্তিশালী বুলি দাবী কৰিলেও এতিয়া নিজেই শংকিত হৈছে। সেইবাবে ৰাছিয়াৰ পৰা শক্তিশালী এছ- ৪০০ ডিফেন্স ছিষ্টেম ক্ৰয় কৰাৰ সিদ্ধান্ত লৈছিল যদিও শেহতীয়াভাৱে ৰাছিয়াই চীনৰ প্ৰস্তাৱত

মান্তি হোৱা নাই। ইফালে চীন আৰু পাকিস্তানে সীমান্তৰ ২০০ কিলোমিটাৰ আঁতৰত স্থাপন কৰা অম্বলা এয়াৰ বেছৰ ৰাফেলৰ সংযোজন হোৱাৰ লগে লগে নিদ্ৰা হৰণ হৈছে দুয়োখন দেশৰ।

অতি সম্প্ৰতি বিশ্বৰ যিকেইখন শক্তিশালী যুদ্ধ বিমান আছে— তাৰ ভিতৰত ৰাফেল অন্যতম। দুটা ইঞ্জিনযুক্ত এই বিমানখনৰ এটʼম বোমাৰ পৰা আৰম্ভ কৰি অত্যাধুনিক মিছাইল বহন কৰিব পৰা ক্ষমতা আছে। তদুপৰি যিকোনো বতৰত প্ৰতিপক্ষৰ শিবিৰত আঘাত হানিব পৰা শক্তি আছে ৰাফেলৰ। তদুপৰি ইয়াক সহজতে ৰাডাৰে নিৰ্ণয় কৰিব নোৱাৰে। সাত হাজাৰ তিনি কিলোমিটাৰ পথ অতিক্ৰমৰ পাছত ৰাফেলে ভাৰতত পদাৰ্পণ কৰাৰ লগে লগে ভাৰতীয় বায়ুসেনাৰ ইতিহাসত সংযোজিত হʼল— এক নতুন অধ্যায়। ফ্ৰান্সৰ পৰা ৩৬ খন ৰাফেল বিমান ক্ৰয়ৰ বাবে ভাৰত চৰকাৰে ২০১৬ চনত ফ্ৰান্স চৰকাৰৰ সʼতে এক চুক্তি সম্পাদিত কৰিছিল। ৫৯ হাজাৰ কোটি টকাৰ চুক্তি সম্পাদন হোৱাক লৈ ভাৰতত কংগ্ৰেছে বিতৰ্কৰ সূত্ৰপাত ঘটাইছিল। আনকি এই চুক্তিৰ সকলো দিশ ৰাজহুৱা কৰিব লাগে বুলি কংগ্ৰেছে উচ্চতম ন্যায়ালয়ত গোচৰ তৰিছিল। পিছে উচ্চতম ন্যায়ালয়ে দেশৰ সুৰক্ষাৰ স্বাৰ্থৰ চুক্তিখনৰ সকলো দিশ ৰাজহুৱা কৰিব নোৱাৰে বুলি ব্যাখ্যা আগবঢ়োৱাৰ পাছত ভাৰতে ফ্ৰান্সৰ পৰা ৩৬ খন ৰাফেল যুদ্ধ বিমান ক্ৰয়ৰ পথ প্ৰশস্ত হয়। ২০২২ৰ ভিতৰত ভাৰত আন ৩১ খন যুদ্ধ বিমান পৰ্যায়ক্ৰমে লাভ কৰিব।

জল, স্থল আৰু আকাশ মাৰ্গত ভাৰতে শক্তিশালী ৰূপত অৱতীৰ্ণ হʼবলৈ যি ব্যৱস্থা গ্ৰহণ কৰিছে— সেয়া এতিয়া ভাৰতৰ চুবুৰীয়া দেশকেইখনৰ বাবে মূৰৰ কামোৰণি হৈ পৰিছে। চীনে জে- ২০ যুদ্ধ বিমান পঞ্চম প্ৰজন্মৰ পুলি দাবী কৰিলেও বিশেষজ্ঞৰ মতে চীনে ভাৰতৰ মনোবল ভাঙিবলৈ এনেদৰে মন্তব্য কৰিছে। কাৰণ যদিও জে- ২০ পঞ্চম প্ৰজন্মৰ যুদ্ধ বিমান— তথাপি ৰাফেলৰ শক্তি ইয়াতকৈ যথেষ্ট বেছি। কাৰণ এইখন বিমানে প্ৰতি ঘণ্টাত ১,৩৮৯ কিলোমিটাৰ গতিত উৰিব পাৰে। ৯,৯৭৯ কিলোগ্ৰাম ওজনৰ বিমানখন ফ্ৰান্সৰ ডেছল্ট এভিয়েচনে এনেদৰে নিৰ্মাণ কৰিছে যে যিকোনো বতৰতে ই উৰিব পাৰে। তদুপৰি যিকোনো স্থানতে ইয়াৰ গতি কৰিব পৰা কৌশল সংযুক্ত কৰা হৈছে। এই বিমানখন ২৪.৫ টন যুদ্ধৰ অস্ত্ৰ বহন কৰিব

পাৰে। ইয়াৰ তুলনাত এফ- ১৬ যুদ্ধ বিমানখনৰ বহন ক্ষমতা ২১.৭ টন। অতি সম্প্ৰতি চীন আৰু পাকিস্তানৰ হাতত ৰাফেলৰ সমকক্ষ যুদ্ধ বিমান নথকাত দুয়োখন দেশে এতিয়া ভাৰতক বিপদত পেলাবলৈ উঠি-পৰি লাগিছে। ৰাফেলৰ উপস্থিতিয়ে উদ্বিগ্ন কৰিছে চীনক। চীনে ৰাছিয়াৰ পৰা এছ্- ৪০০ ভূ-ভাগৰ পৰা আকাশলৈ নিক্ষেপ কৰিব পৰা মিছাইল ছিষ্টেম ক্ৰয়ৰ বাবে চেষ্টা চলাই যদিও অৱশেষত চীনে ভৱিষ্যতে ইয়াৰ অপপ্ৰয়োগ কৰাৰ আশংকাত ৰাছিয়াই এই চুক্তি অগ্ৰাহ্য কৰিছে। গতিকে এতিয়া চীনৰ ৰাফেলক লৈ মূৰৰ কামোৰণি নোহোৱাকৈ নিশ্চয় নাথাকে। এয়াই ৰাফেলৰ শক্তি। ভাৰতেও কিয় ইমান দিনে ৰাফেল ক্ৰয়ৰ চেষ্টা অব্যাহত ৰাখিছিল— সেয়া একাংশ ভাৰতীয়ই নুবুজিলেও এতিয়া পিছে চুবুৰীয়া ৰাষ্ট্ৰই বুজিছে ভাৰতৰ শক্তি তথা কূটনৈতিক কৌশলৰ কথা।

# ৰাষ্ট্ৰীয় টিভি চেনেলবোৰ সুশান্তমুখী
## দেশৰ গুৰুত্বপূৰ্ণ বিষয়ক আওকাণ

A good news paper is a nation talking itself. এখন ভাল কাকতে এটা জাতিৰ বিষয়ে কথা কয়। তদুপৰি এখন বাতৰি কাকত কিমান শক্তিশালী হ'ব পাৰে তাৰ উদাহৰণ অলেখ পোৱা যায়। মহামানৱ মহাত্মা গান্ধীয়ে ১৯৩৩ চনত 'হৰিজন' নামৰ কাকতখন প্ৰকাশ কৰিছিল। সেই সময়ত খুব কমসংখ্যকহে প্ৰকাশ কৰিছিল। সংখ্যাত কম হ'লেও এই কাকতখনে সমগ্ৰ দেশতে আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল। প্ৰথমতে ইংৰাজীত প্ৰকাশ কৰিছিল যদিও পৰৱৰ্তী সময়ত গুজৰাটীত 'হৰিজন বন্ধু' আৰু হিন্দীত 'হৰিজন সেৱক' প্ৰকাশ কৰিছিল। মহাত্মা গান্ধীয়ে ইয়াৰ পূৰ্বে ১৯১৯ৰ পৰা ১৯৩১ চনলৈকে প্ৰকাশ কৰিছিল 'ইয়ং ইণ্ডিয়া' নামৰ সাপ্তাহিক কাকত এখন। এই দুয়োখন কাকত সংখ্যাত কম প্ৰকাশ কৰিছিল যদিও সমগ্ৰ বিশ্বকে কঁপাই তুলিবলৈ সক্ষম হৈছিল। সংখ্যাত কিমান প্ৰকাশ কৰিছে সেইটো ডাঙৰ কথা নহয়, সবাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল প্ৰকাশিত কাকতখনে জনসাধাৰণৰ মাজত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছে। কাকত এখনত প্ৰকাশিত বাতৰিয়েহে কাকতখনৰ গুৰুত্ব নিৰূপণ কৰে। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো সলনি হ'ল। কাকতৰ সমানেই গুৰুত্ব লাভ

কৰিলে বৈদ্যুতিন মাধ্যমে। বিশ্বৰ আন ঠাইৰ লগতে ভাৰততো এতিয়া বৈদ্যুতিন মাধ্যমেহে দৈনিক কাকতৰ তুলনাত পাঠক তথা দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হৈছে।

সংবাদ মাধ্যম হ'ল সমাজৰ দাপোণ স্বৰূপ। সমাজৰ প্ৰতিটো জাতি-জনগোষ্ঠী, ধনী-দুখীয়াকে আদি কৰি সকলোৰে সূক্ষ্ম বিষয় তথা সমস্যাসমূহ উপযুক্তভাৱে উপস্থাপন কৰাটোৱে সংবাদ মাধ্যমৰ একমাত্ৰ লক্ষ্য তথা উদ্দেশ্য। কাৰণ দৃশ্য-শ্ৰব্য মাধ্যমসমূহৰ জৰিয়তে সমাজৰ প্ৰতিটো ঘটনা, উপঘটনা, সমস্যা আদি সুন্দৰভাৱে ব্যাখ্যা কৰিব পাৰি। ৰাইজৰ মনৰ কথা প্ৰকাশ আৰু প্ৰচাৰৰ মাধ্যমটোৱেই হ'ল— সংবাদ মাধ্যম। গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ বাবে সকলোৰে এই মাধ্যমটোৰ ওপৰত আছে অগাধ বিশ্বাস। পিছে কিছুমান সাংবাদিকৰ কৰ্মকাণ্ডই যেন এতিয়া সকলো সলনি কৰিছে। বিশেষকৈ টিভি আদিৰ ভূমিকাই প্ৰায়ভাগ দৰ্শককে অতিষ্ঠ কৰি তুলিছে। ৰাষ্ট্ৰীয় সংবাদ মাধ্যমসমূহে সদায় দেশৰ প্ৰধান সমস্যাসমূহৰ বিষয়ে বাতৰি পৰিৱেশন কৰে। পিছে অতি সম্প্ৰতি প্ৰায়ভাগ ৰাষ্ট্ৰীয় পৰ্যায়ৰ টিভি চেনেলে এটা বিষয়ক লৈ পুৱাৰে পৰা নিশালৈকে বাতৰি পৰিৱেশন কৰি আছে। অভিনেতা সুশান্ত সিং ৰাজপুতৰ আত্মহত্যাক লৈ বিগত কে'বামাহ ধৰি বাতৰি পৰিৱেশন কৰি অহাৰ পাছত হঠাতে যেন ৰাষ্ট্ৰীয় পৰ্যায়ৰ একাংশ টিভি চেনেল ইমানেই আক্ৰমণাত্মক হৈ পৰিছে। ভাব হয়— কোনো এখন ৰাজ্যই আন এখন ৰাজ্যৰ বিৰুদ্ধে বিদ্ৰোহহে কৰিছে। অভিনেতাজনৰ আত্মহত্যাৰ ঘটনাৰ তদন্তৰ বিষয়ে চেনেলসমূহে বাতৰি পৰিৱেশন কৰক। এয়া আদৰণীয় বিষয়। পিছে পুৱাৰে পৰা নিশালৈকে যি ধৰণে প্ৰচাৰ চলাব ধৰিছে সেয়া দেখিলে দৰ্শকৰ মনত এনে এটা ভাব হয় যেন ভাৰতত আন কোনো সমস্যাই নোহোৱা হৈছে। এনে কৰাৰ ফলত সংবাদ মাধ্যমৰ নিৰপেক্ষ ভূমিকাতো বহুতে সন্দেহ প্ৰকাশ কৰিবলৈ লৈছে।

টিভি চেনেলসমূহে বাতৰি পৰিৱেশনৰ ক্ষেত্ৰত সদায় সতৰ্কতা অৱলম্বন কৰা উচিত। কাৰণ একেটা বাতৰিকে যেতিয়া দিনে-নিশাই পৰিৱেশন কৰি থাকে, তেতিয়া দৰ্শকে আন বিষয়সমূহৰ পৰা বঞ্চিত হ'বলগীয়া হয়। সুশান্ত সিং ৰাজপুতৰ মৃত্যুক লৈ এতিয়া যেন বিহাৰ-মহাৰাষ্ট্ৰৰ মাজত শীতল যুদ্ধহে

চলিছে। মুম্বাই আৰক্ষীয়ে প্ৰথমতে বিহাৰ আৰক্ষীক ঘটনাৰ তদন্ত কৰাত সহায়-সহযোগ কৰাৰ পৰিৱৰ্তে বিহাৰৰ পৰা তদন্তৰ বাবে অহা আৰক্ষীৰ শীৰ্ষ বিষয়াক কোৱাৰেণ্টাইনহে কৰিলে। মুম্বাই আৰক্ষীৰ ওপৰত তেতিয়াই মানুহৰ সন্দেহ ঘণীভূত হ'ল। প্ৰকৃত ঘটনাক অন্য ৰূপ দিবলৈ চেষ্টা কৰা যেন ছবি এখন ফুটি উঠাৰ লগে লগে ইয়াক লৈ চৰ্চা নোহোৱাকৈ থকা নাই। বিহাৰ আৰক্ষী৷ আঁকোৰগোজ মনোভাবে কাম কৰিবলৈ ধৰিলে। অৱশেষত বিবাদৰ অন্ত পেলাবলৈ সমাধান সূত্ৰ হিচাপে দায়িত্ব চি বি আইক অৰ্পণ কৰা হ'ল। ইয়াৰ পাছতে একাংশ ৰাষ্ট্ৰীয় সংবাদ মাধ্যমৰ একমাত্ৰ লক্ষ্য হৈ পৰিল তদন্তৰ বাতৰি। এই বাতৰিটোৱে আনকি দেশত নিতৌ শ শ লোক ক'ৰোনাত আক্ৰান্ত হৈ মৃত্যুৰ মুখত পৰাৰ লগতে কৃষকৰ সমস্যা আদিও নিষ্প্ৰভ হৈ পৰিছে। ভাৰত-চীনৰ মাজত সৃষ্টি হোৱা উত্তেজনাৰ বাতৰিও এতিয়া একাংশ চেনেলৰ বাবে গৌণ হৈ পৰিল। দীৰ্ঘদিনীয়া তলাবন্ধৰ পৰৱৰ্তী সময়ত প্ৰায়ভাগ লোকে সন্মুখীন হোৱা সমস্যাসমূহো এতিয়া ৰাজপুতৰ আত্মহত্যাৰ তদন্তৰ বাতৰিতকৈ কম গুৰুত্বপূৰ্ণ হোৱাটোৱে কোটি কোটি ভাৰতীয় লোকৰ মনত আঘাত কৰা নাইনে? সদায় লঘোনে থাকি কোনো লোকে হৰি-কীৰ্ত্তন কৰি থাকিব নোৱাৰে। গুৰুত্বপূৰ্ণ সকলো বাতৰিয়েই নিৰপেক্ষভাৱে প্ৰচাৰ হ'ব লাগে। যিকোনো বিষয় এটা যেতিয়া চকুৰ সন্মুখত অনবৰতে প্ৰচাৰ হৈ থাকে তেতিয়া দৰ্শকে লাহে লাহে উক্ত বিষয়টোৰ ওপৰত গুৰুত্ব প্ৰদান নকৰিবলৈ ধৰে। পেটৰ ভোকত থকা কোটি কোটি মানুহৰ বাবে ক'ৰবাত এটা ইতিবাচক বাতৰি পঢ়িব বা টিভিৰ পৰ্দাত ভাহি উঠিলে আশাৰ ৰেঙনি দেখিবলৈ পায়। অতি সম্প্ৰতি মানুহবোৰ ক'ৰোনাক লৈ আতংকৃত হৈ আছে। বহুতো লোক মানসিকভাৱে ভাগি পৰিছে। বহুতো কৃষকে ঋণৰ বোজাৰ পৰা কেনেদৰে মুক্তি পাব পাৰে সেয়া চিন্তা কৰি আছে। গতিকে ভাৰতৰ সন্মুখত দেখা দিয়া প্ৰত্যাহ্বান, দেশবাসীৰ সংকটকালত ঘটি থকা ঘটনাপ্ৰবাহ প্ৰচাৰ কৰাতহে সকলোবোৰ টিভি চেনেলে গুৰুত্ব প্ৰদান কৰক।

# মাস্ক পৰিধান নকৰা ব্যক্তিৰ জৰিমনা বৃদ্ধি কৰক

ক'ৰোনা অতিমাৰীৰ আক্ৰমণৰ পৰা পৰিত্ৰাণৰ উপায় হিচাপে স্বাস্থ্য বিভাগ তথা বিশ্ব স্বাস্থ্য সংস্থাই কিছুমান নীতি-নিৰ্দেশনা নিধাৰণ কৰিছে। ক'ৰোনাৰ প্ৰতিষেধক বা ঔষধ উপলব্ধ নোহোৱালৈকে ইয়াৰ আক্ৰমণৰ পৰা পৰিত্ৰাণ পাবলৈ এইবোৰ স্বাস্থ্যবিধি মানি চলিবই লাগিব। কাৰণ ইয়াৰ ব্যতিক্ৰম হ'লেই আক্ৰমণৰ আশংকা বৃদ্ধি পায়। এই স্বাস্থ্যবিধিৰ অন্যতম হ'ল মুখত মাস্ক পৰিধান কৰা। সমগ্ৰ বিশ্বতে এই মাস্ক পৰিধানৰ বিষয়ে সজাগতা অৱলম্বনৰ বিষয়ে প্ৰচাৰ চলোৱা হৈছে। ইয়াৰ পাছতো একাংশ লোকে মাস্ক পৰিধান নকৰাৰ মানসিকতাই গা কৰি উঠিছে। এই লোকসকলে কোনো কাৰণতে মাস্ক ব্যৱহাৰ কৰিব নোখোজে নিজৰ মতলবত। তেওঁলোকে নিজৰ কথাতো বাদেই— পৰিয়ালৰ আন সদস্যসকলৰ সুৰক্ষাৰ কথাও নাভাবে। এনে অবিবেচক তথা কাণ্ডজ্ঞানহীন লোকৰ বাবে এতিয়া ক'ৰোনা ভাইৰাছে গণসংক্ৰমণৰ ৰূপ ধাৰণ কৰিছে। এতিয়াও সময় আছে এনে ধৰণৰ মানসিকতাসম্পন্ন লোকক নিয়ন্ত্ৰণ কৰাটো।

যেতিয়া কোনো এটা বিষয় সজাগতা বা আহ্বানেৰে নিয়ন্ত্ৰণ কৰাটো সম্ভৱ নহয়, তেতিয়া সেইবোৰ নিয়ন্ত্ৰণৰ বাবে প্ৰয়োজন জৰিমনাৰ। যেতিয়া

চৰকাৰে বা স্বাস্থ্য বিভাগে বান্ধি দিয়া নিয়ম কোনো এজন ব্যক্তিয়ে ভংগ কৰে তেতিয়া তেনে লোকৰ বিৰুদ্ধে আইনী ব্যৱস্থা কৰা উচিত। অসমতো কিছুমান লোকে মুখত মাস্ক পৰিধান নকৰা লোকৰ সংখ্যা কম নহ'ব। কিছুমানে মাস্কখন লগত ৰাখিও পৰিধান নকৰে। একাংশই আকৌ এনেয়ে মুখত বা কাণত আঁৰি থৈ দিয়ে। সাধাৰণতে আৰক্ষী বা প্ৰশাসনৰ লোকক দেখিলে জৰিমনাৰ ভয়তে বহুতো লোকে মাস্কখন পিন্ধে। পিছে গাৰ ওচৰেদি পাৰ হ'লে অথবা তালাচী চলোৱা ঠাইখিনি অতিক্ৰম কৰাৰ পাছতে মাস্কখন খুলি লয়। একাংশ লোকে নিৰ্দিষ্ট স্থানত আৰক্ষী ৰৈ থাকে বুলি জানি সেই ঠাইখিনি পাবলৈ ধৰাৰ সময়তে মাস্ক পিন্ধে। তেওঁলোকে জৰিমনা ভৰিব লগাৰ ভয়তহে পিন্ধে। পিছে মাস্ক পৰিধান কৰাটো বা নকৰিলে অৰ্থ ভৰিবলগীয়া বিষয়টোৰ স'তে আৰক্ষীৰ সম্পৰ্ক নাই। মাথোঁ ক'ৰোনা ভাইৰাছ প্ৰতিৰোধৰ বাবেহে অতিকৈ গুৰুত্বপূৰ্ণ বিষয় হিচাপে মাস্ক পৰিধান কৰাটোক গণ্য কৰা হয়। মানুহক যিহেতু সজাগতা সৃষ্টিৰ দ্বাৰাও সতৰ্ক কৰিব পৰা নাই অথবা কিছুমানে বুজিবলৈ চেষ্টাও নকৰে। সেইবাবে মাস্ক পৰিধান কৰাটো বাধ্যতামূলক। যিসকলে এই আইন ভংগ কৰে তেওঁলোকক জৰিমনাৰ পৰিমাণ বেছি হোৱা উচিত। এতিয়া মাস্ক পৰিধান নকৰিলে পাঁচশ টকা জৰিমনা বিহা হয়। পাঁচশ টকা ভৰিব লাগিব বুলি জনাৰ পাছতো একাংশ লোকে বিষয়টো গুৰুত্বসহকাৰে গ্ৰহণ কৰা নাই। তেওঁলোকে পাঁচশ টকা জৰিমনা বিহিও অনুতপ্ত নহয়। বৰং পাঁচশ টকা জৰিমনা বিহাৰ পাছত ক'ৰবাত যুদ্ধ জয় কৰি অহাৰ দৰেহে বীৰদৰ্পে খোজ কাঢ়ি বা বাহনত উঠি যায়। সেইবাবে এনেধৰণৰ লোকক নাকী লগাবলৈ জৰিমনাৰ পৰিমাণ এবাৰত দুই-তিনি হাজাৰ টকা কৰিব লাগে। কাৰণ দিনটোৰ ভিতৰত যেতিয়া এজন ব্যক্তিয়ে দুই-তিনিবাৰকৈ এনেধৰণৰ জৰিমনা ভৰিবলগীয়া হ'ব, তেতিয়াহে উপলব্ধি কৰিব পাৰিব আইন ভংগ কৰাটো কেনেধৰণৰ গুৰুতৰ অপৰাধ। জৰিমনাৰ পৰিমাণ কম হ'লে কিছুমানে গুৰুত্বই নিদিয়ে। অথচ জৰিমনাৰ পৰিমাণ বৃদ্ধি পালে তেনে লোকে নিয়ম মানি চলাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে।

সকলো ঠাইতে আৰক্ষীয়ে এনেদৰে মাস্ক পৰিধান নকৰা লোকক জৰিমনা বিহিবলৈ ৰৈ থকাটো সম্ভৱ নহয়। কাৰণ ৰাজ্যখনত এনেয়ে

প্ৰয়োজনতকৈ বহু পৰিমাণে কম আছে আৰক্ষী। গতিকে এনেধৰণৰ কামৰ দায়িত্ব পৰিচালনা কৰিবলৈ কিছুমানে বিশেষ সংগঠন বা বেচৰকাৰী প্ৰতিষ্ঠানৰ ওপৰত ন্যস্ত কৰিব লাগে। এনেধৰণৰ সংগঠন বা বেচৰকাৰী প্ৰতিষ্ঠানক পৰিচয়পত্ৰ প্ৰদান কৰি মাস্ক আদি পৰিধান নকৰা লোকৰ পৰা জৰিমনা বিহা অৰ্থ সংগ্ৰহৰ দায়িত্ব প্ৰদান কৰিলে নিশ্চয় বহু পৰিমাণে সফল হ'ব পাৰিব। কেৱল এঠাইত (নিৰ্দিষ্ট ঠাইত) তালাচী চলাই থাকিলে মানুহে সেই ঠাইখিনিতহে মাস্ক পৰিধান কৰিব। যেতিয়া য'তে-ত'তে এনেদৰে সাধাৰণ পোছাকত থকা লোকে (দায়িত্বপ্ৰাপ্ত) জৰিমনা বিহিবলৈ আৰম্ভ কৰিব তেতিয়া সকলোৰে মাস্ক পৰিধান কৰাৰ অভ্যাসে গঢ় লৈ উঠিব। তদুপৰি আৰক্ষীয়েও সাধাৰণ পোছাক মাজে মাজে তালাচী চলালেও নিয়ম ভংগকাৰী শ'লঠেকত পৰিব। এইবোৰ সফল হ'বলৈ জনসাধাৰণো সজাগ হ'ব লাগিব। কাৰণ জনসাধাৰণে সহযোগ নকৰিলে আইন কাৰ্যকৰী কৰাটো সম্ভৱ নহয়।

# মহিলাৰ সুৰক্ষা কৱচ হ'ল 'তিনি তালাক' আইন

সামাজিক ন্যায়, অধিকাৰ সুৰক্ষিত আৰু সামাজিক প্ৰগতিৰ স্বাৰ্থতে প্ৰণয়ন কৰা হয় আইন-কানুন। সমাজত সকলো লোককে সমান অধিকাৰ প্ৰদান, সম মৰ্যাদা আৰু শান্তিৰে জীয়াই থকাৰ ক্ষেত্ৰত যিবোৰ উপাদানে বিশেষ ভূমিকা গ্ৰহণ কৰে সেইবোৰৰ ভিতৰত অন্যতম হ'ল আইন। সময়ৰ পৰিৱৰ্তনৰ লগে লগে নিয়ম-কানুনৰো পৰিৱৰ্তন প্ৰয়োজন। আগতে ৰজা-মহাৰজাসকলে মন্ত্ৰী পৰিষদৰদ্বাৰা অথবা নিজেই কিছুমান নিয়ম-কানুন বান্ধি দিছিল। সেইবোৰ অমান্য কৰিলে অমান্যকাৰীৰ শাস্তি নিশ্চিত। সময়ৰ লগে লগে মানুহৰ দৃষ্টিভংগীৰো পৰিৱৰ্তন হ'ল। সেইবাবে আগৰ কিছুমান নিয়ম তথা আইনৰ পৰিৱৰ্তনৰ সপক্ষে ঢৌ উঠিল। অৱশ্যে এনে ঢৌৰৰ সমান্তৰালভাৱে বিৰোধিতা কৰা লোকৰো সংখ্যা কম নহ'ব।

বিগত সময়ছোৱাত 'তিনি তালাক'ক লৈ বহুতো ধুমুহাৰ সৃষ্টি হ'ল। এচামে 'তিনি তালাক'ক সমৰ্থন কৰাৰ বিপৰীতে আন একাংশই ইয়াৰ বিপক্ষে যুক্তি আগবঢ়াই আহিছে। এই বিতৰ্কৰ মাজতে অৱশেষত গৃহীত হ'ল 'তিনি তালাক' বিধেয়কখন। কেন্দ্ৰত বিজেপি চৰকাৰ অধিষ্ঠিত হোৱাৰ পাছতে বহুতে এই বিষয়ত এখন আইন প্ৰণয়ন কৰাৰ দাবী উত্থাপন কৰে। বিগত কে'বাবছৰ ধৰি সদনৰ মজিয়াত তিনি তালাক আইনক লৈ বিতৰ্ক চলি থকাৰ মাজতে শেহতীয়াভাৱে উক্ত বিধেয়কখন ৰাজ্যসভাত গৃহীত হোৱাৰ লগে

লগে মুছলমান মহিলাৰ অধিকাৰৰ সুৰক্ষাৰ ক্ষেত্ৰত এক ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰা হ'ল। এতিয়া আৰু কোনোৱে ইচ্ছা গ'লেই 'তালাক, তালাক, তালাক' বুলি কৈয়ে পত্নীৰ স'তে বিচ্ছেদ ঘটাব নোৱাৰে। এই আইনখন প্ৰণয়নৰ আগলৈকে মুছলমান ধৰ্মাৱলম্বী পুৰুষসকলে বিবাহ বিচ্ছেদৰ ক্ষেত্ৰত একপক্ষীয় সিদ্ধান্ত গ্ৰহণ কৰিব পাৰিছিল। যেতিয়াই ইচ্ছা যায় তেতিয়াই পত্নীক 'তালাক' দিব পাৰিছিল। সেইবাবে বহুতো মুছলমান মহিলাই শংকাৰে দিন অতিবাহিত কৰিবলগীয়া হৈছিল। আনকি বহুতে 'তালাক'ক অমোঘ অস্ত্ৰ হিচাপে লৈ শোষণ, নিৰ্যাতন চলোৱাৰ ঘটনাও সংঘটিত কৰি আহিছে। কিছুমানে এনে নিৰ্যাতন নীৰৱে সহ্য কৰে আন কিছুমানে ইয়াৰ তীব্ৰ প্ৰতিবাদ কৰে। অৱশ্যে প্ৰতিবাদ জনালেও এসময়ত এনে লোকক এনেদৰে মেৰপেছত বান্ধি লোৱা হয় যে তাৰপৰা উদ্ধাৰ পোৱাটো সম্ভৱ নহয়।

'তিনি তালাক' আইনে মহিলাসকলক সামাজিকভাৱে আৰু অধিক সুৰক্ষা প্ৰদান কৰিলে। ঘৰুৱা ক্ষেত্ৰতো শক্তিশালী স্থিতিত উপনীত হ'ল। যি সময়ত সমগ্ৰ বিশ্বতে পুৰুষ-মহিলাৰ সম অধিকাৰক লৈ সৰৱ চৰ্চা হৈ আছে আৰু আন্দোলন চলি আছে, তেনে সময়ত ভাৰতত 'তিনি তালাক' নিষিদ্ধ আইন প্ৰণয়ন হোৱাটোৱে এই আন্দোলনক ইতিবাচক দিশত আগবঢ়াত সহায় কৰিলে। আধুনিক সমাজ ব্যৱস্থাত পুৰুষ-নাৰীৰ সম অধিকাৰৰ কথা কোৱা হৈছে। প্ৰতিটো ক্ষেত্ৰতেই এই অধিকাৰক লৈ চৰ্চা চলিছে। ইয়াৰ মাজতে আকৌ বিভিন্ন দেশত ধৰ্মীয় নীতি-নিয়ম তথা সামাজিক নিয়মক গইনা হিচাপে লৈ মহিলাসকলক এক নিৰ্দিষ্ট পৰিধিৰ মাজত আবদ্ধ কৰি ৰাখিবলৈ বিচৰা হৈছে। কেৱল মুছলমানসকলৰ মাজতে নহয়, আন ধৰ্মৰ ক্ষেত্ৰতো একেই ছবি ফুটি উঠিছে। আজিও বহু মন্দিৰত মহিলাৰ প্ৰৱেশ নিষিদ্ধ। কিছুমান সামাজিক কামত মহিলাক অংশগ্ৰহণৰ পৰা বিৰত ৰখা হৈছে। সত্ৰত মহিলাৰ প্ৰৱেশ নিষিদ্ধ আদি কাৰ্যও আধুনিক সমাজখনৰ বাবে গ্ৰহণযোগ্য হ'ব নোৱাৰে। এইবোৰৰ দ্বাৰাও মহিলাসকলৰ অধিকাৰ খৰ্ব কৰা হৈছে। অৱশ্যে এইবোৰৰ তুলনাত 'তিনি তালাক' বিষয়টো পৃথক দৃষ্টিভংগীৰে বিশ্লেষণ কৰিব লাগিব। 'তালাক' শব্দটোৰ স'তে বহুতৰ জীৱনৰ কথাটো সাঙোৰ খাই আছে। বিচ্ছেদ আইনী প্ৰক্ৰিয়াৰে হ'লে মহিলাগৰাকীৰ জীৱনৰ

বিভিন্ন দিশ আদালতে বিচাৰ-খোঁচাৰ কৰি চাব। জীৱনটো যাতে কেতিয়াও অসুৰক্ষিত নহয় সেইবোৰ দিশ চালি-জাৰি চাইহে বিচ্ছেদ হ'ব পাৰিব নে নোৱাৰে আদালতে সিদ্ধান্ত গ্ৰহণ কৰে। তদুপৰি বিচ্ছেদৰ সময়ত মহিলাগৰাকীক চলিব পৰাকৈ ভৰণ-পোষণ দিয়াটোত আদালতে সদায় গুৰুত্ব প্ৰদান কৰি আহিছে। তদুপৰি কোনোবাই বিচ্ছেদ কৰিব বিচাৰিলে সেই ক্ষেত্ৰত সবল যুক্তি আৰু তথ্য আদালতৰ মজিয়াত উপস্থাপন কৰিবই লাগিব। আদালতে এইবোৰ বিচাৰ কৰিহে সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াকে নকৰি কেৱল 'তালাক, তালাক, তালাক' বুলি ক'লেই বিচ্ছেদ হোৱাটো যুক্তিসংগত বুলি ক'ব নোৱাৰি। এহেজাৰ বছৰ আগৰ সমাজখনৰ কথা সুকীয়া আছিল। তেতিয়াৰ দৃষ্টিভংগীৰে যদি 'তিনি তালাক'ক সমৰ্থন কৰা হয় তেতিয়াহ'লে মহিলাসকলৰ প্ৰতি অন্যায় কৰা হ'ব। 'তিনি তালাক'ৰ দ্বাৰা বিচ্ছেদ হোৱাৰ প্ৰক্ৰিয়া চলি থাকিলে মহিলাসকলে সমাজত সদায় তৃতীয় শ্ৰেণীৰ মহিলাৰ দৰে জীৱন-যাপন কৰিয়েই থাকিব লাগিব। জীৱন সম্পৰ্কে সিদ্ধান্ত গ্ৰহণ কৰিব পৰা যিকোনো বিষয় 'তিনি তালাকে'ৰে প্ৰত্যক্ষ বা পৰোক্ষভাৱে ব্যাঘাত জন্মাই আহিছিল। পুৰুষে মুছলমান মহিলাক এতিয়া আৰু পণ্য সামগ্ৰীৰ দৰে ব্যৱহাৰ কৰিব নোৱাৰিব। আগতে বহুতো মুছলমান মহিলাই নজনাকৈয়ে স্বামীয়ে 'তিনি তালাকে'ৰে পতি-পত্নীৰ সম্পৰ্ক ছেদ কৰিছিল। কোনো কথাত বেয়া পালে, বিচৰা ধন, সামগ্ৰী আদি নাপালেই পোনচাটে 'তালাক' দিছিল। কিছুমানে আকৌ নতুনকৈ বিয়া কৰোৱা অথবা আনৰ স'তে অবৈধ সম্পৰ্ক গঢ়ি উঠিলে, যদি পত্নীয়ে ইয়াৰ প্ৰতিবাদ জনায় তেতিয়াও 'তালাক' দিয়ে স্বামীয়ে পত্নীক স্বামীগৃহৰ পৰা উলিয়াই দিছিল। এতিয়া অন্ততঃ এনেবোৰ কাম কৰাৰ আগতে স্বামীয়ে এশবাৰ ভাবি লাগিব। কাৰণ আইন অমান্য মানে দণ্ড। কাৰাগাৰৰ মাজত অতিবাহিত কৰিব লাগিব জীৱন। 'তিনি তালাক' আইনে মুছলমান মহিলাসকলক এতিয়া স্বামীৰ তাৎক্ষণিক বিচ্ছেদৰ সিদ্ধান্ত গ্ৰহণ বাধা দিব। বিচ্ছেদ হ'ব লাগিব সম্পূৰ্ণ আইনী প্ৰক্ৰিয়াৰে। সকলো মহিলাই পাওক সম অধিকাৰ। এটা শংকামুক্ত জীৱন লৈ আগবাঢ়ক উন্নতিৰ জখলাত। সামাজিক ক্ষেত্ৰত সম অধিকাৰেৰে মহিলাসকলৰ ওঠত বিৰিঙি উঠক হাঁহি।

# ভাৰতৰ বিৰুদ্ধে পাক সেনা-সন্ত্ৰাসবাদীৰ যুঁজৰ অন্ত কেতিয়া ?

পুনৰ ৰক্তাক্ত হ'ল ভাৰত। ভাৰতীয় জোৱানৰ তেজেৰে আকৌ এবাৰ ফাঁকু খেলিলে পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদী সংগঠনে। জইছ-ই-মহম্মদ নামৰ সন্ত্ৰাসবাদী সংগঠনটোৱে ভাৰতীয় জোৱানৰ তেজেৰে ফাঁকু খেলি আকৌ এবাৰ প্ৰমাণ কৰিলে পাকিস্তানৰ পৰা চলাই থকা সন্ত্ৰাসবাদী কাৰ্যকলাপৰ। যিটো সংগঠনৰ মুৰব্বীক সমগ্ৰ বিশ্বৰ লগতে ৰাষ্ট্ৰসংঘই বিশ্বৰ দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী হিচাপে ঘোষণা কৰিবলৈ পাকিস্তানক হেঁচা প্ৰয়োগ কৰি আহিছে সেইটো সংগঠনৰ দ্বাৰাই ভাৰতক অহৰহ অশান্ত কৰিবলৈ চেষ্টা চলাই থকা হৈছে। এই কাৰ্যত পাকিস্তানে যে পৰোক্ষভাৱে ইন্ধন যোগাই আহিছে তাত কাৰো সন্দেহ নাই। কাৰণ জইছ-ই-মহম্মদৰ মুৰব্বী মাছুদ আজাহাৰক আজিলৈকে পাকিস্তানে নিষিদ্ধ ঘোষণা কৰা নাই। পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনক নিষিদ্ধ কৰিব নোৱাৰাৰো কাৰণ আছে। বিশ্ববাসীয়ে এইবুলি বিশ্বাস কৰাৰ লগতে ভাৰতেও অভিযোগ কৰি আহিছে যে পাকিস্তান চৰকাৰৰ বহুতো মন্ত্ৰী-বিধায়ক, সাংসদৰ সন্ত্ৰাসবাদী সংগঠনেৰে সম্পৰ্ক আছে। আনকি বহুতে সন্ত্ৰাসবাদী

সংগঠনৰ ধনেৰে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বুলিও সততে অভিযোগ উত্থাপিত হৈ আহিছে। এটা কথা ঠিক যে সন্ত্ৰাসবাদ দমনৰ ক্ষেত্ৰত পাকিস্তানে সদায় দুমুখীয়া নীতি গ্ৰহণ কৰি অহা বাবে এতিয়া এই দেশখনক বিশ্বৰ দুই-এখন দেশৰ বাহিৰে আন কোনো দেশেই বিশ্বাসত নলয় অথবা ল'বলৈ টান পায়। ভাৰতত ইমান এটা ডাঙৰ ঘটনা সংঘটিত হোৱাৰ পাছতো পাকিস্তানে কিন্তু সন্ত্ৰাসবাদৰ বিৰুদ্ধে মাত মতা নাই। পাকিস্তানত চৰকাৰ সলনি হ'লেও সন্ত্ৰাসবাদক সমৰ্থন কৰা নীতি আজিলৈকে পৰিৱৰ্তন নহ'ল।

১৪ ফেব্ৰুৱাৰীত সমগ্ৰ বিশ্বতে প্ৰেমৰ দিন পালন কৰি থকাৰ সময়তে জম্মু-কাশ্মীৰৰ পুলৱামাৰ অৱন্তিপুৰাত চিআৰপি বাহিনীৰ এটা বিশাল কনভয়, য'ত ৭৮খন গাড়ী একেলগে গৈ আছিল তাত সন্ত্ৰাসবাদী সংগঠনটোৰ সদস্যই কাৰ বোমাৰে আক্ৰমণ কৰাত কমেও ৪৪ জন জোৱানৰ মৃত্যু হয়। আহত হয় বহুতো। সন্ত্ৰাসবাদীয়ে মহিন্দ্ৰা স্ক'ৰপিঅ' এখনত ৩৫০ কিলোগ্ৰামৰো অধিক বিস্ফোৰক পদাৰ্থ মজুত কৰি চিআৰপিএফৰ ওপৰত আক্ৰমণ চলায়। সফল হ'ল পাক মদদপুষ্ট সন্ত্ৰাসবাদী সংগঠনটোৰ লক্ষ্য। উল্লেখ্য যে ২০১৬ চনত জম্মু-কাশ্মীৰৰ উৰিৰ এক সেনা শিৱিৰত সন্ত্ৰাসবাদীয়ে আক্ৰমণ চলোৱা ঘটনাৰ পাছত এইটো হ'ল সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত কৰা সৰ্বাতোকৈ ভয়াৱহ আক্ৰমণ। এই আক্ৰমণত অসমৰ তামুলপুৰৰ মনেশ্বৰ বসুমতাৰী নামৰ এজন জোৱানৰ মৃত্যু হোৱাৰ লগতে আন কে'বাজনো অসমৰ যুৱক (জোৱান) গুৰুতৰভাৱে আহত হয়।

সৰ্বাটোকৈ ডাঙৰ কথা হৈ পৰিছে যে পাকিস্তানত থকা সন্ত্ৰাসবাদী সংগঠনসমূহে কাশ্মীৰৰ স্থানীয় যুৱক-যুৱতী, পৰিয়ালক ব্যৱহাৰ কৰাটো। ইয়াৰ বিনিময়ত সন্ত্ৰাসবাদী সংগঠনসমূহে যুৱক-যুৱতী অথবা তেওঁলোকৰ পৰিয়ালক বৃহৎ পৰিমাণৰ অৰ্থ অথবা অন্য ধৰণে প্ৰৰোচিত কৰে। জইছ-ই-মহম্মদৰ সদস্য আদিল আহমদ ডৰ নামৰ স্থানীয় যুৱকজনৰ প্ৰকাশিত এটা ভিডিঅ'ৰ পৰাই এই কথাটো স্পষ্ট হৈ পৰিছে যে সন্ত্ৰাসবাদীসকলে এতিয়া স্থানীয় যুৱকৰ দ্বাৰা সন্ত্ৰাস বিয়পোৱাৰ চেষ্টা কৌশলেৰে চলাই আছে। কেতিয়াবা যদি ভয়-ভাবুকিৰে আন কেতিয়াবা ধন, নাৰীৰ লোভেৰে আকৰ্ষণ কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। তদুপৰি এইক্ষেত্ৰত কাশ্মীৰৰ বিচ্ছিন্নতাবাদী

নেতাসকলৰ ভূমিকাও সন্দেহজনক। বিচ্ছিন্নতাবাদী নেতাসকলে ভাৰতৰ ভূখণ্ডত থাকি ইয়াৰে বায়ু-পানী সেৱন কৰি পাকিস্তানৰ জয়গান কৰি আছে। আনকি স্থানীয় লোকসকলকো ভাৰতীয় সেনাৰ বিৰুদ্ধে প্ৰৰোচিত কৰা দেখা যায়। কাশ্মীৰৰ বিভিন্ন ঠাইত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত বিচ্ছিন্নতাবাদীৰ উচটনিত একাংশ লোকে সেনাক বাধা দিয়া, সেনালৈ লক্ষ্য কৰি শিলগুটি-ইটা আদি দলিওৱা কাৰ্যই এই কথাকে প্ৰমাণ কৰিছে। আনকি সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত সন্ত্ৰাসবাদীৰ দ্বাৰা আহত হোৱাৰ পৰিৱৰ্তে স্থানীয় উগ্ৰ পাক সমৰ্থকৰ শিলগুটিৰ আক্ৰমণ আদিতহে গুৰুতৰভাৱে আহত হোৱা দেখা যায়। জম্মু-কাশ্মীৰৰ বহুতো পিতৃ-মাতৃয়ে আনকি সন্ত্ৰাসবাদী কাৰ্যকলাপ চলোৱাতহে উচটনি দি আহিছে। আদিল নামৰ জইচ-ই-মহম্মদৰ সদস্যজনে এই সন্ত্ৰাসবাদী সংগঠনটোৰ হৈ কাম কৰিবলৈ আৰু কিয় যোগদান কৰিছিল তাৰ যি ব্যাখ্যা আগবঢ়াইছে সেয়া কিমান সত্য সকলোৰে জানে। ভাৰতীয় সেনাই পুত্ৰক আতিশয্য চলোৱা বাবে এবছৰ পূৰ্বে পুত্ৰই জইচ-ই-মহম্মদত যোগদান কৰা বুলি উল্লেখ কৰিলেও সেয়া যুক্তিসংগত হ'ব নোৱাৰে। ইয়াৰ প্ৰতিবাদ কৰাৰ অন্য পথো নিশ্চয় আছিল। তাকে নকৰি পাকিস্তানৰ দ্বাৰা লালিত-পালিত জইচ-ই-মহম্মদ নামৰ সন্ত্ৰাসবাদী সংগঠনত যোগদান কৰিলে কিয়? পিতৃয়ে যদি জানিবই পাৰিছিল তেতিয়াহ'লে তেওঁক বাধা দিব নোৱাৰিলে কিয়, সেয়া এক লাখটকীয়া প্ৰশ্ন।

কাশ্মীৰী পণ্ডিতসকলক হত্যা কৰি তেওঁলোকৰ সা-সম্পত্তিৰ লগতে মাটি-বাৰী দখল কৰা লোকসকলে এতিয়া পৰোক্ষভাৱে সন্ত্ৰাসবাদীক সহায় কৰি আহিছে। এই পৰিয়ালসমূহ বিচ্ছিন্নতাবাদী নেতাসকলৰ দ্বাৰাই পৰিচালিত হয়। আনকি সন্ত্ৰাসবাদীক থাকিবলৈ দিয়া, ভাত খুউওৱা আদি কথা এতিয়া সকলোৰে জ্ঞাত। সেইবাবে সন্ত্ৰাসবাদীয়ে এতিয়া ভয়াৱহ আক্ৰমণ চলাবলৈ সুযোগ লাভ কৰিছে। উৰিৰ পাছত পুলৱামাৰ আক্ৰমণে এই কথাকে প্ৰমাণ কৰিছে যে পাক সন্ত্ৰাসবাদীসকলৰ এতিয়া আটাইতকৈ সুৰক্ষিত আৰু পৰিকল্পনা সফল কৰাৰ স্থান হৈ পৰিছে জম্মু-কাশ্মীৰ। যদিহে স্থানীয় লোকে সন্ত্ৰাসবাদীক থাকিবলৈ বা ঘটনা সংঘটিত কৰিবলৈ সুবিধা দিয়ে তেতিয়াহ'লে সেই

পৰিকল্পনা সেনাই ব্যৰ্থ কৰাটো সহজ নহয়। সন্ত্ৰাসবাদীৰ বিৰুদ্ধে স্থানীয় লোকসকলেও প্ৰতিবাদ কৰিব লাগিব। নহ'লে এনেদৰে ভাৰতে সেনা-জোৱানসকলক হেৰুৱাই থাকিবই লাগিব।

হিন্দুস্থানক বৃটিছে দ্বিখণ্ডিত কৰাৰ পাছৰে পৰাই পাকিস্তানে সদায় ভাৰত বিৰোধী স্থিতি গ্ৰহণ কৰি আহিছে। ভাৰতে পাকিস্তানক সদায় উদাৰ দৃষ্টিৰে চাই আহি সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিবলৈ আহ্বান জনাই আহিছে। তিনিবাৰকৈ ভাৰতীয় সেনাৰ হাতত পৰাজিত হোৱাৰ পাছতো লজ্জাবোধ কৰা নাই পাকিস্তানে। ভাৰতৰ হাতত সকলো ক্ষেত্ৰতে পৰাজিত হোৱাৰ পোটক যুদ্ধৰে তুলিব নোৱাৰি এতিয়া সন্ত্ৰাসবাদী সংগঠনেৰে বাস্তৱায়িত কৰিবলৈ পাকিস্তানে অহৰহ চেষ্টা চলাই আছে। পাকিস্তানতে এসময়ত সুৰক্ষিত হৈ আছিল মহম্মদ বিন লাডেনৰ দৰে দুৰ্ধৰ্ষ সন্ত্ৰাসবাদী। তেতিয়াও লাডেন পাকিস্তানত নথকা বুলি চৰকাৰে দাবী কৰিছিল। অথচ এদিন আমেৰিকাৰ সেনাই পাকিস্তানতেই হত্যা কৰি লাডেনৰ মৃতদেহ লৈ গৈ সাগৰৰ তলিত সমাধিস্থ কৰিছিল। এতিয়াও আজাহাৰ মামুদ, হাফিজৰ দৰে সন্ত্ৰাসবাদীক পাকিস্তান চৰকাৰে ৰাজ আতিথ্য দি আছে। পাকিস্তানে যেতিয়ালৈকে দুমুখীয়া নীতি বাদ নিদিয়ে তেতিয়ালৈকে ভাৰতীয় লোকৰ তেজেৰে ফাকু খেলি থাকিব সন্ত্ৰাসবাদী অথবা পাকিস্তানী সেনাই। ভাৰত-পাক সীমান্তৰ পৰা ভাৰতীয় সেনাক অপহৰণ কৰি নৃশংসভাৱে পাকিস্তানী সেনাই হত্যা কৰা ঘটনা বিগত সময়ত কে'বাবাৰো সংঘটিত হৈ আহিছে। কাৰ্গিলত পাক সেনাৰ পোছাকত যুঁজিছিল সন্ত্ৰাসবাদীয়ে। ভাৰতৰ বিৰুদ্ধে পাকিস্তানৰ ষড়যন্ত্ৰ কেতিয়া বন্ধ হ'ব? যিমানেই কাশ্মীৰ দখলৰ বাবে পাকিস্তানে চেষ্টা নকৰক কিয় ভাৰতীয় সেনা, কোটি কোটি ভাৰতীয়ই ইয়াক সফল হ'বলৈ নিদিয়ে। ৪০ গৰাকী নহয়, ৪০ লাখ সেনায়ো প্ৰাণ আহুতি দিবলৈ সাজু হৈ আছে। বিশ্বৰ মানচিত্ৰৰ পৰা এঘৰীয়া হৈ থকাৰ পাছতো লজ্জাবোধ কৰা নাই পাকিস্তানে। সন্ত্ৰাসবাদীয়ে যেন এতিয়া হৈ পৰিছে পাকিস্তানৰ আত্মা, চালিকা শক্তি।

# মৃত্যু দেখিও শংকিত নহয় বীৰ ছহিদ পৰিয়াল

জম্মু-কাশ্মীৰৰ পুলৱামাত সন্ত্ৰাসবাদীয়ে ভয়াৱহ আক্ৰমণ চলোৱাৰ পাছত উক্ত ঘটনাত জড়িত সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান চলোৱাৰ সময়ত নিহত হয় সেনাৰ মেজৰ বিভূতি শংকৰ ধৌনদয়াল। আন চাৰিগৰাকী সতীৰ্থৰ স'তে প্ৰাণ বিসৰ্জন দিয়া মেজৰ ধৌনদয়ালৰ কফিনৰ সন্মুখত পত্নীয়ে চিঞৰি উঠিছিল— "জয় হিন্দ, জয় হিন্দ, জয় হিন্দ, আই লাভ ইউ বিভূ, উই লাভ ইউ।" চলচ্চিত্ৰৰ দৃশ্যৰ দৰে হ'লেও এয়া এক বাস্তৱ কাহিনী। দেশমাতৃক বিপদৰ সময়ত সহায় কৰিবলৈ স্বামীয়ে প্ৰাণ দিয়াৰ পাছতো 'জয় হিন্দ' ধ্বনিৰে সেনা জোৱানক আগুৱাই যোৱাৰ সাহস যোগোৱা এইগৰাকী মহিলাই হ'ল প্ৰকৃতাৰ্থত দেশপ্ৰেমিক।

পুলৱামাৰ ঘটনাৰ দুদিন পাছতে ৰাজৌৰী জিলাৰ নৌচেৰাত এল অ' চিৰ ভাৰতৰ ভূখণ্ডত আই ই ডি বিস্ফোৰণত প্ৰাণ হেৰুৱালে সেনা বিষয়া চিত্ৰেশ সিং বিষ্টে। উত্তৰাখণ্ডৰ ডেৰাডুনৰ ৩১ বছৰীয়া সেনা বিষয়াজনৰ অহা মাৰ্চত বিয়া ঠিক হৈছিল। বোমা নিষ্ক্ৰিয় কৰা বিশেষজ্ঞ হিচাপে পৰিচিত বিষ্টৰ ঘৰখনত আছে মাথোঁ পিতৃ-মাতৃ। উগ্ৰপন্থীয়ে স্থাপন কৰা আই ই ডিৰ

সন্ধান লাভৰ পাছতে এইজন বিষয়াই উক্ত স্থানত বিস্ফোৰক নিষ্ক্ৰিয় কৰিবলৈ উপস্থিত হয়। এটা আইইডি সফলতাৰে নিষ্ক্ৰিয় কৰাৰ পাছত আন এটা নিষ্ক্ৰিয় কৰিবলৈ চেষ্টা কৰাৰ সময়তে বোমাটো সক্ৰিয় হোৱাত বিস্ফোৰণ ঘটি বিষয়াজনৰ মৃত্যু ঘটে। বিয়ালৈ মাত্ৰ কেইদিনমান থকা অৱস্থাতে বিষয়াজনৰ মৃত্যু হ'ল। দেশৰ বাবে যিদিনা সেনা বাহিনীত যোগ দিছিল সিদিনা হয়তো সপোনতো ভবা নাছিল এনে এখন ছবি। জীৱনৰ এটা নতুন অধ্যায়ৰ আৰম্ভণি কৰি পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙাবলৈ আগবঢ়াৰ সময়তে বিষ্টে দেশৰ হকে প্ৰাণ দিবলগীয়া হ'ল। কৰ্তব্যৰ প্ৰতি দেশৰ সেনা জোৱানসকল কিমান নিষ্ঠাবান সেয়া তেওঁলোকৰ কাৰ্যৰ দ্বাৰাই প্ৰতিফলিত হয়। বিয়াৰ দিন ঠিক হৈছিল বিষ্টৰ। আন দহজনৰ দৰে উত্তৰাখণ্ডৰ এই যুৱকজনেও জীৱন সংগীক আপোন কৰি লোৱাৰ সপোন দেখিছিল। বিয়াক লৈ ৰঙীন সপোন দেখি থকাৰ সময়তো দেশক বিপদকালত উদ্ধাৰ কৰিবলৈ সাজু আছিল তেওঁ। জীৱনৰ সকলো সুখ-হাঁহি জলাঞ্জলি দি হ'লেও আই মাতৃক ৰক্ষাৰ বাবে জীৱনটো উচৰ্গা কৰি অমৰ হৈ ৰ'ল বিষ্ট। সন্মুখত মৃত্যু দেখিও শংকিত হোৱা নাছিল। এফালে বিয়াৰ সপোন আৰু আনফালে জীৱনৰ সংশয় থকা সত্ত্বেও দেশক ৰক্ষা কৰিবলৈ লোৱা পণৰ মাজত বিষ্টে দেশৰ হকে মৰিবলৈ আগবাঢ়িব কুণ্ঠাবোধ নকৰিলে। বহুতে হয়তো বিয়া সন্মুখত থাকিলে জীৱনৰ সংশয় থকা কামত আগবাঢ়ি নগ'লহেঁতেন। পিছে সেনাৰ মনত নাথাকে কোনো ভয়, শংকা। দুচকুত ভাহি থাকে শত্ৰুৰ শিবিৰ তথা শত্ৰু নিধনৰ এখন ছবি। অদম্য সাহস বুকুত বান্ধি কাশ্মীৰ সীমান্তত দেশৰ বাবে অতন্দ্ৰ প্ৰহৰী হৈ থকা সেনা জোৱানসকলৰ যেন পদে পদে বিপদ। অৱশ্যে তেওঁলোকে এই বিপদৰ মাজত থাকিও বিচলিত নহয় নিজ কৰ্তব্যৰ প্ৰতি। নিজৰ নিজৰ পৰিয়ালক দেশৰ হাতত গতাই দি ১৩০ কোটি জনগণক ৰক্ষাৰ বাবে ওলাই অহা সেনা জোৱানসকলৰ কথা আমি কেতিয়াবা ভাবি চাওঁ জানো? কেৱল বিপদৰ সময়তহে তেওঁলোকক স্মৰণ কৰোঁ।

বিয়াৰ এবছৰ পাছতেই সন্ত্ৰাসবাদীৰ বিৰুদ্ধে জীৱন আহুতি দিয়া মেজৰ ধৌনদয়ালৰ পত্নীকো দেশবাসীয়ে জনাব লাগে চেল্যুট। কাৰণ বিয়াৰ এবছৰ পাছতে স্বামীক যুদ্ধত হেৰুওৱাৰ পাছতো বিচলিত হোৱা নাই। স্বামীৰ মৃতদেহ

প্ৰত্যক্ষ কৰি কিছু সময়ৰ বাবে শিল পৰা কপৌৰ দৰে হৈছিল যদিও অলপ পাছতে চিঞৰি উঠিল— জয় হিন্দ। ব্যক্তিগত সুখতকৈও দেশক বিপদৰ সময়ত আপোনজনক আগবঢ়াই দি গৌৰৱবোধ কৰা মহিলাৰ আজি ভাৰতত অভাৱ নাই। কোনোবাই যদি পুত্ৰক হেৰুৱাইছে, আন কোনোবাই আকৌ হেৰুৱাইছে পিতৃ, স্বামী, প্ৰেমিক, ভাইটিক। তথাপি দুখৰ মাজতো তেওঁলোকে গৌৰৱবোধ কৰি দেশক প্ৰতিৰক্ষাৰ ক্ষেত্ৰত আৰু এখোপ আগুৱাই যাবলৈ সাহস দিছে। সেনা জোৱানক প্ৰেৰণা দিছে— মৃত্যুৱে সন্মুখত দেখা দিলেও দেশমাতৃৰ বাবে নৰবা থমকি। আৰু আগুৱাই যোৱা। আমি শোকাতুৰ নহয়, দেশ প্ৰেমিক। কাপুৰুষক প্ৰত্যুত্তৰ দিয়া। আমি সদায় তোমালোকৰ ওচৰতেই আছোঁ। তোমালোক এই পৃথিৱীৰ পৰা দেশ মাতৃৰ বাবে বিদায় ল'লেও দেশবাসীৰ নয়নৰ মণি হৈ ৰ'বা। যিদিনালৈকে ভাৰতৰ ভূখণ্ড থাকিব, সিদিনালৈকে দেশৰ মাটিৰ প্ৰতিটো ধূলিকণাই চিঞৰি চিঞৰি ক'ব তোমালোকৰ বীৰত্বৰ কথা। তোমালোকৰ বীৰত্বৰ কাহিনীয়ে উদ্বুদ্ধ কৰিব নৱ প্ৰজন্মক। ভৱিষ্যতে ৰক্ষা হ'ব ভাৰতৰ সাৰ্বভৌমত্ব।

# চন্দ্ৰ অভিযান ব্যৰ্থ হ'লেও সফল বিজ্ঞানী

চন্দ্ৰপৃষ্ঠলৈ মাত্ৰ ২.১ কিলোমিটাৰ দূৰত্ব থকা অৱস্থাতে থমকি ৰ'ল ভাৰতৰ চন্দ্ৰ জয় অভিযান। দীৰ্ঘদিনীয়া প্ৰতীক্ষা আৰু উৎকণ্ঠাৰ অন্ত পৰিল ইছৰ'ৰ স'তে চন্দ্ৰযান- ২ৰ লেণ্ডাৰ বিক্ৰমৰ। কিছুসময়ৰ বাবে স্তব্ধ হৈ পৰিল ১৩৩ কোটি ভাৰতীয়। সকলোৱে ভাবিছিল ব্যৰ্থতা। পিছে ব্যৰ্থ নহ'ল, কাৰণ বিজ্ঞানত ব্যৰ্থতা বুলি কোনো কথা নাই। আছে পৰীক্ষা-নিৰীক্ষাৰ অন্তত লাভ কৰা সাফল্যৰ ঢৌ। চন্দ্ৰৰ বুকুত চন্দ্ৰযান-২ লেণ্ডাৰ বিক্ৰমে খোজ দিবলৈ উপক্ৰম হোৱাৰ সময়তে ইছৰ'ৰ স'তে যোগাযোগ বিচ্ছিন্ন হোৱাৰ পাছত সকলোৱে ব্যৰ্থ বুলি ভাবিলেও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিজ্ঞানীসকলক যোগোৱা সাহস আৰু কাৰ্যই প্ৰমাণ কৰিলে বিপদৰ সময়ত দেশৰ নেতৃত্ববহনকাৰী নেতা এগৰাকীয়ে ল'বলগীয়া ভূমিকাৰ কথা। বিজ্ঞানসকলক ভাঙি নপৰিবলৈ প্ৰধানমন্ত্ৰী মোদীয়ে যি উৎসাহ, প্ৰেৰণা আৰু সাহস যোগালে সেয়া নজিৰবিহীন। শোকত ভাগি পৰা ইছৰ'ৰ মুৰব্বী ড° কে শিৱানে নিজৰ আবেগ ধৰি ৰাখিব নোৱৰাৰ সময়তে পিঠিত থপৰিয়াই সাহস যোগালে। ব্যৰ্থতাৰ মাজতো যেন সফল হোৱাৰ কিৰণ দেখা পালে ইছৰ'ৰ বিজ্ঞানীসকলে। ইছৰ'ৰ বিজ্ঞানীসকলক সম্বোধন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে মুম্বাইলৈ ৰাওনা হোৱাৰ সময়ত ইছৰ'ৰ মুৰব্বীজনে প্ৰধানমন্ত্ৰীক বিদায় দিয়াৰ সময়ত উচুপি উঠোতে মোদীয়ে তেওঁক ডিঙিত সাবটি ধৰি সান্ত্বনা দিয়া দৃশ্যই সকলোৰে দৃষ্টি আকৰ্ষণ কৰিলে। এয়াও এক বিৰল মুহূৰ্ত। কাৰণ ইয়াৰ পূৰ্বে কোনো এগৰাকী ভাৰতৰ প্ৰধানমন্ত্ৰীয়ে বিজ্ঞানীসকলক সান্ত্বনা দিয়াৰ নজিৰ নাই। বিজ্ঞানত পৰীক্ষা-নিৰীক্ষা থাকিবই। এই মহাকাশ বিজ্ঞানীসকলেই বিভিন্ন ক্ষেত্ৰত সাফল্য অৰ্জন কৰি ভাৰতক গৌৰৱান্বিত

কৰিছে। প্ৰথমবাৰ চন্দ্ৰ অভিযানত সফল হৈছিল ইছৰ’। ভাৰতৰ ত্ৰিৰংগা জোনবাইৰ বুকুত উৰুৱাবলৈ সক্ষম হোৱা ইছৰ’ৰ দ্বিতীয় অভিযানত লক্ষ্যস্থানত উপনীত হোৱাৰ মাত্ৰ ২.১ কিলোমিটাৰ দূৰত্বত সংযোগ হেৰুৱালেও ৯০ শতাংশ সফল হৈছিল। চন্দ্ৰৰ দক্ষিণ মেৰুত যান অৱতৰণ কৰাটো তেনেই কঠিন বুলি ইতিমধ্যে ইছৰ’ৱেও উল্লেখ কৰিছে। গতিকে ভাৰতৰ এই অভিযান সম্পূৰ্ণৰূপে ব্যৰ্থ হোৱা নাই। মাথোঁ শীৰ্ষবিন্দুতহে অৱতৰণ কৰিব নোৱাৰিলে। সেইবাবে প্ৰধানমন্ত্ৰী মোদীয়ে বিজ্ঞানীসকলৰ মনোবল ভাঙি দিয়া নাই। বৰং বিজ্ঞানীসকল দেশৰ গৌৰৱ বুলি উল্লেখ কৰি আগুৱাই যাবলৈকেহে আহ্বান জনাইছে। প্ৰধানমন্ত্ৰী মোদীয়ে নিজেই এসময়ত ষ্টেচনত চাহ বিক্ৰী কৰি আজিৰ এই পৰ্যায়ত উপনীত হৈছে। সেইবাবে তেওঁ সফলতা-বিফলতাৰ মাজত থকা ব্যৱধান ভালদৰে উপলবদ্ধি কৰিব পাৰে। যিসময়ত ৯০ শতাংশ দেশে চন্দ্ৰত ভৰি দিয়াৰ বাবে সপোন ৰচনা কৰিছে সেই সময়ত ভাৰতে আন এক সফলতাৰ দিশে আগবাঢ়ি গৈছে। মোদীয়ে জীৱনত কেতিয়াও নিৰাশাক প্ৰশ্ৰয় দিয়া নাই। আশাক সাৰথি কৰিয়ে তেওঁ সফলতাৰ দিশে আগবাঢ়িছে। যিসময়ত বিশ্বৰ বহুতো দেশে মহাকাশ গৱেষণা কেন্দ্ৰ স্থাপন কৰাৰ কথা ভাবিব পৰা নাই সেই সময়ত ভাৰতে জোনবাইৰ বুকুত দ্বিতীয়বাৰৰ বাবে অভিযান চলাইছে। চন্দ্ৰ অভিযান-২ৰ বিফলতাৰ সময়ত ইছৰ’ৰ ওচৰত সকলোৱে থিয় দিছে। সাহস যোগাইছে। নতুন উদ্যমেৰে কাম কৰিবলৈ দেশবাসীয়ে বিজ্ঞানীসকলক সাহস যোগাইছে। কাৰণ দেশৰ প্ৰধানমন্ত্ৰীয়েই এই আহ্বানৰ গুৰি ধৰিছে। প্ৰধানমন্ত্ৰী মোদী ইছৰ’ৰ মুৰব্বীক সাবটি ধৰি এটা কথা স্পষ্ট কৰি দিলে যে দেশক নেতৃত্ব দিয়া ব্যক্তি হিচাপে ভাৰতৰ প্ৰতিটো সফলতা-বিফলতাৰ সমানেই অংশীদাৰ। যদি ভাৰতৰ সফলতাত প্ৰধানমন্ত্ৰীৰ পৰিকল্পনাক কৃতিত্ব দিয়া যায়, তেন্তে বিফলতাৰ সময়তো ইতিবাচক লক্ষ্যৰে পৰৱৰ্তী সময়ত আগ বাঢ়ি যাবলৈ উৎসাহ, প্ৰেৰণা, মনোবল যোগোৱাতো প্ৰধানমন্ত্ৰীৰেই কৰ্তব্য। সেয়া মোদীয়ে উপলব্ধি কৰিছে আৰু সদায় কৰিও থাকিব। ইয়াত নাই কোনো ৰাজনীতিৰ প্ৰলেপ। আছে মাথোঁ দেশক মহাকাশৰ বুকুত, জোনবাই, মঙল গ্ৰহত চলোৱা অভিযান, অভিজ্ঞতাৰ শব্দ। এই শব্দই এদিন ভাৰতক দিব সফলতাৰ শীৰ্ষস্থান।

# পেঞ্চনপ্ৰাপ্ত শিল্পী-সাহিত্যিকক প্ৰয়োজন বিশেষ সম্বৰ্ধনাৰ

সমাজৰ এনে কিছু লোক আছে যিসকলে কৰ্মব্যস্ততাৰ মাজতো ব্ৰতী হৈ আছে সাহিত্য-সংস্কৃতিৰ স'তে। কিছুমান লোকে নিৰস কামত ব্যস্ত থকাৰ মাজতো সাহিত্য-সংস্কৃতি জগতখনৰ স'তে ওতপ্ৰোতভাৱে জড়িত থাকে। এওঁলোকে ব্যস্ততাৰ মাজতে অলপ হ'লেও সময় উলিয়াই লয়। কিছুমানে এয়া ৰাইজৰ মাজত প্ৰচাৰ কৰে আৰু আন একাংশই নীৰৱে ব্যস্ত থাকে। এয়া নিৰ্ভৰ কৰে ব্যক্তিগৰাকীৰ ব্যক্তিত্বৰ ওপৰত। সি যি নহওক, এই লোকসকলক যথোপযুক্তভাৱে সন্মান প্ৰদৰ্শন কৰা উচিত। প্ৰতিবছৰে চৰকাৰে শিল্পী-সাহিত্যিকক পেঞ্চন প্ৰদান কৰি আহিছে। কিছুমানক এককালীন আৰু আন কিছুমানক মাহিলি পেঞ্চন প্ৰদান কৰাৰ দ্বাৰা তেওঁলোকৰ অৱদানক স্বীকৃতি দিছে। এইসকলৰ ভিতৰত কিছুমানক অৰ্থৰ প্ৰয়োজন আৰু আন কিছুমানে ইয়াৰ প্ৰয়োজনবোধ নকৰে। তথাপি এটা কথা ঠিক যে কাৰোবাক পেঞ্চনৰপৰা ধনৰ প্ৰয়োজন হওক বা নহওক কোনো কথা নাই, আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল স্বীকৃতি। সকলোকে লাগে স্বীকৃতি। কাৰণ স্বীকৃতি অবিহনে কোনোৱে বিশেষ প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰে। কিছুমানে স্বীকৃতি লাভ কৰিবলৈ আগবাঢ়ি আহে আৰু কিছুমানে নাহে। দুয়োটাৰে যুক্তি থাকে। কিছুমান লোকে লেখি ভাল পায় বাবে ৰচনা কৰে। তেওঁৰ অৰ্থৰ প্ৰয়োজন হ'বও পাৰে অথবা নহ'বও পাৰে। এনে লোকৰ ভিতৰত প্ৰায়ভাগেই আৰ্থিকভাৱে স্বচ্ছল। আন কিছুমান থাকে যিসকলক ৰচনাৰ লগতে প্ৰয়োজন অৰ্থৰ। অৰ্থাৎ তেওঁলোকক ইমানেই অৰ্থৰ প্ৰয়োজন যে বেচি দিনলৈকে

ৰ'বই নোৱাৰে। স্বীকৃতিতকৈও অৰ্থৰ প্ৰয়োজনসকলৰ বাবে এটা পেঞ্চনৰ খুবেই দৰকাৰ। পিছে কিছুমানক কেৱল স্বীকৃতিহে লাগে। স্বীকৃতি লাভ কৰিলে সেই লোকসকলে পৰৱৰ্তী সময়ত লিখাৰ বাবে উৎসাহ পাব আৰু তেওঁৰ সৃষ্টিক যে আনে গ্ৰহণ কৰিছে সেই বিষয়েও অনুভৱ কৰিব পাৰিব। চৰকাৰী চাকৰিয়ালসকলে যিহেতু অৱসৰৰ পাচত পেঞ্চন লাভ কৰে গতিকে তেওঁলোকক দুটাকৈ পেঞ্চন দিয়াটো সম্ভৱ নহয়। প্ৰয়োজনো নাই। চাকৰিয়াল সাহিত্যিক, সাংস্কৃতিক জগতখনৰ স'তে জড়িত লোকসকলক তেওঁলোকে আগবঢ়োৱা অৱদানৰ বাবে পেঞ্চন নহয়, সম্বৰ্ধনা জনোৱাৰ ব্যৱস্থা কৰিব লাগে। বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ আয়োজন কৰি এনে সাহিত্যিক, শিল্পীসকলক সম্বৰ্ধনা জ্ঞাপন কৰিলেও তেওঁলোকক সন্মান জনোৱা হ'ব। চাকৰিয়াল হ'ল বুলি যে তেওঁলোকৰ অন্যক্ষেত্ৰৰ অৱদানক আওকান কৰিব তেনে নহয়, সমানেই গুৰুত্ব প্ৰদান কৰিব লাগিব। কিছুমান সাহিত্যিক-শিল্পীয়ে চাকৰিৰপৰা অৱসৰ গ্ৰহণৰ পাচতো তেওঁলোক সৃষ্টিকৰ্মৰ স'তে জড়িত হৈ আছে। ইতিমধ্যে তেওঁলোকৰ বেছিভাগেই চৰকাৰৰপৰা পেঞ্চনো পাইছে। এওঁলোকে দ্বিতীয়বাৰ পেঞ্চন কোনোপধ্যেই লাভ কৰিব নোৱাৰে। সেইবাবে এনে লোকৰ বাবে বিশেষ সম্বৰ্ধনাৰ প্ৰয়োজন। মানপত্ৰ, স্মাৰক আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰিলেই যথেষ্ট। চৰকাৰে এনেধৰণৰ বিশেষ সম্বৰ্ধনাৰ ব্যৱস্থা কৰিব নোৱাৰেনে? যদিহে কৰে তেন্তে ই হ'ব এক ইতিবাচক পদক্ষেপ। এনেধৰণৰ পদক্ষেপে সকলোকে সহায় কৰিব আৰু এই ক্ষেত্ৰ দুখনৰ উন্নয়নতো সহায়ক হ'ব। বহুতো সাহিত্যিক-শিল্পীয়ে স্বীকৃতি লাভ নকৰাকৈয়ে এই সংসাৰৰপৰা বিদায় লৈছে। তেওঁলোকৰ বাবে প্ৰতিবন্ধক আছিল চৰকাৰী পেঞ্চন। গতিকে দুয়োকূলে ৰক্ষা হওক। তেওঁলোক চৰকাৰৰ দ্বাৰা সম্বৰ্ধিত হওক আৰু স্বীকৃতিও সমানেই লাভ কৰক।

চৰকাৰে শিল্পী-সাহিত্যিককৈ পেঞ্চন আগবঢ়োৱাটো আদৰণীয় পদক্ষেপ। প্ৰকৃত আৰু উপযুক্ত শিল্পী-সাহিত্যিকে এনে সুযোগ লাভ কৰিলে ইয়াৰপৰা সকলোৰে সুফল লাভ কৰিব পাৰিব। জীৱনৰ অধিক সময় সাহিত্য-সংস্কৃতিৰ বাবে উৎসৰ্গা কৰা লোকসকলে পেঞ্চন লাভ কৰিবলৈ সুযোগ লাভ কৰাটো সৌভাগ্যৰ বিষয়।

# সন্তানৰ প্ৰতি থকা অন্ধ প্ৰেমৰ পৰিণতি

মৰ্মান্তিক। অতি মৰ্মান্তিক ঘটনা এটা সংঘটিত হ'ল শিৱসাগৰত। যিগৰাকী পিতৃ-মাতৃয়ে পুত্ৰৰ মৰমৰ বাবে ঘৰ-সম্পত্তি বিক্ৰী কৰিবলগীয়া পৰিস্থিতিৰ উপৰি সকলো অপমান সহ্য কৰিবলগীয়া হৈছিল সেই পিতৃ-মাতৃকে চৰম অৱহেলা কৰা বাবে আত্মহননৰ পথ বাছি ল'বলৈ বাধ্য হ'ল। সভ্য সমাজক কলংকিত কৰা এই ঘটনাৰ আঁৰৰ প্ৰকৃত কাহিনী কি সেয়া সম্পূৰ্ণৰূপে উন্মোচ নহ'লেও ঘটনাটোৱে অন্ধ পুত্ৰস্নেহৰ পৰিণতি কিমান ভয়াৱহ হ'ব পাৰে তাৰ ছবি এখন ফুটাই তুলিলে। পিতৃ-মাতৃৰ স'তে সন্তানৰ ওতপ্ৰোত সম্পৰ্ক থকাটো স্বাভাৱিক কথা। সন্তান জন্মৰ পাছতে পিতৃ-মাতৃৰ মুখত হাঁহি বিৰিঙি উঠাৰ সময়ত অবোধ শিশুটিৰ চকুত চকুলো বয়। সন্তান এদিন ডাঙৰ-দীঘল হৈ পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ নাম উজলোৱাৰ কামনা কৰি ভগৱানক প্ৰাৰ্থনা জনায়। সন্তানৰ যাতে কেতিয়াও বিপদ নহয় তাৰ বাবে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ মন্দিৰ-মছজিদ-গিৰ্জাত উপস্থিত হয়। নিজে লঘোনে থাকি হ'লেও খুৱায়। ঘৰৰ পৰা ওলাই গ'লে উভতি নহালৈ চিন্তা-ভাবনা কৰি থাকে। সন্তানে কেনেকৈ আছে, কিবা খোৱা-বোৱা

কৰিছে নে নাই ইত্যাদি চিন্তা-ভাবনাতে ব্যস্ত হৈ থাকে। সন্তানৰ মংগলৰ বাবে পিতৃ-মাতৃয়ে যিকোনো ত্যাগ কৰিব পাৰে। অথচ সন্তানে, পিতৃ-মাতৃক বিপদৰ সময়ত মাত দিবলৈ আহৰি নাপায়। উচ্চ শিক্ষাৰে শিক্ষিত হোৱা সন্তানে বুঢ়া বয়সত পিতৃ-মাতৃক বোজা বুলিহে জ্ঞান কৰে। এনে ধৰণৰ সন্তান থাকি কিবা লাভ আছে জানো? নিশ্চয় নাই।

কেইদিনমান পূৰ্বে তেজপুৰত এজন উদণ্ড যুৱকে মাতৃক শিৰশ্ছেদ কৰি কুঁৱাত পেলাই দিয়াৰ আন এক ঘটনা সংঘটিত হৈছিল। শিৱসাগৰ আৰু তেজপুৰৰ ঘটনা দুটাৰ আঁৰৰ কাহিনী বেলেগ হ'লেও দুয়োটা ঘটনাই ভাৰতীয় সমাজৰ পৰিপন্থী। শ্ৰৱণ কুমাৰৰ পিতৃ-মাতৃ ভক্তিৰ কথা নৱ প্ৰজন্মই নাজানে। এইবোৰ ঘটনা নৱ প্ৰজন্মৰ বাবে যেন ইতিহাসৰ পৃষ্ঠাহে।

সন্তানক পিতৃ-মাতৃয়ে মৰম কৰিব লাগে, কিন্তু তাৰ অৰ্থ এইটো নহয় যে অন্ধ প্ৰেমত পৰি সন্তানে কৰা প্ৰতিটো অপকৰ্মক সমৰ্থন কৰিব। সন্তানৰ প্ৰয়োজনীয় সকলোখিনি যোগান ধৰাটো পিতৃ-মাতৃৰ কৰ্তব্য। নহ'লে সন্তানে উন্নতিৰ জখলাত বগাব নোৱাৰিব। সেইবুলি সন্তানে খোজা প্ৰতিটো বস্তুৰে প্ৰয়োজনীয় হয়নে নহয় সেয়া সূক্ষ্ম দৃষ্টিভংগীৰে বিশ্লেষণ কৰি চাব লাগে। সন্তানক কেতিয়াও মাত্ৰাধিক মৰম-চেনেহ কৰিব নালাগে। অগাধ সম্পত্তিৰ অধিকাৰী হ'লেও সৰুৰে পৰা সন্তানক এনে সম্পত্তিৰ অধিকাৰ ভোগ কৰিব দিব নালাগে। ইয়াৰ পৰিবৰ্তে পৰিশ্ৰমেৰে এনে সম্পত্তিৰ অধিকাৰ লাভৰ পথহে প্ৰদৰ্শন কৰিব লাগে।

পিতৃ-মাতৃক অৱহেলা কৰাটো ভাৰতীয় সমাজৰ পৰিপন্থী। যদিও আমাৰ সমাজত এতিয়া প্ৰৌঢ়ালয় বা আশ্ৰয়গৃহৰ ধাৰণাটোৱে গা কৰি উঠিছে তথাপি পিতৃ-মাতৃক বুঢ়া বয়সত বা অসহায় অৱস্থাত চোৱাচিতা কৰাটো সন্তানৰ কৰ্তব্য হিচাপেও গণ্য কৰা হয়। পিতৃ-মাতৃক অৱহেলা কৰা মানে নিজকে চিনি নোপোৱা। কাৰণ সন্তানৰ পৰিচয় পিতৃ-মাতৃতে লুকাই থাকে। কেতিয়াবা কোনো কথাত সন্তানৰ স'তে মনোমালিন্য হ'লেও সেয়া স্থায়ী নহয়। কেই মুহূৰ্তমান পাছতেই আকৌ মিলনো হয়। শিৱসাগৰৰ দম্পতিটোৱে যি পৰিস্থিতিত আত্মহননৰ পথ বাছি ল'বলগীয়া হোৱা বুলি আত্মহত্যাৰ টোকাত উল্লেখ কৰিছে সেয়া সঁচাকৈয়ে বেদনা গধুৰ। সাধাৰণতে এনে ধৰণৰ ঘটনা

চিনেমা অথবা উপন্যাসতহে প্ৰতিফলিত হয়। যিগৰাকী মাতৃয়ে ১০ মাহ ১০ দিন ১০ ভাদ্ৰ গৰ্ভত লৈ এই বিনন্দীয়া পৃথিৱীত খোজ পেলোৱাত সহায় কৰিছে সেইগৰাকী মাতৃয়ে ঔষধৰ বাবে পুত্ৰক এপইচা ভিক্ষা কৰিও নোপোৱা ঘটনাটোৱে আমাৰ সমাজখনত নৱপ্ৰজন্মৰ মাজত আৰম্ভ হোৱা নৈতিক স্খলনৰ ছবিখনহে দাঙি ধৰিলে। এনে ঘটনাৰ কেতিয়াও পুনৰাবৃত্তি নঘটক।

পিতৃ-মাতৃ আৰু সন্তানৰ মাজত ইতিহাসে ঢুকি নোপোৱা দিনৰ পৰা মধুৰ সম্পৰ্ক ৰক্ষা হৈ আহিছে। এইখন সমাজত ৰামচন্দ্ৰৰ পিতৃভক্তিৰ আদৰ্শ প্ৰতিষ্ঠিত হৈছে। মাতৃ কুন্তীৰ সন্মান ৰক্ষাৰ বাবে দিয়া কৰ্ণৰ বলিদান কোনে পাহৰিব? শ্ৰৱণ কুমাৰৰ পিতৃ-মাতৃৰ প্ৰতি প্ৰদৰ্শন কৰা ভক্তিভাবৰ উদাহৰণ আজিও চৰ্চাৰ বিষয় হৈ আছে।

পিতৃ-মাতৃয়ে সন্তানৰ অন্ধস্নেহত আবদ্ধ নহ'ব। মৰম আৰু শাসনৰ মাজেদি জীৱনৰ আদিপাঠ শিকাওক। জীৱন মানে কি বুজিবলৈ দিয়ক। অগাধ সম্পত্তিৰ গৰাকী হ'লেও কপালৰ ঘাম মাটিত পেলাই কৰা পৰিশ্ৰম কি সেয়া উপলব্ধি কৰিবলৈ দিয়া উচিত। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ স'তে মিলা-মিছা কৰিবলৈ সৰুৰে পৰাই শিকাওক। একক পৰিয়ালৰ পৰিৱৰ্তে যৌথ পৰিয়ালৰ গুৰুত্ব, ভাই-ভনীৰ স'তে থকা পবিত্ৰ সম্পৰ্ক আৰু মানুহক ভাল পাবলৈ শিকাৰ মন্ত্ৰ প্ৰতিগৰাকী পিতৃ-মাতৃয়ে সন্তানক শিকাওক। শিকনি দিয়ক সম্পৰ্ক ৰক্ষা অবিহনে জীৱন অসাৰ।

# নিজৰ কৰণীয়

প্ৰত্যেক ব্যক্তিয়ে জীয়াই থাকিবলৈ হ'লে নিজৰ কৰণীয়খিনি কৰিবই লাগিব। আনলৈ ঠেলি দি কাম কৰাৰ মানসিকতা থকা সকলে কেতিয়াও নিজৰ কৰণীয়খিনি কৰিব নোখোজে। এনে লোকৰ পলায়নবাদী মানসিকতাই পিছে জীৱনত যে কু-প্ৰভাৱ পেলাব সেই কথা ভালদৰে ভাবি নাচায়। নিজৰ কৰণীয় বুলি কোৱাৰ লগে লগে প্ৰাত্যহিক জীৱনৰ সকলোখিনি কাৰ্যই অন্তৰ্ভুক্ত হয়। প্ৰত্যেক ব্যক্তিৰে দৈনন্দিন জীৱনত কিছুমান কৰণীয় থাকে। এই কৰণীয়খিনিৰ সমষ্টিয়ে হ'ল জীৱন যুঁজত আগুৱাই যোৱাৰ চালিকা শক্তি। জীৱনৰ সাফল্য-ব্যৰ্থতা ইত্যাদি নিৰ্ভৰ কৰে ব্যক্তিগৰাকীয়ে দৈনন্দিন জীৱনত কৰিবলগীয়া কামখিনি কিমান নিয়াৰিকৈ কৰিছে তাৰ ওপৰত। এদিন বা দুদিনত কৰা কামেৰে জীৱনত সাফল্য অৰ্জন কৰিব নোৱাৰি। এতিয়া কথা হ'ল এই কৰণীয় কামখিনি অকলেই সম্পাদন কৰিব নে আনৰো সহায় ল'ব। এই বিষয়টো নিৰ্ভৰ কৰে ব্যক্তিগৰাকীয়ে সম্পাদন কৰিবলগীয়া কামৰ প্ৰকৃতিৰ ওপৰত। কিছুমান কাম কোনোপধ্যে অকলে সম্পাদন কৰাটো সম্ভৱ নহয়। তেনে কাৰ্য সম্পাদন কৰোঁতে আনৰ পৰামৰ্শ অথবা সহায় লোৱা উচিত। 'মই নিজেই সকলো জানো' বা 'অকল ময়েই সকলোখিনি কাম সম্পাদন কৰিব পাৰিম' তেনে মনোভাব থকা ব্যক্তিসকলে পিছে কেতিয়াও আনৰ পৰা সহায় ল'ব নোখোজে। ফলত জীৱনৰ কোনোবা এঠাইত উজুটি খাবলগীয়া হয়। তেতিয়াহে তেওঁ উপলব্ধি কৰে দৰাচলতে জীৱনৰ কোনখিনি ঠাইত ভুল কৰিলে। অৱশ্যে তেতিয়া আৰু শুধৰণি কৰাৰ কোনো সুযোগ নাথাকে।

প্ৰত্যেক ব্যক্তিৰ জীৱনলৈ একোটা সোণালী সুযোগ আহে। এই সুযোগ

ব্যক্তিগৰাকীয়ে ল'ব পাৰিলে জীৱনত সাফল্য অৰ্জন কৰিব পাৰে। সকলোৱে কিন্তু এনে সুযোগ গ্ৰহণ কৰিব নোৱাৰে। কিছুমানে সন্মুখৰ পৰা সাফল্যই হাত বাউলি মাতি থাকিলেও তাক গ্ৰহণ কৰাৰ পৰিৱৰ্তে পিঠিহে দিয়ে। সুযোগ ধৰি ৰাখিব নোৱাৰি পাছত আপচোচ কৰি লাভ নাই। মনত ৰখা উচিত সময়ৰ শৰ সময়ত মাৰিলেহে পছুৰ মাংস খাব পাৰি। সুযোগ গ্ৰহণ নকৰাটোৱে হ'ল নিজৰ কৰণীয়ৰ প্ৰতি পিঠি দিয়া।

দৈনন্দিন কৰণীয়খিনিৰ কোনো নিৰ্দিষ্ট সংজ্ঞা নাই। সেইবাবে নিজৰ সুবিধা অনুযায়ী কামখিনি কৰা উচিত। আন কোনোবাই কেনেদৰে কৰিছে তাৰ ওপৰত গুৰুত্ব দিয়াতকৈ নিজে কেনেকৈ কৰি কামটো সুচাৰুৰূপে সম্পাদন কৰিব পাৰি তাৰ ওপৰতহে গুৰুত্ব প্ৰদান কৰা উচিত। আৰু এটা কথা ঠিক যে পিছত কামটো কৰিম বুলি কেতিয়াও পেলাই থ'ব নালাগে। পুৱাই উঠিয়েই যদি কামৰ তালিকাখন প্ৰস্তুত কৰি লোৱা হয় তেন্তে কোনোৱে পাছত সময়ৰ অভাৱত এটা কাম সম্পাদন কৰিব নোৱাৰিলে বুলি ক'বলগীয়া নহয়। সময় কাৰোৰে বাবে ৰৈ নাথাকে। অৱহেলাই আকৌ কামৰ গতি মন্থৰ কৰে। সময়ে মন্থৰতাক কেতিয়াও প্ৰশ্ৰয় নিদিয়ে। দিনটোৰ নিৰ্দিষ্ট সময়খিনিৰ ভিতৰত যদি কাৰ্য সম্পাদন কৰিব নোৱাৰি তেতিয়াহ'লে সেইখিনি কাম পিছদিনালৈ থাকি যাব। এনেদৰে এদিন এদিনকৈ কাম বাঢ়ি গৈ এসময়ত ইয়াৰ বোজা ইমানেই বেছি হৈ পৰিব যে কামৰ পৰা পৰিত্ৰাণৰ উপায় নোপোৱা হ'ব। এনেহ'লে জীৱনৰ গতিপথো হঠাতে ৰুদ্ধ হৈ পৰাৰ সম্ভাৱনা বৃদ্ধি পায়।

পিতৃ-মাতৃ অথবা অভিভাৱকে সন্তানক সৰুৰে পৰাই যদি কৰণীয় সম্পৰ্কে বুজনি দিয়ে আৰু ইয়াৰ ইতিবাচক আৰু নেতিবাচক দুয়োটা দিশেই বিশ্লেষণ কৰে তেতিয়াহ'লে সন্তানেও বিষয়টো সহজে বুজি পাব। উপলব্ধি কৰিব পাৰিব দৈনন্দিন কৰণীয় কামখিনি সম্পাদন কৰিলে জীৱনটো কেনেদৰে পৰিচালিত কৰিবলৈ সক্ষম হ'ব। পৰিয়ালৰ জ্যেষ্ঠ সদস্যজনে কেনেদৰে কাৰ্য সম্পাদন কৰে তাৰ ওপৰতো কনিষ্ঠজনৰ মনোভাব নিৰ্ভৰ কৰিব। কথাতে কয় বোলে— 'আগৰ হাল যিফালে যায়, পাছৰ হালো সেইফালে যায়।' এইক্ষেত্ৰত পিতৃ-মাতৃ আৰু অভিভাৱকেই দেখুৱাব পাৰে আদৰ্শ।

# চুলাইৰ বেহা, শতাধিকৰ প্ৰাণ নাশ আৰু ...

গোলাঘাট জিলাত শেহতীয়াভাৱে বিষাক্ত চুলাই সেৱন কৰি শতাধিক লোকে প্ৰাণ হেৰুৱালে। চুলাই সেৱন কৰি মৃত্যু হোৱাৰ ঘটনা এয়াই প্ৰথম নহয়। ইয়াৰ পূৰ্বেও জিলাখনৰ লগতে ৰাজ্যৰ আন ঠাইতো বহুতো লোকে বিষাক্ত চুলাই সেৱনৰ ফলত এতিয়ালৈকে কিমান লোকৰ মৃত্যু হৈছে সেয়া কোনোৱে স্পষ্টকৈ ক'ব নোৱাৰে। কাৰণ এনে 'পানীয়' সেৱনৰ ফলত প্ৰত্যক্ষভাৱে যিমান লোকৰ মৃত্যু হৈছে, পৰোক্ষভাৱে তাতকৈ শতগুণ অধিক লোকে প্ৰাণ হেৰুৱাইছে। প্ৰতিখন গাঁৱৰ লোকে যদি ইয়াৰ হিচাপ স্থানীয়ভাৱে উলিয়ায় তেতিয়াহ'লে তালিকাখনৰ অন্ত নপৰিব। বিভিন্ন কাৰণত গঞাই এনে তালিকা প্ৰস্তুত কৰিব নোৱাৰে। অৱশ্যে এটা কথা ঠিক যে অসমত এতিয়াও এনে কিছু সংখ্যক গাঁও আছে— য'ত সামাজিকভাৱে নিষিদ্ধ কৰা হৈছে চুলাই মদ, বিলাতী সুৰা সেৱন। বিশেষকৈ উৎসৱ-পাৰ্বণ, বিয়া-সবাহ আদিত যদি কোনো লোকে চুলাই অথবা সুৰা সেৱন কৰা বুলি জানিব পাৰে তেতিয়াহ'লে তেওঁক ৰাজহুৱাভাৱে শাস্তি বিহাৰো ব্যৱস্থা আছে। আনকি কিছুমান পৰিয়াল, যি পৰিয়ালত চোৰাংকৈ মদ বিক্ৰী কৰা হয় অথবা প্ৰস্তুত কৰে তেনে পৰিয়ালৰ স'তে সমাজৰ লোকসকলে আহ-যাহ কৰাটো নিষিদ্ধ কৰা আছে।

সোমৰস, মদিৰা, বিলাতী সুৰা, চুলাই মদ আদি কোনো নতুন শব্দ

নহয়। আগতে ৰজা-মহাৰজাই মদিৰা পান কৰিছিল। পাছত এই মদিৰাই সুৰাৰ ৰূপ ল'লে অতীতৰ মদিৰা প্ৰস্তুতৰ পদ্ধতি আছিল বেলেগ। সম্পূৰ্ণ প্ৰাকৃতিক উপাদানৰ দ্বাৰা এইবোৰ প্ৰস্তুত কৰা হৈছিল। হয়তো সেইবাবে তেতিয়া মদিৰা পানৰ ফলত মৃত্যু হোৱাৰ ঘটনা সংঘটিত হোৱা নাছিল। সময় বাগৰাৰ লগে লগে প্ৰাকৃতিক উপাদানসমূহ কম পৰিমাণেহে পোৱা হ'ল। প্ৰাকৃতিক পৰিৱৰ্তন তথা প্ৰদূষণৰ ফলত মদিৰা, সোমৰস আদি প্ৰস্তুত কৰাটো সম্ভৱ নহয় যদিও মাদকদ্ৰব্য সেৱনকাৰীৰ সংখ্যা অস্বাভাৱিকভাৱে বৃদ্ধি হ'বলৈ ধৰিলে। এতিয়া প্ৰায়ভাগ অঞ্চলতে চুলাই, বিলাতী সুৰা, গাঞ্জা সেৱনকাৰীৰ সংখ্যা বৃদ্ধি হৈছে। ইয়াৰ আঁৰত বিভিন্ন কাৰণ আছে। সামাজিক পৰিৱেশটো এতিয়া এনেকুৱা হৈছে যে সুৰাপানকাৰীসকলে মুকলিভাৱে ঘূৰা-ফুৰা কৰিবলৈও লজ্জাবোধ নকৰে। কনিষ্ঠজনে বয়োজ্যেষ্ঠৰ সন্মুখত মুকলিভাৱে মাদকদ্ৰব্য বিশেষকৈ চুলাই, বিলাতী সুৰা পান কৰিবলৈ ইতস্ততঃবোধ নকৰে। আনকি এনেদৰে সুৰা, চুলাই সেৱন কৰি বিভিন্ন ধৰণৰ অসামাজিক কাৰ্য তথা অপৰাধ সংঘটিত কৰাৰ ঘটনাও সংঘটিত হৈছে। সন্মুখত এইবোৰ দেখিও কোনোৱে প্ৰতিবাদ কৰিবলৈ সাহস নকৰে। কাৰণ সুৰাপান আদিৰ প্ৰতিবাদ কৰা বাবে মাজে-সময়ে কে'বাজনো লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে।

ৰাজ্যৰ বিভিন্ন ঠাইত অবৈধ মদৰ ভাটি চলি থকাটো সকলোৰে জ্ঞাত। মদ বেপাৰী তথা অবৈধ চুলাইৰ ঘাটিৰ বিৰুদ্ধে মাজে-সময়ে ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰাও দেখা যায়। আনকি মহিলাসকলে ইয়াৰ বিৰুদ্ধে প্ৰতিবাদী সমদল উলিওৱা ঘটনাও সংঘটিত হৈ আহিছে। অবৈধ সুৰাই বহুতো অঞ্চলত এনে এক অশান্তিকৰ পৰিৱেশৰ সৃষ্টি কৰিছে যে তেনে অঞ্চলসমূহত সামাজিক, শৈক্ষিক পৰিৱেশ বিনষ্ট হৈ পৰিছে। চকুৰ সন্মুখত স্বামী, সন্তানৰ ধ্বংস প্ৰত্যক্ষ কৰি সময়ে সময়ে মহিলাসকলে ৰুদ্ৰমূৰ্তি ধাৰণ কৰা দেখা যায়। আনকি এনে চুলাই, বিলাতী সুৰাৰ বাবেই ধ্বংস হৈছে বহুতো পৰিয়াল। পাৰিবাৰিক অশান্তিৰ লগতে হত্যাকাণ্ডও সংঘটিত হৈছে। আৰক্ষী, প্ৰশাসন আদিয়েও কিছুমান ঠাইত অবৈধ চুলাই ঘাটি, দোকান উচ্ছেদ কৰিছে। ইতিমধ্যে চুলাহ প্ৰস্তুতৰ বাবে প্ৰয়োজনীয় লালী গুড় নিষিদ্ধ কৰা হৈছে। তাৰ পাছতো

ৰাজ্যৰ বিভিন্ন ঠাইত অবাধে চলি আছে লালীগুড়ৰ বেহা। বহুতেই অভিযোগ কৰে যে আৰক্ষীৰ সন্মুখেদি সৰবৰাহ হৈ থাকে লালী গুড়ৰ বেহা। মাজে-সময়ে আৰক্ষীয়ে লালীগুড় জব্দ নকৰাকৈয়ো নাথাকে। তাৰ পাছতো চুলাই প্ৰস্তুত কৰিবলৈ অবাধে সৰবৰাহ হৈ আছে লালী গুড়।

সাধাৰণতে চুলাইৰ বেহা চাহ বাগিচা অঞ্চলৰ আশে-পাশে গঢ়ি উঠে। কাৰণ প্ৰায়ভাগ বাগিচাৰ বনুৱা, শ্ৰমিক কৰ্মীয়ে চুলাইৰ ৰাগীত ডুব গৈ থাকে। তেওঁলোকে সপ্তাহৰ মূৰত পোৱা টকাখিনিৰ বেচিভাগেই সুৰাৰ নামত ব্যয় কৰে। হয়তো সেইবাবেই তেওঁলোকৰ আৰ্থিক অৱস্থাৰো উন্নতি নহয়। জনজাতীয় লোক অধ্যুষিত অঞ্চলত পৰম্পৰাগতভাৱে চলি আহিছে আপং, সাজপানী, লাওপানীৰ ব্যৱহাৰ। পিছে এইবোৰ প্ৰস্তুত কৰিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন সেইবোৰ সহজে নোপোৱা হোৱা বাবে এতিয়া সৰ্বত্ৰে চুলাই মদৰ আধিপত্য চলা বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আজিকালি প্ৰায়ভাগ অঞ্চলতে মনিহাৰী, গেলামালৰ সৰু সৰু দোকানত চুলাই উপলব্ধ হৈছে। যদিও গোপনে বিক্ৰী কৰে তথাপি ইয়াৰ 'মুকলিকৈ গোপন' কৰি বিক্ৰী কৰা বুলিয়ে ক'ব পাৰি। এইখিনিতে উল্লেখ কৰিব লাগিব যে জনজাতীয় অঞ্চলসমূহত লাওপানী, আপং, সাজপানী আদি নিষিদ্ধ কৰাটোও সম্ভৱ নহয়, যিহেতু এয়া পৰম্পৰাগতভাৱে এনে লোকসকলৰ মাজত অতীজৰে পৰাই চলি আহিছে।

চুলাই, সুৰাৰ লগতে আন বহুতো মাদকদ্ৰব্যৰ প্ৰচলন বন্ধ কৰিবলৈ আমি সকলোৱে চিঞৰি আছোঁ। চৰকাৰেও ধঁপাতজাতীয় সামগ্ৰী সেৱন তথা নিষিদ্ধৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ লৈছে। ডাঙৰ ডাঙৰ বিজ্ঞাপনো আঁৰি দিছে। তৎসত্বেও মাদক দ্ৰব্য সেৱনকাৰীৰ সংখ্যা হ্ৰাস তথা অবৈধ চুলাই, সুৰাৰ দোকান বন্ধ হোৱা নাই। যিমানেই সকলোৱে চিঞৰি নাথাকক কিয় এইবোৰ আইনৰ দ্বাৰা বন্ধ কৰাটো অসম্ভৱ। ইয়াৰ বাবে প্ৰয়োজন সজাগতা আৰু সচেতনতাৰ। যেতিয়ালৈকে প্ৰতিগৰাকী ব্যক্তিক মাদক দ্ৰব্য, ধঁপাত আদিৰ বিৰুদ্ধে সচেতন কৰাটো সম্ভৱ নহয়, তেতিয়ালৈকে প্ৰচলন বন্ধ আৰু সেৱনকাৰীৰ সংখ্যা হ্ৰাস নোপোৱাটো খাটাং। ইয়াৰ স্পষ্ট প্ৰমাণ পোৱা যায় চিকিৎসালয়, ৰাজহুৱা স্থান, বজাৰ আদিত ধঁপাতৰ বিৰুদ্ধে আঁৰি থোৱা

হ'ৰ্ডিং, পোষ্টাৰ আদিৰ তলত জমা হৈ থকা চিগাৰেট, গুটখা, বিড়ি, চুলাই মদৰ খালী প্লাষ্টিকৰ পেকেটৰ সৰু-ডাঙৰ দমসমূহত। এনে হ'ৰ্ডিঙৰ তলতে বহুতে চিগাৰেট, বিড়ি হুপি থাকে। ৰাজহুৱা স্থানত মাদকদ্ৰব্য সেৱন, চিগাৰেট সেৱ কৰিলে দণ্ড ভৰিব লাগিব বুলি লিখা থাকিলেও কেইজনক আজিলৈকে জৰিমণা বিহা হৈছে? ৰাজহুৱাভাৱে শাস্তি প্ৰদান কৰিলেহে যদি হ্ৰাস পাব। দৰাচলতে যেতিয়া কাৰোবাক ভীতি প্ৰদৰ্শন কৰি কোনো কাম কৰিবলৈ মানা কৰা হয় তেতিয়া তাৰ বিৰূপ প্ৰতিক্ৰিয়া হোৱাটো নিশ্চিত। অথচ একেটা কথাকে যদি বিভিন্ন মাধ্যম, বিশেষকৈ দৃশ্য মাধ্যম, বাটৰ নাট, চিনেমা, নাটৰ জৰিয়তে বুজাই দিয়া হয় তেতিয়া ইয়াক গ্ৰহণ কৰাৰ সংখ্যাও বৃদ্ধি পাব। মৰমেৰে বুজালেও বুজি পোৱা লোকৰ সংখ্যা বেচি হ'ব। আমি সকলোৱে সজাগতা সৃষ্টিৰ বাবে বিভিন্ন লেখা প্ৰকাশ কৰিব পাৰোঁ। বিভিন্ন স্থানত কাউন্সেলিঙৰ ব্যৱস্থা কৰিব পাৰোঁ। বিদ্যালয়-মহাবিদ্যালয়, বিভিন্ন শিক্ষানুষ্ঠানত মাজে-সময়ে মাদক দ্ৰব্যৰ অপকাৰিতা, ধঁপাত সেৱনৰ ফলত হ'ব পৰা শাৰীৰিক, মানসিক সমস্যাৰ সৃষ্টি সন্দৰ্ভত বক্তৃতানুষ্ঠান, আলোচনা চক্ৰ, দৃশ্য মাধ্যমেৰে ছবি প্ৰদৰ্শনৰ ব্যৱস্থা কৰিলেও নৱ প্ৰজন্মৰ মাজত এইবোৰৰ প্ৰচলন বন্ধ হ'ব। পাৰিবাৰিক সংঘাতো বহুলাংশে হ্ৰাস পাব। সামাজিক পৰিৱেশ সুস্থ হোৱাৰ লগতে অপৰাধজনিত ঘটনাও নিশ্চয় কমিব। জনজাতি অধ্যুষিত অঞ্চলসমূহতো সজাগতাৰে এনেদৰে লোকসকলক বুজাব লাগিব যে আগতে পৰম্পৰাগতভাৱে প্ৰস্তুত কৰা আপং, সাজপানী, লাওপানী আদি এতিয়া প্ৰস্তুত কৰিবলৈ আগৰ উপাদানসমূহৰ অভাৱ। গতিকে এইবোৰৰ পৰিৱৰ্তে বিভিন্ন অপকাৰী ৰাসায়নিক দ্ৰব্য ব্যৱহাৰ কৰা চুলাই মদ আদি খোৱাৰ ফলত শাৰীৰিক, মানসিক ক্ষতিসাধন হয়। তদুপৰি এইবোৰ বিজ্ঞানসন্মতভাৱে প্ৰস্তুত নকৰা বাবে সেৱনৰ ফলত মৃত্যু পৰ্যন্ত হোৱাৰ আশংকা থাকে। এনে কৰিলেও নিশ্চয় সুৰাৰ ফলত মৃত্যু হোৱাৰ ঘটনা বহু পৰিমাণে হ্ৰাস পাব। সচেতনতা সৃষ্টিৰ বাবে আমি সকলোৱে দায়বদ্ধ। এইক্ষেত্ৰত বোকা ছটিওৱা ৰাজনীতিৰ পৰিৱৰ্তে কেনেদৰে ৰাইজক সচেতন কৰিব পাৰি সেই ক্ষেত্ৰতহে মতামত তথা পৰামৰ্শ আগ বঢ়োৱা উচিত।

# চিটি বাছ, পথৰ সংকেত আৰু নিয়ম

মহানগৰীত চিটি বাছৰ দৌৰাত্ম্যত অতিষ্ঠ হৈ পৰিছে যাত্ৰী। বাছ ষ্টপেজত দীৰ্ঘসময় যাত্ৰীৰ বাবে অপেক্ষা কৰা, যাত্ৰী উঠিবলৈ ধৰাৰ সময়ত গাড়ীৰ গতি বৃদ্ধি কৰাৰ ফলত পৰি দুৰ্ঘটনাত পতিত হোৱা, যাত্ৰীয়ে নামিবলৈ ধৰোতে গাড়ী চলোৱা, নিৰ্দিষ্ট আসনতকৈ বেছি যাত্ৰী উঠোৱা, দুৱাৰ-খিৰিকীৰ তথৈবচ অৱস্থা, দীঘলকৈ গজাল আদি ওলাই থকা, কনডাক্টৰে ভাৰাৰ তালিকা প্ৰদৰ্শন নকৰা, টিকট নিদিয়া ইত্যাদি এশ-এবুৰি সমস্যা। এনে সমস্যাসমূহৰ বাবে বহুতো যাত্ৰীয়ে আহুকালৰ সন্মুখীন হ'বলগীয়া হয়। এনে সমস্যাৰ বিষয়ে যাত্ৰীয়ে অভিযোগ উত্থাপন কৰাৰ পাছতো সংশ্লিষ্ট কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান নকৰাৰ বিষয়ে যাত্ৰীসকলৰ মাজত প্ৰায়ে চৰ্চা হয়।

পৰিবহণ কাৰ্যালয়, বিষয়া, সন্থা আদিৰ দ্বাৰা পৰিচালিত হয় চিটি বাছ। চিটি বাছখন সংশ্লিষ্ট কৰ্তৃপক্ষই নিৰ্দিষ্ট কৰি দিয়া নীতি-নিয়মসমূহৰ দ্বাৰা পৰিচালিত হৈছে নে নাই সেই বিষয়ে পৰীক্ষা কৰিবলৈ বিষয়া-কৰ্মী, আৰক্ষীৰ ওপৰত দায়িত্ব অৰ্পণ কৰা হয়। ট্ৰেফিক পুলিচৰ চকুৰ সন্মুখেদিয়ে অথচ নিতৌ শ শ এনে ধৰণৰ চিটি বাছ পাৰ হৈয়ে আছে।

কেইবছৰমান পূৰ্বে মই জাৰ্মানীলৈ গৈছিলোঁ। তাত যিকেইদিন আছিলো সেই কেইদিনৰ ভিতৰত ৰাস্তা-ঘাটত চলাচল কৰাৰ নিয়ম-কানুনসমূহৰ বিষয়ে জানিব পাৰি ভাল লাগিল। সকলোবোৰ যাত্ৰীবাহী গাড়ীতেই এনে ব্যৱস্থা আছে যে কোনো যাত্ৰীয়ে বাছৰ কৰ্মীৰ স'তে তিতা-কেঁহা অভিজ্ঞতা লাভৰ সন্মুখীন হ'ব নালাগে। জেব্ৰা ক্ৰ'ছিঙত পথচাৰীয়ে ৰাস্তা অতিক্ৰম কৰাৰ সময়ত আপোনা-আপুনি চালকে গাড়ী এক নিৰ্দিষ্ট স্থানত ৰখায়। ইয়াৰ বাবে আৰক্ষীয়ে সংকেত দিবলগীয়া নহয়। আনহাতে, ৰাস্তা পাৰ হ'বলৈ কিছুমান নিৰ্দিষ্ট সংকেত দিয়া হয়। এদিন মই সেই সংকেতৰ বিষয়ে জ্ঞাত নোহোৱা বাবে সংকেতলৈ নোচোৱাকৈ পথ অতিক্ৰমিব ধৰোতে হঠাতে তীব্ৰ বেগত অহা গাড়ী এখনে মোক দেখি বহু দূৰ আঁতৰত ৰ'ল। মই ৰাস্তাটো পাৰ নোহোৱালৈকে অচিনাকী মানুহজনে গাড়ী চলোৱা নাছিল।

কলকাতাতো পথত থকা সাংকেতিক চিহ্ন মানি চলাৰ ক্ষেত্ৰত চালকসকল সতৰ্ক। ৰাস্তাৰ মাজত থকা ক্ৰ'ছিং, জেব্ৰা ক্ৰ'ছিং আদি থকাৰ বিষয়ে চালকক আগতীয়াকৈ সংকেত দিয়াৰ ব্যৱস্থা আছে। প্ৰায় ৩০-৪০ মিটাৰমান আগতে সেই সংকেত দিয়ে। প্ৰথমটো সংকেত দিয়াৰ লগে লগে চালকসকল সতৰ্ক হয় যে সন্মুখত জেব্ৰা ক্ৰ'ছিং আদি আছে। চালকে গাড়ীৰ গতি হ্ৰাস কৰে। প্ৰথম সংকেত দিয়া আৰু ক্ৰ'ছিঙৰ মাজত থাকে জেব্ৰা ক্ৰ'ছিং। ব্যৱধান কমেও ৩০ মিটাৰ। এই ব্যৱধানৰ মাজতে পথচাৰীয়ে সুকলমে ৰাস্তা পাৰ হ'ব পাৰে। ফলত কোনো ধৰণৰ অৰাজকতাৰ সৃষ্টি নহয়। প্ৰশাসনৰ লগতে চালক সকলো সতৰ্ক হয়। তেওঁলোকক এই সম্পৰ্কে সতৰ্কও কৰি দিয়ে সংশ্লিষ্ট কৰ্তৃপক্ষই। আইন অমান্য কৰিলে কঠোৰ শাস্তি বিহা হয়।

জাৰ্মানী অথবা কলকাতাৰ পথৰ এনে নীতি-নিয়ম অসমতো আছে। পিছে গুৱাহাটী মহানগৰীত চলাচল কৰা চিটি বাছ অথবা আন বাহনসমূহেও প্ৰায়ক্ষেত্ৰতে নীতি-নিয়ম উলংঘা কৰা দেখা যায়। আৰক্ষীৰ যান-বাহন নিয়ন্ত্ৰণ শাখাই বান্ধি দিয়া নিয়মসমূহৰ প্ৰায়ভাগেই উলংঘা কৰে চিটি বাছে। যিবোৰ পথ সংকেত, নিৰ্দেশনা দিয়া হয় সেইবোৰৰ বিষয়ে বহুতে জ্ঞাত নহয়। আনহাতে, যিবোৰে জ্ঞাত হয় তেওঁলোকেও ইচ্ছাকৃতভাৱে অথবা মইমতালিৰে উলংঘা কৰা দেখা যায়। আনকি বহুতেই জেব্ৰা ক্ৰ'ছিঙতেই গাড়ীখন ৰখাই

থয়। যাবলৈ বা ৰ'বলৈ দিয়া সংকেত মানিলে মৰ্যাদা হানি হ'ব বুলি ভবা লোকসকলে সততে নীতি-নিয়ম ভংগ কৰে। আনকি বহুতে নীতি-নিয়ম উলংঘা কৰি যান-বাহন নিয়ন্ত্ৰণ আৰক্ষীৰ স'তে তৰ্ক যুদ্ধতো লিপ্ত হোৱা দেখা যায়। কিছুমান ঠাইত মাৰপিটো হয়। ইয়াকে লৈ চিটি বাছ বন্ধ কৰা, ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাও দেখা যায়। এতিয়া কথা হ'ল যদিহে যান-বাহন নিয়ন্ত্ৰণ শাখাই নীতি-নিয়ম কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কঠোৰ পদক্ষেপ গ্ৰহণ কৰে তেতিয়াহ'লে চিটি বাছৰ চালক তথা পৰিচালকসকলেও এয়া মানিবলৈ বাধ্য। সদায় যদি নিয়ম উলংঘাকাৰীক শাস্তি বিহি থাকে তেতিয়াহ'লে নিশ্চয় সকলোৱে নিয়ম মানি চলিব। তদুপৰি সঘনাই সজাগতামূলক কাৰ্যসূচী গ্ৰহণ কৰি চিটি বাছৰ গৰাকী, চালক, কৰ্মীসকলক যদি সাঙুৰি লোৱা হয় তেতিয়াও সুফল পোৱা যাব। এটা কথা ঠিক যে দুৰ্ঘটনা আদি প্ৰতিৰোধ কৰিবলৈ হ'লে চালকে কেৱল আৰক্ষীক দেখিলেহে নিয়ম মানিলে নহ'ব, চালকৰ মনত সদায় নিয়ম মানি চলাৰ মানসিকতা গঢ় লৈ উঠিবই লাগিব। সংকেত দিয়া লাইট জ্বলিলে কি ৰঙে কি সংকেত বুজায় সেই বিষয়ে চালকসকলে জানিবই লাগিব। আইন সকলোৰে বাবে সমান। কোনোবাই খোজ কাঢ়ি গ'লে পথত যিমান অধিকাৰ ভোগ কৰিব পাৰে তাতকৈ বেছি অধিকাৰ ভোগ কৰিব নোৱাৰে বিলাসী গাড়ীত যোৱা সকলে। এজন মন্ত্ৰী-বিধায়ক, বিষয়াই বেচি অধিকাৰ পথত ভোগ কৰিব নোৱাৰে। আমেৰিকা আদি দেশত সংকেত দেখিলে ৰাষ্ট্ৰপতিৰ কনভয়ো থমকি ৰয়, অসমত এনে এখন ছবি কল্পনা কৰিব পাৰিনে? নৰৱে'ত পথচাৰীক প্ৰথমে ৰাস্তা পাৰ হ'বলৈ দিয়ে চালকসকলে। যিমানেই দ্ৰুত গতিত নাহক কিয় কোনোবাই ৰাস্তা পাৰ হোৱা দেখিলে সন্মান কৰিয়েই গাড়ীবোৰ ৰৈ যায়। অথচ আমাৰ ইয়াত তেনেদৰে পাৰ হোৱা লোকক ইতিকিং কৰি কাষেদি পাৰ হৈ যায় বিলাসী বাহনসমূহ।

মহানগৰীত চলাচল কৰা চিটি বাছসমূহত থাকিলগীয়া সকলো সা-সুবিধা আছে নে নাই আৰু চালক তথা কৰ্মীসকলে আইন-কানুন মানি চলিছে নে সেইবোৰ সংশ্লিষ্ট কৰ্তৃপক্ষই নিয়মীয়াকৈ পৰীক্ষা কৰাৰ লগতে সঠিকভাৱে ৰূপায়ণ কৰিবলৈ বাধ্য কৰিব লাগিব।

# দলঙৰ মাজত পাৰ্কিং, ছেল্‌ফি কিয় ?

যান-বাহন পাৰ্কিঙৰ বাবে নিৰ্দিষ্ট স্থান থাকে। পথত আন পথচাৰীৰ লগতে যান-বাহন চলাচলত সুচল হোৱাৰ লক্ষ্যৰে নিৰ্দিষ্ট স্থানত পাৰ্কিঙৰ ব্যৱস্থা কৰা হয়। এনে কৰিলে যান-জঁটৰ বাবে হোৱা দুৰ্ঘটনা আদি প্ৰতিৰোধ কৰাটো সম্ভৱ। শৃংখলাবদ্ধভাৱে যান-বাহন চলাচল কৰাটো সুচল কৰিবলৈ বিশ্বৰ প্ৰতিখন দেশতে এনে ব্যৱস্থা কৰা হয়। সকলোৱে এই নিয়ম মানি চলিবলৈ বাধ্য। অমান্য কৰিলে আইনমতে শাস্তি বিহাৰ বিধান আছে। বিদেশত এনেবোৰ নিয়ম কঠোৰভাৱে পালন কৰিবলৈ নিৰ্দেশ দিয়া হয়। ইটালিৰ ৰাজপথত দ্ৰুতগতিত গাড়ী চলাই ফুটবলৰ ৰাজপুত্ৰ ডিয়েগ' মাৰাডোনাৰ দৰে ব্যক্তিয়ে জৰিমনা ভৰিবলগীয়া হৈছিল। হলীউডৰ অন্যতম জনপ্ৰিয় অভিনেত্ৰী পেৰিছ হিল্টনৰ দৰে অভিনেত্ৰীয়ে মদ্যপান কৰি পথত গাড়ী চলোৱা বাবে কাৰাবাস পৰ্যন্ত খাটিবলগীয়া হৈছিল। অসমত পিছে ইয়াৰ বিপৰীত ছবি এখনহে দেখিবলৈ পোৱা যায়। আৰক্ষীৰ সন্মুখতে দ্ৰুতগতিত ৰাজপথত ষ্টাণ্ট কৰা বাইকাৰ্ছে সকলো নিয়ম উলংঘা কৰা সত্বেও শাস্তি নাপায়। পথ অথবা দলঙৰ ওপৰত ষ্টাণ্ট কৰা, পাৰ্কিং কৰাৰ ফলত বহুতো দুৰ্ঘটনা সংঘটিত হৈ আহিছে। শেহতীয়াভাৱে ঢলা-শদিয়া দলং, বগীবিল দলং মুকলি কৰাৰ পাছত সেই দুখন দলঙত ষ্টাণ্ট কৰা বাইকাৰ্ছ তথা ছেল্‌ফি উঠা লোকৰ সংখ্যা ইমানেই বৃদ্ধি পাইছে যে ইয়াক যদি এতিয়াই নিয়ন্ত্ৰণ কৰা নহয় তেনেহ'লে ভৱিষ্যতে কেনে ধৰণৰ পৰিস্থিতিৰ সৃষ্টি হ'ব সেয়া এবাৰ কল্পনা কৰকচোন। বগীবিল দলং মুকলি কৰাৰ কেইদিনমান পাছতেই সংঘটিত হ'ল দুৰ্ঘটনা। আনকি যান-জঁটৰ সমস্যায়ো গা কৰি উঠিছে। কিন্তু

ইয়াত তেনে পৰিস্থিতিৰ সৃষ্টি হোৱাৰ কোনো কাৰণ নাই। এয়া গাড়ী, মটৰ চাইকেল চলোৱাসকলৰ পথৰ নিয়ম উলংঘাৰ ফল। দলংখন অতি দীঘল হোৱা বাবে বহুতে আধামানলৈকে গৈ দলঙৰ ওপৰতে পাৰ্কিং কৰি ছেল্‌ফি উঠাৰ লগতে ঘূৰাই পূৰ্বৰ স্থানলৈ আহে। এনেদৰে দলঙৰ মাজত পাৰ্কিং কৰা আৰু গাড়ী ঘূৰোৱাৰ ফলত আন লোকসকলৰ অসুবিধা হয়। এইবোৰ কথা কিন্তু কোনোৱে ভাবি নাচায়। সভ্য দেশৰ নাগৰিক হিচাপে সকলোৱে পথত গাড়ী-মটৰ চলাওঁতে আনৰ কথাও ভাবি চাব লাগে।

আজি-কালি ছেল্‌ফি উঠাটো ফেশ্বনত পৰিণত হৈছে। ফটো উঠি ফেচবুক, হোৱাটচ্‌এপ আদিত আপলোড কৰি আনৰ দ্বাৰা শ্বেয়াৰ কৰাই খুউব গৰ্ব অনুভৱ কৰে। কিছুমানৰ ছেল্‌ফি উঠাৰ বাহিৰে যেন আন একো কাম নাই। সেইবাবে এইসকলে নতুন পথ, দলং অথবা পাৰ্ক আদি মুকলি কৰিলেই এইবোৰলৈ গৈ ছেল্‌ফি উঠিব। ছেল্‌ফি উঠক, ক'বলগীয়া একো নাই। মাথোঁ পথ অথবা দলং আদিৰ ওপৰত গাড়ী, মটৰ চাইকেল আদি পাৰ্কিং কৰাটোৱে অপৰাধ। এনে কৰিলে যান-বাহন সুচল গতিত চলাচল কৰাত ব্যাঘাত জন্মাই নহয়, দুৰ্ঘটনা সংঘটিত কৰাৰ আশংকাও বৃদ্ধি কৰে। সচেতন নাগৰিক হিচাপে প্ৰত্যেকে আনৰ কথাও ভবা উচিত। পথত অথবা দলং আদি ছেল্‌ফি উঠাৰ স্থান হয়, নতুবা অপ্ৰয়োজনীয়ভাৱে প্ৰতিযোগিতাত নমাৰো স্থল নহয়। আনহাতে, দলং আদিয়ে দেশৰ প্ৰতিৰক্ষা, অৰ্থনৈতিক উন্নয়ন আদিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। এইবোৰক লৈ কোনোৱে ল'ৰা-ধেমালি কৰা উচিত নহয়। প্ৰতিযোগিতাৰ বাবে কিছুমান নিৰ্দিষ্ট স্থান থাকে। যাৰ মন যায় তেওঁলোকে প্ৰতিযোগিতাৰ স্থানতহে প্ৰতিদ্বন্দ্বিতা কৰিব লাগে। মনত ৰখা উচিত এবাৰ জীৱন গ'লে পুনৰ ঘূৰাই অনাটো অসম্ভৱ। সেইবাবে অমূল্য সম্পদ এই মানৱ জীৱনটো সুৰক্ষিত কৰি ৰাখিবলৈ সকলোৱে গুৰুত্ব প্ৰদান কৰা উচিত।

আৰক্ষীয়ে আইন ভংগকাৰীৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰিব লাগিব। এনে কৰিলে বহুতো দুৰ্ঘটনা হ্ৰাস পোৱাৰ লগতে পথ অথবা দলং আদিৰ মাজত পাৰ্কিং কৰিবলৈ কোনোৱে সুযোগ নাপাব। সুৰক্ষিত হ'ব ৰাজহুৱা সম্পদ, বাচিব প্ৰাণ।

# গুট্‌খাৰ বিৰুদ্ধে সকলোৰে হওক সজাগ

কঠোৰ আইন, নিয়ম-নীতি প্ৰৱৰ্তন কৰিও কিছুমান অভ্যাসৰ পৰিৱৰ্তন কৰাটো সম্ভৱ নহয়। যিবোৰ অভ্যাস মানুহৰ মাজত যুগ যুগ ধৰি চলি আহিছে সেইবোৰ তৎক্ষণাতে ত্যাগ কৰিব নোৱাৰে। এনে অভ্যাস ত্যাগৰ ক্ষেত্ৰত জনজাগৰণ বা সজাগতাৰ প্ৰয়োজন। এই সজাগতা আকৌ সকলোৰে অন্তৰেৰে গ্ৰহণ কৰিলেহে অভিযান ফলপ্ৰসূ হয়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই মানুহে মাদক দ্ৰব্য সেৱন কৰি আহিছে। অৱশ্যে সময়ৰ পৰিৱৰ্তন আৰু চাহিদা অনুপাতে কিছুমান মাদক দ্ৰব্য নোহোৱা বাবে ইয়াৰ বিকল্প হিচাপে আন কিছুমান দ্ৰব্যৰ সৃষ্টি কৰা হ'ল। দৰাচলতে যিবোৰ মাদক দ্ৰব্য নহয় যদিও গুট্‌খা, ধঁপাতৰ ৰূপত লাভ কৰা একপ্ৰকাৰ নিচা। এনে নিচা এবাৰ গঢ়ি উঠিলে ইয়াৰ অভ্যাস ত্যাগ কৰাটো প্ৰায় অসম্ভৱ হৈ পৰে। অৱশ্যে এনেবোৰ দ্ৰব্য ব্যৱহাৰৰ ফলত হ'ব পৰা সম্ভাব্য বিপদ তথা ইয়াৰ পাৰ্শ্বক্ৰিয়া সম্পৰ্কে জনগণ অৱগত হ'লে ইয়াৰ পৰিসীমাৰ পৰা মুক্ত হোৱাটো সম্ভৱ। এইবোৰ দ্ৰব্য আকৌ উৎসতো বন্ধ কৰাটো এতিয়া সম্ভৱ নহয় বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। কিয়নো চৰকাৰে ইয়াৰ পৰা উচ্চ হাৰত কৰ আদি সংগ্ৰহ কৰিব পাৰে। ৰাজহুৱা স্থানত ধূমপান নিষেধ কৰাৰ বহুদিন হ'ল। পিছে 'ৰাজহুৱা স্থানত ধূমপান নিষেধ' বুলি লিখা হৰ্ডিং, ছাইনব'ৰ্ডৰ তলতে থিয় হৈ বহুতে ধূমপান কৰা দেখা যায়। কাৰ্যত এইবোৰ হাস্যস্পদ কথা বুলিয়ে ক'ব লাগিব। চৰকাৰে এফালে আইন প্ৰণয়ন কৰে যদিও

আনফালে ধঁপাতজাতীয় উদ্যোগ স্থাপন আৰু বিক্ৰীৰ অনুমতি দিয়ে। ফলত এইবোৰ সম্পূৰ্ণৰূপে বন্ধ কৰাটো অসম্ভৱ হৈ পৰে। কিছুমান মানুহে এনে অভ্যাস ত্যাগ কৰিবলৈ চেষ্টা চলায় যদিও যেতিয়া ওচৰে-পাঁজৰে এইবোৰ দ্ৰব্য দোকানত আকৰ্ষণীয়কৈ পেকেটত সজাই থোৱা দেখে, তেতিয়া মনটো আকৌ সলনি হয়। হঠাতে পুনৰ আগৰ অভ্যাসলৈ ঘূৰি যায়।

শেহতীয়াভাৱে গুৱাহাটী পাণ দোকানী সন্থাই গুট্‌খাজাতীয় দ্ৰব্য বিক্ৰী নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। সঁচাকৈয়ে এয়া এক সাহসী আৰু অতি প্ৰশংসনীয় পদক্ষেপ। যদিহে কোনো দোকানতে গুট্‌খা আদি বিক্ৰী কৰা নহয় তেনেহ'লে কোনোৱে ক্ৰয়ৰ বাবে সুযোগ নাপাব। দোকানত কিনিব নাপালে এইবোৰ খোৱাৰ অভ্যাসো সকলোৱে ত্যাগ কৰিব লাগিব। সবাটোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এনেবোৰ দ্ৰব্য সেৱন কৰাৰ পাচত প্ৰায়ভাগ লোকে য'তে-ত'তে পিক পেলাই লেতেৰা কৰাৰ অভ্যাসো নোহোৱা হ'ব। ঠাইসমূহ পৰিষ্কাৰ হৈ থাকিব। প্ৰায়ভাগ লোকে গুট্‌খা, ধঁপাতজাতীয় সামগ্ৰী সেৱনৰ পাচত য'তে-ত'তে পিক পেলাই ঠাইবোৰ ইমান লেতেৰা কৰে যে সেইবোৰ দেখিলেই ঘিণ লাগে। আনহে নালাগে চিকিৎসালয়, বিদ্যালয়, মন্দিৰ চৌহদতেই এনে দৃশ্য দেখা যায়। এইবোৰৰ চুকসমূহত সকলোৱে পিকোৱাৰ পাচত ঠাইখিনি ইমান ৰঙচুৱা হয় যে দূৰৈৰ পৰাই ইয়াক প্ৰত্যক্ষ কৰিব পাৰি। এনে পৰিবেশে কেৱল ঠাইখিনি লেতেৰাই নহয়, ইয়াৰ পৰা বিভিন্ন ধৰণৰ ৰোগ সৃষ্টিকাৰী ভাইৰাছ, ভেঁকুৰ আদিয়ে গা কৰি উঠিবলৈ এখন উপযুক্ত ক্ষেত্ৰ লাভ কৰে। তদুপৰি ৰাস্তা-ঘাটে, ঐতিহাসিক স্থানসমূহত পিক আদি দেখিলে ৰাজ্যৰ বাহিৰৰ পৰা দৰ্শনৰ বাবে অহা পৰ্যটকসকলৰ মনত ৰাজ্যখনত বসবাস কৰা লোকসকলৰ প্ৰকৃতি সম্পৰ্কে বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি নহ'বনে? গুৱাহাটী পাণ দোকানী সন্থাই গুট্‌খাজাতীয় দ্ৰব্য বিক্ৰী নকৰাৰ সিদ্ধান্তই এই দোকানী সকলো যে পৰিবেশ পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিব লাগে আৰু স্বাস্থ্য সচেতন সেই কথাকে পৰোক্ষভাৱে প্ৰতিপন্ন কৰিছে। সকলোৱে তেওঁলোকৰ এনে পদক্ষেপক আদৰণি জনোৱা উচিত। এনে পদক্ষেপেৰেহে সকলোৱে আগ বাঢ়ি গ'লে মহানগৰীখন পৰিষ্কাৰ-পৰিচ্ছন্ন হ'ব। ৰাস্তা-ঘাটে নাথাকিব গুট্‌খাৰ দাগ।

# ধূলিময় কুঁৱলী আৰু ১৯৫২ৰ ডিচেম্বৰৰ লণ্ডনৰ ভয়াবহ প্ৰদূষণ

ভাৰতৰ ৰাজধানী দিল্লীত শেহতীয়াভাৱে সৃষ্টি হোৱা প্ৰদূষণে স্তব্ধ কৰিছে জনজীৱন। ধূলি-কুঁৱলীময় পৰিবেশৰ মাজত সকলোৰে ল'বলগীয়া হৈছে শ্বাস-প্ৰশ্বাস। এতিয়া দিল্লীৰ প্ৰদূষণক লৈ সকলো সৰব হৈছে। অথচ এনে প্ৰদূষণ এদিন বা এনিশাতে হোৱা নাই। দিল্লীৰ প্ৰদূষণক লৈ এতিয়া যিমান চৰ্চা হৈছে বিগত ৩০ বছৰত যদি সকলোৰে সতৰ্ক হৈ থাকিলেহেঁতেন তেতিয়াহ'লে আজিৰ এই ভয়াবহ পৰিস্থিতিৰ সৃষ্টি নিশ্চয় নহ'লহেঁতেন। ভাৰতত প্ৰদূষণৰ ভয়াবহ ছবিখন ফুটি উঠিছে বিশ্বৰ শীৰ্ষ ১০খন প্ৰদূষিত চহৰৰ ভিতৰত নখনেই এইখন দেশৰ হোৱা পৰিসংখ্যাৰে। অৱশ্যে প্ৰদূষণৰ ভয়াবহ ছবিখনৰ বিষয়ে ব্যাখ্যা কৰিবলৈ হ'লে আমি ইতিহাসৰ পৃষ্ঠা মেলি চাব লাগিব।

১৯৫২ৰ ডিচেম্বৰৰ প্ৰথমভাগত লণ্ডনত সৃষ্টি হৈছিল ডাঠ কুঁৱলী। সাধাৰণতে ডাঠ কুঁৱলীয়ে মানুহৰ বিশেষ ক্ষতি নকৰে। সন্মুখত একো নেদেখি বাবে দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা থাকে। শ্বাস-প্ৰশ্বাসজনিত সমস্যাই গা কৰি উঠে যদিও সাৱধানতা অৱলম্বন কৰিলে বিশেষ ক্ষতি হোৱাৰ

আশংকা নাথাকে। পিছে সেইবাৰ ইংলণ্ডৰ ৰাজধানী চহৰখনত এনে কুঁৱলীৰ সৃষ্টি হৈছিল যে মানুহে বাহিৰলৈ ওলোৱাটো দূৰৈৰ কথা, ঘৰৰ ভিতৰতে থাকিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হৈছিল। শ্বাস-প্ৰশ্বাসৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰিছিল। শিশু আৰু বয়স্কসকলৰ কথাটো বাদেই কম বয়সীয়া স্বাস্থ্যৱান লোকেও ভয়াৱহ সমস্যাৰ সন্মুখীন হৈছিল। কাৰণ সেই কুঁৱলীৰ সূক্ষ্ম জলকণিকাৰ স'তে মিহলি হৈছিল কয়লা কাৰখানাৰ লগতে আন উদ্যোগৰ পৰা নিৰ্গত ক'লা ধোঁৱাই। এনে কয়লাৰ ক্ষুদ্ৰতম কণিকা আৰু ধোঁৱাৰ ফলত পৰিবেশ এনেদৰে প্ৰদূষিত হৈছিল যে মানুহে ঘৰৰ ভিতৰতে আবদ্ধ হৈ থাকিবলগীয়া হৈছিল। আনকি যিসকল লোক শ্বাস-প্ৰশ্বাসজনিত ৰোগত আক্ৰান্ত হৈ মৃত্যু কোলাত ছট্‌ফটাই থাকিবলগীয়া হৈছিল তেওঁলোককে পৰিয়ালৰ লোকে চিকিৎসালয়লৈ নিব পৰা নাছিল। বতাহৰ গতি স্তব্ধ হোৱাত বিশ্বৰ অন্যতম আকৰ্ষণৰ কেন্দ্ৰবিন্দু লণ্ডনত বিশুদ্ধ অক্সিজেনৰ অভাৱ হৈছিল। চিকিৎসালয়ৰ এম্বুলেন্সৰ চকা ঘূৰা নাছিল। এছাতি বিশুদ্ধ বতাহৰ বাবে যেন সকলোৱে ঈশ্বৰক প্ৰাৰ্থনা জনাবলগীয়া হৈছিল এই বুলি— হে ঈশ্বৰ, এছাটি বতাহ দিয়া আমাক জীয়াই থাকিবলৈ।

৫-৯ ডিচেম্বৰলৈ হোৱা এনে বতৰৰ বাবে চহৰখনৰ কমেও ১২ হেজাৰ লোকৰ প্ৰাণ হানি হৈছিল। কমেও ১ লাখ লোক বিভিন্ন কাৰণত চিকিৎসালয়লৈ যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। ৫-৯ ডিচেম্বৰলৈ কমেও চাৰি হেজাৰ লোকৰ মৃত্যু হোৱাত এনে ঘটনাই বিশ্ববাসীক স্তম্ভিত কৰিছিল। পৰৱৰ্তী ৩০ দিনত এনে কাৰণত কমেও ৬ হাজাৰ লোকে প্ৰাণ হেৰুৱাইছিল। তদুপৰি এক লাখ লোক আক্ৰান্ত হোৱাত ইংলণ্ডৰ কিমান ক্ষতিসাধন হৈছিল সেয়া সহজেই সকলোৰে অনুমেয়।

লণ্ডন চহৰখনে ১৩ শতিকাৰ পৰাই বায়ু প্ৰদূষণৰ স্বীকাৰ হৈ আহিছে। তেতিয়া দেশখনৰ লগতে চহৰখনৰ আশে-পাশে সিমান উদ্যোগ স্থাপন হোৱা নাছিল যিবোৰে বায়ু প্ৰদূষিত কৰিব পাৰে। ১৬ শতিকাত এই ছবিখন লাহে লাহে সলনি হ'বলৈ ধৰে। বিশেষকৈ প্ৰচণ্ড শীতৰ সময়ত বেছি প্ৰদূষণ হৈছিল। অৱশ্যে ১৯৫২ৰ সেই কুঁৱলী, ধোঁৱাই সৃষ্টি কৰা প্ৰদূষণৰ দৰে নাছিল। বিশ্ব ইতিহাসত এনে ধৰণৰ প্ৰদূষণৰ ঘটনা এতিয়ালৈকে সংঘটিত

হোৱা নাই। এই ঘটনাৰ পাচত লণ্ডনত প্ৰদূষণৰ ক্ষেত্ৰত বিশেষ সতৰ্কতা অৱলম্বন কৰা হয়। বৃটিছ চৰকাৰেও এইক্ষেত্ৰত বিশেষভাৱে ব্যৱস্থা গ্ৰহণ কৰি এতিয়া এনে এক পৰিবেশৰ সৃষ্টি কৰিছে যে কোনোবাই প্ৰদূষিত কৰিবলৈ হেজাৰবাৰ ভাবিব লাগিব। নিয়ম-নীতিসমূহ কঠোৰ কৰা হৈছে। যদি কোনোবাই এনে নিয়ম উলংঘা কৰিলে যিমান জৰিমণা ভৰিব লাগে সেয়া কিছুমানৰ বাবে সহিব নোৱৰা বোজা হৈ পৰে। তদুপৰি জনগণকো এইদৰে সজাগ কৰি তোলা হৈছে যে প্ৰতিটো মুহূৰ্ততে সকলোৱে দেশৰ লগতে বিখ্যাত লণ্ডন চহৰৰ কথাও ভাবে। যদি পুনৰ এনেধৰণৰ পৰিবেশৰ সৃষ্টি হয় তেতিয়াহ'লে কেনে ধৰণৰ সতৰ্কতা অৱলম্বন কৰিব লাগিব সেই বিষয়ে পৰিকল্পনা গ্ৰহণ কৰিছে। পিছে ইমান কঠোৰ নিয়ম, ৰাইজ সজাগ হোৱাৰ পাচতো লণ্ডনৰ বায়ু প্ৰদূষণ মুক্ত নহয়। ২০১৭ৰ পাঁচ ডিচেম্বৰত এটা কথা স্পষ্টকৈ প্ৰদূষণ নিয়ন্ত্ৰণকাৰী সংস্থাসমূহে উল্লেখ কৰিছে যে সকলোবোৰ সতৰ্কতা অৱলম্বনৰ পাচতো লণ্ডন চহৰ প্ৰদূষণমুক্ত হোৱা নাই। বিগত সময়ছোৱাত বহুতো পৰিবেশৰ পৰিবৰ্তন হ'ল যদিও কিয় সম্পূৰ্ণৰূপে প্ৰদূষণমুক্ত হোৱা নাই সেই বিষয়ে বহুতো আলোচনা হৈছে। সমাধান সূত্ৰ সহজে নোলায়। কাৰণ আজি কেৱল লণ্ডন চহৰেই নহয়, সমগ্ৰ বিশ্বই প্ৰদূষিত হৈছে। বহুতো দেশত বনজুইৰ বাবে বায়ু-পানী আৰু ভূমি এনেদৰে প্ৰদূষিত হৈছে যে তাৰ পৰা পৰিত্ৰাণ পোৱাটো কাৰো বাবে সম্ভৱ নহয়। এয়া পিছে প্ৰকৃতিৰ দ্বাৰা হোৱা প্ৰদূষণ নহয়, মানৰ সৃষ্টহে। মানুহে উন্নতিৰ নামত যিমানেই উদ্যোগ প্ৰতিষ্ঠা কৰিছে, বনজ সম্পদ ধ্বংস কৰিছে সিমানেই প্ৰদূষণে ভয়াৱহ ৰূপ ধাৰণ কৰিছে।

# বিশ্ব বাণিজ্যৰ অন্যতম কেন্দ্ৰ হোৱাৰ পথত ঢাকা

বিশ্বৰ সৰ্ববৃহৎ মহানগৰসমূহৰ ভিতৰত অন্যতম হ'ল ঢাকা। ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশৰ ৰাজধানী ঢাকাৰ বিষয়ে সৰুৰে পৰাই শুনি আহিছোঁ। বেছ উন্নত মহানগৰ। যদিও বাংলাদেশ বুলি কোৱাৰ লগে লগে সকলোৰে মনত এখন অনুন্নত দেশৰ ছবিয়ে ফুটি উঠে। স্বাভাৱিক কথা, কাৰণ বাংলাদেশক এতিয়াও অনুন্নত দেশৰ শাৰীতেই অন্তৰ্ভুক্ত কৰি ৰখা হৈছে। পিছে এনে এখন অনুন্নত দেশৰ ৰাজধানী চহৰখন যে বিশ্বৰ অন্যতম বৃহৎ আৰু আকৰ্ষণীয় হ'ব পাৰে সেই কথা হয়তো কোনোৱেই কল্পনা কৰিব নোৱাৰে। ঢাকা চহৰলৈ যোৱা ৫ নৱেম্বৰত উৰা মাৰিছিলোঁ। অসম সাহিত্য সভাৰ উদ্যোগত ঢাকাত আয়োজিত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ অষ্টম মৃত্যুবাৰ্ষিকীত অংশগ্ৰহণৰ উদ্দেশ্যে ৫ নৱেম্বৰৰ আবেলি কলকাতা বিমানবন্দৰৰ পৰা ঢাকালৈ উৰা মাৰোঁ। ৪০ মিনিট সময়ৰ ভিতৰতে আমি ঢাকাৰ হজৰত শ্বাহজালাল আন্তৰ্জাতিক বিমান বন্দৰত উপস্থিত হওঁ। তাৰ পৰা মূল চহৰলৈকে ১৭ কিলোমিটাৰ দূৰত্ব। অৱশ্যে এই ১৭ কিলোমিটাৰ পথত আমাৰ বাহনখন পূৰ্বৰেপৰা নিৰ্দিষ্ট কৰি থোৱা হোটেলখন পাওঁতে প্ৰায় আঢ়ৈ ঘণ্টা সময় লাগিছিল। সেই পথছোৱাৰ যান-জঁট দেখি আমাৰ গুৱাহাটীৰ কথা মনত পৰিল। যান-জঁটৰ সমস্যাৰ ক্ষেত্ৰত দুয়োখন মহানগৰৰ মাজত কোনো পাৰ্থক্য

দেখা নাপালোঁ। ঢাকাৰ বিমানবন্দৰত ৫.৩০ বজাত উপস্থিত হোৱাৰ পাচত হোটেল পাওঁতে নিশা আঠ বজাত পাওঁ। আবেলিও চহৰখনত ইমান যান-জঁট হোৱাৰ কাৰণ আছিল তাত মূল চহৰখনত এতিয়াও ৰিক্সাৰ চলাচল অধিক। চিটি বাছৰ লগতে আন দামী দামী বাহনৰ তুলনাত ৰিক্সা বেছি চলায়। এইবোৰে আকৌ কোনো নিয়ম-নীতি মানি চলিবলৈ টান পায়। চহৰখনত জাপানী বাহনৰ লগতে আন বিলাসী গাড়ী-মটৰ আছে যদিও সেইবোৰ বেছ আকৰ্ষণীয়। যিকোনো জৰিমণাৰ পৰিমাণ বেছি যদিও চালকসকলে পথৰ নীতি-নিয়ম মানি চলিব নোখোজে। নিজ ইচ্ছামতেই চলে। আমাৰ গাড়ীখনে লাহে লাহে গতি কৰাৰ সময়ত এই যান-জঁটৰ কথা ভালদৰে উপলব্ধি কৰিব পাৰিলোঁ। এইখিনিতে এটা কথা উল্লেখ কৰিব লাগিব যে ঢাকাত ট্ৰেফিক আইন কঠোৰ আৰু আৰক্ষীয়েও চেষ্টা চলাইছে যদিও যান-জঁট নিয়ন্ত্ৰণ কৰিব নোৱাৰাতো এক চিন্তনীয় বিষয়। চহৰখনত গৰু-ছাগলী দেখা নাপালোঁ। তদুপৰি চহৰখন পৰিস্কাৰ-পৰিচ্ছন্ন কৰি ৰাখিবলৈ সকলোৱে চেষ্টা কৰে। তাৰ মাজতো অৱশ্যে দুই-এঠাইত জাবৰৰ দ'ম এটা-দুটা নেদেখাকৈয়ো নাথাকিলোঁ। উষ্ণতা আমাৰ গুৱাহাটীৰ দৰে। বুঢ়ী গংগা নদীৰ পাৰত অৱস্থিত চহৰখনৰ সৌন্দৰ্য মনোমুগ্ধকৰ। সেইবাবে বিশ্বৰ বিভিন্ন প্ৰান্তৰ পৰা বহুতো পৰ্যটকে ঢাকালৈ আহে বিভিন্ন সময়ত। চহৰখনত খোজ দিয়ে ঢাকা সম্পৰ্কে পূৰ্বতে থকা মোৰ ধাৰণাৰো সলনি হ'ল।

বাংলাদেশত এতিয়া অৰ্গেনিক শাক-পাচলি উৎপাদনৰ ধুম উঠিছে। কাৰণ এইবোৰ ভূটান, ছিংগাপুৰ আদি চুবুৰীয়া দেশলৈ ৰপ্তানী কৰি চৰকাৰে ধন সংগ্ৰহ কৰি থকা বাবে পাচলি আদিত ৰাসায়নিক সাৰ প্ৰয়োগ নকৰে। গতিকে খাদ্য গ্ৰহণৰ ক্ষেত্ৰতো যে তেওঁলোক আমাতকৈ অধিক সতৰ্ক হৈছে সেই কথা এনেবোৰ কথাৰ পৰাই স্পষ্ট হৈ পৰিছে। আমি যি ঠাইত অনুষ্ঠানৰ আয়োজন কৰিছিলো তাত পৰিবেশন কৰা খাদ্যও আছিল উন্নতমানৰ। তদুপৰি সাধাৰণতে আমাৰ মনত বাংলাদেশী বুলি ক'লে যি এখন ছবি ফুটি উঠে তাৰ বিপৰীত সুন্দৰ ছবি এখনহে দেখা পালো চহৰখনত। পদপথৰ কাষতো সুন্দৰভাৱেই খাদ্য পৰিবশেন কৰে। তদুপৰি চহৰখনত খোজ কাঢ়ি ফুৰোতে পথৰ ক'তো তামোল, গুট্‌খা, পাণ মচলা আদি দেখা নাপালোঁ। গুৱাহাটী

চহৰৰ পুনৰ্নিৰ্মাণ কৰা পদপথসমূহ এতিয়া পিকদানি হৈ পৰিছে। অথচ আমাতকৈ বহু পিছপৰা দেশ এখনৰ ৰাজধানী চহৰত এইবোৰ দেখিবলৈ নোপোৱাটো ডাঙৰ কথা। চহৰখনত দেখা ডাঙৰ ডাঙৰ মল আৰু ব্যৱসায়িক কেন্দ্ৰসমূহ দেখাৰ পাচত এই বিষয়ে জানিবলৈ বিচৰাত এজন ব্যৱসায়ীয়ে ক'লে যে এতিয়া বাংলাদেশৰ পৰা বিশ্বৰ কে'বাখনো দেশলৈ কাপোৰৰ ৰপ্তানি কৰা হয়। বাংলাদেশ চৰকাৰে বস্ত্ৰ ৰপ্তানি কৰি বছৰি কে'বাশ কোটি টকাৰ ৰাজহ সংগ্ৰহ কৰি আছে। আনহাতে, মৰাপাটৰ পৰা প্ৰস্তুত কৰা বিভিন্ন সামগ্ৰীও এতিয়া কে'বাখনো উন্নত দেশলৈ উচ্চ হাৰত ৰপ্তানি কৰি থকা হৈছে। ইয়াকে লৈ বাংলাদেশৰ জনগণে গৰ্বও অনুভৱ কৰে। এটা কথা স্বীকাৰ কৰিবই লাগিব যে বাংলাদেশত প্ৰস্তুত কৰা কাপোৰ আৰু মৰাপাটৰ সামগ্ৰীসমূহৰ বিশ্ব বজাৰত এক সুকীয়া আসন আছে। বিদেশলৈ ৰপ্তানি কৰা বাণিজ্যিক সামগ্ৰীসমূহৰ ভিতৰত ৭৭ শতাংশই হ'ল 'ৰেডিমেড' কাপোৰ। দৰাচলতে ইয়াত অতি কম খৰচতে উন্নতমানৰ বস্ত্ৰ উদ্যোগসমূহে প্ৰস্তুত কৰিব পাৰে। বৰং ভাৰতৰ তুলনাত বাংলাদেশ বস্ত্ৰ ৰপ্তানিৰ ক্ষেত্ৰত এখন ভাল বজাৰ দখল কৰি আছে।

বাংলাদেশত থকা বিখ্যাত ঢাকেশ্বৰী মন্দিৰৰ লগতে আন এটি কালী মন্দিৰ দৰ্শন কৰাৰ আমাৰ সৌভাগ্য ঘটিল। ঢাকেশ্বৰীৰ মন্দিৰৰ পৰা অলপ আঁতৰতে থকা বাবে দৰ্শন কৰাত বিশেষ অসুবিধা নহ'ল। তদুপৰি উক্ত স্থানত উপস্থিত হৈ এনে অনুভৱ হ'ল যেন আমি অসমৰে কোনো এটা ঐতিহাসিক মন্দিৰ, দেৱালয়ৰ চৌহদত থিয় হৈ আছোঁ। আমি আশীৰ্বাদ লৈ মন্দিৰৰ পৰা ওলাই আহিলোঁ। যোৱা আঠ নৱেম্বৰত ঘৰলৈ উভতি আহিলো যদিও ঢাকাৰ মিঠা মিঠা স্মৃতিবোৰ লগত লৈ আহিলোঁ।

# প্ৰদূষণ প্ৰতিৰোধৰ বাবে আইনতকৈ সতৰ্কতাৰহে প্ৰয়োজন

প্লাষ্টিক বৰ্জনক লৈ সকলোৱে সৰৱ হৈ থকা সময়তে এটা প্ৰশ্ন সকলোৰে সন্মুখত থিয় দিছে— আইনে সঁচাকৈয়ে ইয়াক প্ৰতিৰোধ কৰিব পাৰিবনে? কাৰণ ইয়াৰ পূৰ্বেও প্ৰদূষণ প্ৰতিৰোধৰ বাবে বহুতো আইন প্ৰণয়ন হৈছিল। আইনে যে এইবোৰ প্ৰতিৰোধ কৰিব নোৱাৰে তাৰেই চাক্ষুষ প্ৰমাণ হ'ল বিশ্বকৰ্মা পূজাৰ বাবে শিল্পীসকলে প্ৰস্তুত কৰা মৃণ্ময় মূৰ্তিবোৰ পথৰ সমীপত, মাজত পৰি থকা দেখিলে। পূজাৰ বাবে বহুতে চহৰলৈ মূৰ্তি বিক্ৰীৰ বাবে আনে। প্ৰায়ভাগ ব্যৱসায়ীয়ে পদপথৰ ওপৰত অথবা কাষতে মূৰ্তিবোৰ ৰাখি বিক্ৰী কৰে। দুই-তিনিদিন আগৰেপৰা জমা কৰা মূৰ্তিবোৰৰ বেছিভাগেই বিক্ৰী হয়। তদুপৰি বহুতে কলগছ, আমৰ ডাল, বাঁহ আদি আনে বিক্ৰী কৰিবলৈ। পিছে পূজাৰ দিনা দুপৰীয়াৰ পাচত এইবোৰ আৰু বিক্ৰী নহয়। সেইবাবে যিমান পাৰে সিমান সোনকালে বিক্ৰী কৰিবলৈ চেষ্টা কৰে যদিও বহুতৰে বিক্ৰী নহয়। এইবোৰ বিক্ৰেতাসকলে গাঁৱৰপৰা আনে মিনি ট্ৰাক আদিৰে। যিখিনি ৰৈ যায় সেইখিনি ঘূৰাই নিবলৈও ধনৰ প্ৰয়োজন। বিক্ৰী কৰি পোৱা ধনেৰে ৰৈ যোৱা মূৰ্তিবোৰ গাঁৱলৈ নিবলৈও অধিক ব্যয় হ'ব। সেইবাবে বহুতে মূৰ্তিবোৰ ঘৰলৈ নিয়াৰ পৰিৱৰ্তে ৰাস্তাৰ কাষতে পেলাই থৈ যায়। এতিয়া কথা হ'ল— ব্যৱসায়ীবোৰে পেলাই থৈ যোৱা এই মূৰ্তি, কলগছবোৰ কেতিয়া কোনে পৰিষ্কাৰ কৰিব? কাক পৰিষ্কাৰ কৰাৰ বাবে

দায়িত্ব দিছে এই অস্থায়ী ব্যৱসায়ীসকলে? কেৱল বিশ্বকৰ্মা পূজা বুলিয়ে নহয়, দীপাৱলীৰ সময়তো কলগছবোৰৰ ক্ষেত্ৰতো একেই সমস্যাৰ সৃষ্টি হয়। এৰি থৈ যোৱা মূৰ্তিবোৰ পেলাবলৈ পৌৰ নিগমক বহু দিনৰ প্ৰয়োজন হয়। নিগমে যাৰ ওপৰত পৰিষ্কাৰ কৰাৰ দায়িত্ব অৰ্পণ কৰিছে তেওঁলোকে এইবোৰৰ বাবে অতিৰিক্ত সময় ব্যয় কৰিবলগীয়া হয়। তদুপৰি কেতিয়াবা একেলেথাৰিয়ে বৰষুণ দিলে এইবোৰ পদপথ অথবা ৰাস্তাৰ কাষত পচিবলৈ আৰম্ভ কৰে। ইয়াৰপৰা দুৰ্গন্ধ ওলায়। নাকত ৰুমাল লৈ যাবলগীয়া পৰিস্থিতিৰ সৃষ্টি হ'বলৈ ধৰে। এইবোৰে পৰিবেশ প্ৰদূষিত নকৰেনে? নিশ্চয় কৰে। পিছে, এইবোৰক লৈ কোনোৰে সৰব নহয়।

আইনে এনে ধৰণৰ প্ৰদূষণ ৰোধ কৰিব নোৱাৰে যদিহে জনসাধাৰণ সতৰ্ক নহয়। প্ৰথমে ৰাইজৰ মাজত সজাগতাৰ সৃষ্টি কৰিব লাগিব। ৰাইজ সজাগ হ'লে আপোনা-আপুনি প্লাষ্টিক ব্যৱহাৰ বন্ধ হ'ব। তদুপৰি প্ৰত্যেকে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰত গুৰুত্ব দিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্বচ্ছ ভাৰত অভিযান আৰম্ভ কৰাৰ পাচত এতিয়া বহুতো ঠাই পৰিষ্কাৰ হ'ল। ৰাইজে কম-বেচি পৰিমাণে সতৰ্ক হৈছে। অৱশ্যে এয়া আইনৰ বাবে হোৱা নাই, হৈছে প্ৰধানমন্ত্ৰী মোদীৰ আদৰ্শ, আহ্বানৰ বাবেহে। এতিয়া পথৰ কাষৰ মূৰ্তি আঁতৰোৱাৰ ক্ষেত্ৰতো যদি জনসাধাৰণক অধিক সজাগ কৰিব পৰা যায়, তেতিয়াহ'লে ব্যৱসায়ীসকলে এইবোৰ য'তে-ত'তে এৰি থৈ নাযায়। তদুপৰি সকলো ব্যৱসায়ীয়ে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰিব। ইয়াৰ বাবে বাটৰ নাট, সজাগতা সভা, হ'ৰ্ডিং আদিৰ প্ৰয়োজন। অপৰিষ্কাৰ হৈ থাকিলে কেনে ধৰণৰ অপকাৰ হ'ব আৰু দেশৰ কেনে ক্ষতি হ'ব পাৰে সেইবোৰৰ বিষয়ে ৰাইজক সজাগ কৰিব পাৰিলেহে সাৰ্থক হ'ব। এতিয়া সকলোৰে কৈ আছে প্লাষ্টিক বৰ্জন কৰিব লাগে। প্লাষ্টিকে মাটিৰ গুণাগুণ ধ্বংস কৰাৰ লগতে কৃত্ৰিম বান আদি সৃষ্টিৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। এতিয়া কথা হ'ল এইবোৰ কথা মানুহক আগৰে পৰাই সতৰ্ক কৰি দি অহা হৈছে। আইন প্ৰণয়নৰ যোগেদি বিভিন্ন ঠাইত এইবোৰৰ বিৰুদ্ধে অভিযানো চলোৱা হৈছে। পিছে এইবোৰ সময়ত ফুটুকাৰ ফেনতহে পৰিণত হোৱা দেখা যায়। কাৰণ প্লাষ্টিক বৰ্জনৰ বাবে যিবোৰ হ'ৰ্ডিং বা প্লেকাৰ্ড,

ফেষ্টুন আদি প্ৰস্তুত কৰা হয় সেইবোৰৰ বেছিভাগেই প্লাষ্টিকৰ। পলিথিন বেগ পেলাবলৈ আকৌ পলিথিনৰ বেগত সকলোবোৰ ভৰাই দিয়া হৈছে। এইবোৰ এতিয়া পেলাব ক'ত বা পেলাইছে কোন ঠাইত।

কিছুমান কাম কৰাৰ আগতে বিষয়টোৰ ওপৰত ভালদৰে অধ্যয়ন কৰিবই লাগিব। পলিথিন বন্ধ কৰাৰ পূৰ্বে ইয়াৰ বিকল্প ব্যৱস্থা কৰা হৈছে নে নাই সেয়া কোনোবাই হিচাপ ৰাখিছেনে? আমি মাটিৰ কাপত পানী, চাহ, কলপাত, চতিয়া আদিত ভাত খোৱাৰ কথা কৈছোঁ। বিবাহ, সবাহ আদিত এইবোৰৰ ব্যৱহাৰ কৰিবলৈ নিৰ্দেশ দিয়া, আহ্বান জনোৱা হৈছে। পিছে কলপাত, চতিয়া আদি আমি পাম ক'ত? আজি কলগছৰ অভাৱ কেৱল চহৰাঞ্চলতেই নহয়, গ্ৰামাঞ্চলতো হৈছে। মাটিৰ কাপ আদিৰ বাবে মাটি আছেনে? কেৱল কথা ক'লেই নহ'ব বা নিৰ্দেশ দিলেই সকলো সমাধান নহয়, এয়া বাস্তৱ ক্ষেত্ৰত সম্ভৱ হ'বনে? এতিয়া কলপাত, চতিয়া এখন খাবৰ বাবে প্ৰস্তুত কৰিবলৈ হ'লে কমেও পাঁচৰপৰা দহ টকা ব্যয় হয়। প্লাষ্টিকৰ কাপ অথবা থাল আদি এটকা বা দুটকাতে পোৱা যায়। গতিকে মানুহে কম খৰচত পোৱা বস্তু ব্যৱহাৰ কৰিব নে বেছি ব্যয় হোৱাটো ব্যৱহাৰ কৰিব? নিশ্চয় কম খৰচতে পোৱাটোকে ব্যৱহাৰ কৰিব। গতিকে সকলো সিদ্ধান্ত লোৱাৰ পূৰ্বে এইবোৰ বাস্তৱ ক্ষেত্ৰত সম্ভৱ হ'ব নে নহয় সেয়াও বিবেচনা কৰা উচিত। প্লাষ্টিক ব্যৱহাৰ বন্ধ হওক, পদপথ আদিত মূৰ্তি তথা পেলনীয়াবোৰ থৈ যোৱাৰ অভ্যাস সকলোৱে ত্যাগ কৰক। তাৰ বাবে সকলোৱে মানসিকভাৱে প্ৰস্তুত হ'ব লাগিব।

# আকৰ্ষণীয় দুৰ্গা মূৰ্তিৰ আঁৰৰ খনিকৰসকল

শৰৎ কালৰ আগমনৰ লগে লগে সকলোৱে ব্যস্ত হৈ পৰে দেৱী দুৰ্গাক আদৰিবলৈ। এই প্ৰস্তুতি চলে ভিন্ন ৰূপত। একাংশ ব্যস্ত হয় মণ্ডপ নিৰ্মাণৰ বাবে। আন একাংশই অহৰ্নিশে পূজাৰ সামগ্ৰী সংগ্ৰহ কৰিবলৈ ব্যস্ত হৈ পৰে। কিছুমানে ধন সংগ্ৰহত ব্যস্ত থাকে। মুঠৰ ওপৰত ব্যস্ততাৰ অন্ত নাই। পূজাৰ দিন কেইটাত সকলোৱে দেৱী দুৰ্গাৰ প্ৰতিমা এক বিশেষ ৰূপত প্ৰত্যক্ষ কৰিব বিচাৰে। চৌদিশে চলে অঘোষিত প্ৰতিযোগিতা। প্ৰতিমাক জীৱন্ত ৰূপ দিবলৈ সকলোৱে চেষ্টা কৰে। এই কেইদিন মাটিৰ প্ৰতিমায়ো প্ৰাণ পাই উঠে। ভক্তক আশীৰ্বাদ দিবলৈ আৰু ভক্তই দেৱীক পূজা কৰিবলৈ যেন প্ৰতিমাই প্ৰাণ পাই উঠে। সকলোৱে প্ৰতিমা দেখি চমকি উঠে। পিছে এই প্ৰতিমাই চমকি উঠাৰ পূৰ্বে এটা বিশেষ শ্ৰেণীৰ লোকে এমাহ-ডেৰমাহজোৰা হাড়ভগা শ্ৰমদান কৰে। পোছাকী ভাষাত এই লোকক কোৱা হয় ‘মৃণ্ময় শিল্পী’। এই শিল্পীসকলক সাধাৰণ লোকে ‘কাৰিকৰ’ বুলিয়ে কয়। প্ৰতিমা নিৰ্মাণ কৰা এইসকল কাৰিকৰৰ কথা পিছে কোনোৱে উচ্চাৰণ নকৰে। তেওঁলোকৰ হাড়ভগা কষ্টৰ কথা কোনোৱে এবাৰো নাভাবে। কৰিকৰসকলে প্ৰতিমাই প্ৰাণ পাই উঠিলে আনন্দত নাচি উঠে। কাৰণ তেওঁলোকৰ লক্ষ্য এটাই— মৃণ্ময় প্ৰতিমাত প্ৰাণ দিয়া। কাৰিকৰসকলে মূৰ্তি নিৰ্মাণ কৰে অৰ্থৰ বিনিময়ত। তেওঁলোকৰ প্ৰতিমা নিৰ্মাণ কৰাটো নিচা আৰু পেছা দুয়োটাই।

মূৰ্তি নিৰ্মাণ কৰিয়েই পৰিয়ালক পোহপাল দিয়ে। বছৰৰ আন সময়তো তেওঁলোকে বিভিন্ন দেৱ-দেৱীৰ মূৰ্তি সাজে যদিও শাৰদীয় সময়ত বেছিকৈ নিৰ্মাণ কৰে। গণেশ পূজা, সৰস্বতী পূজা, বিশ্বকৰ্মা পূজাৰ সময়ত যদিও সকলো ঠাইতে এনে দেৱ-দেৱীৰ মূৰ্তিৰ চাহিদা আছে তথাপি শাৰদীয় দুৰ্গোৎসৱত ইয়াৰ চাহিদা সৰ্বাধিক। আজি-কালি পূজাৰ সংখ্যাও বাঢ়িছে। পিছে বৃদ্ধি হোৱা নাই মৃণ্ময় শিল্পী বা কাৰিকৰৰ। সেইবাবে এতিয়া দুমাহমান আগৰে পৰাই খেৰৰ জুমুঠি বান্ধিবলৈ আৰম্ভ কৰে। যিমানেই মূৰ্তি নিৰ্মাণ কৰিব সিমানেই তেওঁলোকৰ উপাৰ্জন বৃদ্ধি হ'ব। যদিও তেওঁলোকে অৰ্থৰ বাবে মূৰ্তি নিৰ্মাণ কৰে তথাপি তেওঁলোকে কষ্ট অনুপাতে পাপ্য লাভ নকৰে। পুৱাৰেপৰা নিশালৈকে কেৱল মূৰ্তি নিৰ্মাণতে ব্যস্ত থাকে। ব্যক্তিগত জীৱন বুলিবলৈ যেন একোৱে নাই। দুখ-ভাগৰ আদি সকলোবোৰ কথা একাষৰীয়া কৰি থৈ ব্যস্ত হয় মূৰ্তি নিৰ্মাণত।

মৃন্ময় শিল্পীসকলক তেওঁলোকৰ কামৰ বাবে স্বীকৃতি দিয়া লোকৰ সংখ্যা আঙুলিৰ মূৰত লেখিব পৰা বিধৰ। এইসকল শিল্পীক স্বীকৃতি দিবলৈ কাৰোৱে আহৰি নাই। এয়া কিন্তু চৰম লজ্জাজনক বিষয়। যিজন ব্যক্তিৰ দ্বাৰা প্ৰতিমা নিৰ্মাণ নহ'লে মণ্ডপত দেৱীক প্ৰতিষ্ঠা কৰাটো সম্ভৱ নহয়, পিছে তেওঁৰ অৱদানক আমি স্বীকৃতি দিব নোখোজো? পাহৰি যাওঁ। ঢাক, ঢোল, তাল, খোল, ৰাইজৰ কোলাহল, পুৰোহিতৰ মন্ত্ৰোচ্চাৰণ, নৃত্য-গীতৰ মাজত যেন হেৰাই যায় কাৰিকৰসকল। তেওঁলোকৰ সৃষ্টিক স্বীকৃতি দিবলৈ কাৰিকৰসকলক ৰাজহুৱাভাৱে সম্বৰ্ধনা জনাব নোৱাৰো কিয়? পূজাৰ পাঁচ দিনৰ ভিতৰত যিকোনো এদিনত এইসকল কাৰিকৰক ৰাইজৰ আগত পৰিচয় কৰাই দিবলৈ আমি আহৰি নাপাওঁ নে স্বীকৃতি দিবলৈ কুণ্ঠাবোধ কৰো? ডিজিটেলৰ যুগতো এইসকল শিল্পীয়ে নিজৰ কৌশল আৰু সাধনাৰদ্বাৰা বৃত্তিটো বৰ্তাই ৰাখিবলৈ সক্ষম হৈছে। যিমানেই ৰঙীন পোহৰ তথা কাৰিকৰী কৌশল প্ৰদৰ্শন নকৰক কিয় দেৱীৰ মূৰ্তি মৃন্ময় হ'লে যি সৌন্দৰ্য ফুটি উঠে সেয়া আন ক্ষেত্ৰত দেখা পোৱা নাযায়।

এই কাৰিকৰসকলৰ বাবে নাই কোনো বিশেষ সংস্থা। সুখ-দুখৰ সমভাগী হ'বলৈও লোকৰ অভাৱ। কাৰণ এই লোকসকলক প্ৰয়োজন হয় কেৱল

বছৰৰ কেইটিমান দিনতহে। পূজাৰ কেইদিনমান আগৰপৰা কৰিকৰসকলৰ সন্ধান কৰা হয় যদিও দশমীত দেৱী বিসৰ্জন দিয়াৰ লগে লগে তেওঁলোক এবছৰৰ বাবে যেন এলাগী হৈ পৰে। তেওঁলোকৰ বাবে মাত মাতিবলৈ কোনো সংগঠন বা সংস্থা নোহোৱা বাবে কাৰিকৰসকলে একত্ৰিত হোৱাৰ সুযোগ নাপায়। একত্ৰিত হোৱাৰ সুযোগ নাপায় বাবে তেওঁলোকৰ সমস্যা সদায় সমস্যা হিচাপেই থাকি যায়। কেতিয়াবা দুই-এজন লোকে শিল্পী পেঞ্চন লাভ কৰে যদিও সেয়া সৰ্বোচ্চ স্বীকৃতি বুলি ক'ব নোৱাৰি। আজিও আমাৰ মাজত এনে কিছু শিল্পী আছে যিসকলে কে'বা দশক ধৰি বৃত্তিটোৰ স'তে জড়িত হৈ থকাৰ পাছতো আজিলৈকে প্ৰচাৰৰ বাবে আগ বাঢ়ি অহা নাই। এনেকৈ ক'ত শিল্পীয়ে প্ৰাণ হেৰুৱালে তাৰ হিচাপ কৰিব পৰা নাযাব। কিমানে অৰ্থ সংকটত ভুগি পৰিয়ালক উপযুক্তভাৱে পোহপাল দিব পৰা নাই সেই বিষয়ে কোনোবাই জানে জানো? ল'ৰা-ছোৱালীক উপযুক্তভাৱে পঢ়ুৱাব নোৱৰা, কন্যা সন্তানক অৰ্থাভাৱত বিয়া দিব নোৱৰাৰ মনোবেদনা কোনে বুজিব? এওঁলোক সমাজত কেৱল 'কাৰিকৰ' বুলিয়ে পৰিচিত হৈ থাকিবনে? এওঁলোকৰো আছে অন্ন, বস্ত্ৰ, বাসস্থানৰ অধিকাৰ। তেওঁলোকক অধিকাৰৰপৰা কোনোৱে দেখাত বঞ্চিত কৰা নাই, পিছে সমাজখন পৰিচালনা কৰা কিছুমান শক্তিশালী লোকে কাৰিকৰসকলক এনেদৰে নাগপাশেৰে বান্ধি পেলাইছে যে এই বান্ধোনৰপৰা সহজে ওলাই আহিব নোৱাৰে। এই শিল্পীসকলৰ বিষয়ে আমি সকলোৱে চিন্তা-ভাবনা কৰাৰ সময় আহি পৰিছে।

# শিক্ষক দিৱস, প্ৰতিবাদী কাৰ্যসূচী আৰু গুৰু-শিষ্যৰ সম্পৰ্ক

প্ৰতি পাঁচ ছেপ্টেম্বৰত পালন কৰা হয় শিক্ষক দিৱস। ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি প্ৰয়াত সৰ্বেপল্লী ৰাধাকৃষ্ণনৰ ইচ্ছানুসৰি ১৯৬২ চনৰ পৰাই তেওঁৰ জন্মদিনটো এই দিৱস হিচাপে পালন কৰি অহা হৈছে। মানৱ সম্পদ গঢ়াৰ ক্ষেত্ৰত আগভাগ লোৱা শিক্ষকসকলৰ অৱদানক স্বীকৃতি দিয়াৰ উদ্দেশ্যেই ৰাধাকৃষ্ণণে তেওঁৰ জন্ম দিৱসটো শিক্ষকসকলৰ নামত উৎসৰ্গা কৰি থৈ গৈছে। ভাৰতত পাঁচ ছেপ্টেম্বৰত অনুষ্ঠিত এই দিৱসটো আন দেশত অন্য দিনত পালন কৰাৰ নজিৰ আছে। সকলো দেশতে পিছে একেই উদ্দেশ্যে শিক্ষক দিৱস পালন কৰা হয়। আৰ্জেণ্টিনাত ১৯১৫ চনৰ পৰাই ড'মিনগো ফৌষ্টিনো ছৰ্মিয়েণ্টোজৰ মৃত্যু দিৱসটো দেশখনত শিক্ষকসকলৰ নামত উৎসৰ্গিত কৰি অহা হৈছে। আনহাতে, ইউনেস্ক'ৰ উদ্যোগত ১৯৯৪ চনৰ পৰাই পাঁচ অক্টোবৰত 'বিশ্ব শিক্ষক দিৱস' পালন কৰি অহা হৈছে। আনহাতে, অষ্ট্ৰেলিয়াত অক্টোবৰৰ অন্তিমটো শুকুৰবাৰে শিক্ষকসকলক বিশেষভাৱে সম্বৰ্ধনা জ্ঞাপন কৰা হয়। শিক্ষক সমাজৰ মহান ত্যাগক স্বীকৃতি দিবলৈ বিশ্বৰ প্ৰায়ভাগ দেশত ভিন্ন নামত এই দিৱস পালন কৰাটো এটা ইতিবাচক দিশ বুলিয়েই ক'ব লাগিব। এইটোৱে একমাত্ৰ দিৱস য'ত কেৱল শিক্ষকসকলক শ্ৰদ্ধা, ভক্তি জনোৱাৰ উদ্দেশ্যে আয়োজন কৰা হয়।

যিগৰাকী মহান ব্যক্তিক কেন্দ্ৰ কৰি এই দিৱস ভাৰতত পালন কৰা হয় তেওঁ হ'ল ড° সৰ্বেপল্লী ৰাধাকৃষ্ণন। দাৰ্শনিক, বিদগ্ধ পণ্ডিত ৰাধাকৃষ্ণণে মানৱ জাতিলৈ আগ বঢ়াই যোৱা অৱদানে দাঙি ধৰিছে এক সুকীয়া পৰিচয়। পণ্ডিত জৱাহৰলাল নেহৰুৱে এইগৰাকী বিশ্ব বিশ্ৰুত ব্যক্তিক 'মহান শিক্ষক' হিচাপে স্বীকৃতি প্ৰদান কৰিছে।

শিক্ষকসকল হ'ল মানৱ সম্পদ সৃষ্টি কৰা উপাদান। উপাদান বুলি এই কাৰণে উল্লেখ কৰা হৈছে যে কিছুমান উপাদান অবিহনে একো একোটা মহান সৃষ্টি অসম্ভৱ। এখন দেশ, একোটা জাতিৰ ভৱিষ্যৎ শিক্ষকসকলৰ ওপৰতেই নিৰ্ভৰশীল। কাৰণ শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্ন বিষয়ত দিয়া জ্ঞানৰ পোহৰে শিক্ষাৰ্থীসকলক উন্নতিৰ জখলাত আৰোহণ কৰাত সহায় কৰে। পৰৱৰ্তী সময়ত এই ছাত্ৰসকলৰ মাজৰেই কোনোবাই চিকিৎসক, বিজ্ঞানী, অভিযন্তা, প্ৰশাসনিক বিষয়া, নেতা, শিল্পী, সাহিত্যিক হিচাপে প্ৰতিষ্ঠিত হয়। এই সকলোৱেই প্ৰত্যক্ষ-পৰোক্ষভাৱে ৰাষ্ট্ৰ নিৰ্মাণত আগভাগ লয়। যিখন ৰাষ্ট্ৰৰ মানৱ সম্পদ চহকী সেই ৰাষ্ট্ৰখন বিশ্বৰ শক্তিশালী ৰাষ্ট্ৰ হিচাপে এদিন নহয়, এদিন স্বীকৃতি লাভ কৰিবই। উন্নত দেশবোৰৰ ছবিখন চালেই কথাটো স্পষ্ট হৈ পৰিব।

ভাৰতত অতীজৰে পৰাই শিক্ষাগুৰুক সন্মান প্ৰদৰ্শন কৰি অহা হৈছে। সেইবাবে অতীতত গুৰুকুল আশ্ৰমৰ ব্যৱস্থা কৰা হৈছিল। তেতিয়া শিক্ষাগুৰু-শিক্ষাৰ্থীৰ মাজত আছিল মধুৰ সম্পৰ্ক। গুৰুগৃহত থাকি গুৰুৰ ঘৰুৱা কাম-বন কৰি শিক্ষা গ্ৰহণ কৰিছিল। তেতিয়াৰ গুৰুকুল শিক্ষা ব্যৱস্থাৰ আধুনিক ৰূপ হ'ল 'ব'ৰ্ডিং স্কুল'। আগতে গুৰু দক্ষিণা হিচাপে গুৰুৰ ঘৰৰ কাম-বন কৰিছিল। এই প্ৰক্ৰিয়াত আছিল নিঃস্বাৰ্থ সেৱা গ্ৰহণৰ ধাৰা। অৱশ্যে এটা কথা ঠিক যে সকলোৱে এই ব্যৱস্থাৰ দ্বাৰা শিক্ষা গ্ৰহণ কৰাটো সম্ভৱ নাছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে বিশেষকৈ জাৰ্মানীৰ গুটেনবাৰ্গে ছপাশাল আৱিষ্কাৰ কৰাৰ লগে লগে যেন অন্ত পৰিল গুৰুকুল ব্যৱস্থাৰ। এসময়ৰ গুৰুসকল এতিয়া হৈ পৰিল শিক্ষক-শিক্ষয়িত্ৰী। জনসংখ্যা বৃদ্ধিৰ লগে লগে বিদ্যালয়ৰ সংখ্যাও বৃদ্ধি পালে। যিমানেই ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ধৰিলে সিমানেই শিক্ষক-শিক্ষয়িত্ৰীও নিযুক্তি পালে। সমান্তৰালভাৱে বৃদ্ধি

পালে সমস্যা। ক'ৰবাত যদি শিক্ষকৰ অভাৱ, আন ক'ৰবাত আকৌ শিক্ষক-শিক্ষয়িত্ৰী অনুপাতে নাথাকে শিক্ষাৰ্থী, দৰমহাৰ সমস্যা ইত্যাদি ইত্যাদি। একাংশ শিক্ষক-শিক্ষয়িত্ৰীয়ে শিক্ষাগুৰুৰ ধৰ্ম পালন নকৰা হ'ল। কিছুমানে শিক্ষাদনৰ নামত আৰম্ভ কৰিলে ব্যৱসায়। দৰাচলতে যেতিয়াৰেপৰা শিক্ষাক বাণিজ্যিকীকৰণ কৰা হ'ল তেতিয়াৰে পৰাই শিক্ষাৰ্থীৰ স'তে থকা ব্যৱধান বৃদ্ধি পালে। বিভিন্ন বিষয়ক লৈ সংঘাতৰো সৃষ্টি হ'ল। একাংশই সমস্যা সমাধানৰ বাবে চৰকাৰক হেঁচা প্ৰয়োগ কৰিবলৈ ছাত্ৰ-ছাত্ৰীসকলক পণবন্দী কৰিলে। বিগত কেইবছৰমানৰপৰা 'শিক্ষক দিৱস'ৰ কাৰ্যসূচীৰপৰা আঁতৰি থাকিবলৈ লৈছে একাংশ শিক্ষকে। এয়া পিছে কাৰো বাবে শুভ লক্ষণ নহয়। কাৰণ শিক্ষকৰ সংঘাত চৰকাৰৰে, শিক্ষাৰ্থীৰে নহয়। শিক্ষকতা কৰাসকলে সেৱাহে আগ বঢ়ায়। গতিকে সেৱাৰ ক্ষেত্ৰত শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীক পণবন্দী কৰাটো একপ্ৰকাৰ নীতিবিৰুদ্ধ কথা। শিক্ষকসকলে তেওঁলোকৰ প্ৰাপ্য আদায়ৰ বাবে অন্য ধৰণেও প্ৰতিবাদ জনাব পাৰে। যিদিনাখন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলক বিশেষ সন্মান জনাবলৈ সাজু হৈ থাকে সেই দিনটোতে শিক্ষাগুৰুসকলে প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। নহ'লে 'শিক্ষক দিৱস' পালনৰ কোনো অৰ্থ নাথাকিব। যি উদ্দেশ্যে শিক্ষক দিৱসৰ আয়োজন কৰি অহা হৈছে সেয়া অটুট ৰাখিবলৈ সকলোৱে চেষ্টা কৰা উচিত।

# ছিংগাপুৰত অসম সাহিত্য সভাৰ বঁটা প্ৰদানৰ মধুৰ স্মৃতি

২০১৯ চনৰ ২১ আগষ্টত ছিংগাপুৰত অসম সাহিত্য সভাই প্ৰসিদ্ধ চিত্ৰনাট্যকাৰ, প্ৰযোজক তথা চিনেমাটোগ্ৰাফাৰ ইৰিক খূ কিম হাইক প্ৰদান কৰে ২০১৮ বৰ্ষৰ 'ভাৰতৰত্ন ড° ভূপেন হাজৰিকা বঁটা'। মনোমুগ্ধকৰ ছিংগাপুৰৰ প্লুমেন, ৩০ ৰাফেলছ এভিনিউ প্ৰেক্ষাগৃহত আয়োজিত এক বৰ্ণাঢ্য অনুষ্ঠানত তেওঁক উক্ত বঁটাটো প্ৰদান কৰা হয়। তেওঁ আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত পুৰস্কাৰ লাভেৰে বিশ্ব দৰবাৰত ছিংগাপুৰৰ চলচ্চিত্ৰক প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হয়। তেৰেঁই প্ৰথম ছিংগাপুৰৰ চলচ্চিত্ৰ নিৰ্মাতা, যাৰ ছবি আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱত প্ৰদৰ্শিত হৈ প্ৰশংসা বুটলিবলৈ সক্ষম হৈছে। অসম সাহিত্য সভাৰ পৰিসৰ বৃদ্ধিৰ লগতে সুধাকণ্ঠৰ অৱদানৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে এইবাৰ উক্ত বঁটাটো ছিংগাপুৰতে প্ৰদান কৰে। সাহিত্য সভাৰ এয়া এক ইতিবাচক পদক্ষেপ বুলি ক'ব লাগিব। ছিংগাপুৰ সাহিত্য সভাৰ উদ্যোগত আয়োজিত বৰ্ণাঢ্য অনুষ্ঠানটো অনুষ্ঠিত কৰাৰ ক্ষেত্ৰত আগভাগ লয় ছিংগাপুৰ সাহিত্য সভাৰ সভাপতি অভিমন্যু তালুকদাৰ, সম্পাদক ৰাজিদ আহমেদ, কোষাধ্যক্ষ সপ্তৰ্ষি ভট্টাচাৰ্যৰ লগতে কেবাগৰাকী প্ৰবাসী অসমীয়াই। সন্মানীয় বঁটাটো হাইক প্ৰদান কৰে ছিংগাপুৰস্থিত ভাৰতীয় উচ্চায়ুক্ত জাৱেদ আছৰাফে। শতাধিক লোক উপস্থিত থকা অনুষ্ঠানটোত বঁটা গ্ৰহণ কৰি হাইয়ে কয় যে তেওঁ অসমৰ মনোমুগ্ধকৰ প্ৰাকৃতিক সৌন্দৰ্যৰ

বিষয়ে জ্ঞাত। তেওঁ বঁটাটো গ্ৰহণ কৰি নিজকে ধন্য মনা বুলি কোৱাৰ লগতে অসম সাহিত্য সভাক ধন্যবাদ জ্ঞাপন কৰে। সুযোগ-সুবিধা পালে চিত্ৰ প্ৰযোজকগৰাকীয়ে অসমত তেওঁৰ ছবি চিত্ৰগ্ৰহণ কৰিব বুলিও কয়। ইপিনে, উচ্চায়ুক্ত আছৰাফে এনে অনুষ্ঠানৰ দ্বাৰা ভাৰত-ছিংগাপুৰৰ মাজত সমন্বয়ৰ সেতু গঢ়াটো সম্ভৱ হ'ব বুলি কয়। ভৱিষ্যতে সাহিত্য সভাই যদি কোনো অনুষ্ঠান ছিংগাপুৰত আয়োজনৰ বাবে আগভাগ লয় তেতিয়াহ'লে সম্পূৰ্ণ সহায়-সহযোগিতাৰ আশ্বাস দিয়ে আছৰাফে। অনুষ্ঠানটোৰ আঁত ধৰে হিমাংগিণী শৰ্মাই। উক্ত বঁটাটোত আছিল চেলেং, গামোচা, সম্বৰ্ধনা পত্ৰ, স্মাৰক আৰু পাঁচ লাখ টকাৰ চেক। উল্লেখ্য যে গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত অসম সাহিত্য সভাৰ সভাপতি ড° পৰমানন্দ ৰাজবংশী আৰু প্ৰধান সম্পাদক পদুম ৰাজখোৱাই বক্তব্য আগবঢ়ায়। দুয়োগৰাকীয়ে সাহিত্য সভাই বিশ্ব দৰবাৰত প্ৰতিষ্ঠা লাভৰ বাবে এনে ধৰণৰ কাম কৰি যাব বুলি কয়। তদুপৰি সাহিত্য-সংস্কৃতি আদিৰো আদান-প্ৰদান হোৱাৰ বিষয়ে ড° ৰাজবংশী আৰু ৰাজখোৱাই উল্লেখ কৰে। অনুষ্ঠানটোৰ শেষত বিহু নৃত্য আৰু সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰা হয়। সত্ৰীয়া নৃত্য প্ৰদৰ্শন কৰে ভানু ডেকাই।

ছিংগাপুৰলৈ যোৱাৰ হেঁপাহ মোৰ সৰুৰে পৰাই আছিল। সুযোগ পোৱা নাছিলোঁ। অৱশেষত অসম সাহিত্য সভাৰ এই অনুষ্ঠানটোত অংশগ্ৰহণৰ বাবে সুযোগ পোৱাত আনন্দিত হ'লোঁ। যোৱা ২০ আগষ্টত সাহিত্য সভাৰ ১৮ জনীয়া দল এটাৰ স'তে ছিংগাপুৰলৈ বুলি ওলালোঁ। গুৱাহাটীৰপৰা কলকাতাত উপস্থিত হোৱা দলটোত অসম সাহিত্য সভাৰ সভাপতি ড° পৰমানন্দ ৰাজবংশী, প্ৰধান সম্পাদক পদুম ৰাজখোৱা, প্ৰফুল্ল বৰ্মন, দাসো কলিতা, চন্দন শৰ্মা, যাদৱ শৰ্মা, ৰাজীৱ ডেকা, ভানু ডেকা, নিত্য বৰা, স্বপ্নালী বৰগোহাঁই, পদুমী গগৈ, ড° সৌমেন ভাৰাতীয়াৰ লগতে আন কেবাজনো সদস্য আছিল। সিদিনা কলকাতাত নিশা কটাই পুৱা ৬.২০ বজাত ইণ্ডিগো বিমানেৰে ছিংগাপুৰ অভিমুখে যাত্ৰা আৰম্ভ কৰিলোঁ। ছিংগাপুৰৰ চাংগি বিমান বন্দৰত বিমানখন অৱতৰণ কৰাৰ লগে লগে মায়া নগৰীত খোজ দিয়াৰ স্বপ্ন পূৰণ হ'ল। আমি আটায়ে পূৰ্বতে ঠিক কৰি থোৱা অক্সফ'ৰ্ড হোটেললৈ যাত্ৰা আৰম্ভ কৰিলোঁ। এইখিনিতে উল্লেখ কৰিব লাগিব

যে ছিংগাপুৰৰ সময় আমাৰ দেশতকৈ দুঘণ্টা ৩০ মিনিট আগবঢ়া। ছিংগাপুৰ পাওঁতে স্থানীয় সময় হৈছিল ১.১০ বজা। হোটেললৈ গৈ কিছু সময় জিৰণি লৈ প্লুমেন ৰাফেল এভিনিউলৈ যাত্ৰা কৰিলোঁ। সন্ধিয়া সাত বজাত আৰম্ভ হ'ল অনুষ্ঠানটো। নিৰ্দিষ্ট সময়তকৈ এক মিনিট সময়ো পলম নহ'ল। নিয়মানুৱৰ্তিতাৰ ওপৰত ছিংগাপুৰৰ নাগৰিকসকলে সদায় গুৰুত্ব আৰোপ কৰি আহিছে। আমাৰ ৰাজ্যত সময়মতে এনেধৰণৰ অনুষ্ঠান আৰম্ভ কৰাটো একপ্ৰকাৰ প্ৰত্যাহ্বানস্বৰূপ। উদ্যোক্তাসকলেও নিৰ্দিষ্ট সময়ত অনুষ্ঠানটো আৰম্ভ কৰাত বঁটাপ্ৰাপকেও সন্তুষ্টি প্ৰকাশ কৰিলে। উপস্থিত প্ৰবাসী অসমীয়াসকলৰ লগতে ছিংগাপুৰৰ নাগৰিকৰ সহায়-সহযোগিতাও আছিল বিশেষভাৱে উল্লেখযোগ্য। আটাইতকৈ ডাঙৰ কথাটো হ'ল যে আমাৰ অনুষ্ঠানটোৰ শেষত 'অসম সংগীত'টো পৰিৱেশনৰ সময়ত ছিংগাপুৰৰ লোকসকলে অসমীয়া ভাষাটো বুজি নাপালেও সহযোগিতা কৰিছিল। আনকি জাতীয় সংগীত পৰিবেশন কৰোতে থিয় হৈ সন্মান জনাইছিল। জ্ঞানীয়ে জ্ঞানৰ মোল বুজাৰ এয়া এক দৃষ্টান্তহে মাথোঁ। অনুষ্ঠানটো এঘণ্টাৰ ভিতৰত শেষ হৈছিল। সঁচাকৈয়ে তেওঁলোকে সময়ৰ মোল ভালদৰে বুজি পায়। সি যি নহওক, উক্ত অনুষ্ঠানটোৰ পাছতে আয়োজন কৰা হৈছিল এক নৈশ ভোজৰ। সভা অনুষ্ঠিত প্ৰেক্ষাগৃহটোতে নৈশ আহাৰৰ ব্যৱস্থা কৰা হৈছিল যদিও মনতে ভাবিছিলো আহাৰ কেনে হ'ব? পিছে মোৰ সকলোবোৰ ধাৰণা ভুল বুলি অনুভৱ কৰিলো, যেতিয়া সম্পূৰ্ণৰূপে ভাৰতীয় খাদ্য সম্ভাৰ পৰিবেশন কৰা হ'ল। আমাৰ লগতে বঁটা বিজেতায়ো আহাৰ গ্ৰহণ কৰিলে। আহাৰ গ্ৰহণৰ পাছত আমি অসমৰপৰা যোৱা প্ৰতিনিধিৰ দলটোৰ 'নাইট ছাফাৰি' আৰম্ভ হ'ল। এঘণ্টা সময় এনেদৰে ছাফাৰি কৰিলোঁ। তাত এটা কথা অনুভৱ হ'ল যে ছিংগাপুৰত নিশা ন বজাতো ছাফাৰি হয়; অথচ অসমত পৰ্যটনৰ প্ৰচুৰ সম্ভাৱনা থকা সত্ত্বেও নিশাৰ কথাটো বাদেই দিনতেই ছাফাৰী কৰাটো এক প্ৰকাৰ প্ৰত্যাহ্বান হৈ পৰিছে। পৰ্যটনৰ দ্বাৰা ছিংগাপুৰৰ সৰ্বাধিক আয় হয়। অসমৰ ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে এনে ধৰণৰ পৰ্যটন কেন্দ্ৰ গঢ়ি তুলিলে নিতৌ কিমান টকা চৰকাৰৰ আয় হ'লহেঁতেন এবাৰ ভাবি চাওকচোন। সমান্তৰালভাৱে বহুতো নিবনুৱা যুৱক-যুৱতীৰো সংস্থাপনৰ পথ মুকলি

হ'লহেঁতেন। এখন খোলা বাচত জংঘলৰ হিংস্ৰ জীৱ-জন্তুৰ মাজত এনেদৰে ছাফাৰী কৰিব পৰাটো কম সৌভাগ্যৰ কথা নহয়। বাঘ, সিংহ, হাতী, ভালুক, জিৰাফকে আদি কৰি কি জীৱ-জন্তু নাই। এখন সৰু অৰণ্যৰ মাজত সকলোবোৰ জীৱ-জন্তু ৰাখি পৰ্যটকক আকৰ্ষণ কৰিব পৰাটো প্ৰশংসনীয় বিষয়। ছিংগাপুৰ চৰকাৰৰ পৰ্যটন বিভাগে এনেবোৰ পদক্ষেপ হাতত লৈছে।

ভ্ৰমণৰ দ্বিতীয় দিনা অৰ্থাৎ ২২ আগষ্টত আমি ছেণ্টোছালৈ গ'লোঁ। ছেণ্টোছা হ'ল ছিংগাপুৰৰ এটি পৃথক দ্বীপ। পৃথিৱীৰ আকৰ্ষণীয় ঠাইসমূহৰ ভিতৰত ইও অন্যতম। ৪.৭১ বৰ্গ কিলোমিটাৰ আবৰি থকা ছেণ্টোছা দেশখনৰ দক্ষিণ উপকূলত অৱস্থিত। পাহাৰখনত অৱস্থিত ৰোপৱে'ও (ছিংগাপুৰত কেবল কাৰ হিচাপেহে জনাজাত) উঠিলোঁ। ইয়াত উঠিলে সমগ্ৰ ছিংগাপুৰৰ সৌন্দৰ্য উপভোগ কৰিব পাৰি। ১৯৭৪ চনত স্থাপিত ছিংগাপুৰ কেবল কাৰ হ'ল একমাত্ৰ ৰোপৱে'। তদুপৰি ই হ'ল পৃথিৱীৰ একমাত্ৰ ৰোপৱে' যি এখন পাহাৰৰ ওপৰৰপৰা আন এটা দ্বীপ সংযোগ কৰা হৈছে। মাউণ্ট ফেবাৰ পাৰ্কৰপৰা ছেণ্টোছা দ্বীপলৈ আকাশমাৰ্গেৰে যোগাযোগ স্থাপন কৰা হৈছে। স্থানীয় লোকৰ উপৰি পৰ্যটকে ইয়াত উঠিবলৈ সদায় ভিৰ কৰেহি। ইয়াৰ পাছত যাত্ৰা কৰিলো মেডাম টুছোলৈ। ইয়াত ইংলণ্ডৰ ৰাণীৰপৰা আৰম্ভ কৰি ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈকে সকলোৰে মমৰ মূৰ্তি আছে। তদুপৰি হলীউড আৰু বলিউডৰ অভিনেতা-অভিনেত্ৰী, গায়ক-গায়িকাৰো মমৰ মূৰ্তিসমূহ সুন্দৰকৈ সজোৱা আছে। সন্ধিয়া আমি সকলোৰে 'লিটল ইণ্ডিয়া'লৈ গ'লোঁ। ইয়াত ভাৰতীয় খাদ্যৰপৰা আৰম্ভ কৰি কাপোৰ আদিৰ দোকান উপলব্ধ। তাতেই আমি নিশাৰ আহাৰ গ্ৰহণ কৰিলোঁ। ভাৰতীয় ৰেস্তোৰাঁ এখনত খাদ্য গ্ৰহণ কৰি এনেকুৱা লাগিল যেন ভাৰতৰ কোনো এখন ৰাজ্যতহে আছোঁ। ২৩ আগষ্টত ছেণ্টোছা ইউনিভাৰ্চেল ষ্টুডিঅ'লৈ গ'লোঁ। এই ষ্টুডিঅ'টো এদিনতে চোৱা শেষ নহ'ব। তথাপি খৰখেদাকৈ ষ্টুডিঅ'টো চালোঁ। ইয়াত হলিউড-বলিউড আদিৰ ছবিৰ দৃশ্যগ্ৰহণ কৰা হয়। বিদেশী পৰ্যটকক আকৰ্ষণ কৰিব পৰা সকলো ধৰণৰ উৎসই ইয়াত আছে। আমি কল্পনা কৰিব নোৱাৰা কিছুমান 'ৰাইডিং' ইয়াত দেখা পালোঁ। এই ষ্টুডিঅ'ত প্ৰৱেশ কৰিলে আন এখন পৃথিৱীত প্ৰৱেশ কৰাৰ দৰে অনুভৱ হয়। ২৪ আগষ্টত মেৰিনা, মেৰিলন

ষ্টেটাছলৈ গ'লোঁ। সিদিনাই ছিংগাপুৰ ফ্লাৱাৰত উঠাৰ আনন্দ লাভ কৰিলোঁ। এই চকৰীটোত আধাঘণ্টা সময় উঠায়। এই চকৰীটো ২৮টা শীত-তাপ নিয়ন্ত্রিত বহিব পৰা কোঠা আছে। প্রতিটো কোঠাত ১৫-২০জন মানুহ বহিব পাৰে। ইয়াত উঠিলে ছিংগাপুৰৰ মনোমুগ্ধকৰ দৃশ্য উপভোগ কৰিব পাৰি। ইয়াৰ পাছত মেৰিনা বীচলৈ গৈ অপৰূপ সৌন্দৰ্য উপভোগ কৰিলোঁ।

দক্ষিণ-পূব এছিয়াৰ আকৰ্ষণীয় দেশ ছিংগাপুৰ 'ৰিপাব্লিক অৱ ছিংগাপুৰ' হিচাপেও পৰিচিত। ৭২২ বৰ্গ কিলোমিটাৰ আবৰি থকা এইখন দেশৰ জনসংখ্যা হ'ল ৫,৬৩৮,৭০০ গৰাকী (২০১৮ৰ তথ্য মতে)। প্ৰথমতে দেশখন মালয়েছিয়াৰ অধীনত আছিল যদিও ১৯৬৫ চনত ছিংগাপুৰক চৰকাৰীভাৱে স্বাধীন ৰাষ্ট্ৰ হিচাপে ঘোষণা কৰা হয়। দেশখনত ৭৪.৩ শতাংশ চীনা, ১৩.৩ শতাংশ মালয়, ৯.১ শতাংশ ভাৰতীয় আৰু ৩.৩ শতাংশ আন দেশৰ লোকে বসবাস কৰি আছে। দেশখনত সৰ্বাধিক বৌদ্ধ ধৰ্মাৱলম্বী লোক আছে। ইয়াৰ পাছতে আছে ১৮.৮ শতাংশ খ্ৰীষ্টান, ১৪ শতাংশ মুছলমান, ৫ শতাংশ হিন্দু লোক। তদুপৰি ইয়াৰ প্ৰচলিত ভাষা হ'ল ইংৰাজী, মালয়, চীনা আৰু তামিল। প্ৰাকৃতিক সম্পদত চহকী নোহোৱাকৈও আজি ছিংগাপুৰ বিশ্ববাসীৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হ'ব পাৰিছে একমাত্ৰ পৰ্যটনৰ বাবে। ছিংগাপুৰৰ বাট-পথ, ৰাজহুৱা স্থান আদি ইমান সুন্দৰ যে তাক নেদেখিলে কল্পনাই কৰিব নোৱাৰি। যি সময়ত ভাৰতত পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে 'স্বচ্ছ ভাৰত' অভিযান চলোৱা হৈছে সেই সময়ত ছিংগাপুৰৰ দৰে ক্ষুদ্ৰ দেশ এখনে পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বাবে বিশ্ববাসীৰ প্ৰশংসা লাভ কৰিব সক্ষম হৈছে। ১০-১২ লেনযুক্ত পথৰ মাজত ফুলি থকা ফুলবোৰ দেখিলে মনত এনে ভাব হয় যেন পথত নহয়, ফুলৰ দলিচাৰ মাজেৰেহে গাড়ী-মটৰবোৰ চলাচল কৰিছে। তাত ট্ৰেফিক পইণ্টত আৰক্ষী নাথাকে। তদুপৰি পাৰ্কিঙৰো আছে সুব্যৱস্থা। পাৰ্কিঙৰপৰা ওলোৱা গাড়ীখন আপোনা-আপুনি স্কেন হৈ ওলাই যাব পাৰে। আমাৰ ইয়াৰ দৰে পাৰ্কিঙত ৰচিদ দি পইচা ল'বলৈ কোনো বৈ নাথাকে। আমি ২৫ আগষ্টত পুৱতি নিশা ছিংগাপুৰৰপৰা কলকাতা হৈ গুৱাহাটীলৈ ঘূৰি আহিলোঁ। বুকুত বহুতো মধুৰ স্মৃতি লৈ নিজ ৰাজ্যলৈ উভতিলোঁ।

# স্পৰ্শানুভূতি

স্পৰ্শই প্ৰতিগৰাকী ব্যক্তিৰ মনত এক শিহৰণৰ সৃষ্টি কৰে। এই শিহৰণ কেতিয়াবা যদি সুখ, আনন্দ, মৰম, ভালপোৱাৰ হয়, আন কেতিয়াবা হৈ পৰে বিৰক্তিদায়ক। স্পৰ্শানুভূতি আৰম্ভ হয় মাতৃগৰ্ভৰপৰা ভূমিষ্ঠ হোৱাৰ লগে লগে। প্ৰতিগৰাকী ব্যক্তিয়ে জীৱনৰ প্ৰথমটো স্পৰ্শ পায় মাতৃৰপৰা। কাৰণ জন্মৰ পাচত একেবাৰে ওচৰত থকা ব্যক্তিগৰাকীয়েই হ'ল জন্মদাত্ৰী মাতৃ। কোলাত লৈ মাতৃয়ে যেতিয়া সন্তানক স্তনপান কৰায় তেতিয়াই শিশুটিয়ে ক'ব নোৱৰাকৈয়ে লাভ কৰে স্পৰ্শানুভূতি। অৱশ্যে এই সময়ত শিশুটিয়ে ভালদৰে নজনা বাবে ব্যাখ্যা কৰিব নোৱাৰে। তথাপি শিশুটিৰ কিছুমান অংগী-ভংগীৰ পৰাই জানিব পাৰি এনেধৰণৰ অনুভূতিৰ কথা। যেতিয়া শিশুটিৰ মুখৰপৰা এটা-দুটা শব্দ ওলাবলৈ ধৰে তেতিয়া এই বিষয়ে প্ৰকাশ কৰিবলৈ ধৰে। শিশুটিয়ে কান্দিলে মাতৃয়ে যদি কোলাত তুলি লয় অথবা মূৰত হাত বুলাই দিয়ে তেতিয়া তৎক্ষণাৎ কান্দিবলৈ বন্ধ কৰে। ক'ৰবাত পৰি দুখ পোৱাৰ লগে লগে মাতৃয়ে যদি দুখ পোৱা ঠাইখিনি পিহি বা মালিচ কৰি দিয়ে তেনেহ'লে কান্দোন বন্ধ হৈ পৰে। অৰ্থাৎ শিশুটিৰ দুখ বা আঘাত মাতৃৰ স্পৰ্শই উপশম ঘটায়। এই দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰিলে দেখা যায় যে শিশুৰ কিছুমান যন্ত্ৰণা বা দুখ মাতৃৰ স্পৰ্শানুভূতিয়ে উপশম ঘটোৱা বাবে তেওঁেই হ'ল চিকিৎসক। ডিগ্ৰীধাৰী চিকিৎসক নহ'লেও তেওঁৰ হাততেই আছে যাদুকৰী শক্তি। সেইবাবে স্পৰ্শানুভূতিক একপ্ৰকাৰ বিষ নিবাৰক ঔষধ বুলিয়ে আখ্যা দিব পাৰি।

কেতিয়াবা সন্তানৰ অসুখ-বিসুখ হ'লে বিছনাত শুই থাকে। বিশেষকৈ

অতিকৈ ভাগৰ লাগিলে অথবা মূৰ বিষালে জিৰণি লয়। এই সময়ত যদি পিতৃ-মাতৃৰ ভিতৰত যিকোনো এগৰাকীয়ে সন্তানৰ মূৰত মৰমেৰে হাত বুলাই দিয়ে তেতিয়া বিষৰ উপশম হয়। সেইবাবে সন্তানৰ অসুখ-বিসুখ হ'লে দৰবৰ উপৰি পিতৃ-মাতৃক ওচৰতে বিচাৰে। ঔষধৰ লগতে পিতৃ-মাতৃৰ মৰমে সোনকালে আৰোগ্য হোৱাত সহায় হয়। যিসকলে এনে মৰমৰপৰা বঞ্চিত হৈ থাকে তেওঁলোকে বিভিন্ন সময়ত বহুতো সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। মৰমে শিশু এটিক মানসিকভাৱে শক্তিশালী কৰি তোলে। সৰুৰে পৰাই মানসিকভাৱে শক্তিশালী ল'ৰা-ছোৱালীয়ে পৰৱৰ্তী সময়ত জীৱনৰ যিকোনো সিদ্ধান্ত সঠিকভাৱে ল'ব পাৰে। মনটো শক্তিশালী হ'লে বহুতো ৰোগৰ আক্ৰমণৰ পৰাও হাত সাৰিব পাৰি। শৰীৰ-মন সুস্থ হৈ থাকিলেহে এজন ব্যক্তিক সুস্বাস্থ্যৰ অধিকাৰী বুলি কোৱা হয়।

প্ৰতিগৰাকী ব্যক্তিৰ ক্ষেত্ৰতে স্পৰ্শানুভূতিৰ আছে এক ইতিবাচক দিশ। কেৱল যে পিতৃ-মাতৃ আৰু সন্তানৰ মাজতেই স্পৰ্শানুভূতি সীমাবদ্ধ থাকে তেনে নহয়, সমান্তৰালভাৱে সকলোৰে জীৱনত ইয়াৰ প্ৰভাৱ মন কৰিবলগীয়া। পতি-পত্নীৰ মাজতো ইয়াৰ ইতিবাচক প্ৰভাৱ আছে। দুখ-ভাগৰ, কষ্টৰ মাজতো যদি ইজনে-সিজনৰ হাতত হাত থয়, মূৰত হাত বুলাই দিয়ে তেতিয়া শিলৰ দৰে গধুৰ হৈ থকা মনটো তুলাৰ দৰে পাতল হৈ পৰে। পৰস্পৰক আৰু অধিক ওচৰ চপাই আনে। শাৰীৰিক-মানসিক বহুতো সমস্যাৰে সমাধান হয়। আধুনিক চিকিৎসা বিজ্ঞানে উন্নতি লাভ কৰাৰ আগতে স্পৰ্শ চিকিৎসা আদিৰ ওপৰত গুৰুত্ব প্ৰদান কৰা হৈছিল। অৱশ্যে তেতিয়া ইয়াৰ বিজ্ঞানসন্মত কাৰণ কোনোৱে ব্যাখা কৰা নাছিল। মাথোঁ আন্দাজৰ ওপৰত ভিত্তি কৰিয়ে ইয়াৰ দ্বাৰা চিকিৎসা কৰা হৈছিল। পৰৱৰ্তী সময়ত বিষয়টোৰ ওপৰত প্ৰায়ভাগ লোকেই গুৰুত্ব প্ৰদান কৰিবলৈ ধৰিলে।

স্পৰ্শানুভূতিৰ স'তে জড়িত হৈ থাকে আৱেগ, অনুভূতি, মৰম, ভালপোৱা আৰু বহুতো। কাৰোবাৰ স্পৰ্শ লাভ কৰিলে মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় দৰাচলতে সেই প্ৰতিক্ৰিয়াই শৰীৰৰ কিছুমান হৰম'ন অধিক সক্ৰিয় কৰে। এই হৰম'নৰ বাবে শৰীৰ-মন দুয়োটাই ইতিবাচকভাৱে কাম কৰিবলৈ প্ৰেৰণা পায় আৰু ৰোগৰ উপশম ঘটায়।

# অনুচ্ছেদ- ৩৭০ প্ৰত্যাহাৰ কাশ্মীৰ-লাডাখবাসীৰ বাবে আশাৰ বতৰা

ভাৰতীয় সংবিধানৰ বহু বিতৰ্কিত অনুচ্ছেদ ৩৭০ অৱশেষত লোকসভাৰ মজিয়াত ৩৭০ গৰাকী সাংসদে প্ৰত্যাহাৰ কৰাৰ পক্ষত সমৰ্থন কৰাৰ লগে লগে ঐতিহাসিক ঘটনাৰ সাক্ষী হৈ ৰ'ল জম্মু-কাশ্মীৰ আৰু লাডাখ। অনুচ্ছেদ ৩৭০ আৰু ৩৫(ক)ৰ প্ৰত্যাহাৰৰ লগে লগে দ্বিখণ্ডিত হ'ল জম্মু-কাশ্মীৰ। কাশ্মীৰকলৈ পাকিস্তানে কৰা ষড়যন্ত্ৰ ওফৰাই ভাৰতৰ গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা পাঁচ আগষ্টত ৰাজ্যসভাত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৭০ প্ৰত্যাহাৰৰ বাবে বিধেয়ক উত্থাপন কৰাৰ সময়তে দৰাচলতে কাশ্মীৰ সন্দৰ্ভত ভাৰত চৰকাৰৰ স্থিতি স্পষ্ট হৈ পৰে। ১৯৪৭ চনত ভাৰতবৰ্ষক বৃটিছ চৰকাৰে কৌশলেৰে দ্বিখণ্ডিত কৰি ভাৰত পাকিস্তানৰ সৃষ্টি কৰাৰ পাছতে বৃটিছৰ আমোলৰ পৰিসৰৰ ভাৰতবৰ্ষত যি পৰিস্থিতিৰ সৃষ্টি হৈছিল পৰৱৰ্তী সময়ত জম্মু-কাশ্মীৰক লৈ তাতকৈ বেছি জটিল পৰিস্থিতিৰ সৃষ্টি হয়। ভাৰতবৰ্ষ দ্বিখণ্ডিত হোৱাৰ সময়ত জম্মু-কাশ্মীৰৰ ৰজা হৰি সিঙে ভাৰতৰ স'তে থাকিবলৈ চুক্তি সম্পাদিত কৰিছিল। ভাৰতবৰ্ষ দ্বিখণ্ডিত হোৱাৰ পাচত কাশ্মীৰ স্বাধীন ৰাষ্ট্ৰ হিচাপে কিছুদিন থাকে যদিও পাকিস্তানী সেনাৰ আগ্ৰাসনৰ লগে লগে ৰজা হৰি সিঙে ভাৰত চৰকাৰৰ সহায় বিচৰাত ভাৰতে তেওঁৰ

ভূখণ্ড সুৰক্ষিত কৰিবলৈ যি পদক্ষেপ গ্ৰহণ কৰিছিল সেই মুহূৰ্তৰ পৰাই পাকিস্তানে আৰম্ভ কৰিছিল কাশ্মীৰ দখলৰ যুঁজ। যিহেতু ৰজা হৰি সিঙে ভাৰতৰ অধীনত থাকিবলৈ ইচ্ছা কৰিছিল সেইবাবে কাশ্মীৰৰ ওপৰত ভাৰতৰ নিয়ন্ত্ৰণ থকাটো স্পষ্ট হৈ পৰিছিল। পাকিস্তানে কিছু অংশ দখল কৰাত সেই ভূখণ্ড পাকিস্তান অধিকৃত কাশ্মীৰ হিচাপে আখ্যা দিয়া হয়। ৰাজনৈতিক ষড়যন্ত্ৰ তথা সেনাৰ সহায়ত কাশ্মীৰ দখল কৰাটো সম্ভৱ নোহোৱাত পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনৰ দ্বাৰা কাশ্মীৰক অগ্নিগৰ্ভা পৰিস্থিতিলৈ ঠেলি দিলে। বিগত ছটা দশকত পাকিস্তানে প্ৰত্যক্ষ অথবা পৰোক্ষভাৱে যি অভিযান চলালে সেই ক্ষেত্ৰত ভাৰতীয় সংবিধানৰ অনুচ্ছেদ ৩৭০ আৰু ৩৫(ক)ই বহুখিনি সহায় কৰিছিল। কাৰণ এই অনুচ্ছেদৰ দ্বাৰা জম্মু-কাশ্মীৰক বিশেষ ৰাজ্যৰ মৰ্যাদা প্ৰদান কৰা হৈছিল। এই অনুচ্ছেদে জম্মু-কাশ্মীৰক এখন স্বাধীন দেশৰ দৰে মৰ্যাদা প্ৰদান কৰিছিল। ভাৰতৰ ভিতৰত থকা এখন স্বাধীন দেশৰ দৰে মৰ্যাদা লাভ কৰাটোৱে পৰৱৰ্তী সময়ত তাত বসবাস কৰা স্থায়ী লোকসকলক অঘৰী হ'বলৈ বাধ্য কৰায়। এই অনুচ্ছেদৰ বাবে ভাৰতে জম্মু-কাশ্মীৰত স্থানীয় লোকক সুৰক্ষা দিয়াত ব্যৰ্থ হৈছিল। হেজাৰ হেজাৰ কাশ্মীৰী পণ্ডিতক অঘৰী কৰে একাংশ তথাকথিত নেতাৰ সহায়ত পাকিস্তানী সন্ত্ৰাসবাদীয়ে। হেজাৰ হেজাৰ কাশ্মীৰী পণ্ডিতে পলাই আহিবলৈ বাধ্য হয়। এই লোকসকলৰ ভূমি সম্পত্তি এনে লোকৰ হাতলৈ গ'ল যিসকল পাকিস্তানৰ সমৰ্থক।

উক্ত অনুচ্ছেদৰ বাবে ভাৰতীয় আইনো ৰাজ্যখনত প্ৰযোজ্য হোৱা নাছিল। ভূমি কিনা-বেচা, ৰাজ্যখনৰ লোকসকলে আন ৰাজ্যৰ লোকৰ স'তে বিবাহপাশত আবদ্ধ হ'লে অধিকাৰ হেৰুওৱা আদিৰ বাবে ইমান দিনে জম্মু-কাশ্মীৰৰ ভাৰতৰ আন ৰাজ্যৰ লোকৰ স'তে নাছিল বিশেষ অহা-যোৱা। ভাৰত চৰকাৰৰ মাটি অধিগ্ৰহণ কৰাৰ ক্ষমতা নাছিল বাবে ঔদ্যোগিক উন্নয়ন হৈ পৰিছিল স্থবিৰ। ৰাজ্যখনত সৃষ্টি হোৱা ভয়াৱহ নিবনুৱা সমস্যাই জটিল ৰূপ ধাৰণ কৰাত পাকিস্তান চৰকাৰৰ সমৰ্থনপুষ্ট কাশ্মীৰত থকা কিছুমান দল-সংগঠন, নেতাই ইয়াৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰিলে। ফলত দিনক দিনে বৃদ্ধি পালে সন্ত্ৰাসবাদী কাৰ্যকলাপ। সন্ত্ৰাসবাদীৰ কাৰ্যকলাপত শংকিত হৈ

বহুতকে কাশ্মীৰৰ সা-সম্পত্তি বিক্ৰী কৰি অথবা তাতেই থৈ আন ৰাজ্যলৈ যাবলৈ বাধ্য কৰোৱাৰ ফলত লাহে লাহে এই লোকসকলৰ মনত সৃষ্টি হ'ল প্ৰচণ্ড ক্ষোভৰ। তদুপৰি পাকিস্তানৰ প্ৰৰোচনাত চলি থকা কাৰ্যকলাপে দেশৰ আন ৰাজ্যৰ নাগৰিকসকলকো বিষয়টো ভবাই তুলিলে। প্ৰতিবাদৰ জোৱাৰ উঠিল চৌদিশে। সেয়েহে জম্মু-কাশ্মীৰ উচ্চ ন্যায়ালয়ৰ লগতে উচ্চতম ন্যায়ালয়ত এই বিষয়ত বহুতে আবেদনো জনালে। কিন্তু ন্যায়ালয়ে সংবিধানৰ অনুচ্ছেদ ৩৭০ক দোহাই দি অনুচ্ছেদটো প্ৰত্যাহাৰ কৰাটো অসম্ভৱ বুলি ৰায় দিয়ে। তদুপৰি পূৰ্বৰ চৰকাৰসমূহেও এই বিষয়টো নিষ্পত্তিৰ বাবে কোনো ব্যৱস্থা নকৰিলে। পিছে মোদী চৰকাৰে এইক্ষেত্ৰত সাহসিক আৰু ঐতিহাসিক সিদ্ধান্ত গ্ৰহণ কৰাৰ লগে লগে চৌদিশে আনন্দৰ জোৱাৰ উঠিল। সকলোৰে মুখে মুখে এটাই কথা জম্মু-কাশ্মীৰক সন্ত্ৰাসবাদীৰ কবলৰপৰা আৰু পাকিস্তানৰ লোলুপ দৃষ্টিৰপৰা ৰক্ষা কৰিবলৈ এয়াই সঠিক সিদ্ধান্ত। এতিয়া অন্ততঃ জম্মু-কাশ্মীৰৰ লগতে লাডাখৰ জনগণে উন্নয়নৰ মুখ দেখিবলৈ সক্ষম হ'ব। স্থাপন হ'ব উদ্যোগ, মহাবিদ্যালয়, বিশ্ববিদ্যালয়ৰ লগতে আৰু অধিক উন্নত শিক্ষা প্ৰতিষ্ঠান।

৩৭০ প্ৰত্যাহাৰ কৰি জম্মু-কাশ্মীৰক দ্বিখণ্ডিত কৰাৰ আটাইতকৈ ভাল ফল হ'ব লাডাখক শোষণ আৰু অৱহেলাৰপৰা মুক্ত কৰাটো। লাডাখৰ আঢ়ৈ লাখ জনগণে দীৰ্ঘদিন ধৰি জম্মু-কাশ্মীৰ চৰকাৰৰ দ্বাৰা অৱহেলিত হৈ আছিল। মাহীআইৰ দৃষ্টিৰে চোৱাৰ ফলত ইয়াৰ জনগণে বিদ্ৰোহী হৈ উঠে। সেইবাবে বহুতো দল-সংগঠনৰ লগতে ৰাইজে লাডাখক কেন্দ্ৰীয়শাসিত অঞ্চল হিচাপে ঘোষণা কৰিবলৈ আহ্বান জনাইছিল। অৱশেষত আঢ়ৈ লাখ লাডাখৰ ৰাইজৰ সপোন বাস্তৱত পৰিণত হ'ল। পাকিস্তান আৰু চীনৰ সীমান্তৱৰ্তী বৃহত্তৰ অঞ্চলটোৰ বিকাশৰ বাবে এনেধৰণৰ সাহসিক সিদ্ধান্তৰ প্ৰয়োজন আছিল। কাৰ্গিল যুদ্ধৰপৰা আৰম্ভ কৰি ১৯৭১ৰ যুদ্ধলৈকে সকলোতে লাডাখবাসীৰ ত্যাগ আৰু সাহসৰ কাহিনী আছে। পিছে নিজকে ভাৰতীয় বুলি পৰিচয় দি ভালপোৱা লাডাখৰ জনগণে কেন্দ্ৰীয় চৰকাৰৰ এই সিদ্ধান্তক আদৰণি জনাইছে। সীমান্তৱৰ্তী অঞ্চল একোটাৰ উন্নয়ন নহ'লে প্ৰতিবেশী দেশে আঘাত কৰিবলৈ সদায়ে সুযোগ লাভ কৰে। পাকিস্তান আৰু চীনে অহৰ্নিশে

লাডাখ দখলৰ বাবে বিভিন্ন ধৰণে ষড়যন্ত্ৰত লিপ্ত হৈ আহিছে। ইয়াৰ জনগণে আনকি উপযুক্ত সা-সুবিধা নোপোৱা বাবে প্ৰতিটো ক্ষেত্ৰতে পিছ পৰি আছে। লাডাখৰ ছাত্ৰ-ছাত্ৰীয়ে উচ্চ শিক্ষা লাভৰ বাবে অঞ্চলটোত আজিলৈ স্থাপন নহ'ল বিশ্ববিদ্যালয়। বিগত লোকসভা নিৰ্বাচনৰ সময়ত বঞ্চিত জনগণে ইয়াৰ সমুচিত প্ৰত্যুত্তৰ দিলে। লাডাখৰ জনগণৰ ভাষা, সংস্কৃতি, বিভিন্ন ধৰ্মৰ লোকক নিজা নিজা কৃষ্টি, সংস্কৃতি ৰক্ষাৰ বাবে এনেধৰণৰ সিদ্ধান্তৰ প্ৰয়োজন আছিল। বিগত সাতটা দশকত যিখিনি হেৰুৱালে অথবা বঞ্চিত হৈ আছিল এতিয়াৰেপৰা সেয়া নহয়। আগতে জম্মু-কাশ্মীৰৰ চৰকাৰে ভাৰত চৰকাৰৰপৰা লাডাখৰ উন্নয়নৰ বাবে ধন নিয়ে যদিও সেয়া কেইজনমান নেতাৰ পকেটতহে সোমাইছিল। লাডাখৰ উন্নয়নৰ নামত কাশ্মীৰৰ নেতাসকলে চলাইছিল কেৱল প্ৰহসন। ইয়াৰ যৱনিকাৰ লগে লগে সৰৱ হৈ পৰিছে কাশ্মীৰক লৈ তেজৰ ফাকু খেলাৰ ৰাজনীতিকসকল। এতিয়াৰেপৰা জম্মু-কাশ্মীৰ আৰু লাডাখত উৰিব ভাৰতৰ জাতীয় পতাকা। নাথাকিব দ্বি-নাগৰিকত্ব। ভাৰতৰ আন ৰাজ্যৰ দৰে তাতো চলিব একেই আইন। সকলোৱে লাভ কৰিব সমান উন্নয়ন।

ভাৰত চৰকাৰৰ দ্বাৰা পৰিচালিত হ'লে প্ৰথমতে ইয়াত স্থানীয় লোকৰ দ্বাৰা সীমান্তৰ সিপাৰৰপৰা সন্ত্ৰাসবাদীয়ে চলোৱা কাৰ্যকলাপ কিছু পৰিমাণে হ'লেও হ্ৰাস পাব। পাকিস্তানৰ এজেণ্ট হিচাপে কাম কৰা সকলৰো সান্দহ খোৱা বালি তল যাব। আনহাতে, ঔদ্যোগিক বিকাশৰ লগে লগে স্থানীয় যুৱক-যুৱতীসকলে নেতিবাচক চিন্তাৰপৰা মুক্ত হৈ কাম কৰাৰ সুযোগ লাভ কৰিব। তদুপৰি যিসকলে সংস্থাপন, নিজৰ অধিকাৰৰপৰা বঞ্চিত হৈ ক্ষোভতে সন্ত্ৰাসবাদী সংগঠনত যোগ দিছিল সেয়া বহু পৰিমাণে হ'লেও হ্ৰাস পাব। এখন পতাকাৰ তলত সকলোৱে থিয় হোৱাৰ সুযোগ লাভ কৰাৰ পাচত তেওঁলোকৰ দৃষ্টিভংগীৰো সলনি হ'ব। ভূমি ক্ৰয়-বিক্ৰয়ৰ দ্বাৰা আন ৰাজ্যৰ লোকে জম্মু-কাশ্মীৰত স্থায়ীভাৱে বসবাস আৰু উদ্যোগ, ব্যৱসায় আদি চলাব পাৰিব। আটাইতকৈ ডাঙৰ কথাটো হ'ল বিগত সময়ছোৱাত কাশ্মীৰী পণ্ডিতৰ ওপৰত যি অত্যাচাৰ চলোৱা হৈছিল তাৰ যৱনিকা পৰিব। নিজৰ ভূমি-সম্পত্তি ঘূৰাই পাব আৰু উভতি যাব লাখ লাখ কাশ্মীৰী পণ্ডিত। ৩৭০ অনুচ্ছেদ প্ৰত্যাহাৰে এই লোকসকললৈ কঢ়িয়াই আনিছে আশাৰ বতৰা।

# চৰকাৰে ‘এক ৰাষ্ট্ৰ এক অনুজ্ঞাপত্ৰ’ৰ ব্যৱস্থা কৰক

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দায়িত্বভাৰ গ্ৰহণৰ পাচৰে পৰাই পাঁচ বছৰত দেশৰ দৃশ্যপট বহু সলনি হ’ল। অৰ্থ ব্যৱস্থাতো পৰিবৰ্তন হৈছে। বিমুদ্ৰাকৰণৰ পৰা আৰম্ভ কৰি কৰ ব্যৱস্থালৈকে সকলোতে পূৰ্বৰ ধাৰণা তথা পদ্ধতিৰ সলনি হ’ল। বিজেপি চৰকাৰে প্ৰথমে ‘এক দেশ এক কৰ’ ব্যৱস্থা প্ৰৱৰ্তন কৰিলে। এই ব্যৱস্থাই ভাৰতীয় অৰ্থনীতিত এক নতুন দিগন্তৰ সূচনা কৰিলে। বহুতো ব্যৱসায়ীৰ লাভ হ’ল, কিছুমানৰ লোকচান হৈছে। কোনোৱে এতিয়া নিজ ইচ্ছামতে কৰ দিব নোৱাৰে। দিবলগীয়া কৰৰ বিষয়ে আগতীয়াকৈ নিৰ্ধাৰিত হৈ থাকে। এক পদ্ধতিমতে সকলো পৰিচালিত হৈ থাকে। এতিয়া পূৰ্বৰ দৰে কৰ দিয়াৰ ক্ষেত্ৰত সহজে মিথ্যাচাৰৰ আশ্ৰয় ল’ব নোৱাৰে।

বিজেপি চৰকাৰে শেহতীয়াভাৱে ‘এক দেশ এক নিৰ্বাচন’ৰ পোষকতা কৰিছে। এনে হ’লে জয়-পৰাজয়ৰ হিচাপে-নিকাচ কৰি দেশবাসীয়ে দুই-তিনি মাহ অপেক্ষা কৰি থাকিবলগীয়া নহয়। তদুপৰি দুই-তিনি মাহ ‘ই ভি এম’, নিৰ্বাচনী ক্ষেত্ৰ আদিৰ সুৰক্ষাৰ নামত ব্যয় হোৱা ধনৰাশিৰো ৰাহি হ’ব। সময়মতে নিৰ্বাচন অনুষ্ঠিত হ’লে সময়ৰো অপচয় প্ৰতিৰোধ হ’ব। তেতিয়া কোনোৱে কাৰো বিৰুদ্ধে অনিয়মৰ অভিযোগ উত্থাপিত কৰিব নোৱাৰিব। মুঠৰ ওপৰত এই ব্যৱস্থাৰে দেশবাসীৰ যথেষ্ট উপকাৰ সাধন হ’ব।

এইবাৰ প্ৰধানমন্ত্ৰী মোদীয়ে ‘এক দেশ এক অনুজ্ঞাপত্ৰ’ৰ ব্যৱস্থা কৰক। কাৰণ এনে ধৰণৰ অনুজ্ঞাপত্ৰৰ দ্বাৰা ব্যৱসায়ীসকল লাভান্বিত হ’ব। দেশৰ অৰ্থনৈতিক ব্যৱস্থাটো ভালেখিনি ব্যৱসায়-বাণিজ্যৰ ওপৰত নিৰ্ভৰশীল। যেতিয়া ব্যৱসায়-বাণিজ্য ভাল হয়, তেতিয়া ক্ৰেতাসকলেও বজাৰত ভিৰ কৰে। যিমানেই উৎপাদিত সামগ্ৰী বিক্ৰী হ’ব, সিমানেই চৰকাৰে ব্যৱসায়ীসকলৰ পৰা কৰ লাভ কৰিব। ৰাজকোষত পৰ্যাপ্ত পৰিমাণৰ ধনৰাশি

জমা হৈ থাকিলেহে চৰকাৰে ইচ্ছামতে ব্যয় কৰিব পাৰিব। যিকোনো আঁচনি ৰূপায়ণৰ বাবে প্ৰচুৰ পৰিমাণৰ ধনৰ প্ৰয়োজন। এতিয়া কথা হ'ল বিগত সময়ছোৱাত প্ৰায়ভাগ ব্যৱসায়ীয়ে পঞ্জীয়নৰ ক্ষেত্ৰত সন্মুখীন হোৱা সমস্যাসমূহ আজিলৈকে আলোচনা কৰা হোৱা নাই। এগৰাকী ব্যক্তিয়ে ব্যৱসায় আৰম্ভ কৰাৰ পূৰ্বে পঞ্জীয়নৰ নামত যি সমস্যাৰ সন্মুখীন হ'বলগীয়া হয় সেয়া ভুক্তভোগীৰ বাহিৰে আনে বুজি নাপাব। যিকোনো ব্যৱসায় আৰম্ভ কৰিবলৈ হ'লে বহু কেইখন অনুজ্ঞাপত্ৰৰ প্ৰয়োজন। এইবোৰ সংগ্ৰহ কৰোতে বহু দিনৰ প্ৰয়োজন হয়। বিভিন্ন কাৰ্যালয়লৈ তাঁতবাটি কাৰি বহুতে বিফল মনোৰথেৰে ব্যৱসায় কৰাৰ আশা বাদ দিবলগীয়া ঘটনাও এইখন সমাজতে সংঘটিত হৈছে। কে'বাখনো অনুজ্ঞাপত্ৰ সংগ্ৰহ কৰোতে যিমান সময়ৰ অপব্যৱহাৰ হয় সেই সময়খিনি যদি উপযুক্তভাৱে ব্যৱহাৰ কৰিব পৰা গ'লহেঁতেন তেতিয়াহ'লে ভাৰতে আৰু এখোপ ব্যৱসায়ৰ ক্ষেত্ৰত আগুৱাই যাব পাৰিলেহেঁতেন। অনুজ্ঞাপত্ৰ প্ৰদান কৰা কাৰ্যালয়সমূহত বহুতো বিষয়াই আজিও সোনকালে কামবোৰ কৰি দিবলৈ ইচ্ছা নকৰে। এই ব্যৱস্থাটো ইমান জটিল আৰু লেহেমীয়া যে ইয়াৰ চক্ৰৰ মাজত নোসোমোৱাজনে বুজি নাপাব। সেইবাবে মোদী চৰকাৰে এইবাৰ 'এক দেশ এক অনুজ্ঞাপত্ৰ'ৰ ব্যৱস্থা কৰক। এনে ব্যৱস্থা কৰিলে বহুতো জটিলতা আঁতৰ হ'ব। তদুপৰি ব্যৱসায়িক ক্ষেত্ৰতো আগুৱাই যোৱাৰ পথ প্ৰশস্ত হৈ পৰিব। কে'বাটাও ভিন্ন কাৰ্যালয়ৰ প্ৰয়োজন নহ'ব। অনলাইন ব্যৱস্থাৰে সকলোখিনি একে ঠাইতে কৰাৰ ব্যৱস্থা কৰিব পাৰিলে বহুতো অৰ্থ ব্যয়ো ৰোধ হ'ব। তদুপৰি অনুজ্ঞাপত্ৰ লাভৰ বাবে চৰকাৰক দিবলগীয়া ধনখিনি উপযুক্তভাৱে চৰকাৰৰ ৰাজকোষতে জমা হ'ব। অনুজ্ঞাপত্ৰ লাভৰ বাবে ব্যৱসায়ীসকলে চৰকাৰক যি ধন আদায় দিব লাগে তাতকৈ এপইচাও বেছি ভৰিবলগীয়া নহ'ব। বাস্তৱ ক্ষেত্ৰত এতিয়াও প্ৰায়ভাগ ব্যৱসায়ীয়ে অনুজ্ঞাপত্ৰ ল'ব নিবিচাৰে। চৰকাৰে যিমানেই চেষ্টা নকৰক কিয়— বাস্তৱ ক্ষেত্ৰত কিন্তু আজিও বহুতো ব্যৱসায়ীয়ে অনুজ্ঞাপত্ৰ নোহোৱাকৈ ব্যৱসায় চলাই আছে। 'এক ৰাষ্ট্ৰ এক অনুজ্ঞাপত্ৰ'ৰ ব্যৱস্থা কৰিলে সময়ৰ অপচয় ৰোধ আৰু জটিলতা আঁতৰ হ'ব। ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰখন এতিয়াৰ তুলনাত অধিক উন্নতি হ'ব। দেশে প্ৰগতিৰ পথত আৰু এখোপ আগুৱাই যাবলৈ সক্ষম হ'ব।

# ভিডিঅ’ গেম কিয় নিষিদ্ধ?

প্ৰযুক্তিবিদ্যাৰ চৰম অগ্ৰগতিৰ লগে লগে সকলোৰে বাবে সহজলভ্য হৈছে ম’বাইল ফোন। দুই দশক আগলৈকে লেনফোন সকলোৰে যোগাযোগৰ একমাত্ৰ দ্ৰুত মাধ্যম আছিল যদিও এতিয়া ইয়াৰ বিপৰীত ছবি এখনহে ফুটি উঠিছে। আধুনিক জীৱন-যাপনত সকলোৰে বাবে অপৰিহাৰ্য হৈ পৰিছে ম’বাইল ফোনটো। সম্প্ৰতি বিশ্বত যিমান লোকে ম’বাইল ফোন ব্যৱহাৰ কৰে তাৰে অৰ্ধেকৰে প্ৰয়োজন নাই এই যন্ত্ৰটোৰ। দেখাক দেখি ম’বাইল ব্যৱহাৰ কৰা লোকৰ সংখ্যাই এতিয়া বেছি। বহুতে অপ্ৰয়োজনীয় বিষয়ক লৈয়ে ঘণ্টাৰ পাচত ঘণ্টা সময় ধৰি কাণত ফোনটো লৈ কথা পাতি থাকে। এওঁলোকৰ বাবে ম’বাইল ফোনটো খেলৰহে সামগ্ৰী। আনহাতে, যেতিয়াৰে পৰাই ম’বাইল ফোনত ইণ্টাৰনেট উপলব্ধ হ’ল তেতিয়াৰে পৰাই ২৪ ঘণ্টাই সকলোৰে হৈ পৰিল ব্যস্ত। পুৱা উঠাৰে পৰা বহুতে ব্যস্ত হয় ম’বাইল ফোনটোক লৈ। গান শুনাৰ পৰা আৰম্ভ কৰি চিনেমা উপভোগ কৰা, খেল চোৱা, বিভিন্ন বিষয়ৰ তথ্য বিচৰা ইত্যাদি ইত্যাদি। অৰ্ধেক লোকে ব্যৱহাৰ কৰে

নিজৰ কাম-কাজ পৰিচালনা কৰিবলৈ। অৰ্ধেকে আকৌ ম'বাইল ফোনটো সময় কটোৱাৰ আহি হিচাপে ব্যৱহাৰ কৰিছে। একাংশই আকৌ ব্যস্ত হয় নিষিদ্ধ খেল অথবা নিষিদ্ধ বিষয়ৰ কথা পঢ়িবলৈ বা চাবলৈ। এনেদৰে ২৪ ঘণ্টাই ম'বাইলটোক লৈ ব্যস্ত থকাসকলৰ মনত কিছুমান অস্বাস্থ্যকৰ চিন্তাই গা কৰি উঠে। এনে চিন্তাৰেই কুফল ম'বাইলত 'ভিডিঅ' গেম' খেলা। প্ৰথম অৱস্থাত ভিডিঅ' গেমসমূহে মানুহৰ বুদ্ধিৰ বিকাশ কৰে বুলি ভাবিছিল যদিও লাহে লাহে এনে অভ্যাস 'নিচা'ত পৰিণত হ'ল। এই নিচাৰ ফলতেই বহুতৰ জীৱন কলিতে মৰহি গ'ল। কিছুমান ভিডিঅ' গেমৰ প্ৰভাৱ নৱ প্ৰজন্মৰ মাজত এনেদৰে পৰিবলৈ ধৰিলে যে ইয়াৰ প্ৰভাৱৰ ফলত আত্মহত্যাৰ ঘটনাও সংঘটিত হ'ল। নিচা আৰু আত্মহত্যাৰ ঘটনা এনেদৰে বৃদ্ধি পালে যে বিভিন্ন দেশত কিছুমান ম'বাইলত 'ভিডিঅ' গেম' চৰকাৰে বন্ধ কৰিবলৈ বাধ্য হ'ল। বিগত বৰ্ষত সমগ্ৰ বিশ্বতে 'নীলা তিমি' গেমৰ প্ৰভাৱত বহু কেইগৰাকী কিশোৰ-কিশোৰীয়ে আত্মহত্যা কৰা ঘটনাই আলোড়নৰ সৃষ্টি কৰিছিল। ইতিমধ্যে নিষিদ্ধ ঘোষিত এনে 'গেম' বা খেলৰ কবলত পৰি বহুতৰ জীৱন অকালতে ধ্বংস হোৱাৰ উপক্ৰম ঘটিছে। অনলাইন নীলা তিমি, মাল্টিপ্লেয়াৰ গেম 'পাৱজি' আদিৰ কবলত পৰি একাংশ নৱ প্ৰজন্ম ধ্বংসৰ গৰাহলৈ আগবাঢ়ি গৈছে। ধন ঘটাৰ সহজ উপায় বুলি আৰম্ভ কৰাৰ সময়ত এই খেলৰ প্ৰতি আকৰ্ষিত হ'বলৈ বিভিন্ন ধৰণে প্ৰৰোচিত কৰে। ইয়াৰ পৰা নৱ প্ৰজন্মক উদ্ধাৰ কৰিবলৈ বিভিন্ন দেশৰ চৰকাৰে ইয়াক নিষিদ্ধ কৰিছে। শেহতীয়াভাৱে জৰ্ডান চৰকাৰেও এই পদক্ষেপ গ্ৰহণ কৰিছে। দেশবাসীৰ ওপৰত এইবিধ খেলৰ কুপ্ৰভাৱ পেলোৱাৰ অভিযোগ উত্থাপন কৰি দেশখনৰ টেলিকম নিয়ন্ত্ৰণকাৰী সংস্থাই এই আনলাইন ভিডিঅ' গেমৰ প্ৰচলন নিষিদ্ধ কৰিছে। ইতিমধ্যে পাৱজি খেলবিধ ভাৰতৰ ৰাজকোট, আহমেদাবাদ, চুৰাট, ভাডোৰাৰা, ভাৱনগৰৰ লগতে আৰ্জেণ্টিনা, অষ্ট্ৰেলিয়া, ব্ৰাজিল, চীন, কিউবা, ডেনমাৰ্ক, ইউৰোপিয়ান ইউনিয়ন, জাৰ্মানী, গ্ৰীচ, ইৰান, আয়াৰলেণ্ড গণৰাজ্য, ইটালি, জাপান, কেনীয়া, মালয়েছিয়া, নেপাল, নিউজিলেণ্ড, উত্তৰ কোৰিয়া, ফিলিপাইনছ, চৌদি আৰব, ৰাছিয়া, ছিংগাপুৰ, দক্ষিণ কোৰিয়া, সংযুক্ত আৰব আমীৰচাহী, ভেনিজুৱেলা, ইংলেণ্ড, আমেৰিকা যুক্তৰাষ্ট্ৰই কে'বাবিধ খেল

নিষিদ্ধ কৰিছে। এইবোৰ নিষিদ্ধ কৰিবলৈ বাধ্য হৈছে যে যদিহে অবাধে এনে ধৰণৰ গেম বা খেল চলি থাকে তেতিয়াহ'লে এসময়ত দেশৰ নৱ প্ৰজন্ম অকামিলা হোৱাৰ লগতে অপৰাধ প্ৰৱণ হৈ পৰিব।

ভিডিঅ' গেমৰ কেৱল যে নেতিবাচক প্ৰভাৱ আছে তেনে নহয়, কিছু কিছু ক্ষেত্ৰত ইতিবাচক প্ৰভাবো আছে। যিসকলে উপযুক্তভাৱে ভিডিঅ' গেম খেলে তেওঁলোকৰ মনঃসংযোগ বৃদ্ধি পায়। তদুপৰি স্মৃতিশক্তিও বৃদ্ধি হোৱা দেখা যায়। এনে ধৰণৰ খেল খেলি থাকিলে কিছুমান বিষয় বিভিন্ন দৃষ্টিকোণৰ পৰা বিশ্লেষণ কৰিবলৈ সুযোগ লাভ কৰে। এনে কৰিলে হাত আৰু চকুৰ মাজত সমন্বয় ৰক্ষা হয়। চকুৰে দেখাৰ লগে লগে সেয়া হাতেৰে কাৰ্যকৰী কৰিবলৈ চেষ্টা কৰে। একেলগে দুয়োটা কৰাৰ ফলত কামৰ দক্ষতাও বৃদ্ধি পায়। খেলি থাকোতে খেলোতাজনে এক সময়তে খেলবিধ সূক্ষ্ম দৃষ্টিৰে চাই থকাৰ লগতে তাৎক্ষণিকভাৱে বুদ্ধিৰে কামটো আগুৱাই নিব পাৰে। শ্ৰেণীৰ পাঠ গ্ৰহণৰ সময়ত এনে ধৰণৰ কাৰ্যই সহায় কৰে। তদুপৰি বহুতো কম বুদ্ধিসম্পন্ন শিশুৱো এনে ধৰণৰ গেমৰ দ্বাৰা বুদ্ধিৰ বিকাশ হ'বলৈ ধৰে। ইয়াৰ বিপৰীত অত্যধিক ভিডিঅ' গেম ব্যৱহাৰ কৰাৰ ফলত ই এক নিচাৰ দৰে হৈ পৰে। ফলত ম'বাইল ফোনটোক লৈয়ে দিনটোৰ বেছিভাগ সময় ব্যস্ত থাকে। ফলত পঢ়া-শুনাৰ ফালে পিঠি দিয়ে। তদুপৰি এনে ল'ৰা-ছোৱালী অধিক আক্ৰমণাত্মক হৈ পৰে। আনহাতে, অপৰাধ জগতৰ স'তেও কোনোৱে নজনাকৈ প্ৰৱেশ কৰে। অপৰাধীৰ সংখ্যাও দিনক দিনে বৃদ্ধি পাইছে। এনে শিশুবিলাক অধিক খিংখিঙীয়া স্বভাৱৰ হয়। পিতৃ-মাতৃ আনকি অভিভাৱককো নমনা হয়। এনে শিশুৰ ভৱিষ্যতক লৈও সকলো চিন্তিত হৈ পৰিছে। আনকি আজিকালি এনে শিশুৰ চিকিৎসাৰ বাবে বিশেষ ক্লিনিকৰো ব্যৱস্থা কৰা হৈছে। পাঞ্জাবত এনে ধৰণৰ প্ৰথমখন চিকিৎসালয়ৰ ইতিমধ্যে স্থাপন কৰা হৈছে। ভিডিঅ' গেমৰ ইতিবাচক-নেতিবাচক দুয়োটা প্ৰভাৱেই আছে। বিষয়টো কেনেদৰে গ্ৰহণ কৰে সেয়াহে গুৰুত্বপূৰ্ণ বিষয়া। এইক্ষেত্ৰত পিতৃ-মাতৃ, অভিভাৱক অধিক সতৰ্ক হোৱা উচিত।

# বান-খহনীয়া আৰু কৃষকৰ সপোন

প্ৰতিবছৰে জুন-জুলাই মাহত ৰাজ্যৰ প্ৰায়ভাগ জিলাতে বানপানীয়ে তাণ্ডৱ সৃষ্টি কৰে। কেৱল কৃষকৰে নহয়, আন লোকৰ বাবেও বানে ত্ৰাসৰ সৃষ্টি কৰে। বানে প্ৰায়ভাগ লোকৰে মুখৰ মাত হৰি নিয়ে। বহুতৰ সোণোৱালী সপোন ধূলিসাৎ কৰে। বহুতৰ সপোনৰ ঘৰখন ভাঙি যায়। বাৰিষা আহিলেই নৈপৰীয়া ৰাইজৰ বুকুখন কঁপি উঠে। কেতিয়া মথাউৰি ভাঙি বানে সংহাৰী ৰূপ লয় তাৰ ঠিকনা নাই। মেঘে গাজনি মাৰিলেই সকলোৱে আকাশৰ বুকুলৈ চায়। কাৰণ মুষলধাৰ বৰষুণ হোৱা মানে নৈ ফেনে-ফোটোকাৰে বাঢ়ি আহে। নৈখন যিমানেই উফন্দি উঠে সিমানেই নৈপৰীয়া ৰাইজৰ হাহাকাৰ অৱস্থাৰ সৃষ্টি হয়। আগতে যিবোৰ ঠাইত কৃষকে খেতি কৰিছিল সেইবোৰ এতিয়া নদীৰ বুকুত জাহ গ'ল। ভেটিৰ মাটি উচ্ছন্ন হ'ল। আনকি একোখন গাঁৱৰ পৰিয়ালে নিৰাপদ আশ্ৰয়ৰ বাবে নিজৰ আপোন ঘৰখন এৰি বহু দূৰলৈ যাবলৈ বাধ্য হৈছে। নদীৰ গৰাখহনীয়াই বহুতৰ জীৱনলৈ আশংকা কঢ়িয়াই আনিছে। বছৰ বছৰ এনেদৰে কৃষকে দুঃস্বপ্নৰ মাজেদি দিন অতিবাহিত কৰিলেও ইয়াৰ পৰা আজিলৈকে কোনোৱে পৰিত্ৰাণৰ উপায় বিচাৰি পোৱা নাই।

বানপানীয়ে কৃষিভূমি পলসুৱা কৰিলেও এতিয়া পিছে এনে পলসে কৃষকৰ জীৱনলৈ বিপৰ্যয় নমাই আনিছে। কিছুমান ঠাইৰ পথাৰত তিনি-চাৰি ফুট পৰ্যন্ত বালিৰ চামনি পৰাত কৃষিৰ বাবে তেনেই অনুপযোগী হৈ পৰিছে। এইবোৰ ঠাইৰ কৃষকে সদায় নৈখনৰ বুকুলৈ চাই থাকিবলগীয়া হয়। যেতিয়া

কৃষকে বালিৰ ওপৰত জংঘল গজা দেখিবলৈ পায় তেতিয়া কিছু আশাৰ সঞ্চাৰ কৰে যদিও সেয়াও পৰৱৰ্তী সময়ত সেইবোৰো ধুলিসাৎ হৈ পৰে। এনেদৰে বছৰ বছৰ ধৰি একে ঠাইত থকাৰ পাছত মনোবলো হ্রাস পায়। এসময়ত উৰাদিহ নাপাই আত্মহত্যাৰ দৰে পথ বাছি লয়। কিছুমান ঠাইত আকৌ মাটি পলসুৱা হৈয়ে থাকে যদিও ভঙা মথাউৰি পুনৰ নিৰ্মাণ নকৰাৰ ফলত বছৰি চাৰি-পাঁচবাৰ বানপানীৰ সৃষ্টি হয়। খেতিপথাৰখন সেউজীয়া হোৱাৰ আগতে মৰহি যায়। কপালৰ ঘাম মাটিত পেলাই অশেষ পৰিশ্ৰম কৰে যদিও ইয়াৰ পৰা কোনো ধৰণৰ সুফল নাপায়। বানে বাৰে বাৰে খেতি নষ্ট কৰাৰ পাছত পুনৰ খেতি কৰিবলৈ কঠিয়া আদি বিচাৰি নাপায়। দুই-তিনি বছৰ এনেদৰে থকাৰ পাছত ঋণৰ বোজাত পোত যায়। ঋণৰ বোজাই লাহে লাহে কৃষকজনক কোঙা কৰি পেলায়। লাহে লাহে আৰম্ভ হয় গৃহ কন্দল। পৰিয়ালক পোহপাল দিব নোৱাৰি মনত খুব বেজাৰ পায়। মনটো গধুৰ হৈ পৰে। ল'ৰা-ছোৱালীক পঢ়াবলৈ নাথাকে হাতত ধন। ছোৱালীক বিয়া দিবলৈ ধন গোটাব নোৱাৰি মানসিকভাৱে ভাৰসাম্যহীন হৈ পৰা কৃষকৰ মনৰ কথা কোনে বুজিব। নিজৰ ভাগ্যক ধিয়াই বহি থাকে। কিছুমানে অঘৰী জীৱন কটাবলৈ বাধ্য হৈছে। দুৰ্বিষহ জীৱন-যাপন কৰি এদিন মৃত্যুৰ কোলাত ঢলি পৰে। ছোৱালীজনীৰো বিয়াৰ সপোন আধাতে মৰহি যায়। কিছুমানে অবিবাহিত হৈয়ে থাকি যায়। কেৱল ছোৱালীৰেই নহয়, বহুতো যুৱকৰ জীৱনলৈও নামি আহে বিপৰ্যয়। বছৰি হোৱা বানে প্ৰতিগৰাকী ব্যক্তিৰ জীৱনলৈ এনেদৰে দুঃস্বপ্ন কঢ়িয়াই আনিলেও কোনোৱে তেওঁলোকৰ মনৰ বেদনা বুজি নাপায়। সমস্যা সদায় সমস্যা হৈয়ে থাকে। আশ্বাস আৰু আশাৰ মাজতে আবদ্ধ হৈ পৰে কৃষকৰ জীৱন।

কৃষকসকলে দীৰ্ঘদিন ধৰি সমস্যা সমাধানৰ বাবে চৰকাৰক আহ্বান জনাই আহিছে যদিও সেয়া সমাধান হোৱা নাই। যদিহে প্ৰতিটো নদীৰ মথাউৰি ভালদৰে পুনৰ নিৰ্মাণ অথবা নিৰ্মাণ কৰে তেতিয়াহ'লে বহু পৰিমাণে বান সমস্যাৰ সমাধান হ'ব। এতিয়াও অসমৰ বহু ঠাইত মথাউৰি উন্মুক্ত হৈ আছে। কিছুমান নদীৰ মথাউৰি নাই বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সেইবাবে নৈপৰীয়া লোকসকলে সদায় চৰকাৰক মথাউৰি নিৰ্মাণৰ বাবে দাবী জনাই

আহিছে। এইখিনিতে উল্লেখ কৰিব লাগিব যে মথাউৰি নিৰ্মাণ কৰিলেই নহ'ব, চৰকাৰে বছৰি বছৰি ইয়াক ভালদৰে মেৰামতি কৰিব লাগিব। মথাউৰি বিজ্ঞানসন্মতভাৱে নিৰ্মাণ কৰিব লাগিব। ইয়াৰ বাবে প্ৰয়োজন উপযুক্ত পৰিকল্পনাৰ। চৰকাৰে উপযুক্ত পৰিকল্পনাৰে বিদেশৰ বিশেষজ্ঞসকলৰ পৰা পৰামৰ্শ গ্ৰহণ কৰি ইয়াক যদিহে কাৰ্যকৰী কৰে তেতিয়াহ'লে সুফল লাভ কৰিব পাৰিব। আজিকালি উন্নত পদ্ধতিৰে বহুতো ঠাইত প্ৰবল খহনীয়া প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছে। অসমতো যদি বিশেষজ্ঞৰ দ্বাৰা ভূমি পৰীক্ষণ কৰাৰ লগতে উপযুক্ত পৰিকল্পনাৰে মথাউৰি নিৰ্মাণ কৰিবলৈ চৰকাৰে আগবাঢ়ে তেনেহ'লে জনসাধাৰণেও এই ক্ষেত্ৰত নিশ্চয় সহায়-সহযোগিতা আগবঢ়াব। তদুপৰি মথাউৰি আদি নিৰ্মাণ কৰাৰ সময়ত স্থানীয় ৰাইজকো সাঙুৰি ল'ব লাগে। কাৰণ স্থানীয় লোকসকলে যিহেতু পুৰাৰে পৰা নৈখনৰ প্ৰতিটো মুহূৰ্তই উপভোগ কৰিব পাৰে। তদুপৰি নদীখনৰ গতিবিধি, খহনীয়াৰ প্ৰকৃতিও নখ দৰ্পণত থাকে। সেইবাবে স্থানীয় ৰাইজৰ পৰা এই সম্পৰ্কে জানি লৈ মথাউৰি মেৰামতি বা নিৰ্মাণ কৰিলে মথাউৰিৰ স্থায়িত্ব বেছি হ'ব। তদুপৰি বাঁহৰ পাৰ্কুপাইন আদি ব্যৱহাৰ কৰি খহনীয়া ৰোধৰ বাবে লাখ লাখ টকা ব্যয় কৰাতকৈ সেইবোৰ যদি কংক্ৰিটৰ কৰি উপযুক্তভাৱে সংস্থাপন কৰা হয় তেনেহ'লে ইয়াৰ পৰাও বহু পৰিমাণে খহনীয়া প্ৰতিৰোধ হ'ব। কিছুমান ঠাইত পাৰ্কুপাইন নদীত সংস্থাপিত কৰাৰ পৰিৱৰ্তে মথাউৰিৰ দাঁতিত পেলাই থোৱাৰ ফলত পৰৱৰ্তী সময়ত সেইবোৰ ব্যৱহাৰৰ অনুপযোগী হৈ পৰে। সেইবাবে এই বিষয়টোত চৰকাৰে গুৰুত্ব প্ৰদান কৰা উচিত।

বান আৰু খহনীয়া একেলগে প্ৰতিৰোধ কৰিব পাৰিলেহে কৃষকৰ মুখত হাঁহি বিৰিঙিব। এটাক বাদ দি আনটোৰ পৰিকল্পনা কৰিলে কেতিয়াও সফল হ'ব নোৱাৰে। আমি সদায় শ্ল'গান দি থাকিলে নহ'ব, হাতে-কামে লগাৰ সময় আহি পৰিছে। চৰকাৰে এইবোৰ প্ৰতিৰোধ কৰিবলৈ হ'লে প্ৰথমে সমগ্ৰ বিষয়টো অধ্যয়নৰ বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰি ক'ত কেনে ধৰণৰ খহনীয়া প্ৰতিৰোধী আঁচনি গ্ৰহণ কৰিব লাগিব তাৰ দায়িত্ব অৰ্পণ কৰা উচিত। খেতিয়কৰ মনৰ কথাও বুজিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে বান-খহনীয়াৰ সমস্যা বহু পৰিমাণে সমাধান হ'ব।

# অন্ধবিশ্বাস, ভণ্ড বাবা আৰু শিক্ষিত সমাজ

২০১৯ চনৰ ৭ জুলাইত ‘চন্দ্ৰযান দ্বিতীয়’ অভিযানৰ কাম আৰম্ভ কৰাৰ পূৰ্বে কৰ্ণাটকৰ উডুপিত শ্ৰীকৃষ্ণমঠত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা ‘ইছৰো’ৰ অধ্যক্ষ কে শিৱানে আশীৰ্বাদ গ্ৰহণ কৰাৰ বাতৰি প্ৰকাশ পোৱাৰ সময়তে অসমৰ দৰং জিলাৰ কলাইগাঁৱত সংঘটিত অন্ধবিশ্বাসৰ ঘটনাই সমগ্ৰ দেশতে কঁপনি তুলিছে। মানৱ সভ্যতাই শীৰ্ষবিন্দুত উপনীত হোৱা বুলি সকলোৱে দাবী কৰাৰ সময়তে এই ছবি দুখনে প্ৰায়ভাগ লোকৰে মনত এটি প্ৰশ্নৰ অৱতাৰণা কৰিছে— আমি সঁচাকৈয়ে অন্ধবিশ্বাসৰ পৰিধিৰপৰা ওলাই আহিব পাৰিছোনে? বিজ্ঞানৰ প্ৰভূত অগ্ৰগতিয়ে স্বয়ং বিজ্ঞানীসকলক অন্ধবিশ্বাসমুক্ত কৰিব পাৰিছে জানো? নিশ্চয় পৰা নাই। কাৰণ এনে বৃত্তৰ পৰিধিৰপৰা মুক্ত হৈ থাকিলেনো চন্দ্ৰযানৰ কাম আৰম্ভৰ পূৰ্বে মন্দিৰত আশীৰ্বাদ লয়নে? অন্ধবিশ্বাসৰ বিপৰীত স্থিতিত অৱস্থান কৰিলে বিজ্ঞান শিক্ষকে উলংগ হৈ দেৱীৰ সন্মুখত নৃত্য কৰিলেহেঁতেন জানো? উচ্চ শিক্ষিত যুৱক এজনে বন মানুহৰ হাড় লৈ সাফল্যৰ বাবে মানৱ সমাজক কলংকিত

কৰিব পৰা কাৰ্য সম্পাদিত কৰিব নিশ্চয় নোৱাৰিলেহেঁতেন। আমি যিমানেই দম্ভালি নামাৰো কিয় অন্ধবিশ্বাসৰ পৰিধিৰপৰা আজিও মুক্ত হোৱা নাই।

বিশ্বাস, অবিশ্বাস, অন্ধবিশ্বাসৰ লগতে সকলোবোৰ কুসংস্কাৰ ধৰ্মৰ স'তে জড়িত হৈ থাকে। এই পৃথিৱীৰ সকলো লোকেই ধৰ্মক কেন্দ্ৰ কৰি জীয়াই আছে। কোনে কি ধৰ্ম গ্ৰহণ কৰিছে সেয়া বিচাৰ্য বিষয় নহয়। পৃথিৱীৰ সকলো ঠাইতে ধৰ্মক কেন্দ্ৰ কৰিয়েই সৃষ্টি হৈছে অন্ধবিশ্বাসৰ। সন্ত এজনে যিদৰে মানৱ সমাজৰ বাবে উপকাৰী কাম এটা কৰাৰ পূৰ্বে ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনায়, তেনেদৰে চুৰি-ডকাইতিৰ উপৰি যিকোনো দুষ্কাৰ্য কৰিবলৈ ওলোৱাৰ সময়ত নেদেখাজনকে স্মৰণ কৰে যাতে সেই কাৰ্য সম্পাদন কৰিব পাৰে। ধৰ্মীয় অথবা কুসংস্কাৰমূলক কাৰ্য অশিক্ষিত শ্ৰেণীৰ দ্বাৰা সম্পাদন কৰা বুলি কওঁ যদিও বাস্তৱ ঘটনাৰাজি বিশ্লেষণ কৰিলে এটা কথা স্পষ্ট হৈ পৰে যে এনে ধৰণৰ ঘটনাত অশিক্ষিততকৈ শিক্ষিত লোকহে বেচি জড়িত। সন্মুখেদি মেকুৰী এটা পাৰ হ'লে গাড়ীখন ৰখাই খিৰিকীৰে তিনিবাৰমান থুৱাই ষ্টাৰ্ট বন্ধ কৰা লোকসকলৰ বেচিভাগেই শিক্ষিত। পৰীক্ষা দিবলৈ যোৱাৰ সময়ত খালী বাচন দেখা, বিধৱা তিৰোতাক দেখা বেয়া বা ফলাফল শুভ নহয় বুলি বিশ্বাস কৰা লোকেৰে ভৰি আছে সমাজখন। বিজ্ঞানৰ ছাত্ৰসকলে পৰীক্ষা দিবলৈ যোৱাৰ সময়ত মন্দিৰত সোমাই কপালত ডাঙৰকৈ ফোঁট লোৱাটো বিশ্বাস নে অবিশ্বাস? দৰাচলতে যিসকল লোকৰ আত্মবিশ্বাস কম তেওঁলোকেই বেচিকৈ বলি হয় অন্ধবিশ্বাসৰ। যদি আমি অন্ধবিশ্বাসৰ বাবে সংঘটিত ঘটনাৰাজি বিশ্লেষণ কৰো তেতিয়াহ'লে এটা কথা স্পষ্ট হৈ পৰে যে আত্মবিশ্বাস নথকা লোকসকলে অন্ধবিশ্বাসকে সাফল্যৰ সমল হিচাপে গণ্য কৰে।

আগতে ৰজা-মহাৰজাসকলে 'শুভ ক্ষণ'ত যুদ্ধৰ বাবে যাত্ৰা কৰিছিল। দিন, বাৰ, নক্ষত্ৰ চোৱাটো আছিল ৰজা-মহাৰজাসকলৰ অন্ধবিশ্বাস। বিশ্বৰ জনপ্ৰিয় তথা শ্ৰেষ্ঠ খেলুৱৈসকলে বিশ্ব জয় বা খিতাপ দখলৰ পাছতো অন্ধবিশ্বাসৰপৰা মুক্ত নহয়। বিশ্ববিখ্যাত কবি, সাহিত্যিকসকল জানো অন্ধবিশ্বাসী নহয়। আমাৰ সমাজত এনে বহুতো লোক আছে যিসকলে চিঞৰি চিঞৰি ধৰ্মৰ বিৰুদ্ধে ভাষণ দিয়ে। এই লোকসকলে পিছে মন্দিৰৰ

সন্মুখেদি গ'লে মূৰ দোঁৰাই যায়। হাতত 'জপ' আৰু কপালত ফোঁট লৈ অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিবলৈ আগবঢ়া লোকো এইখন সমাজতেই আছে।

অন্ধবিশ্বাসে সমাজত আধিপত্য বিস্তাৰ কৰাৰ ক্ষেত্ৰত ইন্ধন যোগাইছে ভণ্ড বাবা, কবিৰাজ, তান্ত্ৰিক, সাধক, কালী সাধক, বেজ আদিয়ে। এওঁলোকে নিজৰ স্বাৰ্থ সিদ্ধিৰ বাবে বিভিন্ন প্ৰকাৰে জাল পেলায়। এই জালত বন্দী হোৱাসকলে হাবু-ডুবু খাবলগীয়া হয়। ভণ্ড বাবা, কবিৰাজসকলে প্ৰথমতে দুৰ্বল মনৰ লোকসকলক বিভিন্ন প্ৰকাৰে আকৃষ্ট কৰে। বাঘ-ভালুক দেখুৱাই বশ কৰি ল'ব পাৰিলে স্বাৰ্থ সিদ্ধি হোৱাৰ পথো প্ৰশস্ত হয়। এইসকল লোকে প্ৰথমতে কোনো লোক দীৰ্ঘদিন ধৰি বেমাৰত আক্ৰান্ত হ'লে অথবা কোনো লোক বিপদত পৰিলে নতুবা সমস্যাৰে ভাৰাক্ৰান্ত হৈ থাকিলে এইবোৰৰ সমাধানৰ পথ উলিয়াব পাৰিব বুলি পতিয়ন নিয়ায়। ইয়াৰ বাবে এনেকুৱা কৌশল কিছুমান ৰচনা কৰে যিবোৰে সহজেই বিপদত পৰা লোকসকলক আকৰ্ষণ কৰে। পানীত পৰা মানুহে খেৰ-কুটা এডালক আশ্ৰয় কৰি উদ্ধাৰৰ বাবে চেষ্টা কৰাৰ দৰে বিপদত পৰা লোকসকলেও ভণ্ড বাবা, তান্ত্ৰিক আদিৰ শৰণাপন্ন হয়। দুই-এটা কথা কেতিয়াবা মিলি যায়। ইয়াৰ আলমতেই পৰৱৰ্তী সময়ত ভণ্ড বাবা, তান্ত্ৰিকসকলে শৰণাপন্ন লোকসকলক বিভিন্ন ধৰণে শোষণ কৰিবলৈ ধৰে। শাৰীৰিক-মানসিক দুয়োটা শোষণেই চলাই থাকে। এসময়ত এই শোষণ বা কৌশলে চূড়ান্ত পৰ্যায় পায়গৈ।

প্ৰতিগৰাকী ব্যক্তিয়ে নিজ নিজ ধৰ্ম অনুসৰি বিশ্বাস কৰে। পিছে এই বিশ্বাসে তেতিয়াই অন্ধবিশ্বাসৰ ৰূপ লয় যেতিয়া ই মানৱতা বিসৰ্জন দিয়া কাৰ্য হয়। মানৱতাক বাদ দি স্বাৰ্থ সিদ্ধিৰ বাবে অমানৱীয় কাৰ্যত লিপ্ত হোৱাটোৱে কাৰ কিমান লাভ কৰে সেয়া কোনোৰে জ্ঞাত নহয়। নৰ বলি কোনো সভ্য মানুহৰে কাম নহয়। তথাপি আজিৰ যুগতো এনে ধৰণৰ কাম কৰা লোকৰো অভাৱ নাই।

ধৰ্মান্ধতা, অন্ধবিশ্বাস, কুসংস্কাৰ নতুন বিষয় নহয়। ইতিহাসে ঢুকি নোপোৱা দিনৰে পৰাই চলি আহিছে। অন্ধবিশ্বাসৰ বিৰুদ্ধে যুঁজ দিয়া বাবে বহুতো লোকে প্ৰাণ হেৰুৱালগীয়া হোৱাৰ নজিৰো আছে। গ্ৰীক দাৰ্শনিক, পণ্ডিত তথা বিজ্ঞানী গেলিলি গেলিলিঅ'ই প্ৰাণ হেৰুৱাবলগীয়া হৈছিল।

আজিও বিশ্বৰ বিভিন্ন ঠাইত বহুতো নৃশংস হত্যাকাণ্ড সংঘটিত হৈছে। এজনৰ মংগলৰ বাবে আন এজনক বলি দিয়াটো অন্ধবিশ্বাসৰেই প্ৰতিফলন নহয় জানো? ডাইনী বুলি হত্যাকাণ্ড সংঘটিত কৰাৰ উপৰি শাৰীৰিক-মানসিক নিৰ্যাতন চলোৱা লোকো আমাৰ সমাজতেই আছে। সমাজৰপৰা ডাইনী বা ডাইনা সজাই নিৰ্জন ঠাইলৈ খেদি পঠিওৱা লোকসকল জানো এইখন সমাজৰেই সদস্য নহয়।

শিক্ষাই মানুহক যেতিয়ালৈকে সংস্কাৰমুখী কৰিব নোৱাৰে তেতিয়ালৈকে সমাজত এইবোৰ ঘটনা সদায় সংঘটিত হৈয়ে থাকিব। সেইবাবে বাৰ্ট্ৰাণ্ড ৰাছেল, আইনষ্টাইন, লৰ্ড ইউলিয়াম বেটিং, মহামানৱ মহাত্মা গান্ধী, সৰ্বেপল্লী ৰাধাকৃষ্ণন, এপিজে আব্দুল কালামৰ দৰে সংস্কাৰমুখী মহান ব্যক্তিসকলে সদায় সংস্কাৰমুখী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। ব্যৱহাৰিক শিক্ষাইহে সকলোকে সংস্কাৰমুখী কৰিব পাৰে। বাটৰ নাট প্ৰদৰ্শন, সঘনাই সজাগতা সভা তথা বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ জৰিয়তে ৰাইজক সজাগ কৰিবই লাগিব। এই অভিযানত শিক্ষিত-অশিক্ষিত সকলো শ্ৰেণীৰ লোকেকে অন্তৰ্ভুক্ত কৰিলেহে আঁতৰ হ'ব অন্ধবিশ্বাস তথা কুসংস্কাৰ।

# হেৰাই গ'ল গৰম বন্ধৰ আনন্দ

গৰম বন্ধ বুলি ক'লে ছাত্ৰ-ছাত্ৰীসকলৰ মনটো আনন্দৰে ভৰি পৰে। অন্ততঃ এমাহৰ বাবে বিদ্যালয়ৰ দুৱাৰ বন্ধ। পুৱা উঠিয়ে মোকোৰা-মোকোৰে ভাত গিলি পোনাব লাগে বিদ্যালয়ৰ দুৱাৰমুখলৈ। প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীয়ে সোমবাৰৰপৰা হিচাপ কৰে শনিবাৰ কেতিয়া আহিব। কাৰণ ৰবিবাৰে ঘৰত মস্তি মাৰিব পাৰে। সপ্তাহটোৰ কামৰ-পঢ়াৰ বোজা বন্ধৰ দিনটোত সামান্য পৰিমাণে হ'লেও হ্ৰাস পায়। এয়া সকলো শিক্ষাৰ্থীৰে সততে দেখিবলৈ পোৱা এখন ছবি। ইয়াৰ মাজতে জুন মাহ পৰাৰ লগে লগে আৰম্ভ হয় গ্ৰীষ্ম বা গৰম বন্ধৰ কাউণ্ট ডাউন। কিয়নো এই কেইদিনত অন্ততঃ কম পঢ়িলেও পিতৃ-মাতৃৰ লগতে পৰিয়ালৰ আন সদস্যসকলৰ ৰঙা চকুৰপৰা হাত সাৰিব পাৰি। গালি-শপনিও বেচি খাব নালাগে।

গৰম বন্ধ মানে— সম্পূৰ্ণ এমাহ ছুটী। আগতে গৰম বন্ধ দিয়া দিনটোত বিদ্যালয়সমূহত বিভিন্ন অনুষ্ঠানৰ আয়োজন কৰা হৈছিল। বিশেষকৈ এই দিনটোত গান-বাজনা আদি সকলোৰে উপভোগ কৰি এমাহ ছুটীৰ বাবে ঘৰলৈ উভতিছিল। সৰু সৰু ল'ৰা-ছোৱালীৰ কথাটো বাদেই ডাঙৰৰো একাংশই ইউনিফৰ্মৰ চোলাত চিয়াঁহী ছটিয়াই আনন্দ লাভ কৰিছিল। চোলা চিয়াহীৰে ভৰি পৰিলেও মাক-দেউতাকৰ গালি নাখায়। কাৰণ পিতৃ-মাতৃয়েও এসময়ত এনে আনন্দ লভিছিল।

গৰম বন্ধৰ এমাহমান আগৰে পৰাই ছাত্ৰ-ছাত্ৰীৰ হিচাপ-নিকাচ আৰম্ভ হয় এই বিশেষ দিনকেইটাত ক'লৈ ফুৰিবলৈ যাব? কি কি বিশেষ কাম কৰিব ইত্যাদি ইত্যাদি। প্ৰায়ভাগেই পিছে মামাৰ ঘৰলৈ যাবলৈ মন কৰে। পেহী, বাইদেউৰ ঘৰলৈ গৈ বন্ধৰ দিনকেইটা কটাব খোজে। কাৰণ এই ঘৰ কেইখনলৈ গ'লে পঢ়াৰপৰা কিছু পৰিমাণে হ'লেও হাত সাৰিব পাৰি। নপঢ়িলেও মৰমতে একো নকয়। তদুপৰি নিজৰ ইচ্ছামতেই খোৰা-বোৰা, চিনেমা, বিশেষ ঠাইলৈ ফুৰিবলৈ যোৱাৰ সুবিধা পায়। ইয়াৰ মাজতে কিছুমানে আকৌ গৰম বন্ধৰ ভিতৰত কৰিবলৈ দিয়া লেখা-পঢ়াখিনিও সমাপ্ত কৰে। নহ'লে আকৌ বিদ্যালয় খোলাৰ দিনাই হ'ব হিচাপ-নিকাচ। বেটৰ কোব অথবা বাৰাণ্ডাত কাণত ধৰি আঁঠু কাঢ়িব লাগিব। বন্ধ উপভোগৰ মাজতে ভয়তে হ'লেও শিক্ষক-শিক্ষয়িত্ৰীয়ে দিয়া কামখিনি কৰিও পোৱা যায় অন্য এক আনন্দ। এই আনন্দবোৰ ভাষাৰে বুজাব নোৱাৰি। কেৱল অনুভৱ কৰাটোহে সম্ভৱ। কিছুমানে আকৌ এই বন্ধৰ সময়ছোৱাত পিতৃ-মাতৃ অথবা অভিভাৱকৰ স'তে দূৰণিবটীয়া ঠাইলৈ ফুৰিবলৈ যায়। কিছুমানে আকৌ ভ্ৰমণৰ বিষয়ে ৰচনাও লিখে। এনে কৰিলে শিক্ষক-শিক্ষয়িত্ৰীও ভাল পায়। তেওঁলোকৰ উপদেশ কামত অহা বুলি ভাবে।

গৰম বন্ধৰ এই আনন্দ এতিয়া নাই। কাৰণ আজিৰ ছাত্ৰ-ছাত্ৰীৰ বাবে গৰম বন্ধ উপভোগৰ বাবে সময়ৰ অভাৱ। নামতহে গৰম বন্ধ, বাস্তৱত পিছে ইয়াৰ বিপৰীত ছবি এখনহে প্ৰতিফলিত হয়। কাৰণ আজি-কালি গৰম বন্ধৰ সংজ্ঞাৰ সলনি হ'ল। বিদ্যালয়ৰ হাজিৰা বহীত উপস্থিতি গণনা কৰা নহয় যদিও প্ৰায়ে বিদ্যালয়লৈ যাবলগীয়া হয় বিভিন্ন বিষয়ত অংশগ্ৰহণ কৰিবলৈ। ক্ৰীড়া, সংগীতৰ উপৰি বিনামূলীয়া পাঠ গ্ৰহণ ইত্যাদি ইত্যাদি থাকেই। আগতে গৰম বন্ধৰ সময়ত 'কৰ্ম অভিজ্ঞতা' কৰিবলৈ দিছিল। ল'ৰাসকলক প্ৰাক্-প্ৰাথমিক হ'লে মাটিৰে প্ৰস্তুত কৰা কিছুমান আৰ্হি, হাইস্কুলৰ হ'লে বাঁহ-বেতৰ কাম, ছোৱালীসকলক চিলাইৰ কাম কৰিবলৈ দিছিল। যিয়ে ভালদৰে প্ৰস্তুত কৰিছিল তেওঁক পুৰস্কৃত কৰা হৈছিল। এতিয়া পিছে সেইবোৰ ইতিহাস। নতুন প্ৰজন্মই নাজানে 'কৰ্ম অভিজ্ঞতা' মানে কি? ইয়াৰ দ্বাৰা যে ছাত্ৰ-ছাত্ৰীসকলে স্বাৱলম্বী হোৱাৰ প্ৰথমটো খোজ দিয়ে সেই কথা হয়তো

বহুতেই নাজানে। ভৱিষ্যতে স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত কৰাৰ লগতে উৎসাহ যোগাবলৈ কৰ্ম অভিজ্ঞতাৰ খুবেই প্ৰয়োজন। এতিয়া কেৰিয়াৰ গঢ়াৰ উদ্দেশ্যে গৰম বন্ধত যিবোৰ কাম কৰিবলৈ দিয়ে দৰাচলতে সেইবোৰ বিষয়ৰ বাস্তৱৰ স'তে কোনো সম্বন্ধ নাথাকে। এগৰাকী যন্ত্ৰবৎ শিক্ষাৰ্থী হোৱাৰ বাহিৰে আন একো লাভ নহয়। গৰম বন্ধৰ সময়ত এতিয়া প্ৰায়ভাগেই ব্যস্ত হৈ পৰে 'টিউচন'ত। এই কেইদিনৰ ভিতৰতে যিমান পাৰি সিমান বিষয়ত পঢ়া শেষ কৰাটোৱে 'টিউচন' কৰা শিক্ষক অথবা শিক্ষয়িত্ৰীগৰাকীৰ লক্ষ্য। পিতৃ-মাতৃ, অভিভাৱকসকলেও সন্তানক গৰম বন্ধৰ সময়ত বিভিন্ন প্ৰকাৰে ব্যস্ত ৰাখি খুব গৌৰৱবোধ কৰে। এইবোৰ কাৰ্যৰ দ্বাৰা পিছে শিক্ষাৰ্থীগৰাকীৰ ওপৰত অতিৰিক্ত চাপহে প্ৰয়োগ কৰা হৈছে। এই চাপে পৰোক্ষভাৱে শিক্ষাৰ্থীগৰাকীৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰহে সৃষ্টি কৰিছে। এনেদৰে সৃষ্টি কৰা চাপৰ বাবে কেতিয়াবা পঢ়াত ভাল ছাত্ৰ অথবা ছাত্ৰী এগৰাকীৰ ভৱিষ্যৎ বিপন্ন কৰাৰ আশংকা থাকে। পৰীক্ষাত আশা কৰা ধৰণে ফলাফল লাভ কৰিব নোৱাৰিলে আত্মহত্যাৰ দৰে চৰম পথ বাছি লোৱাও দেখা যায়।

শিক্ষাৰ্থীসকলক বিশেষকৈ কম বয়সীয়া ল'ৰা-ছোৱালীসকলক মুকলি মনেৰে পঢ়িবলৈ দিব লাগে। খেলা-ধূলা, ভ্ৰমণ আদিৰ জৰিয়তে শিক্ষা দিলেও ভাল ফলাফল আশা কৰিব পাৰি। সেইবাবে গৰম বন্ধৰ দিনকেইটাত অন্ততঃ মুকলি মনেৰে খেলা-ধূলা, ফুৰা-চকাৰ লগতে পঢ়িবলৈ দিয়ক। অতিৰিক্তভাৱে মানসিক চাপ প্ৰয়োগেৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যৎ জীৱন বিপন্ন নকৰিব। গৰম বন্ধও হ'ব পাৰে সৃষ্টিৰ উৎস— এই কথা উপলব্ধি কৰিয়ে শিশুটিক উপভোগ কৰিবলৈ দিয়ক মুকলি মনেৰে।

# আৱৰ্জনা ক'ত পেলাব ঃ পথত নে ডাষ্টবিনত ?

আমি আৱৰ্জনাবোৰ ক'ত পেলাব লাগে? ঘৰৰ সমীপত, ৰাস্তাত নে ডাষ্টবিনত? নে এইবোৰ পুতি অথবা পুৰিব লাগে? এই প্ৰশ্নৰ উত্তৰ দিয়াটো উজু নহয়। কাৰণ এনে প্ৰশ্নৰ উত্তৰ দিবলৈ হ'লে প্ৰথমতে চহৰ অঞ্চলত নে গ্ৰামাঞ্চলত বসবাস কৰে তাৰ ওপৰত ভিত্তি কৰিব। যদিহে গাঁৱত বাস কৰে তেতিয়াহ'লে বিষয়টো সুকীয়া। কাৰণ সাধাৰণতে গ্ৰামাঞ্চলত পৰ্যাপ্ত মুকলি ঠাই অথবা পিটনি আদি থাকে। ঘৰৰ পিছফালে অব্যৱহৃত খাল বা গাঁত আদি থাকে বাবে এইবোৰত জাবৰ-জোঁথৰ বা পেলনীয়া সামগ্ৰী জমা কৰি থোৱা হয়। কেতিয়াবা ঘৰৰ ওচৰত জমা কৰি থৈ সেইবোৰ কিছুদিন পাছত জ্বলাই দিয়া হয়। কিছুমানে আকৌ পিটনি আদি পুতিবলৈ জাবৰ-জোঁথৰ জমা কৰে। পৰ্যাপ্ত ঠাই থাকিলে ক'বলগীয়া একো নাই। পিছে এইবোৰ বিল অথবা ৰাজহুৱা স্থানৰ সমীপত জমা কৰি থোৱা অনুচিত। কাৰণ বিল আদিত থকা মাছ অথবা প্ৰাণীকুলৰ বাবে বিপদ ঘটিব পাৰে। তদুপৰি ৰাজহুৱা স্থানৰ কাষত ঘৰ হ'লেও তেনে স্থানত জাবৰ আদি পুৰি পেলোৱাটোৱে মংগলজনক।

এইবাৰ আহিছো চহৰাঞ্চলৰ প্ৰসংগলৈ। চহৰাঞ্চলসমূহত এতিয়া মুকলি ঠাইৰ অভাৱ। আনহে নালাগে আহল-বহলকৈ ঘৰ সাজিবলৈকে ঠাইৰ অভাৱ। মুকলি ঠাইত উশাহ ল'ব পৰা পৰিবেশ এতিয়া আৰু নাই। গতিকে এনেহেন ঠাইত আপুনি জাবৰ-জোঁথৰ বা পেলনীয়া সামগ্ৰী ক'ত পেলাব। সাধাৰণতে চহৰাঞ্চলত এইবোৰ জমা বা পেলাবলৈ নিৰ্দিষ্ট ঠাই নিৰ্ধাৰণ কৰি দিয়া হয়। পুৰা অথবা নিশা নিৰ্দিষ্ট স্থানত জমা কৰিলে সেইবোৰ যথা সময়ত চাফাই কৰ্মীসকলে লৈ যায়। পিছে বহুতে পথৰ সমীপতে স্থাপন কৰা ডাষ্টবিনৰ পৰিৱৰ্তে ডাষ্টবিনটোৰ কাষতহে পেলাই দিয়ে। পদপথৰপৰা দলিয়াই দিলে কেতিয়াবা ডাষ্টবিনৰ ভিতৰত আৰু আন কেতিয়াবা বাহিৰত পৰে। যদিহে এইবোৰ সময় মতে নিনিয়ে তেতিয়াহ'লে তাৰ কাষেদি নাকত ৰুমাল লৈ পাৰ হ'বলগীয়া হয়। কেতিয়াবা উশাহ-নিশাহ বন্ধ হোৱাৰ নিচিনা উপক্ৰম ঘটে। এনে কাম কৰা সকলে পিছে এবাৰো ভাবি নাচায় যে তেওঁলোকেও এদিন ইয়াৰ বলি হ'ব। তেওঁলোকৰ সন্তানেও এনে অস্বাস্থ্যকৰ পৰিবেশত ডাঙৰ-দীঘল হ'ব লাগিব। এনে অস্বাস্থ্যকৰ পৰিবেশে সমাজ তথা দেশৰ প্ৰগতিত ব্যাঘাত জন্মাব।

মহানগৰীৰ এনে কিছু লোক আছে যিসকলে প্ৰায়ে পথৰ মাজতে জাবৰ দলিয়াই দিয়ে আন লোকে নেদেখাকৈ। বিশেষকৈ নিশা এনে কাৰ্য সম্পাদন কৰে। তেওঁলোকে এনেদৰে পথত পেলাই দি লজ্জাবোধৰ পৰিবৰ্তে গৰ্বহে অনুভৱ কৰে। কোনোবাই প্ৰতিবাদ কৰিলে অশ্ৰাব্য গালি-গালাজ কৰে। আনকি ইয়াক কেন্দ্ৰ কৰি কেতিয়াবা অপ্ৰীতিকৰ পৰিস্থিতিৰো সৃষ্টি নোহোৱাকৈ নাথাকে।

য'তে-ত'তে জাবৰ-জোঁথৰ পেলোৱাৰ ফলত বৰষুণ দিলে এইবোৰ নলা-নৰ্দমাত জমা হয়। ফলত এজাক সামান্য বৰষুণতে কৃত্ৰিম বানত বুৰ যায় মহানগৰী। কিছুমান লোকে দুই-তিনি দিনলৈকে ঘৰতে আবদ্ধ হৈ থাকিবলগীয়া হয়। কৃত্ৰিম বানৰ ফলত কেনেধৰণৰ অবৰ্ণনীয় পৰিবেশৰ সৃষ্টি হয় সেয়া ব্যাখ্যাৰ নিস্প্ৰয়োজন। আজিকালি মহানগৰীৰ প্ৰায়ভাগ ঠাইতে পৌৰ নিগমৰ চাফাই কৰ্মীয়ে জাবৰ-জোঁথৰ নিবলৈ আহে। অৱশ্যে সময়ৰ কোনো ধৰা-বন্ধা নাই। যেতিয়াই মন যায় তেতিয়াই আহে। ইয়াৰে গইনা

লৈ একাংশ লোকে কোনোৱে নেদেখাকৈয়ে পথতে পেলনীয়া সামগ্ৰীসমূহ পেলাই দিয়ে। ন্যূনতম পৌৰ জ্ঞান নথকা এইসকল লোক যে অশিক্ষিত তেনে নহয়, এনে লোকৰ ভিতৰত প্ৰায়ভাগ আকৌ শিক্ষিত আৰু অভিজাত পৰিয়াল।

পৌৰ নিগম অথবা সংশ্লিষ্ট কৰ্তৃপক্ষই এনে লোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা উচিত। পথত জাবৰ পেলোৱা লোকৰ বিৰুদ্ধে যদি বৃহৎ পৰিমাণৰ জৰিমনা বিহা হয় তেতিয়াহ'লে হয়তো এনে অভ্যাস মানুহে ত্যাগ কৰিবলৈ বাধ্য হ'ব অথবা জৰিমনা ভৰিবলগীয়া হোৱাৰ ভয়তে নকৰিব। ইয়াৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষই বিভিন্ন ঠাইত অতি গোপনে স্থাপিত কৰিব লাগিব চিচি টিভি। চিচি টিভিত নিৰীক্ষণ কৰিলে জৰিমনা বিহা আৰম্ভ হ'লে পথত জাবৰ-জোঁথৰ পেলোৱাটোও বন্ধ হ'ব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানক সমৰ্থন কৰা একাংশ লোকেও পিছে সুযোগ পালেই পেলনীয়া সামগ্ৰী ৰাস্তাত পেলাই দিয়ে। আমি সকলোৱে সজাগ হ'ব লাগিব পৰিবেশ সুস্থ কৰি ৰাখিবলৈ। পৰিবেশ সুস্থ হৈ থাকিলেহে মানুহে সু-স্বাস্থ্যৰ অধিকাৰী হ'ব পাৰিব। ইয়াৰ বাবে সজাগতা সভা আৰু বাটৰ নাট আদি প্ৰদৰ্শনৰো ব্যৱস্থা কৰিব লাগিব। এইক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠনসমূহৰ ভূমিকাও গুৰুত্বপূৰ্ণ। নিয়ম বান্ধি দি প্ৰদূষণ প্ৰতিৰোধ কৰিব নোৱাৰি; যদিহে মানুহৰ মানসিকতাৰ পৰিবৰ্তন নহয়। সৰুৰে পৰাই পিতৃ-মাতৃ, অভিভাৱকে সন্তানক শিকাওক জাবৰ-জোঁথৰ ক'ত পেলাব লাগে? পেলনীয়াখিনি উপযুক্তভাৱে পেলাই দিলে ঠাইখিনি পৰিষ্কাৰ হৈ থকাৰ লগতে পৰিবেশৰ ভাৰসাম্যও ৰক্ষা হ'ব।

# আৰ্থিকভাৱে স্বচ্ছল লোকক বিশেষ সুবিধাৰ প্ৰয়োজননে?

চৰকাৰে কিছু কিছু ক্ষেত্ৰত ৰাজসাহায্য প্ৰদান কৰিছে। এই ৰাজসাহায্য সকলোৰে বাবে সমান। ইয়াত ধনী-দুখীয়া বুলি কোনো কথা নাই। সকলোৱে সমান সুযোগ লাভ কৰিব। বিশেষকৈ গেছ চিলিণ্ডাৰ, ৰে'ল আদিত কিছুমান সুবিধা প্ৰদান কৰা হৈছে। এইক্ষেত্ৰত ধনী-দুখীয়াৰ প্ৰভেদ আনিব নোৱাৰে। সেইবাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰন্ধন গেছ চিলিণ্ডাৰৰ ৰাজসাহায্য ধনী লোকসকলক স্বেচ্ছাই ত্যাগ কৰিবলৈ আহ্বান জনাইছিল। আৰ্থিকভাৱে সক্ষম লোকসকলে যদি গেছ চিলিণ্ডাৰৰ ৰাজসাহায্য ত্যাগ কৰে তেনেহ'লে বহু কোটি টকা চৰকাৰৰ ৰাজহ জমা হ'ব। প্ৰধানমন্ত্ৰীৰ এনে আহ্বানৰ প্ৰতি সঁহাৰি জনাই কে'বা কোটি লোকে চিলিণ্ডাৰৰ ৰাজসাহায্য স্বেচ্ছাই ত্যাগ কৰে। যিসকল আৰ্থিকভাৱে স্বচ্ছল তেওঁলোকক ৰাজসাহায্য দিয়াৰ কিবা যুক্তি আছে জানো? এইবোৰ কেৱল দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোকৰ বাবেহে প্ৰযোজ্য হোৱা উচিত। দেশৰ দাৰিদ্ৰ্য সীমাৰেখাৰ তলৰ লোকসকলে এনে ধৰণৰ সাহায্য লাভ কৰিলে তেওঁলোক আৰ্থ-সামাজিকভাৱে স্বচ্ছল হ'ব। তাকে নকৰি যদি সকলোকে সাহায্য দিয়া হয় তেনেহ'লে বৈষম্য থাকি যাব।

ৰে'ল ভ্ৰমণৰ সময়ত ৬০ বছৰ ঊৰ্দ্ধৰ জ্যেষ্ঠ নাগৰিকসকলে কিছুমান বিশেষ সুবিধা লাভ কৰে। ৰাজসাহায্যৰে জ্যেষ্ঠ নাগৰিকে বহুতো সুবিধা পোৱা বাবে কিছুমানে ৰে'লেৰে যাত্ৰা কৰে। এইদৰে যাত্ৰা কৰাসকলৰ প্ৰায়ভাগেই কিন্তু আৰ্থিকভাৱে স্বচ্ছল লোক। দুখীয়াসকলে সাহায্য লাভ কৰিলেও প্ৰায়ভাগেই ভ্ৰমণ কৰিবলৈ সক্ষম নহয়। আৰ্থিকভাৱে স্বচ্ছলসকলহে সাধাৰণতে ভ্ৰমণলৈ ওলায়। যিহেতু এই লোকসকলে ব্যয় বহন কৰিবলৈ সক্ষম সেয়েহে তেওঁলোকক ৰাজ সাহায্য দিয়াৰ প্ৰশ্নই উঠিব নোৱাৰে। ৰে'ল যাত্ৰাত এনে জ্যেষ্ঠ নাগৰিকসকলে যি সুযোগ-সুবিধা লাভ কৰি আছে

তেওঁলোকে স্বেচ্ছাই এইবোৰ ত্যাগ কৰি সমাজ তথা দেশৰ বাবে আদৰ্শ হ'ব পাৰে। সমাজৰ দুখীয়া শ্ৰেণীটোৰ বাবে ভবা বুলি তেওঁলোকে প্ৰমাণ কৰি দেখুৱাব পাৰে এনে সুবিধা গ্ৰহণ নকৰি। নিয়মমতে এই জ্যেষ্ঠ নাগৰিকসকলক বাধ্য কৰাব নোৱাৰি যদিও তেওঁলোকে নিজে অনুধাৱন কৰিয়ে সুযোগ গ্ৰহণৰ পৰা আঁতৰি থকা উচিত। তেতিয়া দেশৰ লাখ লাখ আৰ্থিকভাৱে দুৰ্বল লোকে সহজেই এই সুবিধা লাভ কৰিব পাৰিব। চৰকাৰেও এইক্ষেত্ৰত আহ্বান জনোৱা উচিত। প্ৰধানমন্ত্ৰী মোদীয়ে ৰন্ধন গেছ চিলিণ্ডাৰৰ ৰাজ সাহায্য স্বেচ্ছাই ত্যাগ কৰিবলৈ আহ্বান জনোৱাৰ পাছত লাখ লাখ গ্ৰাহকে এই সুবিধা ত্যাগ কৰিছে। ৰে'ল যাত্ৰাৰ ক্ষেত্ৰতো জ্যেষ্ঠ নাগৰিকসকলক এই আহ্বান জনালে নিশ্চয় বহুজন উপকৃত হ'ব।

ভাৰতত এতিয়াও বহু লোক দাৰিদ্ৰ্য সীমাৰেখাৰ তলত বসবাস কৰি আছে। এওঁলোকক কিছুমান সুবিধা আগবঢ়ালেও সহজে গ্ৰহণ কৰিব নোৱাৰে সামান্য ধন ব্যয় কৰিব নোৱৰা বাবে। বিশেষকৈ ভ্ৰমণ আদিৰ ক্ষেত্ৰত এইসকল লোক সদায় পিচহুঁহকি থাকিব লাগে। জ্যেষ্ঠ নাগৰিক হ'লেও বহুতেই সুবিধা লাভৰপৰা বঞ্চিত হৈ আছে। চৰকাৰে যদি আৰ্থিকভাৱে স্বচ্ছল লোকসকল জ্যেষ্ঠ নাগৰিকে ভোগ কৰা বিশেষ সা-সুবিধা প্ৰদান নকৰি দুখীয়া জ্যেষ্ঠ নাগৰিকক কিছুমান ভ্ৰমণ বিনামূলীয়া কৰি দিয়ে তেতিয়াহ'লে নিশ্চয় আঁচনিৰ বা পৰিকল্পনাৰ সুফল পোৱা যাব। চৰকাৰৰ সিদ্ধান্তলৈ অপেক্ষ নকৰি কোনোবাই যদি স্বেচ্ছাই সুবিধা নোলোৱাকৈ থাকি আদৰ্শ দেখুৱায় তেনেহ'লে সেয়া সকলোৱে অনুকৰণ কৰিব। দেশ প্ৰগতিৰ পথত আগুৱাই যাব। জ্যেষ্ঠ নাগৰিকৰ মাজত থকা বৈষম্যও বহু পৰিমাণে আঁতৰ হ'ব।

প্ৰধানমন্ত্ৰী মোদীৰ আহ্বানত আজি সকলোৱে সাজু— দেশৰ বাবে যিকোনো ত্যাগ স্বীকাৰ কৰিবলৈ। এজন এজনকৈ যদি লাখ লাখ আৰ্থিকভাৱে স্বচ্ছল জ্যেষ্ঠ নাগৰিকে ৰে'ল যাত্ৰা, দূৰণিবটীয়া বাছ যাত্ৰাত লাভ কৰা সুযোগ ত্যাগ কৰে তেনেহ'লে বিষয়টোৱে চৰ্চা লাভ কৰিব। ৰাহি হ'ব চৰকাৰৰ ধন। চৰকাৰে এই ৰাহি ধনেৰে নিশ্চয়কৈ দুখীয়া ৰাইজ উপকৃত হ'ব পৰাকৈ বিভিন্ন আঁচনি গ্ৰহণ কৰিব পাৰিব। আমি সকলোৱে এইক্ষেত্ৰত সতৰ্ক হোৱা উচিত।

# ক্ৰীড়াংগণত সুপ্ত প্ৰতিভাৰ বিকাশত সহায় কৰক

অসমত ক্ৰীড়াক্ষেত্ৰত প্ৰতিভাৰ অভাৱ নাই। গাঁৱে-ভূঁএে লুকাই আছে বহু প্ৰতিভাসম্পন্ন খেলুৱৈ। কিছুমান প্ৰতিভাৱান খেলুৱৈয়ে নিজকে প্ৰতিষ্ঠিত কৰাৰ পূৰ্বেই মৰহি যায়। একাংশই কিছুদূৰ আগুৱাই গৈয়ো আধাবাটতে থমকি ৰ'বলগীয়া হয়। কিছুমানে আকৌ সকলোখিনি আগ বাঢ়ি যোৱাৰ পাছতো হঠাতে থমকি ৰ'বলগীয়া হয়। এই সকলোবোৰৰ আঁৰৰ অন্যতম কাৰণ হ'ল অৰ্থৰ অভাৱ। বহুতো প্ৰতিভাৰ অপমৃত্যু হৈছে কেৱল ধনৰ অভাৱ হোৱা বাবে। যিকোনো খেলত প্ৰতিষ্ঠা লাভ কৰিবলৈ হ'লে খেলুৱৈগৰাকীৰ প্ৰতিভাৰ সমান্তৰালভাৱে প্ৰয়োজন বৃহৎ পৰিমাণৰ অৰ্থৰ। কাৰণ উপযুক্ত প্ৰশিক্ষণৰ বাবে অৰ্থৰ প্ৰয়োজন। তদুপৰি খেলুৱৈগৰাকীয়ে প্ৰশিক্ষণৰ সমান্তৰালভাৱে খাদ্য গ্ৰহণো কৰিব লাগিব। সকলো পৰিয়ালৰ ক্ষেত্ৰত এই ব্যয় বহন কৰাটো সম্ভৱ নহয়। কিছুমানে আধাতে অভিযান সামৰে। আন কিছুমানে আকৌ মাটি-বাৰী বিক্ৰী কৰিও শেষ ৰক্ষা কৰিব নোৱাৰে। এনে খেলুৱৈক সম্পূৰ্ণৰূপে ব্যয় বহন কৰি কোনোবাই প্ৰশিক্ষণৰ ব্যৱস্থা কৰিলে হয়তো অসমে বিশ্ব ক্ৰীড়াংগণত আৰু এখোপ আগুৱাই যাব পাৰিলেহেঁতেন।

চৰকাৰে অসমৰ সকলো প্ৰতিভাবান খেলুৱৈৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব নোৱাৰেনে? নিশ্চয় পাৰে। পিছে, ইয়াৰ বাবেও প্ৰয়োজন বৃহৎ পৰিমাণৰ অৰ্থৰ। সকলো খেলুৱৈক প্ৰশিক্ষণ দিব পৰাটো চৰকাৰৰ বাবে সম্ভৱ নহয় বুলি কিছুদিন পূৰ্বে এক অনুষ্ঠানত স্বয়ং মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালেই স্বীকাৰ কৰিছিল। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত ইউ বি চিৰ বাৰ্ষিক বঁটা বিতৰণী সভাত অংশগ্ৰহণ কৰি মুখ্যমন্ত্ৰী সোণোৱালে উল্লেখ কৰিছে যে যিহেতু সকলোবোৰ প্ৰতিভাবান খেলুৱৈৰ প্ৰশিক্ষণ ব্যয় সম্পূৰ্ণৰূপে বহন কৰাটো চৰকাৰৰ বাবে সম্ভৱ নহয়, সেয়েহে তেওঁ বহুজাতিক কোম্পানিসমূহক এইক্ষেত্ৰত সহায়ৰ হাত আগবঢ়াবলৈ আহ্বান জনায়। বিদেশত ডাঙৰ ডাঙৰ কোম্পানিসমূহে বহুতো খেলুৱৈৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰে। আনকি প্ৰতিভাধৰ খেলুৱৈসকলক বিচাৰি প্ৰশিক্ষণ দিবলৈ বহুতো প্ৰশিক্ষণ কেন্দ্ৰ

স্থাপন কৰিছে। এনেবোৰ কেন্দ্ৰৰ পৰাই সৃষ্টি হৈছে বহুতো বিশ্ব বিশ্ৰুত খেলুৱৈৰ। অসমতো এনেদৰে আগবাঢ়ি আহিবলৈ মুখ্যমন্ত্ৰী সোণোৱালে কোম্পানিসমূহক মুকলিকৈ আহ্বান জনায়।

বহুজাতিক কোম্পানীৰ উপৰি স্থানীয় বহুতো কোম্পানিৰ লগতে সামাজিক অনুষ্ঠানেও খেলুৱৈ সৃষ্টি কৰিব পাৰে। অৱশ্যে এইক্ষেত্ৰত কেৱল চহৰকেন্দ্ৰিক হ'লেই নহ'ব। গ্ৰামাঞ্চলৰ ভিতৰুৱা ঠাইত প্ৰশিক্ষণ দিয়াৰো ব্যৱস্থা কৰিব লাগিব। তেতিয়াহে আওহতীয়া অঞ্চলৰ প্ৰতিভাসমূহ উপযুক্তভাৱে বিকশিত হ'ব। উপযুক্ত প্ৰশিক্ষণ তথা সুযোগ নোপোৱা বাবে আজিৰ বহুতো প্ৰতিভাৰ অকালতে মৃত্যু হৈ আছে। এইবোৰৰ মৃত্যু আমাৰ চকুৰ সন্মুখতে সংঘটিত হৈ আছে যদিও কোনোৱে গুৰুত্ব দিয়া নাই। অথবা আনৰ ওপৰত দোষ জাপি দি নিজৰ দায়িত্ব সামৰিছোঁ। সকলো সময়তে আমি চৰকাৰৰ মুখলৈ চাই থাকিলে নহ'ব। কাৰণ চৰকাৰৰো সকলো কাম কৰাটো সম্ভৱ নহয়, যদিহে ৰাইজে সহযোগিতা আগনবঢ়ায়। গ্ৰামাঞ্চলত সৰু সৰু প্ৰতিযোগিতাৰ আয়োজন কৰি প্ৰতিভাসমূহ ভালদৰে চিনাক্ত কৰাটো সম্ভৱ। কেৱল বিজ্ঞাপনৰ দ্বাৰা খেলুৱৈ চিনাক্ত কৰাটো সম্ভৱ নহয়। এই কথা সকলোৱে উপলব্ধি কৰিবই লাগিব। যেতিয়ালৈকে এইবোৰ কথা ভালদৰে উপলব্ধি নকৰিব তেতিয়ালৈকে সুপ্ত প্ৰতিভাৰ বিকাশ নোহোৱাকৈ মৰহি যাব। সকলোৱে চকুৰ সন্মুখতে বহুতো প্ৰতিভাবান খেলুৱৈয়ে উজ্বলি উঠি হঠাতে পিছলি পৰিছে। এথলেটিকছৰ পৰা আৰম্ভ কৰি ফুটবল, ক্ৰিকেট, হকী, বক্সিং, ডিছকাছ থ্ৰ', জেভলিন থ্ৰ' আদিত উজ্বলি উঠা খেলুৱৈৰ তালিকাখন চাওকচোন। জিলা, ৰাজ্যিক পৰ্যায়ত সকলোৱে দৃষ্টি আকৰ্ষণ কৰিবলৈ সক্ষম হোৱা এইসকল খেলুৱৈ এতিয়া পাহৰণিৰ গৰ্ভত। বৰ্তমান চৰকাৰে ক্ৰীড়া নীতিৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰিছে। সেইবাবে শেহতীয়াভাৱে কে'বাগৰাকী খেলুৱৈয়ে কম সময়ৰ ভিতৰতে আন্তৰ্জাতিক পৰ্যায়ত উপনীত হ'বলৈ সক্ষম হৈছে। একে সময়তে কে'বাগৰাকী খেলুৱৈয়ে অৰ্থৰ অভাৱত বিদেশত প্ৰশিক্ষণৰ সুবিধা লাভৰ পৰা বঞ্চিত হৈছে। অথচ এইসকলক লৈ কোনোৱে ব্যস্ত হোৱা নাই অথবা চৰ্চা কৰিবলৈ আগবাঢ়ি অহা নাই। অসমত ব্যৱসায় চলাই থকা কোম্পানিসমূহে খেলুৱৈসকলক চিনাক্ত কৰি অসমক ক্ৰীড়াক্ষেত্ৰত আৰু এখোপ আগুৱাই নিবলৈ সক্ষম হ'লে তেওঁলোকেও ৰাইজৰ মনত সাঁচ বহুৱাব পাৰিব। ব্যৱসায়িক ক্ষেত্ৰৰো পৰিসৰ বৃদ্ধি হ'ব আৰু এটি সুস্থ পৰিবেশৰ সৃষ্টি হ'ব।

# ৰাজহুৱা সম্পত্তিবোৰ পিকদানী কিয় কৰে?

পৰিষ্কাৰ-পৰিচ্ছন্নতাই সকলোৰে মন সুন্দৰ কৰি ৰাখে। শৰীৰো সুস্থ কৰি ৰখাত সহায় কৰে। ঘৰখনতেই হওক বা পদূলিমুখেই হওক সকলোতে পৰিষ্কাৰ হৈ থাকিলেহে প্ৰত্যেকেই সুস্বাস্থ্যৰ অধিকাৰ হ'ব পাৰে। অপৰিষ্কাৰ, লেতেৰা পৰিবেশত ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীবোৰৰ প্ৰায়ভাগেই ৰুগীয়া হয়। বিদেশত ৰাজহুৱা স্থান আদি যিমান পৰিষ্কাৰ তাৰ তুলনাত ভাৰত বহু পিছ পৰি আছে। অৱশ্যে ভাৰতীয় লোকক পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে সজাগ কৰিবলৈ পাঁচ বছৰ পূৰ্বে প্ৰধানমন্ত্ৰী মোদীয়ে আৰম্ভ কৰিছিল স্বচ্ছ ভাৰত অভিযান। প্ৰধানমন্ত্ৰীৰ আহ্বানৰ প্ৰতি সঁহাৰি আছিল আশাব্যঞ্জক। অৱশ্যে আহ্বান অথবা নিয়ম প্ৰৱৰ্তন কৰি ৰাজহুৱা স্থান পৰিষ্কাৰ কৰি ৰখাটো সম্ভৱ নহয়, যদি পৰিষ্কাৰ-পৰিচ্ছন্ন বিষয়টো প্ৰতিগৰাকী নাগৰিকৰ অন্তৰত থিতাপি নলয়। সকলোৰে অন্তৰৰে গ্ৰহণ কৰিলে প্ৰতিটো পৰিয়ালৰ পদূলিৰ লগতে ৰাজহুৱা স্থান আদিও সমানেই পৰিষ্কাৰ হ'ব। 'দেখাক দেখি উঠিল গা, কেতুৰিয়ে বোলে মোকো খা'ৰ লেখীয়া হ'লে কেইদিনমান ৰাজহুৱা স্থান পৰিষ্কাৰ কৰাৰ ঢৌ উঠিলেও পাছত সেয়া ফুটুকাৰ ফেনত পৰিণত হয়। ইয়াৰ জ্বলন্ত উদাহৰণ গুৱাহাটী মহানগৰী।

চৰকাৰ, প্ৰশাসন তথা সংশ্লিষ্ট কৰ্তৃপক্ষই গুৱাহাটী মহানগৰীক যিমানেই পৰিষ্কাৰ কৰাৰ ক্ষেত্ৰত পদক্ষেপ গ্ৰহণ নকৰক কিয় এতিয়াও প্ৰায়ভাগ লোকেই

পদপথ, পদপথৰ সমীপৰ বেৰ, বিদ্যালয়-মহাবিদ্যালয়, মন্দিৰ, মছজিদ, গির্জা, ব্যৱসায়িক প্ৰতিষ্ঠান আদিৰ সমীপত তামোলৰ পিক, চিগাৰেটৰ টুকুৰা, গুট্‌খাৰ পেকেট, পানীৰ বটল, চীপছ আদিৰ খালী পেকেট পেলায়। নিৰ্দিষ্ট স্থানত জাবৰ পেলোৱা পাত্ৰ বা ডাষ্টবিন আদি থাকিলেও সেইবোৰ পেলোৱাৰ পৰিৱৰ্তে বাহিৰতে দলিয়াই দিয়ে। এতিয়া নতুনকৈ নিৰ্মাণ কৰা, পুনৰ মেৰামতি কৰি সজাই-পৰাই তোলা পদপথ, পথ বিভাজক, জিৰণি চ'ৰা, বাছ আস্থান, ৰাজহুৱা সম্পত্তি আদিত তামোলৰ পিক পেলোৱা লোকৰ অভাৱ নাই। আগদিনা ৰং কৰা ঠাই আদিত পিছদিনা পুৱাৰে পৰাই পিকাবলৈ আৰম্ভ কৰা লোকৰ সংখ্যাই বেচি। ৰাজহুৱা শৌচাগাৰ, প্ৰস্ৰাৱগাৰ আদিৰ অৱস্থাও তথৈবচ। ৰাজহুৱা সম্পত্তি বা স্থান হ'ল বুলিয়েনো সকলোৱে নিজ ইচ্ছা মতে লেতেৰা কৰিব লাগেনে? নিজৰ ঘৰত এনে কৰে জানো? নিশ্চয় নকৰে। যেতিয়ালৈকে এইবোৰক নিজৰ সম্পত্তি বুলি নাভাবে তেতিয়ালৈকে অপৰিষ্কাৰ হৈ থাকিবই। স্বচ্ছ ভাৰতেও এইবোৰ আঁতৰ কৰিব নোৱাৰে। প্ৰথমতে মানসিকতা সলনি কৰিব লাগিব। ৰাজহুৱা সম্পত্তিত সকলোৰে সমান অধিকাৰ আছে। সমভাৱে ভোগ বা অধিকাৰ সাব্যস্ত কৰিব পাৰে। যদি সকলোৰে সমান অধিকাৰ থাকেই তেতিয়াহ'লে সমভাৱে পৰিষ্কাৰ কৰি ৰাখিব নোৱাৰে। প্ৰায়ভাগেই ভাবে আনৰ সম্পত্তি পৰিষ্কাৰ কৰি কিয় ৰাখিব লাগে বুলিও প্ৰশ্ন কৰা শুনা যায়। 'মই নকৰোঁ, কৰি কি লাভ হ'ব, আনে কৰিব' বুলি যেতিয়ালৈকে ভাবি থাকিব তেতিয়ালৈকে এই ছবিখন স্পষ্ট হৈ থাকিব।

গুৱাহাটী চহৰখনৰ প্ৰায়বোৰ ব্যস্ত আৰু জনবহুল স্থানত তামোলৰ পিকেৰে ৰঙচুৱা হৈ থাকে। কিছুমান ঠাইত খোজ দিয়াটোৱে কঠিন হৈ পৰে। দেশী-বিদেশী পৰ্যটকসকলে এইবোৰ স্থান প্ৰত্যক্ষ কৰাৰ পাছত মনত অসমীয়া লোকৰ পৰিষ্কাৰ-পৰিচ্ছন্নতা সম্পৰ্কে কেনে ভাবৰ সৃষ্টি হ'ব সেয়া আমিবোৰে কেতিয়াবা ভাবি চাইছোনে? নিজৰ ঘৰখনৰ নিচিনাকৈ ৰাজহুৱা স্থানবোৰো পৰিষ্কাৰ কৰি ৰাখিবলৈ চেষ্টা কৰা উচিত। প্ৰত্যেকে যদি এইদৰে উপলব্ধি কৰে তেতিয়াহ'লে এদিন পৃথিৱীৰ ভিতৰতে জাকত জিলিকা হৈ উঠিব গুৱাহাটী চহৰ।

# আহাৰমহীয়া ৰ'দ

আহাৰ মাহৰ ৰ'দ প্ৰখৰ। পুৱা-আবেলিৰ বাহিৰে দুপৰীয়া সময়খিনি কোনোৱে বাহিৰলৈ ওলাবলৈ ইচ্ছা নকৰে। ৰ'দত ওলাই কাম কৰিবলগীয়া হ'লেই মুখেৰে আপোনা-আপুনি ওলাই আহে— 'টীকাফটা ৰ'দত ওলাবই নোৱাৰি।' পিছে প্ৰখৰ ৰ'দ আৰু প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ মাজতো এটা শ্ৰেণীয়ে ঘৰৰ বাহিৰত কাম কৰিবলগীয়া হয়। কাৰণ এওঁলোকে প্ৰখৰ ৰ'দত পথাৰত কাম নকৰিলে আঘোণ মাহত পথাৰৰপৰা সোণগুটি চপাব নোৱাৰিব। সোণগুটিৰে ভঁৰাল ভৰ্তি হ'লেহে সকলোৱে পেটৰ ভোক গুচাবলৈ সক্ষম হ'ব।

আহাৰৰ ৰ'দ কিমান প্ৰখৰ সেয়া হয়তো নৱ প্ৰজন্মৰ বহুতেই অনুভৱ কৰিব নোৱাৰে। কাৰণ এতিয়া পুৱাৰেপৰা নিশালৈকে প্ৰায়ভাগ যুৱক-যুৱতী, ল'ৰা-ছোৱালীয়ে বেছি সময় অতিবাহিত কৰে শীত-তাপ নিয়ন্ত্ৰিত কোঠাত। আনহে নালাগে বহুতো ছাত্ৰ-ছাত্ৰীয়ে বিদ্যালয়লৈ যাওঁতেই পিতৃ-মাতৃ, অভিভাৱকে শীত-তাপ নিয়ন্ত্ৰিত বাহনত তুলি কোঠাত থৈ আহে। পুৱাৰ ৰ'দকাঁচলিয়ে এইবোৰ ছাত্ৰ-ছাত্ৰীৰ ছালখনত স্পৰ্শ কৰিব নোৱাৰে। অথচ এসময়ত এই বয়সৰ ল'ৰা-ছোৱালীয়েই পথাৰত প্ৰখৰ ৰ'দত উদং গাৰে কাম কৰিছিল। ফেন আদি নোহোৱাকৈয়ে হাতেৰে বিচনী চলাই চলাই ভাগৰি

পৰিছিল। এইসকল ল'ৰা-ছোৱালীৰ কঠোৰ পৰিশ্ৰম দেখি হয়তো কেতিয়াবা দুই-এজনৰ মন কুমলি যায়। পিছে কি হ'ব? বালিত এগিলাচ পানী ঢালি ইয়াক জীপাল কৰিব নোৱাৰি। এসময়ত গ্ৰামাঞ্চলত কাৰোবাৰ ঘৰত এখন ফেন, টেবুল ফেন আদি থকাটো আছিল গৌৰৱৰ কাৰণ। বহুতো ক্ষেত্ৰত আনকি ওচৰ-চুবুৰীয়াই বতাহত খন্তেক জিৰণি ল'বলৈ সুযোগ লাভ কৰাটো পৰম সৌভাগ্যৰ বিষয় বুলি ভাবিছিল। লাহে লাহে প্ৰায়ভাগ লোকৰ ঘৰত বিদ্যুৎ সংযোগ হ'ল। কম-বেছি পৰিমাণে চিলিং ফেন আদি উপলব্ধ হ'বলৈ ধৰিলে। আনকি বহুতে শীত-তাপ নিয়ন্ত্ৰিত কোঠাও গ্ৰামাঞ্চলতে স্থাপন কৰি লৈছে। সেইবোৰ পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে আহাৰমহীয়া ৰ'দ কোনো চিন্তাৰ বিষয় নহয়। খেতিপথাৰত কাম কৰিবলৈ নাযায়। ঘৰৰ ভিতৰতে বেচিভাগ সময় থকা বাবে বেলিৰ প্ৰখৰ কিমান সেয়া ভালদৰে অনুভৱ কৰিব নোৱাৰে।

আহাৰ মাহত আম টেঙাৰ সোৱাদ লোৱাৰ আমেজেই বেলেগ। পকা কঁঠালৰ গোন্ধ নাকত লাগিলে জিভাৰ পানী আপোনা-আপুনি ওলাই আহে। পকা আম আৰু পকা কঁঠাল খাই চোতালত জিৰণি লোৱা দিনবোৰ এতিয়া ইতিহাস হ'ল। চহৰাঞ্চলৰ কথাটো বাদেই— গ্ৰামাঞ্চলতেই নাপায় চোতাল। চোতালবোৰত এতিয়া থিয় দিছে প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা। এই অট্টালিকা অথবা কংক্ৰিটৰ ঘৰত থাকে শীত-তাপ নিয়ন্ত্ৰিত যন্ত্ৰ। আগতে গাঁওবোৰত আহাৰ মাহত প্ৰায়ভাগ লোকৰেই পদূলিৰ সন্মুখত চাং আছিল। সুন্দৰকৈ সজোৱা এই চাঙত বহি গধূলি সময়ত মলয়া বতাহৰ মৃদু টৌ অনুভৱ কৰিছিল। গাঁৱৰ ডেকা-ডেকেৰীয়ে একেলগে বহি আড্ডা মৰাৰ দিনবোৰ এতিয়া হৈ পৰিছে সাধুকথা। অৱশ্যে এতিয়া নিশা পদূলিৰ সন্মুখত চাঙত বহি মুকলি মনেৰে আড্ডা মৰাৰ পৰিবেশো নাই। কেতিয়া কি ঘটনা সংঘটিত হয় তাৰ ঠিকনা নাথাকে। এতিয়া ঘৰৰ পদূলিৰ সন্মুখতে নৃশংসভাৱে হত্যা কৰি থৈ যাওতেও বেছি সময় নালাগে। সামান্য কথাতেই সংঘটিত হয় হত্যাকাণ্ড। নহয় কোনো বিচাৰ, নোলায় হত্যাকাৰী। সেয়েহে এতিয়া সন্ধিয়া হোৱাৰ লগে লগে সকলোৱে ঘৰৰ ভিতৰতে সোমাই থাকে। প্ৰচণ্ড গৰমত ৰ'ব নোৱাৰি আগতে বহুতো লোকে ঘৰৰ বাৰাণ্ডাতে আঁঠুৱা তৰি শুইছিল।

আজি-কালি ঘৰৰ ভিতৰত বতাহ সোমাবলৈ ৰাতিৰ কথাতো বাদেই— দিনতেই দুৱাৰ-খিৰিকী মেলিব নোৱাৰা হৈছে।

এই সময়ছোৱাত উৎসৱ-পাৰ্বণ কমকৈ হয়। হয়তো প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহত উৎসৱ-পাৰ্বণত সকলোৱে একেলগে অংশ গ্ৰহণ কৰাত ব্যাঘাত জন্মিব বুলি ভাবিয়েই উৎসৱৰ আয়োজন কৰা নহয়। পথাৰত প্ৰখৰ ৰ'দত কাম কৰিলেও এই সময়ত খেতিয়কসকলে কিন্তু কেতিয়াও নকয় যে, গৰমৰ বাবে তেওঁলোকে কাম কৰিব পৰা নাই। খেতিয়কসকলে সৰুৰে পৰাই অভ্যস্ত হৈ পৰে। প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহত তেওঁলোকক নিজ কাৰ্য সম্পাদনৰপৰা আঁতৰাই ৰাখিব নোৱাৰে। তেওঁলোকে শীতল পানীয়ও নাখায় অথবা ঘৰৰ ভিতৰত বেচি সময় বহি থাকিবও নোৱাৰে। সকলোখিনি কাম সময়মতেই সম্পাদন কৰি যায়। এই লৈ নাথাকে কোনো আক্ষেপ অথবা ভ্ৰূক্ষেপ।

আহাৰ মাহৰ প্ৰচণ্ড গৰম সহ্য কৰিব নোৱাৰি সকলোৱে অপেক্ষা কৰে এজাক বৰষুণৰ বাবে। এই বৰষুণত আছে শৰীৰ শীতল কৰিব পৰা উপাদান। কেতিয়াবা সকলোৱে আকাশলৈ চাই থাকে যদিও বৰুণ দেৱতাই মেঘৰ আঁৰত লুকাই থাকে।

এই সময়ত প্ৰচণ্ড গৰম হ'লেও প্ৰকৃতি দেৱীয়েও মানুহৰ শৰীৰ প্ৰয়োজনীয় উপাদানযুক্ত ফল-মূল, শাক-পাচলি সৃষ্টি কৰে। আম, কঁঠাল, তৰমুজ, জামু, লেটেকু, লিচু আদিত প্ৰচুৰ পৰিমাণে পানী থাকে। এইবোৰ ফল খালে শৰীৰ শীতল হয়। গতিকে প্ৰচণ্ড গ্ৰীষ্মৰ মাজতো পোৱা যায় আনন্দ, বিৰক্তি আৰু আশাৰ সঞ্চাৰ। আঘোণ-পুহ মাহত যেতিয়া সোণগুটিয়ে ভঁৰাল চহকী কৰে তেতিয়া জানো কোনো কৃষকে মনত পেলায় আহাৰমহীয়া দুপৰীয়াৰ প্ৰচণ্ড গ্ৰীষ্ম প্ৰবাহৰ কথা?

# পদপথত দুচকীয়া বাহন চলোৱাৰ প্ৰতিযোগিতা

অতি ব্যস্ত পথসমূহৰ দুয়োকাষে পদপথ থাকে। এই পদপথসমূহ খোজ কাঢ়ি যোৱা লোকৰ সুৰক্ষাৰ বাবে নিৰ্মাণ কৰা হয়। বিশেষকৈ চহৰাঞ্চলত পদপথৰ খুবেই প্ৰয়োজন। অধিক ঘন জনবসতিপূৰ্ণ গুৱাহাটী মহানগৰীৰ প্ৰায়ভাগ পথতে পদপথৰ ব্যৱস্থা কৰা হৈছে। ইয়াৰে কিছুমান মৰণ ফান্দ হৈ আছে যদিও বিভাগীয় কৰ্তৃপক্ষই গুৰুত্ব প্ৰদান কৰা নাই। পদপথৰ মেনহোল অথবা ভগ্ন অংশৰে ভিতৰলৈ সোমাই গৈ বহুতো লোক আঘাতপ্ৰাপ্ত হৈছে। কেৱল সেয়াই নহয়, কিছুমানে প্ৰাণ হেৰুওৱাৰ ঘটনাও সংঘটিত হৈছে। কিছুমান পদপথৰ অংশ দেখাত ভালে থকা যেন লাগিলেও খোজ দিয়াৰ লগে লগে বিপদ ঘনীভূত হয়। অৰ্থাৎ খোজ দিয়া লোকজন হয়তো নলাৰ ভিতৰত সোমাই যায় নতুবা উজুটি খাই বহু দূৰলৈকে ছিটিকি যায়। এইবোৰ সমস্যাৰ বিষয়ে বহুতো ঠাইত ৰাইজে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিলে যদিও কোনো সুফল নাপালে।

পদপথেৰে খোজ কাঢ়ি যোৱা লোকসকলক সুৰক্ষিত হৈ গন্তব্য স্থানলৈ যাবলৈ সুযোগ দিয়া হয়। কাৰণ ৰাস্তাৰে গৈ থাকোতে যান-বাহনে কেতিয়া খুন্দিয়াই থৈ যায় তাৰ ঠিকনা নাই। পিছে এতিয়া পদপথো খোজ কঢ়াৰ বাবে সুৰক্ষিত নহয়। কাৰণ ৰাস্তাত যান-জঁটৰ সৃষ্টি হোৱাৰ লগে লগে বহুতো লোকে দুচকীয়া বাহন পদপথেৰে চলাবলৈ আৰম্ভ কৰে। উদণ্ড বাইকাৰ্ছৰ কথাটো বাদেই, বহুতো শিক্ষিত লোকেই এনে কাৰ্য কৰে। যদি কোনো লোকে এই কাৰ্যৰ বিৰোধিতা কৰে তেতিয়াহ'লে তেওঁকেই মটৰ চাইকেল, স্কুটী, স্কুটাৰ চলোৱা লোকসকলে ওলোটাই ধমকহে দিয়ে। কেতিয়াবা আনকি কথাৰ কটাকটিৰ মাজতে মাৰপিটৰ ঘটনাও সংঘটিত হয়। লক্ষণীয় বিষয় এয়ে যে এই সকলোবোৰ ঘটনা যান-বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষীৰ সন্মুখতে সংঘটিত হয়। এইক্ষেত্ৰত আৰক্ষীয়ে সদায় নিৰৱ দৰ্শকৰ ভূমিকাহে গ্ৰহণ কৰে। মানুহ যিমানেই শিক্ষিত হোৱাৰ লগতে বহিঃজগতৰ স'তে চিনাকি হৈছে সিমানেই পৌৰ নীতি-নিয়ম উলংঘা কৰিবলৈ ধৰিছে। আনকি ন্যুনতম পৌৰ জ্ঞানৰো অভাৱ ঘটিছে। সকলো জানিও নজনাৰ ভাও ধৰা লোকৰ সংখ্যাই এতিয়া অধিক। কি কাৰণে পদপথেৰে দুচকীয়া বাহন চলায় সেই কথা কোনোবাই প্ৰশ্ন কৰিলে আৰোহীসকলে ওলোটাই ধমক দিয়াৰ কিবা যুক্তি আছে জানো? পৌৰ নীতি-নিয়ম মানি চলাটো সকলো নাগৰিকৰে কৰ্তব্য। কাৰণ নীতি-নিয়ম মানি নচলিলে অৰাজকতাৰ সৃষ্টি হয়। পদপথেৰে বাহন যে চলাব নালাগে সেই কথা কাকো দোহৰাৰ প্ৰয়োজন নাই। তীব্ৰবেগী দুচকীয়া বাহন এখন যেতিয়া পদপথেৰে যায় তেতিয়া সেই পথেৰে অহা-যোৱা কৰা মানুহবোৰ ক'লৈ যাব। কাৰণ ৰাস্তাত খোজ কাঢ়িলে বিপদ হয় বুলিয়ে যদি পদপথেৰে যায় তেতিয়াহ'লে পদপথৰপৰা নামি গ'লে বিপদ ঘনীভূত নহ'বনে? নিশ্চয় হ'ব। আজিকালি ব্যস্ত অঞ্চলসমূহৰ পদপথৰ অৱস্থা উন্নত হোৱা বাবে পথত যান-জঁটৰ সৃষ্টি হ'লে পদপথত বহুতেই চলায় মটৰ চাইকেল, স্কুটী ইত্যাদি। এনে কৰিলে বিপদ সকলোৰে। পুৱা স্কুলীয়া ল'ৰা-ছোৱালীবোৰে বিদ্যালয়লৈ যায়। আবেলি ঘৰলৈ উভতি আহে। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে পদপথেৰে গৈ থাকোতেও আনকি কিছুমানে দুচকীয়া বাহন চলাই হৰ্ন বজাই গৈ থাকে। তেওঁলোকে এবাৰো নাভাবে যে এনে কৰিলে

শিশুসকলৰ বিপদ হ'ব পাৰে। দুৰ্ঘটনাত পতিত হোৱাৰ আশংকা থাকে। ৰাস্তাত যদি যান-জঁটৰ সৃষ্টি হৈছে তেতিয়াহ'লে যিমান সময় ই মুকলি হোৱালৈ অপেক্ষা কৰিব লাগে সিমান সময় অপেক্ষা কৰিলে লোকচাননো কি? পদপথেৰে মটৰ চাইকেল চলোৱা লোকসকলৰ এনে কিনো কাম আছে যে, তেওঁ গৈ নাপালে সকলো শেষ হৈ যাব, জাতি ধ্বংস হ'ব, যুদ্ধৰ যৱনিকা নপৰিব ইত্যাদি ইত্যাদি। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল এয়ে যে যিজন ব্যক্তিয়ে পদপথত দুচকীয়া বাহন চলাইছে তেওঁ আকৌ সন্তানক ইয়াৰ পিছফালে বহুৱাই নিছে। এনে পিতৃ-মাতৃ অথবা অভিভাৱকৰপৰা সন্তানে কি শিক্ষা লাভ কৰিব? সন্তানেও পাছত এনেদৰে পদপথেৰে বাহন চলাই দুৰ্ঘটনা সংঘটিত নকৰিবনে? নিশ্চয় কৰিব। সৰু সৰু কথাবোৰ সকলোৱে গুৰুত্ব দিয়া উচিত। সকলোৱে ৰাজপথ, পথ আৰু পদপথৰ বিষয়ে জানি লৈহে বাহন চলাব লাগে। তদুপৰি যিসকলে এনে নিয়ম পালন নকৰে তেওঁলোকৰ চালকৰ পঞ্জীয়ন বাতিল কৰাৰ লগতে জৰিমনা বিহিলে এনেবোৰ অনিয়ম কিছু পৰিমাণে হ'লেও প্ৰতিৰোধ হ'ব। সকলোৱে পদপথৰ পৰিৱৰ্তে পথেৰেহে বাহন চলাওক।

# বিৰোধী দলবিহীন সংসদ সংসদীয় গণতন্ত্ৰলৈ ভাবুকি

গণতান্ত্ৰিক শাসনব্যৱস্থাত দেশ এখনৰ সৰ্বাংগীণ উন্নয়নৰ ক্ষেত্ৰত শাসক দলৰ সমানেই গুৰুত্বপূৰ্ণ ভূমিকা বিৰোধী দলৰ। শাসক দলৰ দোষ-ত্ৰুটি আঁতৰাই চৰকাৰখনক সঠিক ৰূপত আগুৱাই নিয়াত বিৰোধীৰ ভূমিকা গুৰুত্বপূৰ্ণ। কেৱল সংসদ বা বিধানসভাত ধৰ্ণা দিয়া, সদন ত্যাগ কৰাটোৱে বিৰোধীৰ কাম নহয়। সংসদৰ সকলো কাম-কাজ সঠিক আৰু শুদ্ধ ৰূপত আগবাঢ়িছে নে নাই সেইবোৰ বিষয়তো বিৰোধীয়ে তীক্ষ্ণ দৃষ্টি ৰাখিব লাগে। সেইবাবে কোৱা হয় শক্তিশালী চৰকাৰতকৈ শক্তিশালী বিৰোধী দলহে সংসদীয় ব্যৱস্থাত অধিক গুৰুত্বপূৰ্ণ। পিছে ভাৰতত এইবাৰ নাথাকিব প্ৰধান বিৰোধী দল। কাৰণ বিৰোধী দলৰ যোগ্যতা লাভৰ বাবে যিমান সংখ্যাৰ প্ৰয়োজন সেয়া কোনো এটা দলেই লাভ কৰিব নোৱাৰিলে। ৭০ বছৰ শাসনৰ বাঘজৰী হাতত লোৱা কংগ্ৰেছে ক্ৰমাগতভাৱে দ্বিতীয়বাৰৰ বাবে এনে যোগ্যতা অৰ্জনৰ পৰা ব্যৰ্থ হয়। এয়া দলটোৰ বাবে চৰম বিপৰ্যয়। হয়তো কংগ্ৰেছৰ নেতৃবৰ্গই সপোনতো ভবা নাছিল এনে বিপৰ্যয়ৰ কথা। গপতে গঙাটোপ হোৱাৰ দৰে কংগ্ৰেছে বিধানসভা নিৰ্বাচনত তিনিখন ৰাজ্য দখলৰ পাছত বিজেপিৰ বিপৰ্যয় হ'ব বুলি নিশ্চিত আছিল। মোদী মেজিকৰ বাবে ২০১৪ চনত কংগ্ৰেছে বিৰোধীৰ আসনত বহিব পৰাকৈ আসন লাভ কৰিব পৰা নাছিল। বিগত পাঁচ বছৰতো কংগ্ৰেছে বিপৰ্যয়ৰ মাজেদিয়ে অতিবাহিত কৰিলে। ২০১৯ৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে কংগ্ৰেছে পুনৰ ক্ষমতা দখল কৰিব বুলি

দাবী কৰি বিভিন্ন দলৰ স'তে মিত্ৰতা কৰিছিল। কেৱল সেয়াই নহয়, কংগ্ৰেছৰ প্ৰৰোচনাতে মহাজোঁটবন্ধন গঠন হ'ল। ৰাহুল গান্ধী আৰু প্ৰিয়ংকা বাদ্ৰাৰ তীব্ৰ প্ৰচাৰেও কংগ্ৰেছৰ শেষ ৰক্ষা কৰিব নোৱাৰিলে। ৰাহুল গান্ধীয়ে ১৫১খন সভাত অংশগ্ৰহণ কৰিলেও তেওঁ প্ৰচাৰ চলোৱা সমষ্টিৰ মাত্ৰ ২১খনতহে কংগ্ৰেছ জয়ী হয়। কেৱল পৰিয়ালকেন্দ্ৰিক ৰাজনীতিত ব্যস্ত হোৱা কংগ্ৰেছৰ পৰিয়ালৰাজে ভোটাৰ ৰাইজক আমুৱালে। অতিষ্ঠ ভোটাৰে আনকি বিৰোধীৰ আসনত বহিব পৰাকৈও কংগ্ৰেছ প্ৰাৰ্থীক নিৰ্বাচিত নকৰিলে। আন দলেও এনে আসনৰ সংখ্যা লাভ কৰিব নোৱাৰাটো চিন্তনীয় বিষয়। সমগ্ৰ বিশ্বতেই আজি এই বিষয়টো চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰিছে।

ভাৰতৰ দৰে বিশাল দেশ এখনত শক্তিশালী বিৰোধীৰ প্ৰয়োজন। কাৰণ বিৰোধী দল নাথাকিলে চৰকাৰ এখন হঠাৎ স্বেচ্ছাচাৰী হোৱাৰ আশংকাও নুই কৰিব নোৱাৰি। অৱশ্যে মোদী প্ৰধানমন্ত্ৰী হৈ থকালৈকে এনে হোৱাৰ আশংকা নাই। চৰকাৰৰ দোষ-ত্ৰুটি তথা একপক্ষীয়ভাৱে যাতে কোনো বৃহত্তৰ ৰাইজৰ স্বাৰ্থৰ পৰিপন্থী সিদ্ধান্ত গ্ৰহণ কৰিব নোৱাৰে সেইক্ষেত্ৰত অধিক সতৰ্ক হৈ থাকিবলৈ বিৰোধীৰ ভূমিকা গুৰুত্বপূৰ্ণ। ভাৰতীয় সংসদৰ ইতিহাসত উপৰ্যুপৰি দ্বিতীয়বাৰৰ বাবে বিৰোধী শূন্য হোৱাটো সঁচাকৈয়ে চিন্তনীয় বিষয়। বিৰোধীয়ে উপযুক্ত মৰ্যাদা পাবলৈ হ'লে এগৰাকী শক্তিশালী নেতাৰো প্ৰয়োজন। বিগত পাঁচ বছৰত শক্তিশালী নেতাৰ বাৰুকৈয়ে অভাৱ ঘটিছে। এই ছবিখনে ভৱিষ্যতে ভাৰতীয় সংসদীয় শক্তিশালী ব্যৱস্থাটোৰ দুৰ্বল হোৱাৰ ইংগিত বহন কৰা নাইতো? এনে হোৱাটোৱে এটা কথা স্পষ্ট কৰিছে যে অতিসম্প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ কৌশল আৰু সাহসক বাধা দিব পৰা শক্তি কাৰোৱেই নাই। কংগ্ৰেছকে আদি কৰি প্ৰায়ভাগ দলেই এতিয়া কেৱল মোদী আতংকত ত্ৰস্তমান। এগৰাকী ব্যক্তি বনাম ভাৰতৰ ৰাষ্ট্ৰীয় দলসমূহৰ মাজত যদি নিৰ্বাচনী যুঁজ আবদ্ধ হৈ থাকে তেতিয়াহ'লে অহা ১০ বছৰতো সংসদত বিৰোধী দলৰ মৰ্যাদা কোনো দলেই লাভ কৰিব নোৱাৰিব। চৰকাৰৰ কাম-কাজ উপযুক্তভাৱে নোহোৱা, আঁচনি ৰূপায়ণত সংঘটিত ভ্ৰষ্টাচাৰ, প্ৰতিশ্ৰুতি পূৰণ কৰিছে নে নাই সেইবোৰ বিষয় ভোটাৰৰ মাজত উপস্থাপন কৰিব নোৱাৰিলে সদন বিৰোধী শূন্য হৈয়ে ৰ'ব।

# ‘আধুনিক চাণক্য’ কিয় অপ্ৰতিৰোধ্য

সকলোৰে মনত বিগত কেইদিনমান ধৰি বিভিন্ন প্ৰশ্নই খুন্দিয়াই আছে— নৰেন্দ্ৰ মোদীয়ে কি যাদুৰে সকলো অভিলেখ ভংগ কৰি দ্বিতীয়বাৰৰ বাবে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিলে? এন ডি এৰ কথাটো বাদেই বিজেপিয়েই অকলে ৩০৩খন আসন লাভ কৰিলে কেনেকৈ? এন ডি এৰ বৃহৎ সাফল্যৰ আঁৰৰ মন্ত্ৰ কি? এই সকলোবোৰ প্ৰশ্নৰ উত্তৰ মাথোঁ এটাই— মোদীৰ সুপৰিকল্পনা আৰু ইয়াক উপযুক্তভাৱে বাস্তৱ ৰূপ দিয়াটো। চাহ বিক্ৰী কৰা নৰেন্দ্ৰ মোদীয়ে ১৩০ কোটি লোকৰ মন জয় কৰিব পৰাৰ আঁৰত আছে আত্মবিশ্বাস। মাত্ৰ পাঁচ বছৰতে ভাৰতবৰ্ষক বিশ্বৰ অন্যতম শক্তিশালী ৰাষ্ট্ৰ হিচাপে প্ৰতিষ্ঠা কৰিবলৈ সক্ষম হোৱা মোদীৰ ওপৰত দেশবাসীয়ে দ্বিতীয়বাৰৰ বাবে গুৰু দায়িত্ব অৰ্পণ কৰিলে। ‘সকলোৰে সমবিকাশ’ মূলমন্ত্ৰৰে পাঁচ বছৰ পূৰ্বে দায়িত্বভাৰ গ্ৰহণ কৰা মোদীয়ে দেশখনক সন্মুখৰপৰাই নেতৃত্ব দিব পৰা ক্ষমতা থকা বাবে আজি মোদীময় হৈ পৰিছে ভাৰতবৰ্ষ। কেৱল ভাৰততেই নহয়, সমগ্ৰ বিশ্বতে আজি এটাই নাম সৰ্বাধিক চৰ্চা হৈছে— নৰেন্দ্ৰ মোদী। মোদীৰ ব্যক্তিত্ব, কূটনীতি, বৈদেশিক নীতিৰ লগতে সকলো জাতি-ধৰ্মৰ প্ৰতি থকা সম-মনোভাবৰ বাবে আজি তেওঁ অপ্ৰতিদ্বন্দ্বী নেতা। কেৱল ভাৰতৰেই নহয় সমগ্ৰ বিশ্বৰে দৃষ্টি এতিয়া এইগৰাকী নেতাৰ ওপৰতে নিবদ্ধ।

এসময়ত বিজেপি মানে সাম্প্ৰদায়িক দল বুলি কংগ্ৰেছৰ লগতে বাঁও দলসমূহে অপব্যাখ্যা কৰিছিল। এই দলসমূহে সমগ্ৰ ভাৰততে ভোটাৰ ৰাইজৰ মাজত এইবুলি প্ৰচাৰ চলাইছিল যে বিজেপি ক্ষমতালৈ আহিলে মুছলমানসকলৰ ওপৰত অত্যাচাৰ চলিব, সাম্প্ৰদায়িক সংঘৰ্ষ হ’ব, সকলো অধিকাৰৰপৰা বঞ্চিত হ’ব সংখ্যালঘুসকল। বিজেপিক সাম্প্ৰদায়িক দল হিচাপে আখ্যা দি অপব্যাখ্যা তথা অপপ্ৰচাৰ চলোৱা প্ৰবক্তাসকলে সংখ্যালঘু

ৰাইজৰ মাজত বিদ্বেষৰ সৃষ্টি কৰিছিল। পিছে নৰেন্দ্ৰ মোদীয়ে প্ৰথমবাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ কৰাৰ পাছৰে পৰাই দৃশ্যপট সলনি হ'ল। অৱশ্যে ইয়াৰ পূৰ্বে বিজেপিৰ পিতামহ অটল বিহাৰী বাজপেয়ী আৰু অতন্দ্ৰ প্ৰহৰী লালকৃষ্ণ আদৱানীয়েও সংখ্যালঘু ৰাইজৰ মন জয় কৰিবলৈ সক্ষম হৈছিল এক ইতিবাচক চিন্তাৰে। বাজপেয়ী-আদৱানীয়ে ৰুই যোৱা ফুলগছডালত সাৰ-পানী যোগাই মোদীয়ে এনে এখনি ফুলনিৰ সৃষ্টি কৰিলে য'ত কেৱল বিকাশৰ ৰাজনীতিহে চলে। স্থান নাই ধৰ্ম ৰাজনীতিৰ। এই ফুলনিখনত নাই সাম্প্ৰদায়িকতাৰ স্থান। এক ৰাষ্ট্ৰ এক জাতিৰ সূতাৰে গঁথা মালাধাৰিতে আছে হিন্দু, মুছলমান, খ্ৰীষ্টান, শিখ, জৈন আৰু কত যে ধৰ্মাৱলম্বী লোক।

দুৰ্নীতিৰ বিৰুদ্ধে মোদীয়ে আৰম্ভ কৰা ৰণত পৰিল দুৰ্নীতিপৰায়ণ নেতা-বিষয়া-কৰ্মচাৰী। দুৰ্নীতিমুক্ত ভাৰত গঢ়াৰ সংকল্প লোৱা মোদীয়ে বিগত পাঁচ বছৰত বিৰোধী দলত বিজেপি নেতৃত্বাধীন চৰকাৰখনৰ কোনো মন্ত্ৰী-সাংসদৰ বিৰুদ্ধে দুৰ্নীতিৰ অভিযোগ উত্থাপনৰ সুযোগ নিদিলে। কাৰণ এতিয়ালৈকে মোদী দুৰ্নীতিমুক্ত। অৱশ্যে তেওঁৰ বিৰুদ্ধে নিৰ্বাচনৰ পূৰ্বে যি ৰাফেল যুদ্ধ বিমান কেলেংকাৰীৰ অভিযোগ কংগ্ৰেছে উত্থাপন কৰিছিল সেয়া কাৰ্যতঃ ফুটুকাৰ ফেনতহে পৰিণত হ'ল। ৰাফেল প্ৰসংগই কোনো ভোটাৰকে স্পৰ্শ কৰিব নোৱাৰিলে। বৰং ৰাহুল গান্ধীৰ প্ৰচাৰ বুমেৰাংহে হ'ল। নিৰ্বাচনৰ সময়ত মোদীয়ে প্ৰতিটো বিষয়তে নিজৰ স্থিতি স্পষ্ট কৰিছিল। মোদীয়ে আনকি ৰাফেলতকৈ ভাৰতীয় সেনাক অধিক শক্তিশালী কৰাতহে গুৰুত্ব দিছিল। কাশ্মীৰৰ পুলৱামা-কাণ্ডৰ প্ৰতিশোধকল্পে পাকিস্তানৰ বালাকোটত বায়ুসেনাৰ দ্বাৰা চাৰ্জিকেল ষ্ট্ৰাইক কৰাই প্ৰমাণ কৰি দিছিল ভাৰতৰ শক্তি। মোদীৰ এই শক্তিশালী স্থিতি আৰু পদক্ষেপৰ আগত ৰাহুলৰ ৰাফেল চুক্তি বিতৰ্কই তিষ্ঠিবই নোৱাৰিলে। ভাৰতীয়ৰ সন্মান ৰক্ষাৰ বাবে যিকোনো পদক্ষেপ ল'বলৈ তেওঁ কুণ্ঠাবোধ নকৰা বাবে আজি চৌদিশে কেৱল এটাই শব্দ— মোদী, মোদী।

বিৰোধীক কি অস্ত্ৰৰে বশ কৰিব লাগে সেয়া মোদীয়ে ভালদৰে জানে। বিৰোধীৰ দুৰ্বল স্থানত আঘাত কৰাৰ কৌশল মোদীৰ আছে। এইবাৰ নিৰ্বাচনত যি কৌশলেৰে বিজেপিয়ে প্ৰচাৰ চলালে তাৰ ভু-কেই নাপালে কংগ্ৰেছৰ লগতে আন দলসমূহে। আনকি মহাজোঁটবন্ধন কৰিও বিৰোধী দলসমূহে মোদীৰ

অশ্বমেধৰ ঘোঁৰা প্ৰতিহত কৰিব নোৱাৰিলে। আনকি ৭০ বছৰ দেশ শাসন কৰা কংগ্ৰেছে বিৰোধীৰ আসনত বহিবলৈকে সক্ষম নহ'ল। ভাৰতৰ নিৰ্বাচনৰ ইতিহাসত কংগ্ৰেছৰ বাবে ইয়াতকৈ চৰম বিপৰ্যয় কেতিয়াও হোৱা নাই। যাৰ বাবে আজি কংগ্ৰেছৰ অন্তঃমহলতে বিদ্ৰোহৰ সৃষ্টি হৈছে। কংগ্ৰেছে বিগত নিৰ্বাচনত আন সকলো ইছ্যু বাদ দি কেৱল মোদীৰ বিৰুদ্ধেহে প্ৰচাৰ চলালে, যিটো কংগ্ৰেছৰ সমৰ্থকৰ বাবেও গ্ৰহণযোগ্য হোৱা নাছিল। প্ৰধানমন্ত্ৰী এগৰাকীক 'চকীদাৰ চোৰ' বুলি কৈ ৰাহুল গান্ধীয়ে আত্মতুষ্টি লাভ কৰিলেও ভোটাৰ ৰাইজে ইয়াক সমৰ্থন নকৰিলে। কাৰণ প্ৰধানমন্ত্ৰী পদত কোন আছে সেয়া ডাঙৰ কথা নহয়, কিন্তু দেশৰ সবাটোকৈ শক্তিশালী পদটোক এনেদৰে 'চোৰ' বুলি অপমান কৰাটোহে লজ্জাজনক বিষয়। মোদীক গালি দিয়ক কথা নাই, কিন্তু প্ৰধানমন্ত্ৰী পদটোক তাচ্ছিল্য কৰাটো বহুতো কংগ্ৰেছী সমৰ্থকেও ৰাহুৰ সংগ নিদিলে। মোদীয়ে ৰাহুৰ বিৰুদ্ধে কেতিয়াও অপমানমূলক মন্তব্য আগবঢ়োৱা নাই।

প্ৰধানমন্ত্ৰী মোদী হ'ল আধুনিক চাণক্য। কাৰো অপকাৰ নকৰাকৈ কৌশলেৰে শত্ৰুপক্ষক পৰাজিত কৰাটোৱে তেওঁৰ লক্ষ্য। দেশক আগুৱাই নিয়াৰ ক্ষেত্ৰত মন্ত্ৰ এটাই। শ্ল'গানো একেই— 'সব কা সাথ, সব কা বিকাশ।' দেশ এখন শক্তিশালী হ'বলৈ ইয়াৰ বুনিয়াদো শক্তিশালী হ'ব লাগিব। তাৰ বাবে প্ৰয়োজন সমবিকাশ। এটা সম্প্ৰদায় অথবা কোনো এটা অঞ্চল পিছপৰি তথা অনগ্ৰসৰ হৈ থাকিলে দেশৰ দ্ৰুত উন্নয়ন অসম্ভৱ। তদুপৰি দেশ এখনৰ নাগৰিকসকলৰ স্বাস্থ্যৰ উন্নতিৰ লগতে প্ৰদূষণমুক্ত ৰাষ্ট্ৰ এখন উপহাৰ দিবলৈ সকলোৱে পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিব লাগিব। সেইবাবে মোদীয়ে আৰম্ভ কৰা স্বচ্ছ ভাৰত অভিযানে সকলোকে সামৰি ল'লে। স্বতঃস্ফূৰ্তভাৱে দেশৰ নাগৰিকসকলে স্বচ্ছ অভিযানত অংশ লৈ প্ৰতিটো অঞ্চল পৰিষ্কাৰ কৰিলে। মোদীৰ বিজয় অপ্ৰতিৰোধ্য হোৱাৰ ক্ষেত্ৰত যিবোৰ উপাদানে সহায় কৰিলে তাৰ ভিতৰত এইটোও অন্যতম। সৰু সৰু কামবোৰত বৃহৎ ফলাফল লাভ কৰা মোদীয়ে কেৱল উপদেশ দিয়ে ক্ষান্ত থকা নাই, নিজেও হাতে-কামে লাগিছে। গতিকে মোদীৰ গতি কিয় থমকি ৰ'ব? নৱ প্ৰজন্মও আগ বাঢ়ি আহিছে মোদীৰ পক্ষত। সেয়েহে ২০২৪তো মোদীৰ বিজয় ধ্বজা কোনোৱে ৰুধিব নোৱাৰিব। সেইবাবেই মোদী হ'ল আধুনিক চাণক্য।

# ভাৰত-পাকিস্তানৰ খেলৰ উত্তেজনাৰ আঁৰত

ভাৰত-পাকিস্তানৰ মাজত ক্রিকেট খেল মানেই উত্তেজনা। দুয়োখন দেশৰ মাজত অনুষ্ঠিত মেচসমূহৰ পূৰ্বে যিমান চৰ্চা তথা উত্তেজনাৰ সৃষ্টি হয় সেয়া ক্রিকেট ইতিহাসত বিৰল বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। আগতে 'এছেজ' শৃংখলাত অষ্ট্রেলিয়া-ইংলেণ্ডৰ মাজত যি চৰ্চা হৈছিল ১৯৪৭ৰ পাছত তাতোকৈ বেছি চৰ্চা লাভ কৰিছে ভাৰত-পাকিস্তানৰ ক্রিকেট খেলে। দুয়োখন দেশৰ ক্রিকেট অনুৰাগীয়ে যে কেৱল ক্রিকেট খেলবিধ ভাল পোৱা বাবে উত্তেজিত হয় সেয়া প্রকৃত কাৰণ নহয়। ইয়াৰ আঁৰত আছে বহুতো কাৰণ। দুয়োখন দেশৰ ৰাজনৈতিক স্তৰত নাগৰিকসকলৰ মাজত থকা বিদ্বেষ ভাবেই উত্তেজনাৰ অন্যতম কাৰণ। ১৯৪৭ চনৰ ১৫ আগষ্টত যেতিয়া ভাৰতবৰ্ষ দ্বিখণ্ডিত হৈ ভাৰত-পাকিস্তানৰ জন্ম হয়, তেতিয়াৰে পৰাই ৰাজনৈতিকভাৱে দুয়োখন দেশৰ নাগৰিকৰ মাজত সৃষ্টি কৰা হ'ল ঘৃণা, বিদ্বেষৰ ভাব। ইয়াত আন্তৰ্জাতিক কাৰক কিছুমানেও ভূমিকা গ্রহণ নকৰা নহয়।

২০১৯ চনৰ ১৬ জুনত মানচেষ্টাৰত চিৰবৈৰী পাকিস্তানৰ বিৰুদ্ধে বিশ্বকাপৰ এখন খেলত অংশগ্ৰহণ কৰিব ভাৰতে। বিশ্বকাপৰ সূচী এবছৰ পূৰ্বে নিৰ্ধাৰণ কৰা হয়। সেই অনুসৰি কোনে, কেতিয়া, কাৰ বিৰুদ্ধে খেলিব তাৰ ছবিখন স্পষ্ট হৈ পৰে। সেই অনুসৰি সকলোৱে অংশগ্ৰহণ কৰিবলগীয়া দেশসমূহে প্ৰস্তুতিপৰ্ব আৰম্ভ কৰে। তদুপৰি দেশসমূহৰ অধিনায়ক তথা প্ৰশিক্ষক, খেলুৱৈয়ে প্ৰতিপক্ষৰ বিৰুদ্ধে আৰম্ভ কৰে বাক্‌যুদ্ধ বা স্নায়ু চাপ। এনে আক্ৰমণ যিমানেই গভীৰ হয় সিমানেই সমৰ্থকৰ বাবে উপভোগ্য হৈ পৰে বিষয়টো। ১৬ জুনৰ ভাৰত-পাকিস্তানৰ মেচখনক লৈও ইতিমধ্যে চৰ্চা লাভ কৰিছে। ইয়াৰ মাজতে কাশ্মীৰৰ পুলৱামাত ভাৰতীয় সেনাৰ ওপৰত সন্ত্ৰাসবাদীয়ে কৰা আক্ৰমণৰ ঘটনাৰ পাছত এই মেচখন অনুষ্ঠিত হ'ব নে নহয় তাক লৈ অধিক চৰ্চা হৈছিল। অধিকাংশ ভাৰতীয় লোকে পাকিস্তানৰ বিৰুদ্ধে বিশ্বকাপত অংশগ্ৰহণ নকৰিবলৈ দাবী উত্থাপন কৰাৰ পাছতে বিষয়টো ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদ (আইচিচি)ত উত্থাপন কৰে। অৱশ্যে আইচিচিয়ে পূৰ্বৰ সূচীমতেই দুয়োখন দেশৰ মাজত খেলখন অনুষ্ঠিত হ'বই বুলি ঘোষণা কৰাত কিছু পৰিমাণে বিষয়টোৱে শাম কাটে। পুলৱামা-কাণ্ডৰ পাছত ভাৰতীয় বায়ু সেনাই বালাকোটত যুদ্ধ বিমানেৰে আক্ৰমণ কৰাৰ পাছত ভাৰতীয় সমৰ্থকসকলৰ মনটোও কিছু পৰিমাণে শান্ত হ'ল। তদুপৰি ভাৰতে আন্তৰ্জাতিক ক্ৰিকেট পৰিষদৰ আহ্বানক আওকান নকৰি মেগা প্ৰতিযোগিতাখনি সুকলমে অনুষ্ঠিত কৰাৰ প্ৰতি সঁহাৰি জনালে। প্ৰাক্তন ক্ৰিকেটাৰসকলেও এইবুলি যুক্তি আগবঢ়ালে যে ভাৰতে পাকিস্তানৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা নকৰি মেচখনৰ সম্পূৰ্ণ পইণ্ট এৰি দিয়াতকৈ দেশখনক পৰাস্ত কৰি যোগ্য প্ৰত্যুত্তৰ দিয়া উচিত। তেতিয়া পাকিস্তানে বুজি পাব যে দেশখন কেৱল ৰাজনৈতিক, কূটনৈতিক ক্ষেত্ৰতেই ভাৰতৰ বিৰুদ্ধে পৰাস্ত হোৱা নাই, ক্ৰীড়াংগনতো ভাৰতক পৰাজিত কৰাটো অসম্ভৱ। বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত দুয়োখন দেশে ১১ বাৰ (৫০ অভাৰত ৬ বাৰ আৰু ২০ অভাৰত ৫ বাৰ) মুখামুখি হৈছে। উল্লেখ্য যে আটাইকেইখন খেলতে ভাৰতে বীৰদৰ্পে বিজয়ী হ'বলৈ সক্ষম হৈছে। এইখিনিতে উল্লেখ কৰিব লাগিব ১৯৯৯ চনত কাৰ্গিল যুদ্ধৰ সময়তে ইংলণ্ডত অনুষ্ঠিত বিশ্বকাপৰ

মেচখনতো পাকিস্তান শোচনীয় পৰাস্ত হৈছিল। কাৰ্গিল যুদ্ধত পাক সেনাৰ পৰাজয় আৰু বিশ্বকাপত দেশখনে ভাৰতৰ বিৰুদ্ধে খোপনি পুতিবলৈ সক্ষম নোহোৱাটো আছিল ৰাছিম আক্ৰাম বাহিনীৰ বাবে মচিব নোৱাৰা অধ্যায়।

ভাৰত-পাকিস্তানৰ খেলত দুয়োখন দেশৰ সমৰ্থকৰ উত্তেজনা বৃদ্ধিৰ ক্ষেত্ৰত মেচ সম্প্ৰচাৰ কৰা টিভি চেনেলৰো ভূমিকা থাকে। কাৰণ এখন মেচ সম্প্ৰচাৰ কৰিয়েই কোটি কোটি উপাৰ্জন কৰিব পাৰে। ২০১৫ৰ বিশ্বকাপৰ দুয়োখন দেশৰ মেচখন কমেও ২৮৮ নিযুত দৰ্শকে উপভোগ কৰিছিল। এয়া আছিল এক অভিলেখ। সেইবাবে টিভি চেনেলবোৰেও বহু দিন আগৰে পৰাই প্ৰচাৰ অভিযান আৰম্ভ কৰে। ২০১৯ৰ মেচখনক লৈও ইতিমধ্যে প্ৰচাৰ তীব্ৰতৰ কৰিছে।

আইচিচিৰ যিকোনো প্ৰতিযোগিতাত ভাৰত-পাকিস্তানে অংশগ্ৰহণ কৰাটো বিচাৰে ক্ৰিকেটৰ সৰ্বোচ্চ নীতি নিৰ্ধাৰণকাৰী পৰিষদখনে। প্ৰতিযোগিতাৰ ফাইনেলপৰ্যন্ত দুয়োখন দেশৰ আশা বৰ্তি থাকিলে উদ্যোক্তাসকলো বিভিন্ন ধৰণে লাভান্বিত হয়। বিশেষকৈ দৰ্শকে ষ্টেডিয়ামত ভিৰ কৰেহি। তদুপৰি আৰ্থিক ক্ষেত্ৰতো আইচিচিৰ লাভৰ পৰিমাণ বৃদ্ধি পায়। সেইবাবে যিকোনো প্ৰকাৰে বিশ্বকাপত ভাৰত-পাকিস্তানৰ মাজত মেচ এখন অনুষ্ঠিত হোৱাটো সকলোৱে বিচাৰে।

# আমাক আৰু এগৰাকী মাদাৰ টেৰেছাৰ প্ৰয়োজন

সাম্প্ৰতিক পৰিস্থিতিত আমাৰ সমাজখনক আৰু এগৰাকী মাদাৰ টেৰেছাৰ প্ৰয়োজন। কাৰণ অশান্তজৰ্জৰ সমাজখনে শুদ্ধ আৰু সঠিক পথেৰে আগুৱাই যাবলৈ হ'লে এনে এগৰাকী মহীয়সীৰ প্ৰয়োজন। কাৰণ হাঁহিৰে শান্তি আনিবলৈ মাদাৰ টেৰেছাৰ বাণীকেই সকলোৱে সৰোগত কৰিব লাগিব। বিশ্ববাসীৰ মাজত শান্তিৰ বাণী বিলাবলৈ তেওঁ কৈছিল— 'এটা মিচিকিয়া হাঁহিৰেই আৰম্ভ হয় শান্তি।' পৃথিৱীৰ য'তেই নাথাকা কিয় তাৰেই সকলোকে ভাল পাবলৈ শিকা। কিয়নো ভাল পাবলৈ শিকিলেহে বিশ্বত শান্তি প্ৰতিষ্ঠা হ'ব। সকলোৱে সুখেৰে থাকিব পাৰিব। সেইবাবে তেওঁ কৈছিল— 'তুমি য'লৈকে যোৱা সকলোকে ভাল পাবলৈ শিকা। কোনো এজন ব্যক্তিকেই অসুখী কৰি এৰি নাহিবা।' মাত্ৰ ১২ বছৰ বয়সতে ঈশ্বৰৰ প্ৰতি নিজকে আত্মোসৰ্গ কৰি জীৱনটো প্ৰভু যীশুৰ বাণী প্ৰচাৰ কৰিবলৈ কঠোৰ সিদ্ধান্ত গ্ৰহণ কৰে। ১৮ বছৰ বয়সত মেচিড'নিয়াৰ স্কোপজেৰ মৰমৰ ঘৰখন এৰি শান্তিৰ বাণী বিলাবলৈ ওলাই আহে। ১৯৩১ৰ ২৪ মে'ত তেওঁ ভাৰতলৈ আহে এগৰাকী নান হিচাপে। কলকাতাৰ চেইণ্ট মেৰীজ হাইস্কুলত এগৰাকী শিক্ষয়িত্ৰী হিচাপে সেৱা আগবঢ়ায়। পিছে বিদ্যালয়ৰ চাৰিবেৰৰ বাহিৰত থকা বুভুক্ষ লোকৰ ছবিখন দেখি টেৰেছাৰ মনটোৱে কান্দি উঠিছিল। তেওঁ শিক্ষাৰ্থীক পাঠদান কৰিলেও মনটো আছিল কলকাতাৰ বস্তি অঞ্চলৰ

লোকসকলৰ মাজত। এই লোকসকলক মৰমেৰে আঁকোৱালি লৈ সকলোৰে মাজত ভ্ৰাতৃত্ববোধৰ এনাজৰীডাল সুদৃঢ় কৰিবলৈ তেওঁ দৃঢ় সংকল্পবদ্ধ হ'ল। সেইবাবে উচ্চতম কৰ্তৃপক্ষ তথা জ্যেষ্ঠজনৰ পৰামৰ্শ লৈ ১৯৫০ৰ অক্টোবৰত তেওঁ আৰম্ভ কৰে 'দ্য মিছনেৰীজ অৱ চেৰীটি'। এই ন্যাসটোৱে অসহায় লোকসকলক মৰমেৰে জীয়াই ৰখাৰ অনুপ্ৰেৰণা যোগোৱাৰ লগতে একেলগে ৰাখিবলৈ এটা গৃহ নিৰ্মাণ কৰে। ১৯৬৫ চনত পোপ পল ষষ্ঠৰ পৰা ইয়ে আন্তৰ্জাতিক ধৰ্মীয় পৰিয়ালৰ স্বীকৃতি লাভ কৰিবলৈ সক্ষম হ'ল। ইয়াৰ পাছৰেপৰা এই অনুষ্ঠানটোৱে আন্তৰ্জাতিক পৰ্যায়ত প্ৰায়ভাগ দেশতে কাম কৰিবলৈ আৰম্ভ কৰে। বিশ্বৰ বিভিন্ন দেশৰ অসহায় লোকসকলক সহায় কৰিবলৈ আনকি ছোভিয়েট ইউনিয়নলৈকে ঢাপলি মেলে।

মাদাৰ টেৰেছা আছিল বিশ্ব নাগৰিক। সেইবাবেই ১৯৭৯ চনত তেওঁ লাভ কৰিছিল শান্তিৰ ন'বেল পুৰস্কাৰ। জীৱনৰ বিয়লি বেলালৈকে এইগৰাকী মহিলাই প্ৰতিটো ক্ষণতে কেৱল শান্তিৰ বাবে কাম কৰিছিল। শান্তিৰ বাণী বিলাই ভাগৰি নপৰা মানৱ দৰদী মহিলাগৰাকীয়ে সকলোকে ভ্ৰাতৃত্ববোধেৰে শান্তি বিলাবলৈ সকলোকে আহ্বান জনাইছিল।

যুদ্ধৰ বিৰুদ্ধে যুঁজ দিয়া মাদাৰ টেৰেছাক তেওঁৰ সহজ-সৰল মন তথা মানৱ প্ৰেমৰ বাবে সকলোৱে ভাল পাইছিল। প্ৰতিটো ধৰ্মৰ লোকে তেওঁক সমানেই ভাল পোৱাৰ মূলতে হ'ল মানুহৰ মাজত বিলোৱা শান্তিৰ বাণী। আমাৰ সমাজতো প্ৰতিগৰাকী ব্যক্তিয়ে যদি এইগৰাকী মহিলাৰ আদৰ্শ অনুসৰণ কৰে তেনেহ'লে আজি পাৰমাণৱিক, আণৱিক যুদ্ধৰ আখৰা নচলিলহেঁতেন। হত্যা, বলাৎকাৰ, হিংসা, বিদ্বেষ, সন্ত্ৰাসবাদ আদি মষিমূৰ কৰিবলৈ তেওঁৰ আদৰ্শ সকলোৱে অনুসৰণ কৰিবই লাগিব। সকলোৱে মাৰ বান্ধি থিয় দিলে নিশ্চয় বিশ্ব শান্তি প্ৰতিষ্ঠা হ'ব। বিশ্ব নাগৰিকেই প্ৰতিষ্ঠা কৰিব লাগিব বিশ্ব নাগৰিক। নৱ-প্ৰজন্মৰ মাজত মাদাৰ টেৰেছাৰ বাণী প্ৰচাৰ কৰি তেওঁৰ আদৰ্শৰে আগবাঢ়ি যাবলৈ উদ্‌গনি দিব লাগিব। এখনি সুন্দৰ পৃথিৱী ভৱিষ্যতে গঢ়িবলৈ এনে আদৰ্শ সকলোৱে গ্ৰহণ কৰিবই লাগিব। আজি ভাৰতবাসীয়ে গৌৰৱ অৰ্জন কৰিব পাৰিছে 'শান্তিৰ দেৱী' মাদাৰ টেৰেছাক লৈ। এই গৌৰৱ সদায় সোণোৱালী আখৰেৰে লিখা থাকক।

# কেদাৰনাথত প্ৰধানমন্ত্ৰীৰ ধ্যান আৰু প্ৰাসংগিক চিন্তা

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে যোৱা ১৮ মে'ত কেদাৰনাথৰ এটি গুহাত ধ্যানত বহাক লৈ সমগ্ৰ বিশ্বতে চৰ্চা হ'ল। প্ৰধানমন্ত্ৰী এগৰাকীয়ে কিয় ধ্যানত বহিল। সিও লোকসভা নিৰ্বাচনৰ অন্তিম পৰ্যায়ৰ ভোটগ্ৰহণৰ মাত্ৰ এদিন পূৰ্বে। প্ৰধানমন্ত্ৰী মোদীয়ে এই কাৰ্য কিয় কৰিলে? বিজেপিৰ বিজয়ৰ বাবে নে মনৰ প্ৰশান্তিৰ হেতু? সকলোৰে মনত বিভিন্ন প্ৰশ্নই ভুমুকি মাৰিলেও এটা কথা ঠিক যে, মোদীয়ে যি কৰিছে সেয়া মন প্ৰশান্তিৰ এক অংশহে মাথোঁ। প্ৰতিগৰাকী ব্যক্তিয়ে শৰীৰ-মনৰ মাজত ভাৰসাম্য ৰক্ষাৰ লগতে ভগৱানৰ স'তে একাত্ম হ'ব বিচাৰে। কাৰণ সৃষ্টিৰ আশীৰ্বাদ অবিহনে কোনোৱে মোক্ষ লাভ কৰিব নোৱাৰে। প্ৰধানমন্ত্ৰী হ'লেও মোদী তেজ-মঙহেৰে মানুহ। গতিকে তেওঁ মনৰ শান্তিৰ বাবে ধ্যান কৰাটো তেনেই সাধাৰণ কথা। ধ্যান মানৱ জীৱনত কিমান অপৰিহাৰ্য সেই কথাকে প্ৰমাণ কৰিলে। কৰ্মব্যস্ত জীৱনটো যাতে মূল লক্ষ্যৰপৰা আঁতৰি নাযায় তাৰ বাবে সতৰ্ক মোদী। ধ্যানে আধ্যাত্মিক জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ লগতে বুদ্ধিমত্তাৰ ক্ষেত্ৰতো এনে এক শক্তি দিয়ে যাৰ দ্বাৰা সমগ্ৰ বিশ্ব পৰিচালিত কৰিব পাৰে।

মোদীৰ হিমালয়ত এয়া প্ৰথম ধ্যান নহয়। প্ৰধানমন্ত্ৰী নহওঁতেও যেতিয়া আৰএছএছৰ কৰ্মকৰ্তা হিচাপে কাম কৰিছিল, তেতিয়াও নিৰ্দিষ্ট সময়ৰ ব্যৱধানত ধ্যানত মগ্ন হৈছিল। তেতিয়া যেনিবা প্ৰচাৰ মাধ্যমে ঢুকি পোৱা নাছিল। অথবা প্ৰচাৰ মাধ্যমৰ আঁৰত থাকিয়েই এই কাৰ্য সম্পাদন কৰিছিল। তেতিয়া মোদী কোন তাক লৈয়ো প্ৰচাৰ মাধ্যম ব্যস্ত নাছিল। বিষয়টো

সকলোৰে দৃষ্টিগোচৰ হয় যেতিয়া প্ৰথমবাৰৰ বাবে গুজৰাটৰ মুখ্যমন্ত্ৰীৰ আসনত অধিষ্ঠিত হয়। প্ৰথমবাৰৰ বাবে মুখ্যমন্ত্ৰী হোৱাৰ পাছত মোদীৰ আঁৰৰ মানুহজন সম্পৰ্কে সকলোৰে প্ৰচাৰ কৰিবলৈ চেষ্টা চলায়। তেতিয়াই উন্মোচিত হৈছিল বহুতো নজনা কথা। ইয়াৰ মাজতে আছিল হিমালয় যাত্ৰা, ধ্যান ইত্যাদি। এতিয়া প্ৰধানমন্ত্ৰী হিচাপে কেদাৰনাথত ধ্যান কৰাটোৱে চৰ্চা লাভ কৰাৰ মাজতে এটা কথা স্পষ্ট হৈ পৰিছে যে প্ৰধানমন্ত্ৰীয়েও ভাৰতীয় পৰম্পৰাৰ মাজেদিয়ে জীৱন নিৰ্বাহ কৰে। প্ৰধানমন্ত্ৰী হ'লেও তেওঁ তেনেই সাধাৰণ জীৱন-যাপন কৰে। তদুপৰি ইয়াৰ দ্বাৰা প্ৰতিগৰাকী ভাৰতীয়কে মূল ধাৰালৈ উভতি অহাৰ আদৰ্শ দেখুৱালে।

প্ৰধানমন্ত্ৰীয়ে কেদাৰনাথৰ পৰিচালনা সমিতিৰ স'তে উন্নয়ন সন্দৰ্ভত আলোচনাত মিলিত হয়। এয়া এক ইতিবাচক দিশ। কাৰণ এগৰাকী প্ৰধানমন্ত্ৰীয়ে যেতিয়া ধৰ্মীয় স্থানসমূহৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্ব প্ৰদান কৰে তেতিয়া ইয়াৰ স'তে জড়িত লোকসকলেও আৰু এখোজ আগবাঢ়ি যাবলৈ সক্ষম হয়। ধৰ্মীয় স্থানসমূহ আমাৰ দেশৰ সভ্যতা-সংস্কৃতিৰ পৰিচায়ক। ইয়াক কেন্দ্ৰ কৰিয়েই গঢ়ি উঠিছে বহুতো পৰ্যটন কেন্দ্ৰ। দেশ-বিদেশৰ পৰ্যটক তথা দৰ্শনাৰ্থীসকলে পুণ্যস্থানলৈ আহি নিজকে ধন্য মানে। কেদাৰনাথলৈ যোৱা পথ যেতিয়া আৰু অধিক সুগম হ'ব আৰু ইয়াৰ আশে-পাশে থকা-খোৱাৰ সুবিধা হ'ব তেতিয়া অধিক দৰ্শনাৰ্থীৰ ভিৰ হ'ব। এতিয়া কোনো কামেই অসম্ভৱ নহয়। মানুহে সাগৰৰ তলিত বিনোদন কেন্দ্ৰ স্থাপন কৰিছে। মহাকাশলৈ বিনোদন যাত্ৰাৰ বাবে প্ৰস্তুতি চলিছে। তেনেস্থলত উত্তৰাখণ্ডত এনে উন্নয়ন নিশ্চয় অসম্ভৱ নহ'ব। হিমালয় পৰ্বত সাগৰপৃষ্ঠৰপৰা ১১,৭৫৫ ফুট উচ্চতাত থকা মন্দিৰটো আজিও সকলোৰে বাবে আকৰ্ষণৰ কেন্দ্ৰবিন্দু। এনে মন্দিৰস্থিত পৰ্বতৰ গুহাত ধ্যানত মগ্ন হোৱাটো চৰ্চাৰ বিষয় হ'বই। তদুপৰি প্ৰধানমন্ত্ৰীৰ ধ্যানৰত ফটো তথা সংবাদে নৱ-প্ৰজন্মকো উদ্বুদ্ধ কৰিব। নৱ-প্ৰজন্মই কেদাৰনাথৰ প্ৰতি উদ্বুদ্ধ হ'লে এই দেশৰ সম্পদস্বৰূপ যুৱক-যুৱতীসকলে ৰচিব পাৰিব ইতিহাস। হয়তো এওঁলোকৰ উদ্ভাৱনী শক্তিৰ বাবে কেদাৰনাথৰ আশে-পাশে গঢ়ি উঠিব পাৰে ভাসমান গৃহ, পৰ্যটন কেন্দ্ৰ আৰু বহুতো।

# পৰিবেশ সংৰক্ষণত মহিলাৰ ভূমিকা

১৯৯১ চনত বিশ্ব বেংকে পৰিবেশ সংক্ষৰণত মহিলাৰ ভূমিকা সন্দৰ্ভত এনেদৰে ব্যাখ্যা আগ বঢ়াইছিল— 'মহিলাসকলে পৰিবেশ সংৰক্ষণৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰে। প্ৰকৃতিক সম্পদ বিশেষকৈ ভূমি, পানী, বন আৰু শক্তি সংৰক্ষণত মহিলাৰ ভূমিকা অপৰিসীম। তেওঁলোকৰ আশে-পাশে থকা পৰিবেশ সম্পৰ্কে অধিক সতৰ্ক।' ইয়াৰ পূৰ্বে ১৯৬০ চনত এছ্থাৰ ব'ছেৰাপে তেওঁৰ গ্ৰন্থ 'ৱ'মেনছ ৰোল ইন ইকনোমিক ডেভেল'পমেণ্ট'ত প্ৰথমবাৰৰ বাবে পৰিবেশ সংৰক্ষণত মহিলাৰ ভূমিকা সন্দৰ্ভত উল্লেখ কৰিছিল। পৰৱৰ্তী সময়ত বিষয়টোৱে সমগ্ৰ বিশ্বতে গুৰুত্ব লাভ কৰে। পৰিবেশ সংৰক্ষণ আৰু প্ৰদূষণমুক্ত বিশ্ব গঢ়াত আগভাগ লোৱা ৱাংগাৰী মাথাই ৩০ নিযুত বৃক্ষৰোপণ কৰি যি আদৰ্শ দেখুৱালে তাৰ দ্বাৰা এটা কথা স্পষ্ট হৈ পৰে যে আজিৰ মহিলা আৰু পৰিবেশ সংৰক্ষণ আৰু প্ৰদূষণ প্ৰতিৰোধত পিছপৰি থকা নাই। 'গ্ৰীন বেল্ট মোভমেণ্ট' আন্দোলনৰ গুৰিধৰোতা মাথাই ২০০৪ চনত ন'বেল পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হয়। ৰাছেল কাৰচন নামৰ মহিলাগৰাকীয়ে তেওঁৰ লেখনিৰ দ্বাৰা মহিলাসকল পৰিবেশ সংৰক্ষণত ল'ব পৰা ভূমিকা সম্পৰ্কে ব্যাখ্যা কৰিছে। ১৯৯২ চনত ৰাষ্ট্ৰসংঘতো পৰিবেশ সংৰক্ষণত মহিলাৰ ভূমিকা সম্পৰ্কেও আলোচনা কৰা হৈছিল। ভাৰতত ১৯৭০ চনত ছিপকো আন্দোলনতো মহিলাৰ ভূমিকা আছিল গুৰুত্বপূৰ্ণ। ৰাষ্ট্ৰসংঘৰ মজিয়াত এটা কথা স্পষ্ট হৈ পৰিছে যে পৰিবেশ সংৰক্ষণ, শক্তি সঞ্চয় আৰু এই সন্দৰ্ভত সজাগতা সৃষ্টিৰ ক্ষেত্ৰত মহিলাসকলৰ অৱদান অনস্বীকাৰ্য।

মহিলাসকল হ'ল ঘৰখন পৰিচালনা কৰাৰ ক্ষেত্ৰত সবাতোকৈ পৈণত আৰু অভিজ্ঞতাসম্পন্ন। ঘৰখনক শিক্ষাৰ কঠিয়াতলি বুলি কোৱা হয় বাবে ইয়াৰ অভিজ্ঞ শিক্ষকগৰাকীয়ে হ'ল মহিলাগৰাকী। সন্তানৰ খোৱা-বোৱাৰ

পৰা আৰম্ভ কৰি ঘৰখনৰ আৱৰ্জনা উপযুক্ত স্থানত পেলোৱালৈকে সকলোতে মহিলাসকলেই সাধাৰণতে আগভাগ লোৱা দেখা যায়। ঘৰখনৰ বস্তু-বাহানি সঠিক স্থানত ৰাখিবলৈ প্ৰতিগৰাকী গৃহিণীয়ে চেষ্টা চলায়। কেৱল সেয়াই নহয় ঘৰৰ ভিতৰে-বাহিৰে, চোতাল-পদূলি আদি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি ৰখাতো মহিলাসকলেই আগভাগ লোৱাটো সকলোৰে জ্ঞাত বিষয়। তদুপৰি শক্তি সঞ্চয় তথা ইয়াৰ উপযুক্ত ব্যৱহাৰ কৰাটো মহিলাৰ ভূমিকা অতুলনীয়। এই কথা উপলব্ধি কৰিয়েই ৰাষ্ট্ৰসংঘই মহিলাসকলক এই কাৰ্যত নিয়োজিত কৰিবলৈ চেষ্টা অব্যাহত ৰাখিছে। প্ৰতিগৰাকী মাতৃয়ে সন্তানক সৰুৰে পৰাই পৰিষ্কাৰ-পৰিচ্ছন্ন হৈ থাকিবলৈ শিক্ষা দিলে নিশ্চয় সেই ল'ৰা-ছোৱালীয়ে ডাঙৰ হৈ পৰিৱেশ সম্পৰ্কে সচেতন হ'ব আৰু প্ৰদূষণ প্ৰতিৰোধৰ বাবে আগভাগ ল'ব।

আগতে মহিলাসকলে কাহিলী পুৱাতেই বিচনা ত্যাগ কৰি ঘৰ-চোতাল সাৰিবলৈ লয়, গোবৰ-পানী পদূলিলৈকে ছটিয়ায়। গা ধুই ভগৱানক সেৱা জনাই আৰম্ভ কৰে চাহ প্ৰস্তুত পৰ্ব। এয়া জানো পৰিৱেশ প্ৰদূষণমুক্ত কৰাৰ আৰম্ভণি নহয়? ঘৰত শাক-পাচলি, খেতিবাতিত জৈৱিক সাৰ প্ৰয়োগৰ বাবে গৃহিণীয়েই উৎসাহ দিয়ে। ইয়াৰ বাবে গোহালিৰ গোবৰ এঠাইত দম কৰি থয়। পৰোক্ষভাৱে ৰাসায়নিক সাৰৰ পৰিৱৰ্তে জৈৱিক সাৰ প্ৰয়োগ কৰিবলৈ মহিলাসকলেই আগভাগ লয়। কৃষিভূমিত প্ৰদূষণ ৰোধত মহিলাগৰাকীয়ে আগভাগ ল'লেও তেওঁক স্বীকৃতি দিয়াৰ পৰিৱৰ্তে আঁৰকাপোৰৰ আঁৰতহে ৰখা হয়।

ইয়াৰ মাজতে মহিলাসকলৰ ভয়াৱহ ছবি এখন দাঙি ধৰিব খুজিছোঁ। এছিয়াৰ দুই-তৃতীয়াংশ মহিলা, আফ্ৰিকাৰ ছাহাৰাৰ ২৫ শতাংশ মহিলাৰ শৌচালয়ৰ অৱস্থা উন্নত নহয়। ৭৪৮ নিযুত লোক বিশুদ্ধ খোৱাপানী ব্যৱহাৰৰপৰা আঁতৰত। আফ্ৰিকাৰ ছাহাৰা অঞ্চলৰ ২৫খন দেশৰ ৭১ শতাংশ মহিলা আৰু ছোৱালীয়ে বৰ কষ্টৰে পানী সংগ্ৰহ কৰিবলগীয়া হয়। এনেদৰে পানী সংগ্ৰহ কৰিবলগীয়া হোৱা বাবে অপচয় ৰোধত তেওঁলোকে পুৰুষৰ তুলনাত অধিক গুৰুত্ব আৰোপ কৰে। এইসকলক মহিলাক পৰিৱেশ সম্পৰ্কে সচেতন কৰিবলৈ বিভিন্ন সংগঠনৰ লগতে প্ৰকৃতিপ্ৰেমী মহিলাই আগ বাঢ়ি আহিছে।

# মহানগৰীত গজৰাজ-বনৰাজ ঃ দায়ী কোন?

জীৱশ্ৰেষ্ঠ মানৱৰ ধ্বংসযজ্ঞই সম্প্ৰতি জীৱকুললৈ অশনি সংকেত কঢ়িয়াই আনিছে। মানৱৰ বাবে ধৰিত্ৰীদেৱীৰ ৰূপ সলনি হ'ল। প্ৰাকৃতিক সম্পদসমূহ ভূগৰ্ভৰপৰা আহৰণ কৰি যিমানেই বিভিন্ন ৰাসায়নিক সামগ্ৰী আদি ব্যৱহাৰ কৰা হৈছে সিমানে আঘাতপ্ৰাপ্ত হৈছে প্ৰকৃতিদেৱী। এতিয়া আৰু প্ৰকৃতিয়ে আঘাতৰ উপৰি আঘাত সহ্য কৰিব নোৱাৰা হৈছে। জনবসতিৰ ঘনত্ব বৃদ্ধি, চোৰাং বেপাৰীৰ দৌৰাত্ম্য, অট্টালিকা, কল-কাৰখানা, উদ্যোগ আদি নিৰ্মাণৰ বাবে মানুহে এফালৰপৰা ধ্বংস কৰি গৈছে বনাঞ্চল। মানুহৰ লোলুপ দৃষ্টিত বৃহৎ অৰণ্যৰো চিন-মোকাম নোহোৱা হ'ল। পুৰণি শালগছসমূহৰ ঠাইত চিক্‌মিকীয়া অট্টালিকা নিৰ্মাণ হ'ল। পিটনিসমূহত নিৰ্মাণ হ'ল বৃহৎ উদ্যোগ। অসমতো একেই ছবি প্ৰতিফলিত হৈছে। ব্যতিক্ৰম নহয় গুৱাহাটী মহানগৰী। কংক্ৰিটৰ গুৱাহাটী মহানগৰীত আজি উশাহ ল'বলৈকে মুকলি ঠাইৰ অভাৱ। ঘৰৰ কাষতে ঘৰ। বিদ্যালয়ৰ সমীপতে বিদ্যালয়। গতিকে সমীপৰ জংঘলসমূহো মানুহে এফালৰপৰা পৰিষ্কাৰ (ধ্বংস) কৰি যাবলৈ ধৰাৰ পৰিণতিতে আৰম্ভ হৈছে গজৰাজৰ তাণ্ডৱ। মহানগৰী অথবা জনাঞ্চলত গজৰাজৰ তাণ্ডৱ কোনো অস্বাভাৱিক কথা নহয়। কেইদিনমান পূৰ্বে মহানগৰীত এটা দঁতাল হাতীয়ে তাণ্ডৱ চলোৱাত যিমান চৰ্চা হ'ল মানুহৰ দ্বাৰা বনাঞ্চল ধ্বংস হোৱাত পিছে তেনে চৰ্চাই স্থান পোৱা নাই।

বনাঞ্চল ধ্বংসযজ্ঞ দেখিও মানুহে নিশ্চুপ হৈ আছে। মানুহে এবাৰো নাভাবে যে বননি ধ্বংস হ'লে বিশুদ্ধ অক্সিজেনৰ অভাৱৰপৰা আৰম্ভ কৰি বন্য জন্তুৰ উপদ্ৰৱলৈকে বৃদ্ধি পাব। বান-খহনীয়াই ভয়াৱহ ৰূপ ল'ব। মহানগৰীত গজৰাজৰ গমনক লৈ যি চৰ্চা হৈছে তাৰ ভিতৰত মুখ্য কাৰণ সম্পৰ্কে কিন্তু প্ৰায়ভাগেই ব্যাখ্যা আগবঢ়াব পৰা নাই। যেতিয়া জন্তুৱে মানুহক আক্ৰমণ কৰে তেতিয়া সকলোৱে সৰৱ হৈ পৰে। সংবাদ মাধ্যমতো ডাঙৰ ডাঙৰ শিৰোনামাৰে বাতৰি পৰিবেশন কৰা হয়। অথচ মানুহে নিতৌ হত্যা কৰি আছে বনৰীয়া জন্তু। আনহে নালাগে আজিকালি বন্যহস্তীক হত্যা কৰি শুৰ, দাঁত, বনৰাজৰ ছাল, নখ আদি কাটি নিয়াৰ দৰে আসুৰিক ঘটনা সংঘটিত হোৱাৰ তথ্যও সামাজিক মাধ্যমত ভাইৰেল হৈছে। মানুহৰ যিদৰে জীয়াই থকাৰ অধিকাৰ আছে তেনেদৰে জন্তুৰো জীয়াই থকা হক আছে। মানুহেই এইক্ষেত্ৰত বৈষম্যৰ সৃষ্টি কৰা নাইনে?

মহানগৰীত গজৰাজ-বনৰাজৰ ভুমুকি নতুন কথা নহয়। কাৰণ বনাঞ্চল ধ্বংস হ'লেও মহানগৰীৰ পাহাৰৰ জংঘলতে আছে বনৰাজ-গজৰাজ। কেতিয়াবা যদি পাঞ্জাবাৰীত, আন কেতিয়াবা গণেশগুৰি, উলুবাৰী, নাৰেংগী, ভূতনাথ, জালুকবাৰী, আদাবাৰীত ভুমুকি মাৰে। কেতিয়াবা নিঃশব্দে পথত ভুমুকি মাৰি অন্তৰ্ধান আৰু কেতিয়াবা পলায়নৰ পথ বিচাৰি নাপালে আৰম্ভ কৰে তাণ্ডৱ। দৰাচলতে বন্য প্ৰাণীৰ তাণ্ডৱ বুলি ক'লে ভুল হ'ব। কাৰণ বন্যপ্ৰাণীৰ এয়া হ'ল স্বাভাৱিক প্ৰকৃতি। খাদ্যৰ সন্ধানত বন এৰি জনাঞ্চলত প্ৰৱেশ কৰাৰ পাছত কেতিয়াবা উভতি যাবলৈ ৰাস্তা বিচাৰি নাপায়। একো উৱাদিহ নাপাই কাৰোবাৰ ঘৰত, কিছুমানৰ ঘৰৰ চৌহদত প্ৰৱেশ কৰে। মানুহে আক্ৰমণ কৰিব বুলি আশংকা কৰিয়ে মানুহক আক্ৰমণ কৰিবলৈ উদ্যত হয়। মানুহেও জন্তু দেখিলেই সেয়া খেদি পঠিয়াবলৈ চেষ্টা কৰাৰ পৰিৱৰ্তে আক্ৰমণ কৰিবলৈহে আগবাঢ়ে। তেনেতে আৰম্ভ হয় মানৱ বন্যজন্তুৰ সংঘাত। কেতিয়াবা যদি জন্তুৰ মৃত্যু, আন কেতিয়াবা আকৌ মানুহৰ মৃত্যু।

বনৰীয়া হাতীয়ে চলা-ফুৰা কৰিবলৈ বনাঞ্চল বা জংঘলৰ প্ৰয়োজন। 'হস্তীদন্তী' বা 'এলিফেণ্ট ক'ৰিড'ৰ'ৰ মাজেদিহে বন্যহস্তীয়ে অহা-যোৱা কৰে। এই হস্তীদন্তীসমূহ প্ৰকৃতিগতভাৱেই হাতীয়ে লাভ কৰে। এই দন্তীৰ বাহিৰত

হাতীয়ে পৰাপক্ষত ওলাই নাযায়। যি ঠাইলৈকে খাদ্য খাবলৈ ওলাই নাযাওক কিয় উভতি আহে পিছে হস্তীদন্তীৰেহে। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহে হস্তীদন্তীসমূহত থাকিবলৈ ঘৰ সাজিলে। বহুমহলীয়া অট্টালিকা নিৰ্মাণ কৰিছে। আগতে মহানগৰীৰ আশে-পাশে বিশেষকৈ আমচাং বনাঞ্চল, নীলাচল পাহাৰ, চূণচালি পাহাৰ আদিত আছিল এনে হস্তদন্তী। এই হস্তদন্তীৰ চিন-মোকামেই নোহোৱা হ'ল। গতিকে বনৰাজ, গজৰাজ যাব ক'লৈ? কেৱল বন্যহস্তী বা বনৰাজক দোষ দিলেই নহ'ব। দোষ মহানগৰবাসীৰ। এতিয়া এইখন মহানগৰত হস্তদন্তীৰ কথাতো বাদেই পানী যোৱা সৰু সৰু নলী-নৰ্দমাতো মহানগৰবাসীয়ে গৃহ নিৰ্মাণ কৰিছে। বিল, পিটনি দেখিবলৈ নাই। মানুহৰ দ্বাৰা সৃষ্টি হোৱা সমস্যাৰ সমাধানো মানুহেই কৰিব লাগিব। মানুহে জন্তুৰ অনিষ্টসাধন কৰি ইয়াৰ দোষ জন্তুৰ ওপৰত জাপি দিয়াৰ কিবা যুক্তি আছে জানো? হাতীটোক জংঘলত বন বিভাগৰ লোকে এৰি দিলেও সেইটো হাতীয়েই যে পুনৰ মহানগৰীলৈ উভতি নাহিব সেয়া কোনে নিশ্চয়তা দিব? কাৰণ হাতীয়ে এবাৰ প্ৰৱেশ কৰা ঠাইত পুনৰ প্ৰৱেশ কৰে বুলি কোৱা হয়। বনৰাজৰ বাবে ছাগলীৰ টোপ দি পিঞ্জৰাৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন নহ'ব যদিহে মানুহে সতৰ্কতা অৱলম্বন কৰে।

গজৰাজ-বনৰাজৰ তাণ্ডৱ-আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ মহানগৰবাসীয়ে বনাঞ্চলৰ সংৰক্ষণ কৰিব লাগিব। হস্তীদন্তীত বসবাস কৰাৰ মানসিকতা পৰিহাৰ কৰিবই লাগিব। তদুপৰি মানুহে জন্তুক আক্ৰমণ কৰাৰ পৰিৱৰ্তে বন বিভাগৰ লোকৰ দ্বাৰা বনাঞ্চললৈ খেদি পঠিওৱাতহে গুৰুত্ব প্ৰদান কৰা উচিত।

# পুৱাৰ সময় কিয় গুৰুত্বপূৰ্ণ

‘Early to bed early rise makes a man healthy’— অৰ্থাৎ সোনকালে শোৱা আৰু কাহিলীপুৱাতে বিছনা ত্যাগ কৰিলে সুস্বাস্থ্যৰ অধিকাৰী হ’ব পাৰি। ঋষি-মুনিসকলে দোকমোকালিতে উঠিয়ে প্ৰাতঃকৃত কৰিয়ে গা-পা ধুই দিনটোৰ কাৰ্যক্ৰমণিকা আৰম্ভ কৰিছিল। তেওঁলোকে খাদ্য গ্ৰহণৰ ক্ষেত্ৰতো সতৰ্ক আছিল। কম পৰিমাণে দিনটোৰ নিৰ্দিষ্ট সময়ৰ অন্তৰালত খাদ্য গ্ৰহণ কৰিব লাগে বুলি তেতিয়াই ধাৰণা কৰিছিল। আনকি কিছুমান খাদ্য সূৰ্যাস্তৰ পাছত গ্ৰহণ নকৰিছিল। বিশেষকৈ গুৰুপাকী আহাৰ আদি নিশা বৰ্জন কৰিছিল।

পুৱা প্ৰকৃতিও শান্ত হৈ থাকে। কল-কাৰখানাৰ কাম-কাজ আৰম্ভ নহয় বাবে প্ৰদূষণো কম হয়। তদুপৰি সূৰ্যৰ উত্তাপ প্ৰখৰ হৈ নাথাকে বাবে ভূমিও শীতল হৈ থাকে। নিৰ্মল বতাহ বৈ থাকে। ফুলৰ সুবাস নাকত লাগিলে মনটো পুলকিত হয়। গাড়ী-মটৰো নচলে। ৰাস্তাৰে খোজ কাঢ়ি যাবলৈও অসুবিধা নহয়। দোকমোকালিতে উঠি হাত-মুখ ধুই একাপ ৰঙা চাহ সেৱন কৰি নিৰ্দিষ্ট সময় যদি খোজ বা দৌৰে তেতিয়াহ’লে শৰীৰ-মন ভাল হৈ থাকে। প্ৰাতঃভ্ৰমণে শৰীৰ-মন প্ৰফুল্ল হৈ উঠিয়ে শৰীৰৰ চাপো স্বাভাৱিক হৈ থাকে। ৰক্তচাপ বৃদ্ধিৰ আশংকা নাথাকে। আমাৰ প্ৰায়ভাগ ৰোগৰ সৃষ্টিত উচ্চ ৰক্তচাপৰ অৰিহণা বেছি। সদায় প্ৰাতঃভ্ৰমণ আদি কৰিলে বহুতো ৰোগে গা কৰি উঠিবলৈ সুযোগ নাপায়। পিছে প্ৰাতঃভ্ৰমণৰ বাবে পলমকৈ শোৱাপাটী ত্যাগ কৰিলে নহ’ব। নিৰ্দিষ্ট সময়ত পুৱাই বিছনা ত্যাগ কৰি প্ৰাতঃভ্ৰমণলৈ ওলোৱাটোৱে সকলোৰে বাবে মংগলজনক। প্ৰাতঃভ্ৰমণৰ পৰা উভতি আহিহে দৈনন্দিন কামসমূহ আৰম্ভ কৰা উচিত।

পুৱাৰ আহাৰ সকলোৱে ৰজাৰ দৰে গ্ৰহণ কৰিব লাগে বুলি এষাৰ কথা আছে। ইংৰাজসকলে পুৱাৰ আহাৰ ৰজাৰ দৰে গ্ৰহণ কৰে। দুপৰীয়াৰ আহাৰ ৰাজকুমাৰৰ দৰে খায়। আনহাতে নিশা ভিক্ষাৰীৰ দৰে খোৱাৰ অভ্যাস। এনে ধৰণৰ খাদ্যৰ পৰিমাণ শৰীৰে সহজে গ্ৰহণ কৰিব পাৰে। পুৱাই বেচি আহাৰ খোৱা মানে দিনটোৰ বাবে শক্তি আহৰণ কৰা। তদুপৰি দুপৰীয়া যিহেতু কাম কৰি থকা যায়, গতিকে বেছিকৈ খালে টোপনি লাগিলে কামত ব্যাঘাত জন্মিব। আনহাতে নিশা কোনো শাৰীৰিক শ্ৰম কৰা নহয় বাবে শৰীৰক বেছি শক্তিৰো প্ৰয়োজন নহয়।

পুৱাই উঠিলে মনটোৱে প্ৰশান্তি লাভ কৰে। এই সময়ছোৱাত প্ৰায়ভাগ লোকেই দুশ্চিন্তামুক্ত হৈ থাকে। তদুপৰি পুৱাৰ শান্ত বতাহজাকে মনত এনে এক অৱস্থাৰ সৃষ্টি কৰে যে ই উত্তাল হ'বলৈকে আহৰি নাপায়। পুৱা মানুহৰ মন-মগজু শান্ত কৰি ৰাখিব পৰাৰ অন্যতম কাৰণ হ'ল পৰিবেশ? দিনটোৰ আন সময়ৰ তুলনাত পুৱা চৌদিশে শান্ত পৰিবেশে বিৰাজ কৰি থাকে। সেইবাবে দিনটোৰ চিন্তা-ভাবনাও আৰম্ভ হয় ইয়াতেই। দিনটোৰ কাৰ্যক্ৰমণিকা পুৱাতে নিৰ্ধাৰণ কৰা হয়। পুৱা কি কৰিব, দুপৰীয়া কি কি কাৰ্য সম্পাদন কৰিবলগীয়া আছে, আবেলি ক'ত যাব লাগিব ইত্যাদি ইত্যাদি পুৱাতে নিৰ্ধাৰণ কৰিলে দিনটোৰ নিৰ্দিষ্ট সময়খিনি ব্যয় হ'ব সদ্‌ভাৱে। অবাবত কোনোৱে সময় নষ্ট কৰিব নালাগে। যদিহে পুৱাই দিনটোৰ কাৰ্যক্ৰমণিকা প্ৰস্তুত কৰা নহয় তেতিয়াহ'লে কৰিবলগীয়া কামখিনি সম্পূৰ্ণ নহ'ব। গতিকে দিনটোৰ কামৰ হিচাপ-নিকাচো পুৱাৰ সময়খিনিতেই নিৰ্ধাৰণ কৰা হয়।

প্ৰাতঃভ্ৰমণ আৰু সান্ধ্য ভ্ৰমণৰ ক্ষেত্ৰতো দেখা যায় যে পুৱাই ভ্ৰমণ কৰিলে বা খোজ কাঢ়িলে শৰীৰটোৱে যি অনুভৱ কৰে সেয়া আন সময়ত নহয়। পুৱাই নিৰ্দিষ্ট সময় খোজ কাঢ়িলে শৰীৰ অংগ-প্ৰত্যংগই নিজ নিজ কাৰ্য সম্পাদন কৰিবলৈ গতি লাভ কৰে। এই সময়ত ৰক্তচাপো স্বাভাৱিক হৈ থাকে। গতিকে শৰীৰ-মনৰ বাবে দিনটোৰ এই সময়ছোৱা অতিকৈ গুৰুত্বপূৰ্ণ। সেইবাবে সকলোৱে পুৱাৰ সময়ছোৱা ভালদৰে ব্যয় কৰাত গুৰুত্ব আৰোপ কৰা উচিত। পুৱাই জীৱনৰ গতিপথ সলনি কৰিব পাৰে। দিনটো নিয়াৰিকৈ আগ বাঢ়ি যোৱাত সহায় কৰে। শৰীৰ-মনৰ মাজত ভাৰসাম্য ৰক্ষাতো সহায়ক।

# প্ৰধানমন্ত্ৰীৰ শৰীৰত যেতিয়া জিলিকে ফুলাম গামোচাই

অসমৰ ফুলাম গামোচাখন এতিয়া সৰ্বত্ৰে চৰ্চাৰ বিষয় হৈ পৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ডিঙিত এই গামোচাখন জিলিকি থকাৰ পাছত ইয়াকে লৈ সকলোৱে চৰ্চা আৰম্ভ কৰিছে। কিয় মোদীয়ে ডিঙিত আঁৰি লয় ফুলাম গামোচা? কেইবছৰমান পূৰ্বে মোদীয়ে গামোচাখন আদৰেৰে ডিঙিত মেৰিয়াই লোৱাৰ পাছতেই তেওঁ অনুভৱ কৰিছিল ইয়াৰ উপযুক্ত ব্যৱহাৰ তথা কিমান আৰামদায়ক। কিছুমান পোছাক দেখাত ৰংচঙীয়া হ'লেও বিশেষ আৰামদায়ক নহয়। ইয়াৰ বিপৰীতে গামোচাখন দেখাত শুৱনিৰ লগতে ব্যৱহাৰৰ বাবেও উপযোগী। ইমানদিনে গামোচাখন ৰঙালী বিহুৰ সময়ত পাহোৱাল ডেকাৰ মূৰত শুৱনি কৰে বুলি ভাবিলেও ইয়াৰ দ্বাৰাও যে বিষ উপশম ঘটাব পাৰি সেয়া ব্যাখ্যা কৰিলে প্ৰধানমন্ত্ৰী মোদীয়ে। বলিউডৰ অভিনেতা অক্ষয় কুমাৰে গ্ৰহণ কৰা এটা দীঘলীয়া সাক্ষাৎকাৰত এই কথা উল্লেখ কৰে মোদীয়ে। পাহাৰীয়া ঠাইলৈ গ'লে প্ৰধানমন্ত্ৰী মোদীয়ে ভৰিৰ বিষৰপৰা পৰিত্ৰাণ পাবলৈ গামোচাখন ভৰিত বান্ধি তাৰ মাজত এডাল মাৰি সুমুৱাই দিয়াৰ কথা সাক্ষাৎকাৰত উল্লেখ কৰিছে।

যি সময়ত অসমীয়া ফুলাম গামোচাখনৰ অস্তিত্বক লৈ সকলো শংকিত হৈছে সেই সময়ত প্ৰধানমন্ত্ৰী মোদীয়ে গামোচাৰ উপকাৰিতা সন্দৰ্ভত কৰা মন্তব্যই বিশেষ তাৎপৰ্য বহন কৰিছে। বহিঃৰাজ্যৰপৰা অহা চিন্থেটিক গামোচাই লাহে লাহে অসমৰ বজাৰখন দখল কৰিবলৈ বহিৰাগত বনিয়াই অহৰ্নিশে চেষ্টা অব্যাহত ৰখাৰ সময়তে মোদীয়ে গামোচা সন্দৰ্ভত কৰা মন্তব্যই অসমৰ শিপিনীসকলৰ মনত যোগাইছে দুগুণ সাহস, প্ৰেৰণা। তাঁতশালত সূতাৰে প্ৰস্তুত কৰা গামোচাখনৰ সৌন্দৰ্যই সুকীয়া। বিভিন্ন ধৰণৰ ফুল তোলাত পাকৈত অসমীয়া শিপিনী। অৱশ্যে প্ৰায়ভাগ শিপিনীয়ে এতিয়া তাঁতশালত বোৱা গামোচাখনৰ ব্যয় বেচি হয় বাবে কম পৰিমাণে উৎপাদন কৰিছে। গামোচাৰ এখন বৃহৎ বজাৰ থকা সত্বেও ব্যয় বেচি হোৱা বাবে শিপিনীসকলে কম পৰিমাণে বোৱাৰ ফলত বহিঃৰাজ্যৰ বেপাৰীয়ে ইয়াৰ সুযোগ লৈ অতি নিম্নমানৰ চিন্থেটিক গামোচা বজাৰত মুকলি কৰি দিছে। আজিকালি বহুতে গা মচিবলৈ 'টাৱেল' ব্যৱহাৰ কৰে। গামোচা ব্যৱহাৰ কৰিলে 'আউট ডেটেড' হ'ব বুলি ভাবিয়ে টাৱেল আদি ব্যৱহাৰ কৰাৰ মানসিকতা গঢ় লৈ উঠিছে। গামোচাৰে গাটো মচিলে ছালখনৰ ওপৰত ইয়াৰ প্ৰভাৱ নপৰে। গামোচাৰে গা মচিলে ছালখন মসৃণ হোৱাৰ লগতে ইয়াত লাগি থকা মলিও আঁতৰ হয়।

প্ৰচণ্ড গৰমত ঘাম ওলালে এখন পৰিস্কাৰ গামোচাৰে সেইখিনি মচি দিলে যি আৰাম আৰু সতেজ অনুভৱ কৰা হয় সেয়া টাৱেল আদিৰে মচিলে অনুভৱ নহয়। পথাৰত কাম কৰাৰ সময়ত কঁকালত গামোচা বান্ধিলে কাম কৰোতাজনে অতিৰিক্ত শক্তি লাভ কৰে বাবে বেচি সময় কাম কৰিব পাৰে। সৰ্প দংশনৰ পাছত ক্ষত স্থানৰ ওপৰত গামোচাৰে বান্ধ দি চিকিৎসালয় অথবা বেজৰ ওচৰলৈ নিয়াৰ বিষয়ে সকলোৰে জ্ঞাত। অৰ্থাৎ ইয়াৰ পৰাই অনুমান কৰিব পাৰি গামোচাখনৰ দ্বাৰা কিমান টান বা শক্তিশালী গাঁঠি (বান্ধ) দিব পাৰি। কেৱল সেয়াই নহয়, আজিও বহুতে প্ৰচণ্ড মূৰৰ বিষ হ'লে গামোচাৰে মূৰত পাগুৰি মাৰি লয়।

বিগত দুটা বৰ্ষত 'বিশ্ব যোগ দিৱস'ত প্ৰধানমন্ত্ৰী মোদীয়ে যোগাসন কৰাৰ সময়তো ডিঙিত গামোচাখন মেৰিয়াই লোৱা দৃশ্য সকলোৰে প্ৰত্যক্ষ

কৰিছিল। হিমা দাসে বিশ্ব চেম্পিয়নশ্বিপত খিতাপ দখলৰ সময়তো গাত ফুলাম গামোচাখন মেৰিয়াই লৈছিল। এইখন গামোচা আমেৰিকাৰ মহাকাশচাৰীয়েও (অসমৰ জোঁৱাই) মহাকাশ যানত নিয়াৰ কথা সকলোৰে জ্ঞাত। গতিকে বিশ্ব দৰবাৰত ইমান আদৰ থকা গামোচাখনক লৈ প্ৰতিগৰাকী অসমীয়াই গৌৰৱ কৰা উচিত। 'টাৱেল' নহয়, সকলোৱে ব্যৱহাৰ কৰক গামোচা।

ইতিমধ্যে অসমৰ বিভিন্ন ঠাইত তাঁতশালত ফুলাম গামোচা বাণিজ্যিক ভিত্তিত প্ৰস্তুতৰ বাবে বহুতো পদক্ষেপ গ্ৰহণ কৰিছে। আত্মসহায়ক গোটৰপৰা আৰম্ভ কৰি স্বেচ্ছাসেৱী সংগঠন, বিভিন্ন সংগঠনে স্থানীয় শিপিনীসকলক উৎসাহিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰাৰ সময়তে প্ৰধানমন্ত্ৰী মোদীয়ে গামোচাখনক লৈ কৰা প্ৰশংসাই নিশ্চয় কৰ্মৰত শিপিনীসকলক উৎসাহিত কৰিব। অসমৰ যুৱ প্ৰজন্ময়ো গামোচাখনৰ উপযুক্ত ব্যৱহাৰ শিকক, যাতে বিশ্বৰ বিভিন্ন প্ৰান্তলৈ ইয়াক উপযুক্ত আৰু আকৰ্ষণীয় ৰূপত উপস্থাপন কৰিব পাৰে।

# মহাকাশতো শক্তিধৰ ৰাষ্ট্ৰ হ'ল ভাৰত

পাৰমাণৱিক, আণৱিক শক্তিৰপৰা আৰম্ভ কৰি মহাকাশৰ মহাশক্তিধৰ হ'ল ভাৰত। পাঁচ দশক পূৰ্বে ভাৰতে এইবোৰ বিষয় চিন্তা কৰাটো আছিল পৰ্বতত কাছৰ কণী বিচৰাসদৃশ। যোৱা ২৭ মাৰ্চত ভাৰতে 'মিছন শক্তি' অভিযানৰ সফল পৰীক্ষণৰ জৰিয়তে মহাকাশত মহাশক্তি প্ৰদৰ্শন কৰিলে। ক্ষেপণাস্ত্ৰৰদ্বাৰা মহাকাশত কৃত্ৰিম উপগ্ৰহ ধ্বংস কৰিবলৈ সক্ষম হোৱাৰ লগে লগে এই তালিকাত ভাৰত অন্তৰ্ভুক্ত হ'ল। আমেৰিকা, ৰাছিয়া আৰু চীনৰ পাছত ভাৰতে সফলভাৱে সম্পন্ন কৰিলে এই পৰীক্ষা। মাত্ৰ তিনি মিনিটতে তিনি শ কিলোমিটাৰ নিলগৰ কক্ষপথত শত্ৰুপক্ষৰ কৃত্ৰিম উপগ্ৰহ ধ্বংস কৰিলে এ-ছেট মিছাইলে। ভাৰতৰ প্ৰতিৰক্ষা গৱেষণা আৰু বিকাশ সংস্থা (ডি.আৰ.ডি.অ')ৰ দ্বাৰা শত্ৰুৰ উপগ্ৰহ ধ্বংস কৰিবলৈ সক্ষম হোৱাটো ভাৰতৰ বাবে গৌৰৱৰ বিষয়। যিসময়ত বিভিন্ন দেশে উপগ্ৰহৰ জৰিয়তে বহুতো গোপন তথ্য লাভ কৰিবলৈ সক্ষম হৈছে সেই সময়তে শত্ৰুৰ উপগ্ৰহ ধ্বংস কৰিব পৰাটোৱে পুনৰ প্ৰমাণ কৰিলে ভাৰত এতিয়া মহাকাশতো মহাশক্তিধৰ ৰাষ্ট্ৰ। সৰাতোকৈ গুৰুত্বপূৰ্ণ বিষয়টো হ'ল এই পৰীক্ষণ সম্পন্ন কৰা হৈছে সম্পূৰ্ণ দেশীয় প্ৰযুক্তিৰে। এনে ধৰণৰ পৰীক্ষণ যদিও বিপজ্জনক বুলি গণ্য কৰা হয় তথাপি ডি.আৰ.ডি.অ'ই নিখুঁতভাৱে পৰীক্ষা সম্পন্ন কৰিলে। এতিয়া

আৰু শত্ৰু ৰাষ্ট্ৰই সহজে ভাৰতৰ গোপন তথ্য লাভ কৰিব নোৱাৰিব। বিশেষকৈ দেশৰ প্ৰতিৰক্ষাৰ প্ৰতি ভাবুকি আহিব পৰা যিকোনো তথ্য লাভ কৰিবলৈ শত্ৰু ৰাষ্ট্ৰই মহাকাশত স্থাপন কৰা উপগ্ৰহ ভাৰতে এতিয়া দেশীয় প্ৰযুক্তিৰে নিৰ্মিত মিছাইলেৰে সহজেই ধ্বংস কৰিব পাৰিব।

ভাৰতৰ হাতত যেতিয়া পাৰমাণৱিক বোমা নাছিল তেতিয়া দেশখনে কিছুক্ষেত্ৰত দুৰ্বল হৈ আন ৰাষ্ট্ৰৰ স'তে সহাৱস্থান কৰিবলগীয়া হৈছিল, পিছে পোখৰানত যেতিয়া ভাৰতে সফলতাৰে পাৰমাণৱিক পৰীক্ষা সম্পন্ন কৰিছিল তেতিয়াৰেপৰা বিশ্বৰ আন শক্তিশালী ৰাষ্ট্ৰই সমীহ কৰিবলৈ বাধ্য হৈছিল। ১৯৭৪ৰ ১৮ মে'ত প্ৰথমবাৰৰ বাবে ভাৰতে পাঁচটাকৈ পাৰমাণৱিক বোমা বিস্ফোৰণ সম্পন্ন কৰিছিল। ইয়াক 'স্মাইলিং বুদ্ধ' নামেৰে নামকৰণ কৰি পৰীক্ষা কৰিছিল। মাৰ্কিন যুক্তৰাষ্ট্ৰ, ছোভিয়েট ইউনিয়ন, বৃটেইন, ফ্ৰান্স আৰু চীনৰ পাছত ভাৰতে এই শক্তি লাভ কৰাত প্ৰতিৰক্ষাৰ ক্ষেত্ৰত বহু শক্তিশালী হয় ভাৰত। ইয়াৰ পাছতে আমেৰিকাৰদৰে শক্তিশালী ৰাষ্ট্ৰই প্ৰতিবাদ কৰিছিল বিভিন্ন ক্ষেত্ৰত প্ৰতিবন্ধকতাৰে। ইয়াৰ পাছত ১৯৯৮ চনত ১১-১৩ মে'ৰ ভিতৰত ভাৰতে পুনৰ পোখৰাণতে পাঁচটা পাৰমাণৱিক বোমা বিস্ফোৰণৰ সফল পৰিসমাপ্তি ঘটায়। এইবাৰ 'অপাৰেচন শক্তি' নামেৰে পৰিকল্পনা কৰা হৈছিল যাতে বিশ্বৰ আন দেশে পৰীক্ষণৰ পূৰ্বে কোনো ধৰণৰ তথ্য লাভ কৰিব নোৱাৰে। এইবাৰো আমেৰিকা, জাপানক ধৰি বিশ্বৰ কে'বাখনো দেশে ভাৰতৰ বিৰুদ্ধে প্ৰতিবন্ধকতা জাৰি কৰে। পাৰমাণৱিক শক্তিধৰ ৰাষ্ট্ৰ হিচাপে ভাৰতে আখ্যা লাভ কৰাৰ পাছত চুবুৰীয়া দেশ চীন, পাকিস্তানে দেশখনৰ স'তে সৌহাৰ্দ্যপূৰ্ণভাৱে সহাৱস্থান কৰিবলৈ বাধ্য হ'ল। দুয়োখন দেশে এতিয়া এইক্ষেত্ৰত ভাৰতক ভাবুকি দিব নোৱাৰা হ'ল।

২০০৮ৰ ৮ নৱেম্বৰত ভাৰতীয় মহাকাশ গৱেষণা সংস্থা (ইছৰো)ই চন্দ্ৰায়ন-১ চন্দ্ৰলৈ প্ৰেৰণ কৰি মহাকাশ গৱেষণাৰ ক্ষেত্ৰত এখোপ আগুৱাই যায়। ভাৰতীয় বিজ্ঞানীৰ চমকে দেশখনক এইক্ষেত্ৰত আগুৱাই নিয়াৰ লগে লগে আন দেশৰ বাবে হৈ পৰে ঈৰ্ষাৰ কাৰণ। শেহতীয়াভাৱে মহাকাশৰ কক্ষপথত উপগ্ৰহ ধ্বংস কৰিব পৰা শক্তি আহৰণৰ লগে লগে কেৱল চুবুৰীয়া ৰাষ্ট্ৰৰ বাবেই নহয়, আন শক্তিশালী ৰাষ্ট্ৰৰো চিন্তাৰ কাৰণ হৈ পৰিছে। ভাৰতক

এনে এক সফলতাৰ খুবেই প্ৰয়োজন আছিল। আনকি পাকিস্তানকৈও এইক্ষেত্ৰত শংকাৰ কাৰণ আছিল চীন। চীনে এইক্ষেত্ৰত পাকিস্তানক প্ৰত্যক্ষ-পৰোক্ষভাৱে সহায় কৰি থকাত ভাৰতৰ প্ৰতিৰক্ষাৰ ক্ষেত্ৰত হৈ পৰিছিল বিপজ্জনক। বায়ু, জল আৰু আকাশমাৰ্গত ক্ষেপণাস্ত্ৰ সফল পৰীক্ষণেৰে দেশখনক আগুৱাই নিয়াৰ পাছত মহাকাশত এনে সফলতা অৰ্জন কৰাটোৱে এতিয়া চীন আৰু পাকিস্তানক কিছু পৰিমাণে হ'লেও চাপত ৰাখিবলৈ সক্ষম হ'ব। বিগত দুই দশকত চীনে এইক্ষেত্ৰত এছিয়াত দপ্‌দপাই থাকিলেও ভাৰতেও চলাই আছিল অভিযান। ভাৰতীয় বিজ্ঞানীসকলৰ নেৰানেপেৰা চেষ্টাৰ ফলত মহাকাশত ভাৰতে সফলতা অৰ্জন কৰাটোৱে প্ৰমাণ কৰিলে যে দেশখনে বিজ্ঞান প্ৰযুক্তিৰ ক্ষেত্ৰত আমেৰিকা, চীন, জাপান, ফ্ৰান্স, বৃটেইন আদি শক্তিশালী ৰাষ্ট্ৰৰ শাৰীত উপনীত হৈছে। এতিয়া ভাৰতে শত্ৰু ৰাষ্ট্ৰই প্ৰেৰণ কৰা উপগ্ৰহ সহজে ধ্বংস কৰি দেশখনক আৰু অধিক শক্তিশালী কৰিলে। পুলৱামা-কাণ্ডৰ পাছত ভাৰতে এনে সাফল্য অৰ্জন কৰাত পাকিস্তানে এবাৰৰ বাবে হ'লেও ভাৰতলৈ মূৰ দাঙি চাবলগীয়া হ'ল। ভাৰতৰ সাফল্য মানেই পাকিস্তানৰ শংকা, চাপ বৃদ্ধি আৰু চীনৰ শৰণাপন্ন হোৱা।

# গভীৰ হৈছে জল সংকট

(১)

সম্প্ৰতি গুৱাহাটী মহানগৰীত জল সংকটে যি ভয়াৱহ ৰূপ ধাৰণ কৰিছে সেয়া মহানগৰবাসীয়ে ভালদৰে উপলব্ধি কৰিছে। কেৱল বিশুদ্ধ খোৱাপানীৰেই যে অভাৱ হৈছে তেনে নহয়, সমান্তৰালভাৱে আন কামত ব্যৱহাৰ কৰা পানীৰো অভাৱ হ'বলৈ হৈছে। কে'বাদশক আগলৈকে যিবোৰ অঞ্চলত পানী প্ৰচুৰ পৰিমাণে পোৱা গৈছিল সেইবোৰ অঞ্চলতো এতিয়া জল সংকটে জটিল ৰূপ ধাৰণ কৰিছে। বাৰিষা বৰষুণৰ পানী সংৰক্ষণ কৰি কিছু পৰিমাণে সমস্যাৰ সমাধান কৰাটো সম্ভৱ হয় যদিও খৰালি কালত এয়া সম্ভৱ নহয়। মহানগৰীৰ কিছুমান অঞ্চলত খৰালি সময়ত পানী ক্ৰয়ৰ বাহিৰে গত্যন্তৰ নাই। কাৰণ এইবোৰ অঞ্চলত থকা কুৱা, সৰু সৰু খাল, নিজৰা আদিত এটুপিও পানী নাথাকে। মহানগৰীত বিগত দুটা দশকত জনসংখ্যা অভাৱনীয়ভাৱে বৃদ্ধি পাইছে। ইয়াৰ কাৰণ কি সেয়া আমি বিশ্লেষণ কৰিব খোজা নাই। মাথোঁ জনসংখ্যা দ্ৰুতগতিত বৃদ্ধি হৈছে। অসমৰ মুঠ জনসংখ্যা প্ৰায় তিনি কোটি ন লাখ। ইয়াৰে ন লাখ ৫৭ হেজাৰ গুৱাহাটী মহানগৰীৰ বাসিন্দা। মহানগৰীখন ৩২৮ বৰ্গ কিলোমিটাৰ মাটিকালিৰে আৱৰি আছে। সম্প্ৰতি মহানগৰ সম্প্ৰসাৰণৰ বাবে চৰকাৰে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। মহানগৰীৰ পাৰ্শ্বৱৰ্তী অঞ্চলসমূহ সামৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰিবলৈ

সংশ্লিষ্ট কর্তৃপক্ষই গ্ৰহণ কৰা পদক্ষেপৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে দল-সংগঠন। মহানগৰীৰ পৰিসৰ বৃদ্ধি হোৱাৰ লগে লগে আন সমস্যাৰ লগতে পানীৰ অভাৱে এনে জটিল ৰূপ ধাৰণ কৰিব যে ইয়াৰ পৰা কোনোৱে পৰিত্ৰাণ নাপাব। পানীক কেন্দ্ৰ কৰি সমাজত অশান্তিৰ সৃষ্টি হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। এতিয়াও কিছুমান ৱাৰ্ডত পানীৰ বাবে হাই-কাজিয়াৰ সৃষ্টি হোৱাৰ বাতৰি পঢ়িবলৈ পোৱা যায়। প্ৰায়ভাগ ঠাইৰ লোকেই পানী কিনিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হৈছে। পানী কিনি জমা কৰি ৰখাৰো সমস্যা নোহোৱা নহয়। পুৱা উঠাৰে পৰা নিশা শোৱালৈকে সকলো সময়তে কেৱল পানীৰ সমস্যা। খৰালি পানী পাবলৈ পুৱাৰে পৰাই যুদ্ধকালীন গতিত কাম কৰিবলগীয়া হোৱা এইসকল লোকৰ সমস্যা সমাধানৰ বাবে কৰ্তৃপক্ষই যি ব্যৱস্থা গ্ৰহণ কৰিছে সেয়া পৰ্যাপ্ত নহয়। এতিয়াও মহানগৰীৰ বহুতো অঞ্চলত পানী যোগান ধৰিব পৰা নাই পৌৰনিগমে।

(২)

ভাৰতকে ধৰি বিশ্বৰ বিভিন্ন ঠাইত সৃষ্টি হৈছে খৰাং বতৰৰ। ইতিমধ্যে এই অঞ্চলসমূহত জলস্তৰ যথেষ্ট হ্ৰাস পাইছে। যি গতিত জলস্তৰ হ্ৰাস পাবলৈ ধৰিছে তেনেকুৱা হৈ থাকিলে এদিন এটুপি পানীৰ বাবে সৃষ্টি হ'ব ভয়াৱহ পৰিস্থিতিৰ। কৃত্ৰিম উপগ্ৰহৰ পৰা লাভ কৰা শেহতীয়া তথ্যৰ পাছতে এই বিষয়টোৱে গৱেষক তথা সাধাৰণ ৰাইজৰ মাজতো স্থান পাইছে। ইতিমধ্যে জল সংৰক্ষণ আৰু প্ৰদূষণ প্ৰতিৰোধৰ বাবে বিশ্বৰ বিভিন্ন ঠাইত আলোচনা চক্ৰ, সন্মিলন আদি অনুষ্ঠিত হৈছে। ইতিমধ্যে অধ্যয়নকাৰী দল তথা গৱেষকসকলে বিশ্বৰ কে'বাখনো দেশক এই ক্ষেত্ৰত সতৰ্কবাণী শুনাইছে। ভাৰতৰ উপৰি স্পেইন, ইৰাক, মৰক্কো আদি দেশত পানীৰ অভাৱৰ বাবে ভয়াৱহ পৰিস্থিতিৰ সৃষ্টি হ'ব বুলি সকীয়াই দিছে। বিশ্বৰ বিভিন্ন অঞ্চলৰ পাঁচ লক্ষাধিক জলধাৰাৰ জলস্তৰক সামৰি এই অধ্যয়ন চলোৱা হৈছে। এই ছবিখন ইতিমধ্যে স্পষ্ট হৈ পৰিছে। বিগত বৰ্ষত মধ্যপ্ৰদেশৰ ইন্দিৰা বান্ধও জলস্তৰ হ্ৰাস পাইছে। এই বান্ধটো আৰৱ সাগৰ উপকূলত মধ্যপ্ৰদেশ আৰু টেলেংগনাৰ মাজত অৱস্থিত।

(৩)

ব্ৰহ্মপুত্ৰৰ জলস্তৰ হ্ৰাস পাইছে। কিছুবছৰ আগলৈকে খৰালিতো যিবোৰ ঠাই পানীৰে পৰিপূৰ্ণ হৈ আছিল সেইবোৰ এতিয়া বাম হৈছে। আনহে নালাগে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী ফেৰীঘাটসমূহত ইয়াৰ ছবিখন ফুটি উঠিছে। এই অংশত পূৰ্বৰ তুলনাত বহুখিনি অঞ্চল কেৱল বালিৰে উপচি পৰিছে। মাজুলী, ধুবুৰী আদিতো জলস্তৰ হ্ৰাস পোৱাৰ ফলত য'তে-ত'তে ফেৰী, জাহাজ আদি আবদ্ধ হৈ পৰে। কেইদিনমান পূৰ্বে নগাঁও জিলাৰ কামপুৰৰ জৰাবাৰীত সৃষ্টি হোৱা ভয়াৱহ খৰাঙৰ বাবে কপিলী নৈত গা ধুবলৈ যোৱা দুগৰাকী কিশোৰী ছাত্ৰীৰ সলিল সমাধি ঘটা ঘটনাই প্ৰমাণ কৰিছে ৰাজ্যজুৰি কিমান পানীৰ সমস্যা হৈছে। ইয়াৰ পূৰ্বে এনেধৰণৰ ঘটনা ৰাজ্যখনত সংঘটিত হোৱা মনত নপৰে। মধ্যপ্ৰদেশ, পাঞ্জাব, মহাৰাষ্ট্ৰ আদি ৰাজ্যত খৰাং বতৰৰ বাবে খেতি পথাৰৰ শস্য মৰহি যোৱা আৰু বিনষ্ট হোৱা বাবে খেতিয়কে আত্মহত্যা কৰাৰ ঘটনা প্ৰায়ে  সংবাদ মাধ্যমত প্ৰচাৰিত হৈ আহিছে। হেজাৰ হেজাৰ পৰিয়াললৈ নামি আহিছে ঘোৰ অমানিশা। অসমতো বিগত কে'বা বছৰত খৰাংসদৃশ পৰিবেশৰ বাবে বহু ঠাইত কৃষকে খেতিপথাৰ চহাব পৰা নাই। ছন পৰি ৰৈছে হেজাৰ হেজাৰ হেক্টৰ কৃষিভূমি। যিবোৰ বিলত বৰো, ইৰিধানৰ খেতি হৈছিল এতিয়া সেইবোৰ বাম হৈ পৰিছে। খৰাঙৰ বাবে অনুপযুক্ত হৈছে কৃষিভূমি। এতিয়া বহুতে পথাৰত হাল বাবলৈ সাহস কৰা নাই একমাত্ৰ খৰাঙৰ বাবে। সকলোৰে বাবে ভূগৰ্ভৰ পৰা পাম্পৰে পানী উত্তোলন কৰি খেতি পথাৰত যোগান ধৰিব পৰা সামৰ্থ নাই।

# কিয় সাব্যস্ত কৰিব লাগে ভোটাধিকাৰ?

গণতন্ত্ৰত ভোটাৰক ৰজা বুলি আখ্যা দিয়া হয়। কাৰণ ভোটাৰে ভোটাধিকাৰ সাব্যস্ত কৰিলেহে নিৰ্বাচিত হ'ব পাৰে জনপ্ৰতিনিধি। সেইবাবে গণতান্ত্ৰিক ব্যৱস্থাত ভোটাৰৰ গুৰুত্ব অপৰিসীম। দেশৰ ৰাষ্ট্ৰপতি, প্ৰধানমন্ত্ৰীৰ ভোটৰ মূল্য যিমান, এজন ভিক্ষাৰীৰ ভোটৰ মূল্যও সিমান। এই নিয়মৰ ব্যতিক্ৰম নহয় ভাৰত। ভাৰতীয় সংবিধানে ১৮ বছৰৰ ওপৰৰ সকলো প্ৰাপ্তবয়স্ক লোকক ভোটাধিকাৰ প্ৰদান কৰিছে। নিজৰ পছন্দৰ প্ৰাৰ্থীগৰাকীক ভোট দি বিজয়ী কৰোৱাটোৱে সকলোৰে লক্ষ্য। পঞ্চায়ত পৰ্যায়ৰ পৰা আৰম্ভ কৰি প্ৰধানমন্ত্ৰী নিৰ্বাচিত কৰালৈকে একেই প্ৰক্ৰিয়াৰেই ভোটদান কৰা হয়। পিছে সংবিধানে প্ৰদান কৰা এই অধিকাৰ সকলোৱে জানো সাব্যস্ত কৰে? নিশ্চয় নকৰে। কাৰণ পঞ্চায়ত, বিধানসভা, লোকসভা আদি নিৰ্বাচনত ভোটদানৰ হাৰেই ইয়াৰ ছবিখন দাঙি ধৰে। ৬০-৭০ শতাংশ ভোটদান হোৱা মানে বাকী থকা লোকসকলে এই প্ৰক্ৰিয়াৰ পৰা বিৰত থকা।

আমাৰ দেশৰ প্ৰায়ভাগ লোকেই বুজি নাপায় নিজৰ ভোটদানৰ শক্তি কিমান? এজন জনপ্ৰতিনিধি, এখন চৰকাৰ গঠনত যে ভোটটো আটাইতকৈ গুৰুত্বপূৰ্ণ বিষয়ে সেই বিষয়ে নজনা বাবে বহুতে এই প্ৰক্ৰিয়াৰ পৰা আঁতৰি থাকে। অৱশ্যে এয়া যে কেৱল অশিক্ষিত লোকৰ মনত গঢ়ি উঠা প্ৰৱণতা

তেনে নহয়, বহুতো শিক্ষিত লোকেও ভোটাধিকাৰ সাব্যস্ত নকৰে। আন কিছু প্ৰাপ্তবয়স্ক লোকে কোনো কাৰণ নোহোৱাকৈয়ে ভোটাধিকাৰ সাব্যস্ত নকৰে। সংবিধানে প্ৰদান কৰা অধিকাৰ যিগৰাকী ব্যক্তিয়ে পালন কৰাৰ পৰিৱৰ্তে কেৱল বোজা বুলিহে ভাবে দৰাচলতে তেওঁলোকে ভাৰতৰ বাসিন্দা বা নাগৰিক বুলি দাবীও কৰিব নোৱাৰে।

আমাৰ দেশৰ ভোটাৰসকল সচেতন নহয়। সেইবাবে ভোটদানৰ পৰা আঁতৰি থাকি গৰ্ব অনুভৱ কৰে। ভোটদানৰ পৰা বিৰত থকা সকলৰ প্ৰায়ভাগ লোকেই আকৌ শিক্ষিত অথবা উচ্চ শিক্ষিত। সকলোৱে মনত ৰখা উচিত যে এখন ৰাজ্য বা দেশ শক্তিশালী হ'বলৈ ইয়াৰ জনপ্ৰতিনিধিও শক্তিশালী হ'ব লাগিব। কাৰণ উপযুক্ত প্ৰাৰ্থীয়েহে ৰাজ্য বা ৰাষ্ট্ৰ নিৰ্মাণত আগভাগ লয়। উপযুক্ত জনপ্ৰতিনিধি নিৰ্বাচিত হ'লেহে শক্তিশালী দেশ নিৰ্মাণ হ'ব। একো একোটা নিৰ্দিষ্ট অঞ্চলৰ সমস্যা সমাধানৰ বাবে বিধানসভা, সংসদত উত্থাপন কৰিব পাৰে সংশ্লিষ্ট অঞ্চলটোৰ পৰা নিৰ্বাচিত জনপ্ৰতিনিধি গৰাকীহে। ইমানৰ পাছতো ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ নোযোৱাটো বুধিয়কৰ কাম বুলি ভাবিব পাৰিনে?

আজিকালি ভোটাৰক ভোটদানৰ প্ৰতি আকৃষ্ট কৰিবলৈ প্ৰশাসনে বিভিন্ন ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। বাটৰ নাটৰ পৰা আৰম্ভ কৰি বিভিন্ন কৌশলেৰে যুৱ ভোটাৰক আকৰ্ষণ কৰিবলৈ যি পদক্ষেপ গ্ৰহণ কৰিছে সেয়া সঁচাকৈয়ে প্ৰশংসনীয় পদক্ষেপ। ৰাজনৈতিকভাৱে এগৰাকী ব্যক্তি সচেতন হয় নে নহয় সেয়া ভোটদানৰ ক্ষেত্ৰতেই ফুটি উঠে। তদুপৰি এনেয়ে ৰাজনৈতিক নেতা, দলৰ বিৰুদ্ধে মন্তব্য আগ বঢ়াই থকাতকৈ নিৰ্বাচনৰ সময়ত উপযুক্ত দল, ব্যক্তিৰ পক্ষত ভোটদান কৰি সমস্যাৰ সমাধান কৰাৰহে পথ মুকলি কৰা উচিত। যি ব্যক্তি ৰাজনৈতিক ক্ষেত্ৰত সচেতন নহয়, তেনে ব্যক্তিৰ দ্বাৰা সমাজ তথা দেশৰ উন্নতিও অসম্ভৱ।

ভোট দান কৰাটো কেৱল এটা সাধাৰণ কাম বুলি ভবাটো অনুচিত। কাৰণ এটা ভোটৰ বাবে কেতিয়াবা চৰকাৰ গঠনতো প্ৰভাৱ পৰে। এটোপ এটোপ কৰি বৰষুণৰ পানী পৰি সাগৰ, মহাসাগৰৰ সৃষ্টি হোৱাৰ দৰে এটা এটাকৈ ভোট দিলেহে এগৰাকী প্ৰাৰ্থীয়ে হেজাৰ হেজাৰ ভোট লাভ কৰিব

পাৰে। ভাৰতত পূৰ্বৰ তুলনাত ভোটদানৰ হাৰ বৃদ্ধি পাইছে। এতিয়া যুৱ ভোটাৰৰ সংখ্যাও বাঢ়িছে। বিগত কেইটামান বছৰত ছাত্ৰ-ছাত্ৰীসকলৰ মাজতো সজাগতা সৃষ্টি কৰা পৰিলক্ষিত হৈছে। এটা কথা ঠিক যে ৰাজনৈতিকভাৱে সচেতন কৰিবলৈ হ'লে এইবোৰ বিষয় পাঠ্যক্ৰমতো অন্তৰ্ভুক্ত কৰিব লাগিব। হাইস্কুল পৰ্যায়ৰ পৰাই এনেদৰে শিক্ষা দিব লাগিব যে প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ মনত দেশপ্ৰেম উদ্বুদ্ধ হওক, ৰাজনৈতিকভাৱে সচেতন হ'ব আৰু ভৱিষ্যতে নিজৰ বহুমূলীয়া ভোটটো পছন্দৰ প্ৰাৰ্থীক দিব। ভোট কাক দিয়ে সেইটো প্ৰতিগৰাকী ভোটাৰৰে নিজা কথা। কোনোৱে কাকো জোৰ কৰিব নোৱাৰে। ভাবুকি প্ৰদানো কৰিব নোৱাৰে। এজনৰ হৈ আন এজনে ভোট দিয়াটোও সম্ভৱ নহয়। ভোটাৰসকলে কেতিয়াও দল-সংগঠন আদিৰ প্ৰচাৰত ভোল যাব নালাগে। নিজৰ বিচাৰ-বুদ্ধি, বিবেচনাৰে ভোটদান কৰিব লাগে। আৱেগৰ ঢৌত উটি গৈ নিজৰ বহুমূলীয়া ভোটটো অযোগ্যজনৰ সপক্ষে দান কৰি অথলে যোৱাতকৈ এই ক্ষেত্ৰত সকলোৱে সৰ্তক হওক। নিজৰ বিবেকক সুধিহে ভোট দিব। সকলোৱে ভোটাধিকাৰ সাব্যস্ত কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হোৱা উচিত।

লোকসভা নিৰ্বাচন আহি পালেহি। এতিয়া সকলো ৰাজনৈতিক দলে নিজৰ নিজৰ দলৰ পক্ষত ভোট দিবলৈ প্ৰৰোচিত কৰিব। এনে প্ৰৰোচনাৰ বলি নহৈ সকলোৱে সংকল্প লওঁ আহক— আমি সকলোৱে ভোট দিম, নিজৰ বিবেকেৰে। ভোটাধিকাৰ সাব্যস্ত কৰিলেহে দেশৰ উন্নতি হ'ব।